অধ্যায় ১ ঃ প্রথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্রথম বিশ্বযুদ্ধ (১৯১৪-১৯১৮) ঃ কাৰণ আৰু পৰিণাম

১.৩.১ প্রথম বিশ্বযুদ্ধৰ কাৰণ

১.৩.২ প্রথম বিশ্বযুদ্ধৰ পৰিণাম

১.৪ দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-১৯৪৫) ঃ কাৰণ আৰু পৰিণাম

১.৪.১ দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণ

১.৪.২ দ্বিতীয় বিশ্বযুদ্ধৰ পৰিণাম

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রথম বিশ্বযুদ্ধৰ কাৰণবোৰ ব্যাখ্যা কৰিব পাৰিব
- প্রথম বিশ্বযুদ্ধৰ পৰিণামবোৰ আলোচনা কৰিব পাৰিব
- দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণবোৰ ব্যাখ্যা কৰিব পাৰিব
- দ্বিতীয় বিশ্বযুদ্ধৰ পৰিণামবোৰ আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

ঊনবিংশ শতিকাৰ আন্তঃৰাষ্ট্রীয় ব্যৱস্থা অতি সাম্রাজ্যবাদী প্রকৃতিৰ আছিল। কিছুমান শক্তিশালী ইউৰোপীয় দেশে ক্ষুদ্র ৰাষ্ট্রবোৰক লৈ ক্ষমতাৰ খেলত মত্ত আছিল। ইয়াৰ ফলস্বৰূপে বহুতো দেশত অসুৰক্ষাবোধে গা কৰি উঠিছিল। সেয়েহে সুৰক্ষাবাদ নাইবা সম্প্রসাৰণবাদৰ আঁৰ লৈ দেশবোৰৰ মাজত মিত্রজোঁট গঠন হৈছিল। এই বিকাশে সমগ্র ইউৰোপতে এক সংঘাতময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰিণামস্বৰূপে সমগ্র বিশ্বই একাদিক্রমে দুখন বিশ্বযুদ্ধ প্রত্যক্ষ কৰিছিল। প্রথম বিশ্বযুদ্ধৰ আৰম্ভণি হৈছিল ১৯১৪ চনত আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হৈছিল ১৯৩৯ চনত।

১.৩ প্রথম বিশ্বযুদ্ধ (১৯১৪-১৯১৮) ঃ কাৰণ আৰু পৰিণাম

প্রথম বিশ্বযুদ্ধ আছিল এখন পূর্ণাংগ যুদ্ধ। ইউৰোপত বহু শতিকা জুৰি এনে যুদ্ধ চলা নাছিল। এই যুদ্ধই ঊনবিংশ শতিকাৰ ইউৰোপীয় ব্যৱস্থাৰ স্থিতাৱস্থা সম্পূর্ণৰূপে মষিমূৰ কৰি পেলাইছিল। এই যুদ্ধই এখন জাকত জিলিকা মহাদেশৰূপে ইউৰোপে লাভ কৰা খ্যাতি ধূলিসাৎ কৰিছিল। দ্রুত গতিৰে ঔদ্যোগিকীকৰণ ঘটা বৃহৎ ৰাষ্ট্র আমেৰিকা যুক্তৰাষ্ট্র আৰু জাপানৰ দৰে দেশে সৃষ্টি কৰা প্রত্যাহ্বানবোৰৰ সৈতে ইউৰোপে সমানে ফেৰ মাৰিবলৈ আৰম্ভ কৰাৰ সময়তে এই যুদ্ধৰ সূচনা হৈছিল।

বৃটেইনৰ ৰাৰৰিক বিশ্ববিদ্যালয়ৰ আমেৰিকান ষ্টাডিজ বিষয়ৰ অধ্যাপিকা চুজান এল. কাৰুথার্চৰ মতে ১৯১৪ চনৰ বিশ্বযুদ্ধৰ প্রধান কাৰণ আছিল ইউৰোপীয়ান দেশবোৰৰ মাজত চলা সাম্রাজ্যবাদী বিবাদ। বৃটেইন আৰু জার্মানীৰ মাজত আছিল তীব্র প্রতিদ্বন্দ্বিতা। ফ্রান্সে জার্মানীৰ সম্প্রসাৰণ নীতিক লৈ ভীতিগ্রস্ত আছিল। আনহাতে অঞ্চল দখল কৰাটো আছিল জার্মানীৰ বাবে অর্থনৈতিক বাধ্যবাধকতা। এই পৰিস্থিতিবোৰৰ সৈতে জাতীয়তাবাদৰ প্রশ্নটোও সাঙোৰ খাই উঠিছিল। অৱশেষত ক্ষমতা প্রণালীৰ প্রচলিত সমতাত ব্যাঘ্যাত জন্মাৰ লগে লগে ১৯১৪ চনত প্রথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল।

১৯১৪ চনৰ ২৮ জুলাইত আৰম্ভ হোৱা যুদ্ধখনত ২৬ খন দেশ লিপ্ত হৈ পৰিছিল। ইউৰোপৰ বৃহত্তৰ ক্ষমতা দুটা মিত্রজোঁটত বিভক্ত হৈ পৰিছিল। ইয়াৰে এটাক ত্রিপল্ অঁটাঁট (Triple Entente) অথবা ত্রিপাক্ষিক সৌহার্দ্য বোলা হৈছিল। এই জোঁটত আছিল ফ্রান্স, ৰাছিয়া আৰু বৃটেইন। আনটো জোঁটক ত্রিপল্ এলায়েন্স (Triple Alliance)অথবা ত্রিপাক্ষিক মিত্রজোঁট বোলা হৈছিল। জার্মানী, অষ্ট্রিয়া-হাংগে�ৰী আৰু ইটালী আছিল এই মিত্রজোঁটৰ সদস্য ৰাষ্ট্র। কালক্রমত ত্রিপল অঁটাঁট ৰ সদস্য ৰাষ্ট্রকেইখন মিত্র শক্তি (Allied Powers) আৰু ত্রিপল্ এলায়েন্স ৰ সদস্য ৰাষ্ট্রকেইখন কেন্দ্রীয় শক্তি (Central Powers) নামেৰে জনাজাত হৈছিল।

অষ্ট্রিয়া-হাংগেৰীয়ে চার্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাটোৱেই হ'ল প্রথম বিশ্বযুদ্ধৰ আৰম্ভণি বিন্দু। ১৯১৪ চনৰ ২৮ জুনত অষ্ট্রিয়া-হাংগেৰী সাম্রাজ্যৰ সিংহাসনৰ উত্তৰাধিকাৰী আর্চডিউক ফ্রেঞ্জ ফার্ডিনাণ্ডে ব'চনিয়ালৈ আনুষ্ঠানিক ভ্রমণলৈ গৈ থকা অৱস্থাত আততায়ীৰ হাতত মৃত্যুবৰণ কৰিছিল। অষ্ট্রিয়া-হাংগেৰী প্রশাসনে এই হত্যাত চার্বিয়ান সন্ত্রাসবাদীৰ হাত আছে বুলি বিশ্বাস কৰিছিল। সেয়েহে অষ্ট্রিয়া-হাংগেৰীৰ দাবী পূৰণত ব্যর্থ হ'লে চার্বিয়াৰ বিৰুদ্ধে যুদ্ধ কৰা হ'ব বুলি চৰমপত্র প্রদান কৰা হৈছিল। চার্বিয়া এই দাবীসমূহ পূৰণত ব্যর্থ হৈছিল। সেয়েহে অষ্ট্রিয়া-হাংগেৰী সাম্রাজ্যই ১৯১৪ চনৰ ২৮ জুলাইত চার্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ৰাছিয়া এই কথাত তীব্র অসন্তুষ্ট হৈছিল আৰু লগে লগে অষ্ট্রিয়া-হাংগেৰীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ইপিনে জার্মানীয়ে বেলজিয়াম হৈ ফ্রান্সৰ ওপৰত আক্রমণ কৰিছিল। ইয়াৰ ফলত বেলজিয়ামৰ নিৰপেক্ষ স্থিতিৰ উলংঘন হৈছিল। সেয়েহে জার্মানীৰ

ক্ষমতা হ্ৰাস কৰিবলৈ ১৯১৪ চনৰ ৪ আগষ্টত গ্ৰেট বৃটেইনে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। আৰম্ভণিত আমেৰিকা যুক্তৰাষ্ট্ৰই এটা অনা-হস্তক্ষেপ আৰু বিচ্ছিন্নতাবাদী নীতি মানি চলিছিল যদিও জাৰ্মানি চাবমেৰিন বিভাগে সাতখন আমেৰিকান জাহাজ ডুবাই পেলোৱাৰ পাচত ১৯১৭ চনৰ এপ্ৰিল মাহত দেশখনে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

যুদ্ধৰ প্ৰাৰম্ভিক কালছোৱাত জাৰ্মানিয়ে পেৰিছ অভিমুখে অগ্ৰসৰ হোৱাৰ সিদ্ধান্ত লৈছিল। জাৰ্মান বাহিনী এই দিশত কিছু সফলো হৈছিল। কিন্তু ১৯১৪ চনৰ ছেপ্তেম্বৰ মাহত ফৰাছী সৈন্যবাহিনীয়ে জাৰ্মানসকলক পশ্চাৎমুখী হ'বলৈ বাধ্য কৰাইছিল। সেয়েহে এই সময়ছোৱাত মাৰ্নেৰ যুদ্ধখনক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। এই যুদ্ধই জাৰ্মান সামৰিক বাহিনীৰ অগ্ৰগতি ৰুদ্ধ কৰাৰ লগতে মিত্ৰজোঁটক পুনৰ একত্ৰিত হৈ যুদ্ধৰ বাবে পূৰ্বতকৈ উন্নততৰ প্ৰস্তুতি চলোৱাৰ সুযোগ দিছিল। তুৰ্কীয়ে চুৱেজ খাল অঞ্চলত থকা নিজৰ সুবিধাজনক স্থিতিলৈ লক্ষ্য ৰাখি জাৰ্মানীৰ প্ৰতি সমৰ্থন জনোৱাৰ সিদ্ধান্ত লৈছিল। বৃটেইনে লগে লগে ইয়াৰ আশ্ৰিত ৰাষ্ট্ৰ ইজিপ্তৰ প্ৰতিৰক্ষাৰ দিশটো সবল কৰি তুলিবলৈ তুৰ্কীৰ বিৰুদ্ধে চিৰিয়া, ইৰাক আৰু পেলেষ্টাইনত সামৰিক শক্তিক সষ্টম কৰি তুলিলে। ১৯১৫-১৯১৭ চনৰ সময়ছোৱাত বিশ্বযুদ্ধই চৰম পৰ্যায় পাইছিল। জাৰ্মানীয়ে এই যুদ্ধত চাবমেৰিন শক্তি ব্যৱহাৰ কৰি সবাতোকৈ সক্ৰিয় ভূমিকা লৈছিল। আনহাতে যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অংশগ্ৰহণে ইয়াৰ গতি ত্বৰান্বিত কৰিছিল।

১৯১৮ চনৰ ছেপ্তেম্বৰ মাহত বুলগেৰিয়াই গ্ৰীচৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। একেদৰে অষ্টিয়া আৰু তুৰ্কীয়ে পৰাজয় স্বীকাৰ কৰি ***'আমিষ্টিচ্' (Armistice)*** ৰ সুবিধা বিচাৰিছিল। এই সময়ছোৱাত ৰাছিয়াত হোৱা অক্টোবৰ বিপ্লৱ আৰু ১৯১৮ চনত নতুনকৈ গঠন হোৱা সংযুক্ত ছোভিয়েট সমাজবাদী গণৰাজ্য (USSR) ৰ পাচত যুদ্ধত ৰাছিয়াৰ অংশগ্ৰহণৰ ওৰ পৰিছিল। লাহে লাহে জাৰ্মানী অকলশৰীয়া হৈ পৰিছিল আৰু যুদ্ধ চলাই যোৱাৰ বাবে সহায়-সমৰ্থন হেৰুৱাই দুৰ্বল হৈ পৰিছিল। সাধাৰণ জাৰ্মান নাগৰিক তেওঁলোক শাসক 'কেইচাৰ' (Kaiser) ক লৈ অসন্তুষ্ট হৈ পৰিছিল। অৱস্থা এনে হৈছিলগৈ যে 'কেইচাৰ-এ' হ'লেণ্ডলৈ পলায়ন কৰিবলৈ বাধ্য হৈছিল। ১৯১৮ চনৰ ১১ নৱেম্বৰত জাৰ্মানীত মেক্ ভন বাদেনৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠিত হৈছিল আৰু এই চৰকাৰে বিশ্বযুদ্ধত পৰাজিত হোৱা বুলি স্বীকাৰ কৰিছিল। ১৯১৮ চনৰ ১৮ নৱেম্বৰত জাৰ্মানীৰ হাতত 'আমিষ্টিচ্'ৰ চৰ্তবোৰ তুলি দিয়াৰ লগে লগে প্ৰথম বিশ্বযুদ্ধৰ ওৰ পৰিছিল। ইয়াৰ পাচতেই বিংশ শতিকাৰ সৰ্বনাশী বিপৰ্যয়ৰ পৰা পুনৰ ঠন ধৰি উঠিবলৈ বিভিন্ন ৰাষ্ট্ৰই নানা ধৰণৰ শান্তি স্থাপনকাৰী প্ৰয়াস আৰম্ভ কৰিছিল।



আমিষ্টিচ্ (Armistice) ঃ যুদ্ধৰত পক্ষবোৰে যুদ্ধ বিৰতি বিচাৰি কৰা আনুষ্ঠানিক চুক্তি; যুদ্ধবিৰাম চুক্তি।

১.৩.১ প্ৰথম বিশ্বযুদ্ধৰ কাৰণ

১৮১৫ চনত অনুষ্ঠিত ভিয়েনা কংগ্ৰেছৰ পৰাই ঊনবিংশ শতিকাৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাবোৰ গঢ় লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱশ্যে এই ব্যৱস্থাবোৰ

আছিল ইউৰোপ কেন্দ্রিক। সেই সময়ৰ প্রধান শক্তিমন্ত দেশকেইখন আছিল বৃটেইন, ৰাছিয়া, অষ্ট্রিয়া আৰু প্রুছিয়া। ১৮৭১ চনত ফ্রেংক'-প্রুছিয়ান যুদ্ধত পৰাস্ত হৈ ফ্রান্সে অপমানিত বোধ কৰিছিল। ইয়াৰ পাচতেই আলচেচ-ল'ৰেইন অঞ্চলটো ফ্রান্সে জার্মানীক এৰি দিবলগীয়া হৈছিল। সেয়েহে ফ্রান্সত এক যুদ্ধসদৃশ পৰিস্থিতি অনবৰতে বিৰাজমান হৈ আছিল। আনহাতে, বৃটেইন, ৰাছিয়া, অষ্ট্রিয়া, জার্মানী আৰু ইটালীয়ে ক্ষমতা আৰু শ্রেষ্ঠত্ব প্রতিপন্ন কৰাৰ অশুভ সংঘর্ষত লিপ্ত হৈ অঞ্চলটোৰ প্রধান ক্ষমতা হিচাপে স্বীকৃতি লাভ কৰিছিল। তলত প্রথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ প্রধান কাৰণ কেইটামান আলোচনা কৰা হ'ল ঃ

- *ক্ষমতা প্রণালীৰ ভাৰসাম্য নাইকীয়া হোৱা ঃ* ঊনবিংশ শতিকাত এটা ইউৰোপকেন্দ্রিক ক্ষমতা প্রণালীৰ ভাৰসাম্য বর্তি আছিল। এই ক্ষমতা প্রণালীৰ অধীনত বিভিন্ন দেশে অস্ত্র সংগ্রহ, আঞ্চলিক ক্ষতিপূৰণ, ক্ষতিপূৰণ, মিত্রজোঁট গঠন আৰু বিৰোধী মিত্রজোঁট গঠন আদিৰ দৰে কার্যকলাপ চলি আছিল। ইয়াৰ ফলত সমগ্র আন্তঃৰাষ্ট্রীয় প্রণালীটো অস্থিৰ হৈ পৰিছিল। প্রণালীটোৱে যুদ্ধক নিজ অস্তিত্ব বর্তাই ৰখাৰ এক উপায় ৰূপে গ্রহণ কৰিছে। এই ক্ষমতা প্রণালীটোৰ ভাৰসাম্য নাইকিয়া হোৱা আৰু ক্ষমতা শূন্যতাৰ পৰিস্থিতি এটাৰ সৃষ্টি হোৱাটোৱেই হ'ল বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ এটা প্রধান কাৰণ।
- *চৰম জাতীয়তাবাদৰ উত্থান ঃ* ঊনবিংশ শতিকাত ইউৰোপত চৰম জাতীয়তাবাদে গা কৰি উঠিছিল। ফৰাছী বিপ্লৱৰ প্রভাৱেই আছিল ইয়াৰ মূল কাৰণ। একে পথ অনুসৰণ কৰি জার্মানী আৰু ইটালীয়েও জাতীয়তাবাদৰ আগ্রাসী নীতি গ্রহণ কৰিছিল। ইয়াৰ পৰিণাম স্বৰূপে বিভিন্ন বহুজাতিক নাগৰিক থকা দেশত নৃগোষ্ঠীয় সংঘাত আৰু সংঘর্ষই দেখা দিছিল। ইয়াৰ এটা উদাহৰণ হ'ল জার্মান ৰাজনীতিক বিচমার্কৰ নীতি। তেওঁৰ নেতৃত্বত জার্মান জাতীয়তাবাদীসকলে ইউৰোপৰ সকলো জার্মান ভাষা প্রচলিত অঞ্চলকে এখন একক জার্মান ৰাষ্ট্রৰ অধীন কৰাৰ প্রক্রিয়া আৰম্ভ কৰিছিল। এই প্রক্রিয়া কার্যৰূপায়িত কৰিবলৈ যাওতে জার্মানীয়ে ফ্রান্স আৰু অষ্ট্রিয়াৰ সৈতে নানা বিবাদত লিপ্ত হৈছিল। ১৮৭০ চনত অখণ্ড জার্মানী গঠন হোৱাৰ লগে লগে ইউৰোপীয় অসুৰক্ষাৰ ধাৰণাটো গাঢ়তৰ হৈ পৰিছিল। জার্মানীৰ সম্প্রসাৰণবাদী নীতিৰ ফলত ইউৰোপত আভ্যন্তৰীণ সংঘর্ষৰ সৃষ্টি হৈছিল। বল্কান আৰু মধ্য ইউৰোপ অঞ্চলতো জাতীয়তাবাদে শক্তিশালী ৰূপ ধাৰণ কৰিছিল।
- *সাম্রাজ্যবাদী আৰু সম্প্রসাৰণবাদী নীতি ঃ* ইংলেণ্ড, ফ্রান্স, স্পেইন, হ'লেণ্ড,বেলজিয়াম, ইটালী আৰু জার্মানীৰ দৰে অধিকাংশ ইউৰোপীয়ান দেশেই সাম্রাজ্যবাদী আৰু সম্প্রসাৰণবাদী নীতি গ্রহণ কৰিছিল। ইউৰোপীয়

দেশবোৰে সংশ্লিষ্ট উপনিৱেশবোৰত শোষণ চলাবলৈ সাম্ৰাজ্যবাদক এক আহিলাৰূপে ব্যৱহাৰ কৰিছিল। ঔপনিৱেশিক শক্তিবোৰৰ মাজত নানা স্থানত, বিশেষকৈ আফ্ৰিকাত বহুতো সংঘৰ্ষ লাগিছিল। ইউৰোপীয় শক্তিবোৰৰ মাজত চলা ঔপনিৱেশিক শত্ৰুতাকো প্ৰথম বিশ্বযুদ্ধৰ এটা প্ৰধান কাৰণ বুলি ধৰা হয়।

- *যুদ্ধবাদ (Militarism) ঃ* এই সময়ছোৱাত ইউৰোপীয় দেশবোৰৰ জাতীয় শক্তি আছিল যুদ্ধবাদ আৰু সামৰিক শক্তি। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কবোৰৰ ক্ষেত্ৰত প্ৰতিখন দেশেই নিজ নিজ স্বাৰ্থ সুৰক্ষিত ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। যুদ্ধক বিবাদ নিষ্পত্তিৰ এক উপায় ৰূপে গ্ৰহণ তথা ব্যৱহাৰ কৰা হৈছিল। আলাপ-আলোচনাৰ পৰিৱৰ্তে যুদ্ধ কৰাটোকে শ্ৰেয় বুলি বিবেচনা কৰা হৈছিল। বিংশ শতিকাৰ আৰম্ভণিতে দেশবোৰৰ মাজত অস্ত্ৰ সংগ্ৰহৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। প্ৰতিখন দেশেই নিজৰ সামৰিক বাহিনীৰ আকাৰ আৰু শক্তি বৃদ্ধি কৰিব খুজিছিল। দেশবোৰে এই সময়খিনিত গোপন কূটনৈতিক সম্পৰ্ক স্থাপন প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰিছিল।
- *মিত্ৰজোঁট গঠন ঃ* এই সময়খিনিত সমগ্ৰ বিশ্বতে দেশবোৰে নিজ নিজ চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে বিভিন্ন প্ৰতিৰক্ষা চুক্তি স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এই চুক্তিবোৰে বন্ধু ৰাষ্ট্ৰৰ ওপৰত চলা আক্ৰমণ প্ৰতিহত কৰাত সহায় কৰিবলৈ ৰাষ্ট্ৰবোৰক দায়বদ্ধ কৰি ৰাখিছিল। ৰাছিয়া আৰু চাৰ্বিয়া, বৃটেইন-ফ্ৰান্স-বেলজিয়াম, জাৰ্মানী আৰু অষ্টিয়া-হাংগেৰী, ফ্ৰান্স আৰু ৰাছিয়া আদি দেশৰ মাজত এনে বহুকেইখন সন্ধি/চুক্তি স্বাক্ষৰিত হৈছিল।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ কিছুসময়ৰ বিশেষত্ব আছিল ইউৰোপৰ ক্ষমতা প্ৰণালীৰ ভাৰসাম্যতা, ইউৰোপৰ আধিপত্য, চৰম জাতীয়তাবাদ আৰু এক আন্তঃৰাষ্ট্ৰীয় নিয়ামক সংস্থাৰ অস্তিত্বহীন। এই সময়ছোৱাত অঞ্চলটোৰ দেশবোৰে পৰস্পৰে পৰস্পৰক অবিশ্বাস কৰিছিল, পৰস্পৰৰ প্ৰতি শত্ৰুতা প্ৰদৰ্শন কৰিছিল, দেশবোৰত আগ্ৰাসী জাতীয়তাবাদী মানসিকতাই গা কৰি উঠিছিল আৰু গোপন কূটনৈতিক সম্পৰ্ক স্থাপনৰ নিয়ম আৰম্ভ হৈছিল। এইবোৰ কাৰণতে প্ৰথম বিশ্বযুদ্ধৰ সূত্ৰপাত হৈছিল।

১.৩.২ প্ৰথম বিশ্বযুদ্ধৰ পৰিণাম

- *প্ৰথম বিশ্বযুদ্ধ ওৰ পৰাৰ পাচত স্থাপন হোৱা শান্তি চুক্তি ঃ* কেন্দ্ৰীয় শক্তি আৰু মিত্ৰ শক্তিৰ মাজত চলা যুদ্ধৰ পৰিস্থিতি শাম কটাৰ পাচত পেৰিছ শান্তি সন্মিলনৰ আয়োজন কৰা হৈছিল আৰু বিভিন্ন শান্তি চুক্তি স্থাপন হৈছিল।

পেৰিছ শান্তি সন্মিলনৰ ফলস্বৰূপে ১৯২০ চনৰ ১০ জানুৱাৰীত

'জাতিসংঘ' (League of Nations) নামৰ এক আন্তঃ চৰকাৰ পৰ্যায়ৰ সংস্থাই জন্মলাভ কৰিছিল। সংস্থাটোৰ লক্ষ্য আছিল বিশ্ব শান্তি বৰ্তাই ৰখা।

পেৰিছ শান্তি সন্মিলন অনুষ্ঠিত হোৱাৰ সমসাময়িকভাৱে সম্পাদিত কেইখনমান গুৰুত্বপূৰ্ণ সন্ধি/চুক্তিৰ নাম তলত উল্লেখ কৰা হ'ল। এই সকলোবোৰেই বিশ্বযুদ্ধৰ পাচৰ পৰিস্থিতি পুনৰ স্বাভাৰিক কৰি তোলাৰ প্ৰয়াস কৰিছিল।

- ভাৰ্চাইল চুক্তি, ১৯১৯
- চেইন্ট জাৰ্মিয়াঁ চুক্তি
- নিউইলি চুক্তি
- ত্ৰিয়ানোঁ চুক্তি
- চেৰৰেচ চুক্তি
- লউচেন/লউচাঁ চুক্তি

এই চুক্তিবোৰৰ আধাৰত কেইবাখনো নতুন ৰাষ্ট্ৰৰ জন্ম হৈছিল। কিন্তু এই ৰাষ্ট্ৰবোৰত উপযুক্ত সুৰক্ষা ব্যৱস্থা গঢ় লৈ উঠা নাছিল। পৰৱৰ্তী সময়ত এই ৰাষ্ট্ৰবোৰক সুৰক্ষা আৰু অধিকাৰ প্ৰদানৰ প্ৰচেষ্টা আৰম্ভ হৈছিল। তথাপিও এই নতুনকৈ সৃষ্ট ৰাষ্ট্ৰবোৰৰ বাবে এনে সুৰক্ষা আৰু অধিকাৰ পৰ্যাপ্ত নাছিল। সেয়েহে এই ৰাষ্ট্ৰবোৰক মিত্ৰ শক্তিৰ একোটা অংশ কৰি লোৱা হৈছিল। পৰৱৰ্তী সময়ত চেক'শ্লোভাকিয়া, য়ুগোশ্লাভিয়া, ৰোমানিয়া, গ্ৰীচ আৰু আৰ্মেনিয়াৰ সৈতে পৃথক পৃথক সংখ্যালঘু সন্ধি/চুক্তি প্ৰস্তুত কৰা হৈছিল। বৃহৎ ৰাষ্ট্ৰবোৰে এনে সংখ্যালঘু ৰাষ্ট্ৰবোৰৰ সৈতে বিভিন্ন দ্বিপাক্ষিক চুক্তিতো চহী কৰিছিল। 'জাতিসংঘক' এই প্ৰক্ৰিয়াবোৰ তদাৰক কৰাৰ কৰ্তৃত্ব দিয়া হৈছিল। কিন্তু তথাপিও এই প্ৰয়াসবোৰ পৰ্যাপ্ত আছিল বুলি ক'ব নোৱাৰি। কাৰণ, জাতিসংঘই প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ মাজৰ সময়ছোৱাত শান্তি বৰ্তাই ৰখা প্ৰক্ৰিয়াত সক্ৰিয় ভূমিকা লোৱাত ব্যৰ্থ হৈছিল। এই সময়ছোৱাত সংঘটিত হোৱা কিছুমান গুৰুত্বপূৰ্ণ ঘটনাই বিশ্বক আন এখন অধিক ভয়াবহ যুদ্ধৰ দিশলৈ আগবঢাই নিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰথম বিশ্বযুদ্ধৰ পাছত পুনৰ স্বাভাৰিক অৱস্থা ঘূৰাই আনিবলৈ পেৰিছ শান্তি সন্মিলনৰ সমসাময়িকভাৱে স্বাক্ষৰিত যিকোনো দুখন চুক্তিৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ প্রথম বিশ্বযুদ্ধৰ সময়ত ইউৰোপৰ বৃহৎ শক্তিবোৰ 'ত্রিপাক্ষিক সৌহার্দ' আৰু ত্রিপাক্ষিক মিত্রজোঁট নামৰ দুটা প্রধান ভাগত একত্রিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

১.৪ দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-১৯৪৫)ঃ কাৰণ আৰু পৰিণাম

জার্মানে পোলেণ্ডত আগ্রাসন আৰম্ভ কৰাৰ লগে লগে ১৯৩৯ চনৰ ১ ছেপ্তেম্বৰৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সূত্রপাত হৈছিল। ইয়াৰ আগে আগে, পোলিশ্ব অঞ্চলবোৰ ভগাই ল'বলৈ জার্মানী আৰু ছোভিয়েট ইউনিয়নৰ মাজত এখন পাৰস্পৰিক অনাগ্রাসন চুক্তি স্বাক্ষৰিত হৈছিল। এনেধৰণৰ চুক্তি বৃটেইন আৰু ফ্রান্সৰ মাজতো স্বাক্ষৰিত হৈছিল। কিন্তু একেসময়তে ছোভিয়েট ইউনিয়ন আৰু জার্মানী, বৃটেইন আৰু জার্মানীৰ মাজত গোপন চুক্তি সম্পাদিত হৈছিল। জার্মানীয়ে পোলেণ্ড আক্রমণ কৰাৰ লগে লগে বৃটেইন আৰু ফ্রান্সে জার্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। সোনকালেই আৰু কেইখন মান ৰাষ্ট্র এই যুদ্ধত জড়িত হোৱাৰ লগে লগে ই এক পূর্ণাংগ বিশ্বজনীন যুদ্ধৰ ৰূপ লৈছিল। একেদৰে, জাপানে চীনৰ বিৰুদ্ধে আগ্রাসন আৰম্ভ কৰিছিল। ইটালী দীর্ঘদিন ধৰি নিৰপেক্ষ হৈ আছিল যদিও এসময়ত জার্মানীৰ পক্ষ লৈ যুদ্ধত ভাগ লৈছিল। ১৯৪১ চনৰ ২২জুন পায়হি মানে ইউৰোপৰ বহুকেইখন দেশত বিজয় সাব্যস্ত কৰি জার্মানীয়ে ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ইয়াৰ বাবে বাধ্য হৈ ছোভিয়েট ইউনিয়নে মিত্র বাহিনীত যোগ দিছিল। ইয়াৰ কিছুদিনৰ পাচতেই হাৱাইৰ পার্ল হার্বৰিত অৱস্থিত আমেৰিকা যুক্তৰাষ্ট্রৰ নৌ বাহিনীৰ সদৰ শিৰিৰত জাপানে বোমা বর্ষণ কৰিছিল। যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্রই যোগ দিয়াৰ লগে লগে যুদ্ধত ৰত দেশবোৰ দুটা প্রধান শক্তিত বিভক্ত হৈ পৰিল — মিত্র শক্তি (Allied Powers) আৰু চক্র শক্তি (Axis Powers)। মিত্র শক্তিৰ সদস্য ৰাষ্ট্রবোৰ হ'ল বৃটেইন, ফ্রান্স, ছোভিয়েট ইউনিয়ন, আমেৰিকা যুক্তৰাষ্ট্র আৰু ইয়াৰ মিত্র দেশবোৰ। আনহাতে, চক্র শক্তিৰ সদস্য ৰাষ্ট্রকেইখন আছিল জার্মানী, ইটালী আৰু জাপান। পার্ল হার্বাৰত জাপানে চলোৱা আক্রমণৰ প্রত্যুত্তৰ হিচাপে আমেৰিকা যুক্তৰাষ্ট্রই জাপানৰ হিৰোশ্মিমা আৰু নাগাচাকি চহৰ দুখনত পাৰমাণৰিক বোমাৰ বিস্ফোৰণ ঘটাইছিল। অৱশেষত এই যুদ্ধত মিত্র শক্তি বিজয়ী হৈছিল। ১৯৪৫ চনৰ ৮ মে'ত জার্মানীয়ে পৰাজয় বৰণ কৰিছিল। ১৯৪৫ চনৰ ২ ছেপ্তেম্বৰৰ দিনা আমেৰিকা যুক্তৰাষ্ট্র আৰু জাপানৰ মাজত যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধৰ হঠাতে ওৰ পৰিছিল।

১.৪.১ দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণ

১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধৰ ১৯৪৫ চনত সামৰণি পৰিছিল। এই যুদ্ধৰ কেইটামান কাৰণ তলত উল্লেখ কৰা হ'ল ঃ

- *শান্তি চুক্তিসমূহৰ ব্যর্থতা ঃ* প্রথম বিশ্বযুদ্ধ শেষ হোৱাৰ লগে লগে স্বাক্ষৰিত ভার্চাইলৰ চুক্তিয়ে তেতিয়াৰ ইউৰোপৰ দেশবোৰৰ জ্বলন্ত সমস্যাসমূহ সমাধান

কৰাত ব্যর্থ হৈছিল। চুক্তিৰ নিয়মবোৰে জার্মানীৰ দৰে কিছুমান নির্দিষ্ট দেশক লক্ষ্য কৰি লৈছিল আৰু এনে দেশবোৰত কঠোৰ বাধা-নিষেধ আৰোপ কৰিছিল। চুক্তিৰ বিভিন্ন দফাই প্রকৃততে জার্মানীক প্রত্যক্ষ নাইবা পৰোক্ষভাৱে সকলো দিশেৰে দুর্বল কৰি তোলাৰ চেষ্টা চলাইছিল। জার্মানী অঞ্চলৰ দিশেৰে, অর্থনৈতিকভাৱে, সামৰিক দিশেৰে আৰু ৰাজনৈতিক ভাৱে দুর্বল হৈ পৰিছিল। ফ্রান্সে পুনৰ আলচাচ আৰু লোৰেইনৰ কর্তৃত্ব ওভটাই পাইছিল; বেলজিয়ামক মালমেদি ওভটাই দিয়া হৈছিল, উজনি চিলচিয়া আৰু পূৱ প্রুছিয়াৰ দক্ষিণ অংশটো পোলেণ্ড ওভটাই পাইছিল; ডেন্‌জিং মুক্ত নগৰ হৈ পৰিছিল আৰু মেমেলৰ কর্তৃত্ব লিথুৱানিয়াৰ হাতত অর্পণ কৰা হৈছিল। অষ্ট্রিয়াৰ একত্রকৰণ প্রক্রিয়া নিষিদ্ধ কৰা হৈছিল। অর্থনৈতিক দিশেৰে জার্মানীয়ে বিভিন্ন দেশক লালবন্দী ৰূপে বৃহৎ পৰিমাণৰ ক্ষতিপূৰণ দিবলগীয়া হৈছিল। জার্মানী সামৰিক বাহিনীৰ আকাৰ আৰু শক্তি লক্ষণীয়ভাৱে হ্রাস কৰা হৈছিল। চুক্তিখনৰ উদ্দেশ্যই আছিল সকলো দিশেৰে জার্মানীৰ ক্ষমতা হ্রাস কৰা। এই কথাই হয়তো পৰৱর্তী সময়ত নাজী শক্তিৰ উত্থান ঘটাত ঘৃণাৰ বীজৰ ভূমিকা লৈছিল।

- *সংকীর্ণ জাতীয়তাবাদ ঃ* ভার্চাইলৰ চুক্তিৰ অপমানজনক আৰু মর্যাদা হানিকৰ নীতি-নিয়ম আৰু চর্তবোৰ বলবৎ হোৱাৰ পাচত জার্মানী, ইটালী আৰু জাপানে চৰম তথা সংকীর্ণ জাতীয়তাবাদৰ আশ্রয় লৈছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ ৰাষ্ট্রপতি ৰিলচনে জাপি দিয়া ব্যৱস্থাবোৰে জার্মানীৰ নাগৰিকক অতীষ্ঠ কৰি তুলিছিল। সেয়েহে তেওঁলোকে নার্জী দলৰ প্রতিস্থাপক এড'ল্ফ হিটলাৰক সচেতনভাৱে নিজৰ নেতাৰূপে মানি লৈছিল আৰু তেওঁৰ নীতি অনুসৰণ কৰিবলৈ লৈছিল। একেদৰে, পেৰিছ শান্তি সম্মিলনৰ পৰা ইটালী কোনোধৰণে উপকৃত নহ'ল আৰু এই কথাটোৱে ১৯৩০ চনৰ অর্থনৈতিক মন্দাৱস্থাত মোক্ষম আঘাত হানিছিল। ইয়াৰ পৰিণাম স্বৰূপে ইটালীৰ নেশ্যনেল ফেচিষ্ট দলৰ নেতা বেনিটো মুছোলিনীক ক্ষমতালৈ অহাত সহায় কৰিছিল। তেওঁ ইটালীক এখন চহকী আৰু সমৃদ্ধ ৰাষ্ট্রত পৰিণত কৰাৰ প্রতিশ্রুতি দিছিল। ৰোম-বার্লিন চক্র শক্তিৰ সহায়ত মুছোলিনীয়ে ইটালীৰ চাৰিসীমা আন্তঃৰাষ্ট্রীয় সম্পর্কৰ দিশেৰে সম্প্রসাৰিত কৰাৰ কামত হাত দিছিল। ইউৰোপত এই দুটা বাদ, যেনে নাজীবাদ আৰু ফেঁচিবাদৰ উত্থানে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পথ প্রশস্ত কৰি তুলিছিল।
- *যুদ্ধবাদ আৰু সম্প্রসাৰণবাদ ঃ* প্রথম বিশ্বযুদ্ধৰ এক গুৰুত্বপূর্ণ অংশগ্রহণকাৰী জাপান এই সময়ছোৱাত এক অগ্রণী অৱস্থাত আছিল। জাপানী সাম্রাজ্যৰ যুদ্ধ পৰিষদখনে দেশৰ সামৰিক শক্তি বৃদ্ধি কৰাৰ কামত ব্রতী আছিল। ই জাতিসংঘৰ দ্বাৰা নির্ধাৰিত নীতি-নিয়ম উলংঘা কৰি চীন অধ্যুষিত মাঞ্চুৰিয়া অঞ্চলত আক্রমণ কৰিছিল। এনেকৈয়ে দেশখনে চীনৰ বিৰুদ্ধে অঘোষিত

যুদ্ধ আৰম্ভ কৰিছিল। জাপানো ৰোম-বার্লিন চক্ৰ শক্তিৰ অংশ আছিল। সেয়েহে জাপানে দ্বিতীয় বিশ্বযুদ্ধত এটা সক্ৰিয় ভূমিকা পালন কৰিছিল। পার্ল হার্বাৰ আক্ৰমণ কৰি জাপানে যুদ্ধখনক এটা নিৰ্ণায়ক গতি দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই এই আক্ৰমণৰ পোতক তুলিবলৈ জাপানৰ হিৰোশ্বিমা আৰু নাগাচাকিত পাৰমাণৰিক বোমা পেলাইছিল।

- *জাতিসংঘৰ ব্যৰ্থতা ঃ* প্ৰথম বিশ্বযুদ্ধৰ পাচত শান্তি স্থাপনৰ উদ্দেশ্যেৰে ১৯১৯ চনত জাতিসংঘ গঠন কৰা হৈছিল। কিন্তু সংৰচনাত্মক বিসংগতি আৰু সিদ্ধান্ত গ্ৰহণত সহমতৰ অভাৱ ঘটাৰ ফলত জাতিসংঘৰ সদস্য ৰাষ্ট্ৰবোৰে শান্তি স্থাপন প্ৰক্ৰিয়াত বিচৰা ধৰণে সক্ৰিয় ভূমিকা ল'ব নোৱাৰিলে। ইয়াৰ পৰিণাম স্বৰূপে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ অনুকূল পৰিৱেশ গঢ় লৈ উঠিছিল। জাতিসংঘ ব্যৰ্থ হোৱাৰ কিছুমান বিশেষ কাৰণ আছিল। এনে কাৰণ দুটামান হ'ল —
  - জাতিসংঘত শক্তিশালী সাংগঠনিক নির্দেশৰ অভাৱ আছিল।
  - ইয়াৰ চুক্তিনামাবোৰ সফল কার্যসম্পাদনৰ আধাৰত কম আৰু উলংঘনৰ আধাৰত বেছিকৈ বিবেচনা কৰি চোৱা হৈছিল।
  - মাঞ্চুৰিয়া আৰু অবিচিনিয়াৰ সংকটৰ সময়ত জাতিসংঘই কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে (অবিচিনিয়া আছিল ইথিঅ'পিয়ান সাম্ৰাজ্যৰ অধীন এটাঅঞ্চল। ইটালীয়ে এই অঞ্চলটোত আক্ৰমণ কৰিছিল)।
  - ক্ষুদ্ৰ ৰাষ্ট্ৰবোৰক জাতিসংঘৰ অধীনত সামৰি লোৱা হোৱা নাছিল।
  - জাতিসংঘৰ সদস্য বৃহৎ শক্তিবোৰে সংঘৰ নীতি-নিয়মবোৰ কার্যৰূপায়িত কৰাৰ কোনো প্ৰয়াস চলোৱা নাছিল।
  - বৃটেইন আৰু ফ্ৰান্সৰ দৰে কিছুমান দেশে জাতিসংঘক ব্যক্তিগত স্বার্থত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল।
  - আমেৰিকা যুক্তৰাষ্ট্ৰ জাতিসংঘৰ সদস্য হোৱাত ব্যৰ্থ হৈছিল।
  - জার্মানীৰ বাবে জাতিসংঘ অর্থহীন আছিল। কাৰণ, এই সংঘ আছিল বিজয়ী সাম্ৰাজ্যবাদী শক্তিবোৰে মিলি গঠন কৰা এটা দল।
  - ছোভিয়েট ইউনিয়নৰ বাবে জাতিসংঘ আছিল সাম্ৰাজ্যবাদী শক্তিসমূহৰ এখন মঞ্চ।

  মৌলিকভাৱে জাতিসংঘৰ দক্ষতা আৰু সামঞ্জস্যৰ অভাৱ আছিল। সেয়েহে ই যুদ্ধবিধ্বস্ত দেশবোৰত সামূহিক সুৰক্ষাৰ ভাৱনা গঢ়ি তোলাত ব্যৰ্থ হৈছিল দ্বিতীয় বিশ্বযুদ্ধৰ ৰূপত এই ব্যৰ্থতাই আন এক বিপর্যয়ৰ সূচনা কৰিছিল।
- *নিৰস্ত্ৰীকৰণৰ ব্যৰ্থতা ঃ* ধৰি লোৱা হৈছিল যে পেৰিছ শান্তি সন্মিলনৰ ওৰ পৰাৰ পাচত দেশবোৰে নিৰস্ত্ৰীকৰণৰ পন্থা গ্ৰহণ কৰিব। কিন্তু বাস্তৱত তেনে একো

নঘটিল। ১৯২০ চনত অস্থায়ী মিশ্রিত আয়োগ এখন গঠনৰ জৰিয়তে জাতিসংঘক সকলো ধৰণৰ অস্ত্র-শস্ত্রৰ নিৰস্ত্রীকৰণৰ দায়িত্ব অর্পণ কৰা হৈছিল। কিন্তু জাতিসংঘ এই কামত ব্যর্থ হৈছিল। ১৯২৫ চনত এখন প্রস্তুতি আয়োগ গঠন কৰা হৈছিল যদিও দেশবোৰৰ মাজত সহমতৰ সৃষ্টি নোহোৱা বাবে আক্রমণৰ উপযোগী অস্ত্র-শস্ত্রবোৰ চিনাক্ত কৰিব পৰা ন'গল। ইয়াৰ ফলত দেশবোৰৰ মাজত পাৰস্পৰিক অবিশ্বাসৰ মাত্রা বৃদ্ধি পাইছিল। ভার্চাইলৰ চুক্তি অনুসৰি জার্মানীক অস্ত্র সমর্পন কৰিবলৈ বাধ্য কৰোৱা হৈছিল। চুক্তিত স্থির কৰা হৈছিল যে একাদিক্রমে অন্য দেশবোৰকো অস্ত্র সমর্পণ কৰিবলৈ বাধ্য কৰোৱা হ'ব। কিন্তু এয়া বাস্তৱ নহ'ল আৰু জার্মানীয়ে জাতিসংঘ ত্যাগ কৰিলে। দেশখনে নিৰস্ত্রীকৰণ সম্মিলনৰ নীতি-নিয়মো বর্জন কৰিলে। বিশ্বৰ অন্য ক্ষমতাশালী ৰাষ্ট্রবোৰৰ হাতত বৃহৎ পৰিমাণৰ অস্ত্র-শস্ত্র মজুত আছিল। নিৰস্ত্রীকৰণ প্রক্রিয়া ব্যর্থ হোৱাৰ ফলত অভূতপূর্ব ধৰণৰ অস্ত্র সংগ্রহৰ প্রতিযোগিতা আৰম্ভ হৈছিল আৰু ই দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হোৱাৰ অশনি সংকেত বহন কৰিছিল।

- *অর্থনৈতিক মন্দাৱস্থা, ১৯৩০ ঃ* ১৯২৯ চনলৈ আমেৰিকা যুক্তৰাষ্ট্রই ইউৰোপীয় দেশবোৰক সকলো ধৰণৰ ঋণ প্রদান ব্যৱস্থা বন্ধ কৰিছিল। এই কথাই জার্মানীৰ উন্নয়নমূলক নীতিবোৰক প্রত্যক্ষভাৱে ভীতিগ্রস্ত কৰিছিল। এই সময়ছোৱাত দেশখন আমেৰিকা যুক্তৰাষ্ট্রৰ মঞ্জুৰীপ্রাপ্ত ঋণৰ ওপৰত নির্ভৰশীল আছিল। ১৯৩০ চনৰ অর্থনৈতিক মন্দাৱস্থাই সমগ্র মধ্য ইউৰোপত বেংক ব্যৱস্থাটো বিকল কৰি পেলাইছিল। ইয়াৰ ফলত জার্মানীৰ বেংক ব্যৱস্থা সম্পর্ণ বিপর্যস্ত হৈছিল। সমগ্র ইউৰোপতে এক বৃহৎ সংখ্যক মানুহ কর্ম সংস্থাপনহীন হৈ পৰিছিল। সকলোবোৰ দেশৰ ভিতৰত জার্মানী সবাতোকৈ অধিক ক্ষতিগ্রস্ত হৈছিল। ইংলেণ্ডে সোণৰ স্বীকৃত মানেৰে অর্থনীতি ধৰি ৰাখিছিল। জাপান আৰু ইটালীয়ে এই অর্থনৈতিক সংকটৰ সুবিধা লৈ আগ্রাসী নীতি কার্য ৰূপায়িত কৰিছিল। এই সকলোবোৰে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাত বৰঙণি আগবঢ়াইছিল।

ওপৰত উল্লেখ কৰা কাৰণবোৰেই দ্বিতীয় বিশ্বযুদ্ধৰ সূত্রপাত হোৱাৰ একমাত্র কাৰণ নহয়। বিশ্বযুদ্ধৰ অনুকূল পৰিৱেশ গঢ় লৈ উঠাত অৱদান আগবঢ়োৱা আন কেইটামান কাৰক হ'ল সংঘাত এৰাই চলিবলৈ বৃটেইন আৰু ফ্রান্সে বিভিন্ন প্রশমন নীতিৰে হিটলাৰলৈ আগবঢ়োৱা বিভিন্ন ৰেহাই, গোপন মিত্রতা গঢ়াৰ ব্যৱস্থা, ৰাষ্ট্রীয় সংখ্যালঘুসকলৰ সমস্যাৰ সমাধান বাহিৰ নোহোৱা ইত্যাদি।

১.৪.২ দ্বিতীয় বিশ্বযুদ্ধৰ পৰিণাম

যুদ্ধ চলি থকাৰ সময়তো বৃহৎ শক্তিবোৰে শান্তি স্থাপনৰ প্রয়াস চলাই আছিল। বিভিন্ন সম্মিলনৰ জৰিয়তে ১৯৩৯-১৯৪৫ চনৰ ভিতৰত কেইবাখনো

সন্ধি/চুক্তি সম্পাদন কৰা হৈছিল। ইয়াৰে কেইখনমান গুৰুত্বপূৰ্ণ সন্ধি/ চুক্তি হ'ল—

- আটলাণ্টিক সন্মিলন, ১৯৪১
- কাচাব্লাংকা সন্মিলন, ১৯৪৩
- মস্কো সন্মিলন, ১৯৪৩
- কাইৰো সন্মিলন, ১৯৪৩
- তেহৰাণ সন্মিলন, ১৯৪৩
- ডাম্বাৰটন ওকচ্, ১৯৪৪ (ৰাষ্ট্ৰসংঘ গঠন বিষয়ক চুক্তি)
- কুইৰেক্ সন্মিলন, ১৯৪৪
- য়াল্টা সন্মিলন, ১৯৪৫
- পটচ্ডেম সন্মিলন, ১৯৪৫

যুদ্ধকালীন কূটনীতিয়ে মিত্ৰ শক্তিক কেৱল যুদ্ধত জয়লাভ কৰাতেই সহায় আগহঢ়োৱা নাছিল। ই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ভৱিষ্যত ৰূপটোকো গঢ় দিছিল। ১৯৪৫ চনৰ পটচ্ডেম চুক্তি আছিল মিত্ৰ শক্তিৰ সদস্য ৰাষ্ট্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন আৰু ছোভিয়েট ৰাছিয়াৰ মাজত হোৱা এখন ত্ৰিপাক্ষিক চুক্তি। ইয়াৰ বিষয় আছিল জাৰ্মানী আৰু অন্য দেশবোৰৰ দখল আৰু পুনৰ গঠনৰ নীতি স্থিৰ কৰা। ১৯৪৫ চনৰ ৮ মে'ত জাৰ্মানীয়ে আত্মসমৰ্পণ কৰিছিল। পটচ্ডেম চুক্তিৰ অধীনত এখন বিদেশ মন্ত্ৰীৰ পৰিষদ গঠন কৰা হৈছিল। এই পৰিষদখনে এখন শান্তি চুক্তিৰ খছৱা প্ৰস্তুতিৰ প্ৰাৰম্ভিক কামবোৰ আৰম্ভ কৰিছিল (ইটালী, ৰোমানিয়া, বুলগেৰিয়া, ফিনলেণ্ড, হাংগেৰী, জাপান, অষ্ট্ৰিয়া আৰু জাৰ্মানীৰ সৈতে এই শান্তি চুক্তি স্থাপন কৰা হৈছিল)। পটচ্ডেম চুক্তিত যুদ্ধ অপৰাধীৰ শাস্তি ভূমিভাগৰ চাৰিসীমা আৰু লালবন্দীৰ পৰিমাণ আদি বিষয়ক নীতি-নিয়মো সন্নিৱিষ্ট কৰা হৈছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানৰ মাজত ১৯৪৫ চনৰ ২ ছেপ্তেম্বৰত যুদ্ধবিৰতিৰ চুক্তি হোৱাৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধৰ হঠাতে ওৰ পৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ৰেহ-ৰূপত এক তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ এটা প্ৰত্যক্ষ সুফল আছিল ৰাষ্ট্ৰসংঘৰ জন্ম। দুয়োখন বিশ্বযুদ্ধত হোৱা জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিয়ে বিশ্বৰ নেতাসকলক এনে এক ফলপ্ৰসূ আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য কৰাইছিল যিটোৱে দেশবোৰক শান্তি আৰু সুৰক্ষাৰ আশ্বাস দিব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ফ্ৰেংক্লিন ডি. ৰুছভেল্টে ৰাষ্ট্ৰসংঘ স্থাপনৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। ১৯৪৪ চনৰ ডাম্বাৰটোন ওকচ্ সন্মিলনত বিশ্বৰ নেতাসকলে ৰাষ্ট্ৰসংঘ গঠন কৰিবলৈ এক চুক্তিত চহী কৰিছিল। তাৰপাচত, ১৯৪৫ চনৰ চান ফ্ৰান্সিস্ক' সন্মিলনত ৫০ খন সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে গোট খাই ৰাষ্ট্ৰসংঘৰ ছনদ প্ৰস্তুত কৰাৰ কামত হাত দিছিল। ৰাষ্ট্ৰসংঘ গঠনৰ সমগ্ৰ

প্রক্রিয়াটো ১৯৪৫ চনৰ অক্টোবৰ মাহত সম্পূর্ণ হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাচত ৰাষ্ট্রবোৰৰ মাজৰ ক্ষমতাৰ গাঁথনিটো সলনি হৈছিল। বিশ্বখন আগৰ দৰে পৰম্পৰাগত ক্ষমতা গাঁথনিৰ নিয়ন্ত্রণাধীন হৈ নাথাকিল। লগতে এই গাঁথনিটো পূর্বৰ দৰে ইউৰোকেন্দ্রীকো হৈ নাথাকিল। দ্বিতীয় বিশ্বযুদ্ধ শেষ হোৱাৰ লগে লগে বহুতো দেশত বি-ঔপনিৱেশবাদ ঘটিল। এছিয়া আৰু আফ্রিকা মহাদেশৰ বহুতো দেশ ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হ'ল। পুৰণি ইউৰোপীয় ঔপনিৱেশিক শক্তিবোৰৰ ক্ষমতা পৰি আহিল। দুটা মহাশক্তি আমেৰিকা যুক্তৰাষ্ট্র আৰু ছোভিয়েট ইউনিয়নৰ মাজত আৰম্ভ হোৱা শীতল যুদ্ধৰ পৰিপ্রেক্ষিতত দ্রুতগতিত এখন দ্বিমেৰুত বিভাজিত বিশ্বৰ উত্থান ঘটিল। বিশ্ব সম্প্রদায়ত উদাৰবাদী আদর্শ গ্রহণৰ জোৱাৰ উঠিল। ফলত, আন্তঃৰাষ্ট্রীয় ক্ষেত্রত নতুন সার্বভৌম ৰাষ্ট্রৰ উত্থান ঘটিল। দুয়োখন বিশ্বযুদ্ধৰ দ্বাৰা সামান্য পৰিমাণে প্রভাৱিত দেশবোৰে গোষ্ঠী নিৰপেক্ষ ৰাষ্ট্র নামৰ এটা পৃথক দল গঠন কৰিলে। এই দলত ভাৰতকে ধৰি এছিয়া আৰু আফ্রিকা মহাদেশৰ বহুতো ৰাষ্ট্র অন্তর্ভুক্ত আছিল। কূটনীতিৰ শৈলীলৈ ক্রমে পৰিৱর্তন আহিছিল। বিশ্বৰ বহুতো দেশত গণতান্ত্রিক ৰূপ ধাৰণাৰ প্রক্রিয়া আৰম্ভ হৈছিল। ক্ষমতা প্রণালী পুৰণি ভাৰসাম্যতাৰ অনুশীলন নাইকিয়া হৈছিল। শান্তি বর্তাই ৰখাৰ নতুন আগ্রহেৰে ৰাষ্ট্রবোৰে আঞ্চলিক গোট গঠনৰ প্রক্রিয়া আৰম্ভ কৰিলে। ফলত পৰৱর্তী বছৰবোৰত এখন বহুমেৰুযুক্ত পৃথিৱী গঢ় লৈ উঠাৰ প্রস্তুতিও আৰম্ভ হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পৰিণাম স্বৰূপে দক্ষিণপূৰ এছিয়াত সাম্যবাদী দলৰ প্রভাৱ বৃদ্ধি পাইছিল। ইয়াৰ প্রমাণ হ'ল ১৯৪৯ চনত চীনৰ কমিউনিষ্ট পার্টিৰ নেতৃত্বত গঢ় লৈ উঠা চীন প্রজাতান্ত্রিক গণৰাজ্য। দ্বিতীয় বিশ্বযুদ্ধৰ প্রভাৱ আছিল সর্বব্যাপ্ত। ইয়াৰ ফলতেই লাহে লাহে এখন নতুন বিশ্বৰ উত্থান ঘটিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আঁৰৰ যিকোনো দুটা কাৰণৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত শান্তি স্থাপনৰ বাবে আয়োজিত যিকোনো দুখন গুৰুত্বপূর্ণ সন্মিলনৰ বিষয়ে লিখক।

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রথম বিশ্বযুদ্ধ আছিল এখন পূর্ণাংগ যুদ্ধ। ইউৰোপত বহু শতিকা জুৰি এনে যুদ্ধ চলা নাছিল। এই যুদ্ধই ঊনবিংশ শতিকাৰ ইউৰোপীয় ব্যৱস্থাৰ স্থিতাৱস্থা সম্পূর্ণৰূপে মষিমূৰ কৰি পেলাইছিল। এই যুদ্ধই এখন জাকত জিলিকা মহাদেশৰূপে ইউৰোপে লাভ কৰা খ্যাতি ধূলিসাৎ কৰিছিল। দ্রুত গতিৰে ঔদ্যোগিকীকৰণ ঘটা বৃহৎ ৰাষ্ট্র আমেৰিকা যুক্তৰাষ্ট্র আৰু জাপানৰ দৰে দেশে সৃষ্টি কৰা প্রত্যাহ্বানবোৰৰ সৈতে ইউৰোপে সমানে ফেৰ মাৰিবলৈ আৰম্ভ কৰাৰ সময়তে এই যুদ্ধৰ সূচনা হৈছিল।
- ১৯১৪ চনৰ ২৮ জুলাইত আৰম্ভ হোৱা যুদ্ধখনত ২৬ খন দেশ লিপ্ত হৈ পৰিছিল। ইউৰোপৰ বৃহত্তৰ ক্ষমতা দুটা মিত্রজোঁটত বিভক্ত হৈ পৰিছিল। ইয়াৰে এটাক ত্রিপল্ আঁটাঁ (Triple Entente) অথবা ত্রিপাক্ষিক সৌহার্দ বোলা হৈছিল। এই জোঁটত আছিল ফ্রান্স, ৰাছিয়া আৰু বৃটেইন। আনটো জোঁটক ত্রিপল্ এলায়েন্স (Triple Alliance)অথবা ত্রিপাক্ষিক মিত্রজোঁট বোলা হৈছিল। জার্মানী, অষ্ট্রিয়া-হাংগেৰী আৰু ইটালী আছিল এই মিত্রজোঁটৰ সদস্য ৰাষ্ট্র। কালক্রমত ত্রিপল আঁটাঁ ৰ সদস্য ৰাষ্ট্রকেইখন মিত্র শক্তি (Allied Powers) আৰু ত্রিপল্ এলায়েন্স ৰ সদস্য ৰাষ্ট্রকেইখন কেন্দ্রীয় শক্তি (Central Powers) নামেৰে জনাজাত হৈছিল।
- অষ্ট্রিয়া-হাংগেৰীয়ে চার্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাটোৱেই হ'ল প্রথম বিশ্বযুদ্ধৰ আৰম্ভণি বিন্দু। ১৯১৪ চনৰ ২৮ জুনত অষ্ট্রিয়া-হাংগেৰী সাম্রাজ্যৰ সিংহাসনৰ উত্তৰাধিকাৰী আর্চডিউক ফ্রেঞ্জ ফার্ডিনাণ্ডে ব'চনিয়ালৈ আনুষ্ঠানিক ভ্রমণলৈ গৈ থকা অৱস্থাত আততায়ীৰ হাতত মৃত্যুবৰণ কৰিছিল।
- ১৯১৫-১৯১৭ চনৰ সময়ছোৱাত বিশ্বযুদ্ধই চৰম পর্যায় পাইছিল। জার্মানীয়ে এই যুদ্ধত চাবমেৰিন শক্তি ব্যৱহাৰ কৰি সবাতোকৈ সক্রিয় ভূমিকা লৈছিল। আনহাতে যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্রৰ অংশগ্রহণে ইয়াৰ গতি ত্বৰান্বিত কৰিছিল।
- ১৯১৮ চনৰ ছেপ্তেম্বৰ মাহত বুলগেৰিয়াই গ্রীচৰ ওচৰত আত্মসমর্পণ কৰিছিল। একেদৰে অষ্টিয়া আৰু তুৰ্কীয়ে পৰাজয় স্বীকাৰ কৰি 'আমিষ্টিচ্' ৰ সুবিধা বিচাৰিছিল। ১৯১৮ চনৰ ১৮ নৱেম্বৰত জার্মানীৰ হাতত 'আমিষ্টিচ্'ৰ চর্তবোৰ তুলি দিয়াৰ লগে লগে প্রথম বিশ্বযুদ্ধৰ ওৰ পৰিছিল। ইয়াৰ পাচতেই বিংশ শতিকাৰ সর্বনাশী বিপর্যয়ৰ পৰা পুনৰ ঠন ধৰি উঠিবলৈ বিভিন্ন ৰাষ্ট্রই নানা ধৰণৰ শান্তি স্থাপনকাৰী প্রয়াস আৰম্ভ কৰিছিল।
- প্রথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ প্রধান কাৰণ কেইটামান হ'ল চৰম জাতীয়তাবাদৰ উত্থান, সাম্রাজ্যবাদী আৰু সম্প্রসাৰণবাদী নীতি, যুদ্ধবাদ, মিত্রজোঁট গঠন, ইত্যাদি।

- কেন্দ্রীয় ক্ষমতা আৰু মিত্রজোঁটৰ মাজত চলা যুদ্ধৰ পৰিস্থিতি শাম কটাৰ পাচত পেৰিছ শান্তি সন্মিলন ৰ আয়োজন কৰা হৈছিল আৰু বিভিন্ন শান্তি চুক্তি স্থাপন হৈছিল।
- পেৰিছ শান্তি সন্মিলনৰ ফলস্বৰূপে ১৯২০ চনৰ ১০ জানুৱাৰীত 'জাতিসংঘ' (League of Nations) নামৰ এক আন্তঃ চৰকাৰ পর্যায়ৰ সংস্থাই জন্মলাভ কৰিছিল। সংস্থাটোৰ লক্ষ্য আছিল বিশ্ব শান্তি বর্তাই ৰখা।
- পেৰিছ শান্তি সন্মিলন অনুষ্ঠিত হোৱাৰ সমসাময়িকভাৱে সম্পাদিত কেইখনমান গুৰুত্বপূর্ণ সন্ধি/চুক্তিৰ নাম হ'ল- ভার্চাইল চুক্তি, ১৯১৯, চেইন্ট জার্মিয়াঁ চুক্তি, ইত্যাদি।
- জার্মানে পোলেণ্ডত আগ্রাসন আৰম্ভ কৰাৰ লগে লগে ১৯৩৯ চনৰ ১ ছেপ্তেম্বৰৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ সূত্রপাত হৈছিল। ইয়াৰ আগে আগে, পোলিশ্ব অঞ্চলবোৰ ভগাই ল'বলৈ জার্মানী আৰু ছোভিয়েট ইউনিয়নৰ মাজত এখন পাৰস্পৰিক অনাগ্রাসন চুক্তি স্বাক্ষৰিত হৈছিল। এনেধৰণৰ চুক্তি বৃটেইন আৰু ফ্রান্সৰ মাজতো স্বাক্ষৰিত হৈছিল। কিন্তু একেসময়তে ছোভিয়েট ইউনিয়ন আৰু জার্মানী, বৃটেইন আৰু জার্মানীৰ মাজত গোপন চুক্তি সম্পাদিত হৈছিল। জার্মানীয়ে পোলেণ্ড আক্রমণ কৰাৰ লগে লগে বৃটেইন আৰু ফ্রান্সে জার্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।
- সোনকালেই আৰু কেইখন মান ৰাষ্ট্র এই যুদ্ধত জড়িত হোৱাৰ লগে লগে ই এক পূর্ণাংগ বিশ্বজনীন যুদ্ধৰ ৰূপ লৈছিল। একেদৰে, জাপানে চীনৰ বিৰুদ্ধে আগ্রাসন আৰম্ভ কৰিছিল। ইটালী দীর্ঘদিন ধৰি নিৰপেক্ষ হৈ আছিল যদিও এসময়ত জার্মানীৰ পক্ষ লৈ যুদ্ধত ভাগ লৈছিল।
- ১৯৪১ চনৰ ২২জুন পায়হি মানে ইউৰোপৰ বহুকেইখন দেশত বিজয় সাব্যস্ত কৰি জার্মানীয়ে ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ইয়াৰ বাবে বাধ্য হৈ ছোভিয়েট ইউনিয়নে মিত্র বাহিনীত যোগ দিছিল। ইয়াৰ কিছুদিনৰ পাচতেই হাৱাইৰ পার্ল হার্বাৰত অৱস্থিত আমেৰিকা যুক্তৰাষ্ট্রৰ নৌ বাহিনীৰ সদৰ শিৰিৰত জাপানে বোমা বর্ষণ কৰিছিল।
- যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্রই যোগ দিয়াৰ লগে লগে যুদ্ধত ৰত দেশবোৰ দুটা প্রধান শক্তিত বিভক্ত হৈ পৰিল— মিত্র শক্তি (Allied Powers) আৰু চক্র শক্তি (Axis Powers)। মিত্র শক্তিৰ সদস্য ৰাষ্ট্রবোৰ হ'ল বৃটেইন, ফ্রান্স, ছোভিয়েট ইউনিয়ন, আমেৰিকা যুক্তৰাষ্ট্র আৰু ইয়াৰ মিত্র দেশবোৰ। আনহাতে, চক্র শক্তিৰ সদস্য ৰাষ্ট্রকেইখন আছিল জার্মানী, ইটালী আৰু জাপান।
- পার্ল হার্বাৰত জাপানে চলোৱা আক্রমণৰ প্রত্যুত্তৰ হিচাপে আমেৰিকা যুক্তৰাষ্ট্রই জাপানৰ হিৰোশ্বিমা আৰু নাগাচাকি চহৰ দুখনত পাৰমাণৰিক বোমাৰ বিস্ফোৰণ ঘটাইছিল। অৱশেষত এই যুদ্ধত মিত্র শক্তি বিজয়ী হৈছিল। ১৯৪৫ চনৰ ৮ মে'ত জার্মানীয়ে পৰাজয় বৰণ কৰিছিল। ১৯৪৫ চনৰ ২ ছেপ্তেম্বৰৰ দিনা আমেৰিকা যুক্তৰাষ্ট্র আৰু জাপানৰ মাজত যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধৰ হঠাতে ওৰ পৰিছিল।

- ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধৰ ১৯৪৫ চনত সামৰণি পৰিছিল। এই যুদ্ধৰ কেইটামান কাৰণ হ'ল ঃ শান্তি চুক্তিসমূহৰ ব্যৰ্থতা, সংকীৰ্ণ জাতীয়তাবাদ, যুদ্ধবাদ আৰু সম্প্ৰসাৰণবাদ, জাতিসংঘৰ ব্যৰ্থতা, নিৰস্ত্ৰীকৰণৰ ব্যৰ্থতা, অথনৈতিক মন্দাৱস্থা, সংঘাত এৰাই চলিবলৈ বৃটেইন আৰু ফ্ৰান্সৰ বিভিন্ন প্ৰশমন নীতি, ইত্যাদি।
- যুদ্ধ চলি থকাৰ সময়তো বৃহৎ শক্তিবোৰে শান্তি স্থাপনৰ প্ৰয়াস চলাই আছিল। বিভিন্ন সন্মিলনৰ জৰিয়তে ১৯৩৯-১৯৪৫ চনৰ ভিতৰত কেইবাখনো সন্ধি চুক্তি সম্পাদন কৰা হৈছিল। ইয়াৰে কেইখনমান গুৰুত্বপূৰ্ণ সন্ধিয চুক্তি হ'ল — আটলাণ্টিক সন্মিলন, ১৯৪১, কাচাব্লাংকা সন্মিলন, ১৯৪৩ , মস্কো সন্মিলন ১৯৪৩, পটচ্‌ডেম সন্মিলন, ১৯৪৫, ইত্যাদি।
- দ্বিতীয় বিশ্বযুদ্ধই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ৰেহ-ৰূপত এক তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছিল।
- দ্বিতীয় বিশ্বযুদ্ধৰ এটা প্ৰত্যক্ষ সুফল আছিল ৰাষ্ট্ৰসংঘৰ জন্ম।
- দ্বিতীয় বিশ্বযুদ্ধৰ পাচত ৰাষ্ট্ৰবোৰৰ মাজৰ ক্ষমতাৰ গাঁথনিটো সলনি হৈছিল। বিশ্বখন আগৰ দৰে পৰম্পৰাগত ক্ষমতা গাঁথনিৰ নিয়ন্ত্ৰণাধীন হৈ নাথাকিল। লগতে এই গাঁথনিটো পূৰ্বৰ দৰে ইউৰোকেন্দ্ৰীকো হৈ নাথাকিল।
- দ্বিতীয় বিশ্বযুদ্ধ শেষ হোৱাৰ লগে লগে বহুতো দেশত বি-ঔপনিৱেশবাদ ঘটিল। এছিয়া আৰু আফ্ৰিকা মহাদেশৰ বহুতো দেশ ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হ'ল। পুৰণি ইউৰোপীয় ঔপনিৱেশিক শক্তিবোৰৰ ক্ষমতা পৰি আহিল। দুটা মহাশক্তি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নৰ মাজত আৰম্ভ হোৱা শীতল যুদ্ধৰ পৰিপ্ৰেক্ষিতত দ্ৰুতগতিত এখন দ্বিমেৰুত বিভাজিত বিশ্বৰ উত্থান ঘটিল।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড০ কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি,* গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫); *আন্তৰ্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Malhotra, Vinay Kumar (2006). *International Relations*.New Delhi: Anmol Publications Pvt.Ltd.

3) Ghai, K.K. (2005) *International Relations – Theory and Practice*. New Delhi: Kalyani Publishers.



১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ভাৰ্চাইল চুক্তি, ১৯১৯

(খ) চেইন্ট জাৰ্মিয়াঁ চুক্তি

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) **শান্তি চুক্তিসমূহৰ ব্যৰ্থতা ঃ** প্ৰথম বিশ্বযুদ্ধ শেষ হোৱাৰ লগে লগে স্বাক্ষৰিত ভাৰ্চাইলৰ চুক্তিয়ে তেতিয়াৰ ইউৰোপৰ দেশবোৰৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰাত ব্যৰ্থ হৈছিল। চুক্তিৰ নিয়মবোৰে জাৰ্মানীৰ দৰে কিছুমান নিৰ্দিষ্ট দেশক লক্ষ্য কৰি লৈছিল আৰু এনে দেশবোৰত কঠোৰ বাধা-নিষেধ আৰোপ কৰিছিল। চুক্তিৰ বিভিন্ন দফাই প্ৰকৃততে জাৰ্মানীক প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে সকলো দিশেৰে দুৰ্বল কৰি তোলাৰ চেষ্টা চলাইছিল। জাৰ্মানী অঞ্চলৰ দিশেৰে, অৰ্থনৈতিকভাৱে, সামৰিক দিশেৰে আৰু ৰাজনৈতিক ভাৱে দুৰ্বল হৈ পৰিছিল। ফ্ৰান্সে পুনৰ আলচাচ আৰু লোৰেইনৰ কৰ্তৃত্ব ওভটাই পাইছিল; বেলজিয়ামক মালমেদি ওভটাই দিয়া হৈছিল, উজনি চিলচিয়া আৰু পূৱ প্ৰুছিয়াৰ দক্ষিণ অংশটো পোলেণ্ড ওভটাই পাইছিল; ডেন্‌জিং মুক্ত নগৰ হৈ পৰিছিল আৰু মেমেলৰ কৰ্তৃত্ব লিথুৱানিয়াৰ হাতত অৰ্পণ কৰা হৈছিল। অষ্ট্ৰিয়াৰ একত্ৰকৰণ প্ৰক্ৰিয়া নিষিদ্ধ কৰা হৈছিল। অৰ্থনৈতিক দিশেৰে জাৰ্মানীয়ে বিভিন্ন দেশক লালবন্দী ৰূপে বৃহৎ পৰিমাণৰ ক্ষতিপূৰণ দিবলগীয়া হৈছিল। জাৰ্মানী সামৰিক বাহিনীৰ আকাৰ আৰু শক্তি লক্ষণীয়ভাৱে হ্ৰাস কৰা হৈছিল। চুক্তিখনৰ উদ্দেশ্যই আছিল সকলো দিশেৰে জাৰ্মানীৰ ক্ষমতা হ্ৰাস কৰা। এই কথাই হয়তো পৰৱৰ্তী সময়ত নাজী শক্তিৰ উত্থান ঘটাত ঘৃণাৰ বীজৰ ভূমিকা লৈছিল।

(খ) **সংকীৰ্ণ জাতীয়তাবাদ ঃ** ভাৰ্চাইলৰ চুক্তিৰ অপমানজনক আৰু মৰ্যাদা হানিকৰ নীতি-নিয়ম আৰু চৰ্তবোৰ বলবৎ হোৱাৰ পাচত জাৰ্মানী, ইটালী আৰু জাপানে চৰম তথা সংকীৰ্ণ জাতীয়তাবাদৰ আশ্ৰয় লৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ৰিলচনে জাপি দিয়া ব্যৱস্থাবোৰে জাৰ্মানীৰ নাগৰিকক অতীষ্ঠ কৰি তুলিছিল। সেয়েহে তেওঁলোকে নাৰ্জী দলৰ প্ৰতিস্থাপক এড'ল্ফ হিটলাৰক সচেতনভাৱে নিজৰ নেতাৰূপে

মানি লৈছিল আৰু তেওঁৰ নীতি অনুসৰণ কৰিবলৈ লৈছিল। একেদৰে, পেৰিছ শান্তি সন্মিলনৰ পৰা ইটালী কোনোধৰণে উপকৃত নহ'ল আৰু এই কথাটোৱে ১৯৩০ চনৰ অৰ্থনৈতিক মন্দাৱস্থাত মোক্ষম আঘাত হানিছিল। ইয়াৰ পৰিণাম স্বৰূপে ইটালীৰ নেশ্যনেল ফেচিষ্ট দলৰ নেতা বেনিটো মুছোলিনীক ক্ষমতালৈ অহাত সহায় কৰিছিল। তেওঁ ইটালীক এখন চহকী আৰু সমৃদ্ধ ৰাষ্ট্ৰত পৰিণত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ৰোম-বার্লিন চক্ৰ শক্তিৰ সহায়ত মুছোলিনীয়ে ইটালীৰ চাৰিসীমা আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ দিশেৰে সম্প্ৰসাৰিত কৰাৰ কামত হাত দিছিল। ইউৰোপত এই দুটা বাদ, যেনে নাজীবাদ আৰু ফেঁচিবাদৰ উত্থানে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পথ প্ৰশস্ত কৰি তুলিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ



১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অষ্ট্ৰিয়া-হাংগেৰীয়ে কোনখন দেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ লগে লগে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল?

প্ৰশ্ন ২ ঃ দ্বিতীয় বিশ্বযুদ্ধ কোন চনত আৰম্ভ হৈছিল?

প্ৰশ্ন ৩ ঃ কোন দুখন দেশৰ মাজত ১৯৪৫ চনৰ ২ ছেপ্তেম্বৰত যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে হঠাতে দ্বিতীয় বিশ্বযুদ্ধৰ ওৰ পৰিছিল?

প্ৰশ্ন ৫ ঃ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ যিকোনো দুটা কাৰণ উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ আটলাণ্টিক সন্মিলন কোন চনত অনুস্থিত হৈছিল?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ যিকোনো দুটা কাৰণ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগতে পৃথিৱীত শান্তি স্থাপন কৰাত জাতিসংঘ কিয় বিফল হৈছিল? যিকোনো দুটা কাৰণ উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰথম বিশ্বযুদ্ধৰ কাৰণবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ পৰিণামবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ শীতল যুদ্ধ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ শীতল যুদ্ধ —ইয়াৰ উৎপত্তি আৰু অর্থ
২.৪ শীতল যুদ্ধৰ পর্যায়সমূহ
২.৪.১ শীতল যুদ্ধৰ ফলাফল
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শীতল যুদ্ধৰ উৎপত্তি সম্বন্ধে বর্ণনা কৰিব পাৰিব।
- শীতল যুদ্ধৰ অর্থ সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব।
- শীতল যুদ্ধৰ বিভিন্ন পর্যায়সমূহ আৰু দুই শক্তি গোষ্ঠীৰ (power bloc) মাজৰ সম্পর্কৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- শীতল যুদ্ধৰ ফলাফল সম্বন্ধে আলোচনা আগবঢ়াব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনাক দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিৰ পিচত আন্তঃৰাষ্ট্রীয় ৰাজনীতিত উদ্ভৱ হোৱা শীতল যুদ্ধসদৃশ পৰিস্থিতিৰ লগত অৱগত কৰাই দিবলৈ বিচৰা হৈছে। সাধাৰণ ভাষাত এই শীতল যুদ্ধ হ'ল দুই মহাশক্তিৰ মাজত সৃষ্টি হোৱা উত্তেজনাপূর্ণ সম্পর্ক (hostile relation)। দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্র বিশ্ব দ্বিমেৰুত বিভক্ত হৈছিল আৰু এই দুই মেৰুত দুখন শক্তিশালী ৰাষ্ট্র ক্রমে আমেৰিকা আৰু পূর্বৰ ৰাছিয়াই অৱস্থান কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ নেতৃত্বত পশ্চিমীয়া পুঁজিবাদী গোষ্ঠী (Western Capitalist Bloc) গঠন হৈছিল আৰু পূর্বৰ ৰাছিয়াৰ নেতৃত্বত পূব সাম্যবাদী গোষ্ঠী (Eastern Communist Bloc) গঠন হৈছিল। প্রতিটো গোষ্ঠীয়ে নিজ আদর্শৰাজি ৰোপণ কৰিবলৈ প্রচেষ্টা চলাইছিল, যাৰ ফলত দুয়ো শক্তিৰ মাজত পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাস মনোভাবৰ সৃষ্টি হৈছিল। এই সময়ছোৱাত যুদ্ধ অথবা শান্তি কোনোটোৱেই বিৰাজ কৰা নাছিল।

২.৩ শীতল যুদ্ধ— ইয়াৰ উৎপত্তি আৰু অৰ্থ

এইখিনিতে উল্লেখ কৰিব পাৰি যে দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ আগৰ পৰাই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠা নাছিল। দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিৰ পিচত দুয়ো ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অধিক বেয়াৰ পিনে গতি কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্ৰ বিশ্ব দুটা গোষ্ঠীত বিভক্ত হৈছিল। ইয়াৰে পশ্চিমীয়া পুঁজিবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰই আৰু সাম্যবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল ছোভিয়েট ইউনিয়নে। এই সাম্যবাদী গোষ্ঠীটো ছোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ সামৰিক মিত্ৰতা স্থাপনকাৰী ৰাষ্ট্ৰসমূহক লৈ গঠিত হৈছিল। ইয়াৰ বিপৰীতে পুঁজিবাদী গোষ্ঠী আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পশ্চিম ইউৰোপৰ উদ্যোগপ্ৰধান ৰাষ্ট্ৰসমূহ জাপান, কানাডা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডক লৈ গঠিত হৈছিল। এনে ধৰণৰ দ্বিমেৰু ৰাজনীতিৰ ফলত এক শীতল যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছিল আৰু ইয়াৰ লগে লগে পাৰস্পৰিক হিংসা উত্তেজনা আৰু সন্দেহৰ ভাবধাৰা গঢ় লৈ উঠিছিল। এটা গোষ্ঠীয়ে আনটোৰ ওপৰত দোষ জাপি দিছিল। ছোভিয়েট ইউনিয়নে আমেৰিকাৰ সাম্ৰাজ্যবাদী মনোভাবৰ তীব্ৰ বিৰোধিতা কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰই ছোভিয়েট ইউনিয়নৰ সাম্যবাদ বিস্তাৰ ৰোধ কৰিবলৈ দৃঢ়সংকল্পবদ্ধ হৈছিল। মুঠৰ ওপৰত আদৰ্শগত পাৰ্থক্যই দুয়ো শক্তিগোষ্ঠীৰ মাজত গাঢ় ৰূপ ধাৰণ কৰিছিল।

'শীতল যুদ্ধ' শব্দটো প্ৰথমবাৰৰ বাবে আমেৰিকা ৰাষ্ট্ৰনেতা বাৰ্ণাৰ্ড বাৰুচে ব্যৱহাৰ কৰিছিল। ইয়াৰ পিচত ১৯৪৭ চনত ওৱাল্টাৰ লিপমেনে তেওঁৰ 'Cold war' শীৰ্ষক গ্ৰন্থখনৰ জৰিয়তে শীতল যুদ্ধ শব্দটি জনপ্ৰিয় কৰি তোলে আৰু ইয়াৰ জৰিয়তে দ্বিতীয় মহাযুদ্ধৰ পিচত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজত গঢ়ি উঠা পাৰস্পৰিক অবিশ্বাস আৰু সন্দেহ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা আদৰ্শগত সংঘৰ্ষ আদিৰ পৰিণতিত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল সেয়াই বুজোৱা হৈছিল। এই সময়ছোৱাত প্ৰতিটো গোষ্ঠীয়ে প্ৰতিপক্ষক দুৰ্বল কৰি নিজৰ স্থিতি সবল কৰি তুলিবলৈ পৰিকল্পনা যুগুত কৰিছিল আৰু ইয়াৰ ফলত শীতল যুদ্ধ এক প্ৰকৃত যুদ্ধত পৰিণত হৈছিল। ৰাষ্ট্ৰসমূহৰ মাজত বৰ্তি থকা ক্ষমতাৰ ভাৰসাম্য (balance of power) লুপ্ত হৈছিল আৰু এক সন্ত্ৰাসময় পৰিবেশৰ সৃষ্টি হৈছিল। ফলত ৰাষ্ট্ৰসমূহৰ মাজত এক ৰাজনৈতিক অনিশ্চয়তাই দেখা দিছিল।



ট্ৰুমান ঘোষণা ঃএই ঘোষনা জড়িয়তে আমেৰিকাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি হেৰি ট্ৰুমেনে গ্ৰীচ আৰু তাৰকিক আৰ্থিক আৰু সামৰিক সাহায্য আগ বঢ়াইছিল যাতে সেই দুখন ৰাষ্ট্ৰ ছোভিয়েট ইউনিয়নৰ কবলত নপৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দ্বিতীয় মহাযুদ্ধৰ পিচত আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত উদ্ভৱ হোৱা শক্তিশালী ৰাষ্ট্ৰ দুখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ২ ঃ কোনে পোনপ্ৰথমে 'cold war' শব্দটো ব্যৱহাৰ কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ পূবৰ সাম্যবাদী গোষ্ঠী (Eastern Bloc) সাম্যবাদী ৰাষ্ট্রসমূহেৰে গঠিত হৈছিল। (শুদ্ধ/অশুদ্ধ উল্লেখ কৰক)।

.....

২.৪ শীতল যুদ্ধৰ পর্যায়সমূহ আৰু ইয়াৰ ফলাফল

শীতল যুদ্ধ উৎপত্তিৰ সময়ৰ পৰা ১৯৯০ৰ দশকলৈ বিভিন্ন পর্যায় অতিক্রম কৰে। তলত শীতল যুদ্ধৰ পর্যায়সমূহ আলোচনা কৰা হ'ল—

- **প্রথম পর্যায় (১৯৪৬-৪৯) ঃ** এই সময়ছোৱাত দুই শক্তিগোষ্ঠী ক্রমে আমেৰিকা যুক্তৰাষ্ট্র আৰু ছোভিয়েট ইউনিয়নৰ মাজত পাৰস্পৰিক অবিশ্বাস আৰু সন্দেহৰ সৃষ্টি হয় আৰু এটা গোষ্ঠীয়ে আনটোক ধ্বংস কৰাৰ পৰিকল্পনা যুগুত কৰে। আমেৰিকা যুক্তৰাষ্ট্র সামৰিক দিশত ছোভিয়েট ইউনিয়নতকৈ অধিক শক্তিশালী হোৱা হেতুকে ছোভিয়েট ইউনিয়নৰ আভ্যন্তৰীণ দিশত প্রভাৱ সাব্যস্ত কৰিবলৈ উঠি-পৰি লাগিছিল। সেই উদ্দেশ্যে আমেৰিকাৰ ভূতপূর্ব ৰাষ্ট্রপতি হেৰি ট্রুমেনে ছোভিয়েট ইউনিয়নৰ সাম্যবাদী আক্রমণ প্রতিৰোধৰ বাবে ***ট্রুমান ঘোষণা*** গ্রহণ কৰি সাম্যবাদী আদর্শবিৰোধী নীতি গ্রহণ কৰিছিল। সেইদৰে ১৯৪৭ চনৰ ৫ জুন তাৰিখে আমেৰিকাৰ ৰাষ্ট্রীয় সচিব জর্জ মার্শালৰ নাম অনুসৰি মার্শাল পৰিকল্পনা (Marshall plan) গ্রহণ কৰি পশ্চিম ইউৰোপৰ শক্তিসমূহৰ অর্থনৈতিক পুনর্গঠন (Economic Reconstruction) সুনিশ্চিত কৰিবলৈ প্রচেষ্টা চলোৱা হৈছিল। ১৯৪৯ চনত আমেৰিকাৰ নেতৃত্বত 'উত্তৰ আটলাণ্টিক চুক্তি সংগঠন' (NATO) নামৰ সামৰিক জোঁট গঠন কৰিছিল। আমেৰিকাৰ এনে সাম্যবাদী বিৰোধী নীতিৰ ফলত ৰাছিয়াই আমেৰিকাৰ প্রতি অসন্তুষ্টি প্রকাশ কৰিছিল। এনে অসন্তুষ্টিৰ স্পষ্ট প্রকাশ ঘটিছিল ১৯৪৬ চনত যেতিয়া **যোচেফ ষ্টেলিনে** পুঁজিবাদী শক্তিৰ লগত ৰাছিয়াৰ সংঘর্ষ অনিবার্য বুলি মত ব্যক্ত কৰিছিল। ৰাছিয়াই সম্প্রসাৰণ নীতিৰ জৰিয়তে চীনত সমাজবাদ প্রতিষ্ঠাৰ পথ সুগম কৰি তুলিছিল। ৰাছিয়াৰ চীনৰ লগত বৃদ্ধি হোৱা সহযোগিতাত আমেৰিকা যুক্তৰাষ্ট্র মুঠেই সন্তুষ্ট হোৱা নাছিল আৰু সেয়েহে আমেৰিকাই চীন দেশৰ সাম্যবাদী চৰকাৰ (১৯৪৯ চন) আৰু **ফৰমোছা** চৰকাৰক স্বীকৃতি প্রদান কৰিবলৈ অস্বীকাৰ কৰিছিল। ইয়াৰ ফলত দুয়ো দেশৰ মাজত উত্তেজনা বৃদ্ধি পাইছিল।
- **দ্বিতীয় পর্যায় (১৯৪৯-৫৩) ঃ** এই পর্যায়ত আমেৰিকা যুক্তৰাষ্ট্রই ছোভিয়েট ইউনিয়নৰ সম্প্রসাৰণ নীতি প্রতিহত কৰিবলৈ বিভিন্ন সামৰিক জোঁট গঠনৰ উদ্যোগ লয় আৰু অস্ত্র-শস্ত্রৰ প্রতিযোগিতা বৃদ্ধি হয়। আমেৰিকাই ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে সামৰিক আৰু অর্থনৈতিক সহায় আগবঢ়োৱা নীতি গ্রহণ কৰিছিল। এই সময়ছোৱাতেই আমেৰিকা যুক্তৰাষ্ট্রই অষ্ট্রেলিয়া, নিউজিলেণ্ডৰ লগত 'ANZUS' নামৰ প্রতিৰক্ষা চুক্তিত সাক্ষৰ দান কৰে। ঠিক একে সময়তে, ১৯৫১ চনত জাপানৰ লগত শান্তি

চুক্তি (Peace Treaty) সম্পাদন কৰে। ১৯৫০ চনৰ পৰা ১৯৫৩ চনলৈ সংঘটিত হোৱা কোৰিয়া যুদ্ধই আমেৰিকা আৰু ৰাছিয়াৰ মাজৰ উত্তেজনা দুগুণ বৃদ্ধি কৰিছিল। কোৰিয়া যুদ্ধৰ ফলত পশ্চিম ইউৰোপত আমেৰিকাৰ পৰম্পৰাগত শক্তিসমূহ অধিক শক্তিশালী হৈ উঠিছিল। আমেৰিকাই ৰাছিয়াৰ সাম্যবাদ সম্প্রসাৰণৰ বিৰুদ্ধে প্রবল কার্যসূচী গ্রহণ কৰাৰ বিপৰীতে ৰাছিয়াই আমেৰিকাৰ বিৰুদ্ধে কিছুমান দমনমূলক কার্যকলাপত লিপ্ত হৈছিল। ১৯৪৯ চনৰ শেষৰফালে আমেৰিকাই ইউৰোপত পাৰমাণৰিক ক্ষেপণাস্ত্র উৎক্ষেপন কৰে। এনে কার্যৰ প্রতিক্রিয়া হিচাপে ৰাছিয়াই এট'ম বোমা বিস্ফোৰণ ঘটায় আৰু দুয়ো ৰাষ্ট্রৰ মাজৰ সশস্ত্রীকৰণ প্রক্রিয়াই নতুন গতি লাভ কৰে।

- **তৃতীয় পর্যায় (১৯৫৩-৫৭) ঃ** শীতল যুদ্ধৰ এই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্রৰ ৰাছিয়াৰ বিৰুদ্ধে সামৰিক আৰু অর্থনৈতিক নীতি বাহাল ৰাখে। এই সময়ছোৱাতেই আমেৰিকা যুক্তৰাষ্ট্রৰ নেতৃত্বত 'দক্ষিণ-পূব এছীয় চুক্তি সংগঠন' (SEATO) আৰু 'মধ্যপ্রাচ্য প্রতিৰক্ষা সংগঠন' (MEDO) নামৰ দুখন চুক্তি সাক্ষৰিত হয়। মধ্যপ্রাচ্যত আমেৰিকাৰ প্রভাৱ সুনিশ্চিত কৰিবলৈ 'আইশ্বেন হোৱাৰ নীতি'ৰ জৰিয়তে মধ্যপ্রাচ্যলৈ ট্রুমেন নীতি সম্প্রসাৰিত কৰে। ইয়াৰ উপৰিও আমেৰিকাই প্রায় ৪৩ খন ৰাষ্ট্রৰ লগত প্রতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰে আৰু বহুতো সামৰিক ঘাটি স্থাপন কৰে। ইয়াৰ বিপৰীতে ৰাছিয়াই পূব ইউৰোপৰ ৰাষ্ট্রসমূহৰ লগত 'বাৰশ্ব চুক্তি' (Warsaw Pact) স্বাক্ষৰ কৰে আৰু ১২ খন ৰাষ্ট্রৰ লগত প্রতিৰক্ষা সম্বন্ধীয় চুক্তিত স্বাক্ষৰ প্রদান কৰে। বিভাজিত জার্মানীৰ ওপৰত দুয়ো শক্তিগোষ্ঠীৰ প্রভাৱ সাব্যস্ত হয় পশ্চিমীয়া গোষ্ঠীয়ে পশ্চিম জার্মানীক সামৰি 'Federal Republic of Germany' প্রতিষ্ঠা কৰাৰ বিপৰীতে ছোভিয়েট ৰাছিয়াই পূব জার্মানীত 'German Democratic Republic' প্রতিষ্ঠা কৰে। দুয়ো শক্তিগোষ্ঠীয়ে ওচৰা-উচৰিকৈ হাইড্র'জেন বোমাৰ বিস্ফোৰণ ঘটায়।
- **চতুর্থ পর্যায় (১৯৫৭-৬২) ঃ** শীতল যুদ্ধৰ এই সময়ছোৱাত আমেৰিকা আৰু ৰাছিয়া দুয়ো শক্তি গোষ্ঠীয়ে 'সহ-অৱস্থান নীতি' (Principles of Co-existence) ঘোষণা কৰে। এনে নীতিৰ জৰিয়তে দুয়ো ৰাষ্ট্রই তেওঁলোকৰ মাজত থকা সংঘাতসমূহ আঁতৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই সময়তেই সংঘটিত হোৱা আন এক আন্তঃৰাষ্ট্রীয় ঘটনা হ'ল **কিউবাৰ সংকট** (Cuban Crisis)। এই ঘটনাৰ প্রভাৱত সমগ্র বিশ্বত এক তৃতীয় মহাযুদ্ধসদৃশ পৰিবেশৰ সৃষ্টি হৈছিল যদিও দুয়ো ৰাষ্ট্রৰ মাজত পৰৱর্তী সময়ত সৃষ্টি হোৱা সুস্থিৰ পৰিবেশে আৰু মধুৰ সম্পর্কই উত্তেজনা বহু পৰিমাণে শাম কটায়। দুয়ো ৰাষ্ট্রৰ মাজত পাৰস্পৰিক সম্পর্ক উন্নত কৰাৰ উদ্দেশ্যে কিউবাৰ পৰা ৰাছিয়াই ক্ষেপণাস্ত্রৰ ভেটি উঠাই অনা আৰু আমেৰিকাই কিউবাক আক্রমণ নকৰা —এই দুই দিশত ৰাছিয়াৰ প্রধান ক্রুচেভ (Khrushchev) আৰু আমেৰিকাৰ ৰাষ্ট্রপতি কেনেডীৰ মাজত এক চুক্তি সম্পাদিত হয় আৰু ইয়াৰ ফলত দুয়ো শক্তিৰ মাজত এক শান্তিময়

পৰিবেশৰ সৃষ্টি হয়।

- **পঞ্চম পর্যায় (১৯৬২-৬৯) ঃ** শীতল যুদ্ধৰ এই সময়ছোৱাত দুই শক্তিগোষ্ঠীৰ মাজত সহযোগিতাই বিৰাজ কৰিছিল। দুয়ো শক্তিপক্ষই পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ ধ্বংসাত্মক দিশৰ প্ৰতি চিন্তা-চৰ্চা কৰিছিল আৰু এনে অস্ত্ৰ-শস্ত্ৰৰ সম্প্ৰসাৰণ ৰোধ কৰাৰ বাবে বিশ্বজনীনভাৱে প্ৰচাৰকাৰ্য চলোৱাৰ ওপৰত গুৰুত্ব দিছিল। দুয়ো শক্তিয়ে সশস্ত্ৰীকৰণৰ পৰিবৰ্তে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ নিৰস্ত্ৰীকৰণ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু কেইবাখনো পাৰমাণৱিক চুক্তি সম্পাদন কৰিছিল। ১৯৬৩ চনৰ 'পাৰমাণৱিক পৰীক্ষা নিষিদ্ধকৰণ চুক্তি' আৰু 'প্ৰত্যক্ষ যোগাযোগ চুক্তি'য়ে দুয়ো দেশৰ মাজৰ সম্পৰ্ক উন্নত কৰে। ১৯৫৮ চনৰ 'পাৰমাণৱিক অস্ত্ৰ সম্প্ৰসাৰণ বিৰোধ চুক্তি' স্বাক্ষৰে দুয়ো দেশৰ মাজৰ সম্পৰ্ক অধিক পৰিমাণ ত্বৰান্বিত হয়। দুয়ো দেশৰ নেতৃদ্বয়ে শান্তিপূৰ্ণ সহাৱস্থান নীতি গ্ৰহণ কৰি সমগ্ৰ মানৱ জাতিক আন এখন তৃতীয় বিশ্বযুদ্ধৰ পৰা আঁতৰত ৰখাৰ উদ্দেশ্যে সন্মতি প্ৰকাশ কৰিছিল। ৰাছিয়াৰ প্ৰধানমন্ত্ৰী ক্ৰুচেভে ওৱাচিংটন ভ্ৰমণ কৰি ৰাষ্ট্ৰপতি আইচেনহোৱাৰৰ লগত শান্তিপূৰ্ণ সহাৱস্থান নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ উপৰিও তেওঁ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ঘোষণা কৰিছিল যে সকলো ৰাষ্ট্ৰই চাৰি বছৰৰ ভিতৰত নিজকে নিৰস্ত্ৰীকৰণ কৰিব লাগে। গতিকে ক্ৰুচেভৰ আমেৰিকা ভ্ৰমণে শীতল যুদ্ধৰ ইতিহাসত এক নতুন ধাৰাৰ জন্ম দিয়ে। এই সময়ছোৱাত আমেৰিকা, ৰাছিয়া, ব্ৰিটেইন আদি ৰাষ্ট্ৰবোৰে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ সম্প্ৰসাৰণ বিৰোধ চুক্তিৰ জৰিয়তে সকলো ৰাষ্ট্ৰকে আহ্বান জনাইছিল যাতে পাৰমাণৱিক শক্তিত প্ৰভুত্বশালী ৰাষ্ট্ৰবোৰে আন ৰাষ্ট্ৰবোৰলৈ প্ৰযুক্তিগত কৌশলসমূহ সৰৱৰাহ নকৰে।
- **ষষ্ঠ পর্যায় (১৯৬৯-৭৮) ঃ** শীতল যুদ্ধৰ এই পৰ্যায়টোক উত্তেজনা প্ৰশমনৰ যুগ বুলি কোৱা হয়। এই সময়ছোৱাত দুয়ো মহাশক্তিয়ে সংঘৰ্ষৰ পৰিৱৰ্তে পাৰস্পৰিক সহযোগিতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে দুয়োখন ৰাষ্ট্ৰৰ মাজত সাংস্কৃতিক বিনিময়, বাণিজ্যিক চুক্তি সম্পাদিত কৰিছিল। এনেধৰণৰ এক মধুৰ সম্পৰ্ক গঢ়ি উঠাৰ মূল কাৰণ আছিল দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে তেওঁলোকৰ নিজ নিজ স্বাৰ্থৰ হকে যুদ্ধ এৰাই চলাৰ মানসিকতা উপলব্ধি কৰা আৰু দুয়ো ৰাষ্ট্ৰৰ মাজত সহযোগিতাৰ মনোভাব সুদৃঢ় কৰা। এনে চিন্তা-চৰ্চাৰ ফলত দুয়ো ৰাষ্ট্ৰৰ মাজত বৰ্তি থকা উত্তেজনা বহু পৰিমাণে হ্ৰাস হৈছিল। ১৯৭২ চনৰ মে' মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনে মস্কো ভ্ৰমণ কৰে আৰু দুয়ো পক্ষৰ মাজত SALT-I চুক্তি স্বাক্ষৰিত হয়।

  আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দুয়ো শক্তিৰ মাজত উত্তেজনা হ্ৰাস হোৱাৰ আন এটি কাৰণ আছিল ১৯৭০ চনত পশ্চিম জাৰ্মানীৰ লগত ৰাছিয়াৰ সম্পাদিত চুক্তি আৰু জাৰ্মানীৰ বিৰুদ্ধে শক্তি প্ৰয়োগ নকৰাৰ সন্মতি প্ৰকাশ। এনে ধৰণৰ সম্পাদিত চুক্তিয়ে সমগ্ৰ ইউৰোপতেই উত্তেজনা হ্ৰাস কৰাত অৱদান যোগাইছিল। ইয়াৰ পৰৱৰ্তী সময়ত

আমেৰিকা, ৰাছিয়া, ব্ৰিটেইন আৰু ফ্ৰান্সৰ মাজত বাৰ্লিন বিষয়ত আন এখন চুক্তি সম্পাদিত হ'ল। ১৯৭৩ চনত ৰাছিয়াৰ সাম্যবাদী দলৰ প্ৰধান ব্ৰেজনেভে আমেৰিকা ভ্ৰমণ কৰে আৰু শান্তি বিষয়ক কেইবালানিও আলোচনা আৰম্ভ কৰে। এনে আলোচনাত দুয়ো দেশৰ নেতৃদ্বয়ে স্থায়ী শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে আৰু পাৰমাণৰিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা সমাপ্তিৰ ক্ষেত্ৰত সহমত পোষণ কৰে। দুয়ো ৰাষ্ট্ৰই কৃষি, গৱেষণা, যাতায়াত ব্যৱস্থা, সাংস্কৃতিক আৰু বৈজ্ঞানিক ক্ষেত্ৰত বিনিময় বিষয়ক চাৰিখন গুৰুত্বপূৰ্ণ চুক্তি সম্পাদন কৰে। দুয়ো ৰাষ্ট্ৰই শান্তি প্ৰতিষ্ঠাৰ স্বাৰ্থত পাৰস্পৰিক বুজাবুজিৰ ভাবধাৰা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিছিল। আনকি আমেৰিকাৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি ফোৰ্ডে দুয়ো ৰাষ্ট্ৰৰ মাজত গঢ়ি উঠা বুজাবুজিৰ ভাবধাৰা অব্যাহত ৰখাৰ উদ্দেশ্যে ১৯৭৪ চনত মস্কো ভ্ৰমণ কৰে আৰু পাৰমাণৰিক অস্ত্ৰ-শস্ত্ৰ পৰৱৰ্তী দহ বছৰৰ কাৰণে সীমিত কৰাৰ উদ্দেশ্যে চুক্তি সম্পাদিত কৰে। ইয়াৰ উপৰিও দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে ১৯৭৫ চনত হেলচিংকিত নিৰাপত্তা আৰু সহযোগিতা শীৰ্ষক সন্মিলনত মিলিত হৈছিল আৰু এনে ধৰণৰ কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত দুয়ো ৰাষ্ট্ৰৰ মাজৰ উত্তেজনা বহু পৰিমাণে শাম কাটিছিল। অৱশ্যে দুয়ো ৰাষ্ট্ৰৰ মাজত বন্ধুত্বপূৰ্ণ সম্বন্ধ গঢ়ি উঠাৰ লগে লগে আন কিছুমান দিশে দুয়ো ৰাষ্ট্ৰৰ মাজত উত্তেজনা বাহাল ৰখাত উদগনি যোগাইছিল। উদাহৰণস্বৰূপে, আমেৰিকাই মধ্যপ্ৰাচ্য অঞ্চলত তেওঁলোকৰ প্ৰভাৱ সুনিশ্চিত কৰাৰ অৰ্থে ইৰানক সামৰিক দিশত সহায়-সহযোগিতা আগবঢ়াইছিল। একেধৰণে ৰাছিয়ায়ো এছিয়াৰ দেশসমূহৰ সামূহিক নিৰাপত্তা সুনিশ্চিত কৰাৰ অৰ্থে প্ৰস্তাৱ আগবঢ়াইছিল, যাতে এই ৰাষ্ট্ৰসমূহত আমেৰিকাৰ প্ৰভুত্ব হ্ৰাস পায়।

- **সপ্তম পৰ্যায় (১৯৭৯ চনৰ পিচৰ পৰা) ঃ** ১৯৭২ চনত আমেৰিকা আৰু ৰাছিয়াৰ মাজত স্বাক্ষৰিত SALT-I নামৰ চুক্তিখন ১৯৭৭ চনত যেতিয়া অকাৰ্যকৰী হৈ পৰে, তেতিয়া দুয়ো ৰাষ্ট্ৰৰ নেতৃত্বই কেইবালানি আলোচনাৰ জৰিয়তে ১৯৭৯ চনত ভিয়েনাত আন এখন চুক্তিত স্বাক্ষৰ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি কাৰ্টাৰ আৰু ব্ৰেজনেভে সম্পাদন কৰা এই চুক্তিখনক SALT-II নামেৰে জনাজাত। এনে চুক্তি সম্পাদনৰ জৰিয়তে দুয়ো ৰাষ্ট্ৰই পাৰমাণৰিক অস্ত্ৰ-শস্ত্ৰৰ সম্প্ৰসাৰণ সীমিত কৰিব বিচাৰিছিল। দুয়ো ৰাষ্ট্ৰই নিৰস্ত্ৰীকৰণ প্ৰক্ৰিয়া সফল কৰাৰ উদ্দেশ্যে অস্ত্ৰ-শস্ত্ৰৰ সীমিতকৰণৰ ওপৰত দৃঢ়মত পোষণ কৰিছিল। কিন্তু SALT-II চুক্তি সম্পাদন হোৱাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আন এক ঘটনাই জোকাৰণি তুলিছিল, সেয়া হ'ল— ৰাছিয়াৰ আফগানিস্থান দখল। এনে ঘটনাৰ ফলতে প্ৰায় এটা দশকলৈকে উত্তেজনা প্ৰশমনৰ প্ৰচেষ্টা ব্যাহত হয়। ইয়াৰ লগে লগে আন এক নতুন শীতল যুদ্ধৰ (new coldwar) আৰম্ভণি হৈছিল। এই নতুন শীতল যুদ্ধ আৰম্ভ হোৱাৰ মূল কাৰণ আছিল দুয়ো মহাশক্তিৰ মাজত থকা সম্বন্ধৰ অৱক্ষয় (erosion) আৰু ৰাষ্ট্ৰসমূহৰ অস্ত্ৰ-শস্ত্ৰ বৃদ্ধিৰ প্ৰতি চিন্তা-চৰ্চা। ৰাষ্ট্ৰসমূহৰ মাজত যিহেতু প্ৰযুক্তি-বিদ্যাৰ বিকাশ হৈছিল সেয়েহে ৰাষ্ট্ৰসমূহে যথেষ্ট

পৰিমাণে অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতাত নিজকে আত্মনিয়োগ কৰিছিল। অৱশ্যে দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে এক বুজা-পৰাৰ ভাবধাৰা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উপৰিও তেওঁলোকে কেইবালানিও আলোচনা অনুষ্ঠিত কৰিছিল। ৰাষ্ট্ৰসমূহৰ নেতাসকলৰ মাজত দ্বিপাক্ষিক আৰু বহুপাক্ষিক আলোচনা অনুষ্ঠিত হৈছিল যদিও তেওঁলোকে এক সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। এইক্ষেত্ৰত ১৯৮৭ চনৰ ওৱাচিংটন সন্মিলনৰ কথা মন কৰিবলগীয়া। এই সন্মিলনত দুয়ো ৰাষ্ট্ৰৰ নেতাসকলে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নিৰ্গত কৰাৰ ওপৰত মতামত প্ৰকাশ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯৮৮ চনৰ মে'-জুন মাহত মস্কোত অনুষ্ঠিত মস্কো শীৰ্ষ সন্মিলনত দুয়ো ৰাষ্ট্ৰই 'Intermediate range Nuclear Treaty' আৰু 'Strategic Arms Reduction Treaty (START) নামেৰে দুখন চুক্তি সম্পাদন কৰে। এই ধৰণে দুয়ো ৰাষ্ট্ৰই তেওঁলোকৰ মাজৰ সম্পৰ্ক উন্নত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল, যাৰ ফলত দুয়ো ৰাষ্ট্ৰৰ মাজত উত্তেজনা হ্ৰাস পাইছিল। এই ক্ষেত্ৰত ছোভিয়েট ৰাছিয়াই আগভাগ লোৱা দেখা গৈছিল আৰু ১৯৮৮ চনত ৰাছিয়াই একপক্ষীয়ভাৱে ইউৰোপৰ পৰা সামৰিক সৈন্য-সামন্ত উঠাই লোৱাৰ কথা ঘোষণা কৰিছিল। এনে ঘোষণাৰ জৰিয়তে পশ্চিমীয়া ৰাষ্ট্ৰৰ লগত ৰাছিয়াই বন্ধুত্বপূৰ্ণ সম্বন্ধ গঢ়ি তুলিব বিচাৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত দুয়ো ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিষয়বোৰ আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল আৰু তেওঁলোকৰ মাজৰ পৰা সকলো ধৰণৰ বাধা আঁতৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। উদাহৰণস্বৰূপে, ১৯৮৯ চনৰ মালটা শীৰ্ষ সন্মিলনত দুয়ো ৰাষ্ট্ৰই বিভিন্ন ধৰণৰ বিষয় আলোচনা কৰিছিল আৰু এনে আলোচনাই দুয়ো ৰাষ্ট্ৰৰ মাজৰ সম্বন্ধ মধুৰ কৰি তুলিছিল। ১৯৯০ চনত দুয়ো ৰাষ্ট্ৰৰ শীৰ্ষ নেতৃত্বৰ মাজত 'ওৱাচিংটনত আন এখন সন্মিলনত অৰ্থনৈতিক আৰু সাংস্কৃতিক সহযোগিতা বৃদ্ধিৰ কাৰণে চুক্তি সম্পাদন কৰা হৈছিল। ইয়াৰ উপৰিও অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহে মাৰণাস্ত্ৰসমূহ (WMD-Weapon of Mass Destruction) ধ্বংস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ৰাষ্ট্ৰসমূহে একপক্ষীয়ভাৱে (Unilateraly) নিৰস্ত্ৰীকৰণ নীতি ঘোষণা কৰি সকলো ধৰণৰ পাৰমাণৱিক জৈৱিক আৰু ৰাসায়নিক গণবিধ্বংসী অস্ত্ৰ-শস্ত্ৰসমূহ নিৰ্গত কৰিবলৈ এক দহদফীয়া আঁচনি ঘোষণা কৰিছিল। ১৯৮৯ চনত বিশ্ব ৰাজনীতিত আন এক ভূমিকম্পসদৃশ ঘটনা সংঘটিত হৈছিল, যাৰ প্ৰত্যক্ষ ৰূপ হ'ল ছোভিয়েট ৰাছিয়াৰ খণ্ডিতকৰণ (disintegration)।

১৯৮৫ চনৰ আগভাগৰ পৰা ছোভিয়েট ইউনিয়নৰ পতন ঘটিবলৈ আৰম্ভ হয়। কেইবাবছৰ ধৰি সামৰিক খণ্ডত অধিক অৰ্থ ব্যয় কৰাৰ ফলত অৰ্থনৈতিত স্থবিৰতাৰ সৃষ্টি হৈছিল। এনেসময়তে ছোভিয়েট ইউনিয়নৰ অংগৰাষ্ট্ৰ সমূহে কেন্দ্ৰীয় নেতৃত্বৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে।১৯৮০ দশকৰ পিছৰ ভাগত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্ৰপতি মিখেইল গোৰৱেছেভে পেৰেষ্টইকা (ছোভিয়েট ৰাজনৈতিক আৰু অৰ্থনৈতিক

ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্য সৃষ্টি হোৱা এক ৰাজনৈতিক আন্দোলন) আৰু গ্লাচ্‌নোষ্ট্‌ (চৰকাৰক স্বচ্ছ আৰু মুক্ত কৰাৰ নীতিৰ সূচনা) কৰিছিল। গতিকে ১৯৯০ চনৰ মাজভাগত নেট' (NATO) ৰাষ্ট্রমণ্ডলে লণ্ডন শীৰ্ষ সন্মিলনত শীতল যুদ্ধৰ আনুষ্ঠানিক সমাপ্তি ঘোষণা কৰাৰ লগে লগে বিশ্বৰ সমগ্র ৰাষ্ট্রই এনে ঘোষণাক আদৰণি জনায় আৰু ৰাছিয়াৰ নেতৃত্বই এনে সিদ্ধান্তক এক বাস্তৱ আৰু গঠনমূলক সিদ্ধান্ত হিচাপে গণ্য কৰে।



জানি থোৱা ভাল

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ এই সময়ছোৱাত দুয়ো শক্তিগোষ্ঠীৰ মাজত নতুনকৈ সংঘর্ষ আৰু উত্তেজনাই প্রবলভাৱে গা কৰি উঠে। এই সময়ছোৱাকেই নতুন শীতল যুদ্ধ বুলি কোৱা হয়। এই সময়ত ৰাষ্ট্রসমূহৰ মাজত উত্তেজনা বহু পৰিমাণে বৃদ্ধি হৈছিল আৰু বন্ধুত্বপূর্ণ সম্পর্ক ম্লান হৈছিল। এই নতুন শীতল যুদ্ধ সৃষ্টি হোৱাৰ মূল কাৰণ আছিল ৭০ ৰ দশকৰ শেষৰপিনে ৰাছিয়াই আফগানিস্থান দখল কৰা ঘটনাটো। নতুন শীতল যুদ্ধ বহু পৰিমাণে পুৰণি শীতল যুদ্ধতকৈ পৃথক। এই নতুন শীতল যুদ্ধ অধিক পৰিমাণে ভয়ানক আছিল। পুৰণি শীতল যুদ্ধত বিশ্ব নেতৃত্বক লৈ (World leadership) ৰাষ্ট্রসমূহৰ মাজত আৰম্ভ হোৱা সংঘর্ষৰ পৰিণতিতেই আৰম্ভ হৈছিল। শীতল যুদ্ধৰ অংশগ্রহণকাৰী ৰাষ্ট্রসমূহে বিশ্বত নিজকে প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ বিপৰীতে নতুন শীতল যুদ্ধ ৰাষ্ট্রসমূহৰ মাজত বাহাল থকা সম্বন্ধৰ অৱক্ষয়ৰ মূলতেই সূচনা হৈছিল। পুৰণি শীতল যুদ্ধত অংশগ্রহণকাৰী ৰাষ্ট্রসমূহে নিজ নিজ আদর্শৰ মাজত সীমাবদ্ধ আছিল যদিও নতুন শীতল যুদ্ধই আদর্শগত সীমা (Ideological barrier) পাৰ হৈ এক ভয়ানক ৰূপ ধাৰণ কৰিছিল। ৰাষ্ট্রসমূহৰ মাজত প্রযুক্তিবিদ্যাৰ বিকাশ সাধন হোৱা হেতুকে ৰাষ্ট্রবোৰে অস্ত্র-শস্ত্র আহৰণৰ অবাধ প্রতিযোগিতাত অৱতীর্ণ হৈছিল।

২.৪.১ শীতল যুদ্ধৰ ফলাফল

দ্বিতীয় মহাযুদ্ধৰ শেষত আৰম্ভ হোৱা শীতল যুদ্ধ ১৯৯০ চনৰ মাজত আনুষ্ঠানিকভাৱে সমাপ্ত হৈছিল। এই শীতল যুদ্ধৰ ফলত দুই শক্তিগোষ্ঠীৰ মাজত এক অবাধ অস্ত্র-শস্ত্র আহৰণৰ প্রতিযোগিতা আৰম্ভ হৈছিল আৰু প্রতিটো শক্তিগোষ্ঠীয়ে (power bloc) উন্নত কাৰিকৰী কৌশলেৰে সমৃদ্ধ অস্ত্র-শস্ত্র আহৰণত ব্যস্ত হৈছিল। ইয়াৰ ফলত NATO, WARSAW PACT, CENTO, SEATO, ইত্যাদি কিছুমান সামৰিক জোঁট বন্ধনৰ সৃষ্টি হৈছিল।

শীতল যুদ্ধৰ আন এক প্রভাৱ হ'ল গোষ্ঠী নিৰপেক্ষ নীতি (Non-Alignment

Policy) ৰ আৰিৰ্ভাৰ। দ্বিতীয় মহাযুদ্ধৰ পিচত এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ বহুতো ৰাষ্ট্ৰই নতুনকৈ স্বাধীনতা লাভ কৰিছিল আৰু এই ৰাষ্ট্ৰসমূহে দুই শক্তিগোষ্ঠীৰ ক্ষমতা আহৰণৰ ৰাজনীতিৰ পৰা নিজকে আঁতৰত ৰাখি এক সুকীয়া নিৰপেক্ষ স্বতন্ত্ৰ বৈদেশিক নীতি গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনে সুকীয়া নিৰপেক্ষ নীতিয়েই গোষ্ঠী নিৰপেক্ষ নীতি নামেৰে জনা যায়। শীতল যুদ্ধৰ ফলত এক বিশ্বৰাষ্ট্ৰৰ (World State) ধাৰণাত উপনীত হোৱাত বাধাৰ সৃষ্টি হৈছিল। কাৰণ, শীতল যুদ্ধৰ সময়ছোৱাত দুই শক্তিগোষ্ঠীৰ মাজত এক পাৰস্পৰিক অবিশ্বাস আৰু প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছিল আৰু এটা শক্তিগোষ্ঠীয়ে আনটো শক্তিগোষ্ঠীক ধ্বংস কৰাৰ প্ৰচেষ্টা চলাইছিল। ইয়াৰ ফলত ৰাষ্ট্ৰসংঘৰ অধীনত এক ৰাষ্ট্ৰৰ ধাৰণাত উপনীত হোৱাত অসুবিধাৰ সৃষ্টি হৈছিল। আনহাতে, শীতল যুদ্ধৰ প্ৰভাৱত ৰাষ্ট্ৰসংঘৰ পদমর্যাদা বহু পৰিমাণে ম্লান হৈছিল। কাৰণ ৰাষ্ট্ৰসংঘৰ মজিয়াত এটা শক্তিগোষ্ঠীয়ে কোনো এটা প্ৰস্তাৱ উত্থাপন কৰাৰ লগে লগে আনটো শক্তিগোষ্ঠীয়ে ইয়াৰ বিৰোধিতা কৰিছিল। উদাহৰণস্বৰূপে, ৰাষ্ট্ৰসংঘত চীনক অন্তৰ্ভুক্ত কৰাৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰই ভেটো ক্ষমতা প্ৰয়োগ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দ্বিতীয় মহাযুদ্ধৰ পিচত ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ অর্থনৈতিক পুনৰুদ্ধাৰ সুনিশ্চিত কৰিবলৈ আমেৰিকাই কোনখন পৰিকল্পনাৰ অধীনত অর্থনৈতিক সাহার্য আগবঢ়াইছিল?

.....

.....

প্রশ্ন নং ৫ ঃ Detente শব্দই ৰাষ্ট্ৰসমূহৰ মাজত চলি থকা উত্তেজনা প্ৰশমন কৰাকে বুজায়। (শুদ্ধ/অশুদ্ধ উল্লেখ কৰক)।

.....

প্রশ্ন নং ৬ ঃ ছোভিয়েট ৰাছিয়াই ইউৰোপীয় শক্তিসমূহৰ লগত সম্পাদন কৰা চুক্তিখনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ পশ্চিমীয়া গোষ্ঠীয়ে ফেডাৰেল ৰিপাব্লিক অব্ জার্মানী (পশ্চিম জার্মানী) প্রতিষ্ঠা কৰাৰ বিপৰীতে ছোভিয়েট ইউনিয়নে ..... প্রতিষ্ঠা



কৰিছিল। (খালী ঠাই পূৰ কৰক)।

চিন্তা-চৰ্চা কৰক—২.১

শীতল যুদ্ধৰ পৰৱৰ্তী সময়ৰ সাম্প্ৰতিক বিশ্বৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক পৰিস্থিতি চমুকৈ বিশ্লেষণ কৰক?

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্ৰ বিশ্ব দুটা গোষ্ঠীত বিভক্ত হৈছিল। ইয়াৰে পশ্চিমীয়া পুঁজিবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰই আৰু সাম্যবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল ছোভিয়েট ইউনিয়নে।
- শীতল যুদ্ধ উৎপত্তিৰ সময়ৰ পৰা ১৯৯০ৰ দশকলৈ বিভিন্ন পৰ্যায় অতিক্ৰম কৰে।
- প্ৰথম পৰ্যায় (১৯৪৬-৪৯)ত দুই শক্তিগোষ্ঠী ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নৰ মাজত পাৰস্পৰিক অবিশ্বাস আৰু সন্দেহৰ সৃষ্টি হয় আৰু এটা গোষ্ঠীয়ে আনটোক ধ্বংস কৰাৰ পৰিকল্পনা যুগুত কৰে।

  দ্বিতীয় পৰ্যায় (১৯৪৯-৫৩)ত আমেৰিকা যুক্তৰাষ্ট্ৰই ছোভিয়েট ইউনিয়নৰ সম্প্ৰসাৰণ নীতি প্ৰতিহত কৰিবলৈ বিভিন্ন সামৰিক জোঁট গঠনৰ উদ্যোগ লয় আৰু অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা বৃদ্ধি হয়। এই সময়ছোৱাতেই আমেৰিকা যুক্তৰাষ্ট্ৰই অষ্ট্ৰেলিয়া, নিউজিলেণ্ডৰ লগত 'ANZUS' নামৰ প্ৰতিৰক্ষা চুক্তিত সাক্ষৰ দান কৰে। ঠিক একে সময়তে, ১৯৫১ চনত জাপানৰ লগত শান্তি চুক্তি (Peace Treaty) সম্পাদন কৰে।

  তৃতীয় পৰ্যায় (১৯৫৩-৫৭)ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাছিয়াৰ বিৰুদ্ধে সামৰিক আৰু অৰ্থনৈতিক নীতি বাহাল ৰাখে। এই সময়ছোৱাতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত 'দক্ষিণ-পূব এছীয় চুক্তি সংগঠন' (SEATO) আৰু 'মধ্যপ্ৰাচ্য প্ৰতিৰক্ষা সংগঠন' (MEDO) নামৰ দুখন চুক্তি সাক্ষৰিত হয়। ইয়াৰ বিপৰীতে ৰাছিয়াই পূব ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ লগত 'ৱাৰশ্ব চুক্তি' (Warsaw Pact) স্বাক্ষৰ কৰে আৰু ১২ খন ৰাষ্ট্ৰৰ লগত প্ৰতিৰক্ষা সম্বন্ধীয় চুক্তিত স্বাক্ষৰ প্ৰদান কৰে।

  চতুৰ্থ পৰ্যায় (১৯৫৭-৬২)ত আমেৰিকা আৰু ৰাছিয়া দুয়ো শক্তি গোষ্ঠীয়ে 'সহ-অৱস্থান নীতি' (Principles of Co-existence) ঘোষণা কৰে। এনে নীতিৰ জৰিয়তে

দুয়ো ৰাষ্ট্রই তেওঁলোকৰ মাজত থকা সংঘাতসমূহ আঁতৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই সময়তেই সংঘটিত হোৱা আন এক আন্তঃৰাষ্ট্রীয় ঘটনা হ'ল **কিউবাৰ সংকট** (Cuban Crisis)। এই ঘটনাৰ প্ৰভাৱত সমগ্ৰ বিশ্বত এক তৃতীয় মহাযুদ্ধসদৃশ পৰিবেশৰ সৃষ্টি হৈছিল ।

পঞ্চম পৰ্যায় (১৯৬২-৬৯)ত দুই শক্তিগোষ্ঠীৰ মাজত সহযোগিতাই বিৰাজ কৰিছিল। দুয়ো শক্তিপক্ষই পাৰমাণৰিক অস্ত্ৰ-শস্ত্ৰৰ ধ্বংসাত্মক দিশৰ প্ৰতি চিন্তা-চৰ্চা কৰিছিল আৰু এনে অস্ত্ৰ-শস্ত্ৰৰ সম্প্ৰসাৰণ ৰোধ কৰাৰ বাবে বিশ্বজনীনভাৱে প্ৰচাৰকাৰ্য চলোৱাৰ ওপৰত গুৰুত্ব দিছিল। দুয়ো শক্তিয়ে সশস্ত্ৰীকৰণৰ পৰিবৰ্তে পাৰমাণৰিক অস্ত্ৰ-শস্ত্ৰৰ নিৰস্ত্ৰীকৰণ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু কেইবাখনো পাৰমাণৰিক চুক্তি সম্পাদন কৰিছিল। ১৯৬৩ চনৰ 'পাৰমাণৰিক পৰীক্ষা নিষিদ্ধকৰণ চুক্তি' আৰু 'প্ৰত্যক্ষ যোগাযোগ চুক্তি'য়ে দুয়ো দেশৰ মাজৰ সম্পৰ্ক উন্নত কৰে। ১৯৫৮ চনৰ 'পাৰমাণৰিক অস্ত্ৰ সম্প্ৰসাৰণ বিৰোধ চুক্তি' স্বাক্ষৰে দুয়ো দেশৰ মাজৰ সম্পৰ্ক অধিক পৰিমাণ ত্বৰান্বিত হয়।

ষষ্ঠ পৰ্যায় (১৯৬৯-৭৮) টোক উত্তেজনা হ্ৰাসৰ যুগ বুলি কোৱা হয়। এই সময়ছোৱাত দুয়ো মহাশক্তিয়ে সংঘৰ্ষৰ পৰিৱৰ্তে পাৰস্পৰিক সহযোগিতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে দুয়োখন ৰাষ্ট্ৰৰ মাজত সাংস্কৃতিক বিনিময়, বাণিজ্যিক চুক্তি সম্পাদিত কৰিছিল। এনেধৰণৰ এক মধুৰ সম্পৰ্ক গঢ়ি উঠাৰ মূল কাৰণ আছিল দুয়ো ৰাষ্ট্ৰৰ নেতৃদ্বয়ে তেওঁলোকৰ নিজ নিজ স্বাৰ্থৰ হকে যুদ্ধ এৰাই চলাৰ মানসিকতা উপলব্ধি কৰা আৰু দুয়ো ৰাষ্ট্ৰৰ মাজত সহযোগিতাৰ মনোভাব সুদৃঢ় কৰা।

সপ্তম পৰ্যায় (১৯৭৯ চনৰ পিচৰ পৰা)ত ছোভিয়েট ৰাছিয়াৰ আফগানিস্থান দখলৰ ফলতে প্ৰায় এটা দশকলৈকে উত্তেজনা অব্যাহত থাকে। ইয়াৰ লগে লগে আন এক নতুন শীতল যুদ্ধৰ (new cold war) আৰম্ভণি হৈছিল। ছোভিয়েট ৰাছিয়াৰ খণ্ডিতকৰণ (disintegration)। ১৯৮৫ চনৰ আগভাগৰ পৰা ছোভিয়েট ইউনিয়নৰ পতন ঘটিবলৈ আৰম্ভ হয়। কেইবাবছৰ ধৰি সামৰিক খণ্ডত অধিক অৰ্থ ব্যয় কৰাৰ ফলত অৰ্থনৈতিত স্থবিৰতাৰ সৃষ্টি হৈছিল। এনেসময়তে ছোভিয়েট ইউনিয়নৰ অংগৰাষ্ট্ৰ সমূহে কেন্দ্ৰীয় নেতৃত্বৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে। ১৯৮০ দশকৰ পিছৰ ভাগত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্ৰপতি মিখেইল গোৰৱেছেভে পেৰেষ্টইকা আৰু গ্লাচ্‌নোষ্ট্‌ (চৰকাৰক স্বচ্ছ আৰু মুক্ত কৰাৰ নীতিৰ সূচনা) কৰিছিল। এইবোৰ কাৰণত ছোভিয়েট ৰাছিয়াৰ খণ্ডিতকৰণ (disintegration) ঘটে।

- শীতল যুদ্ধৰ ফলত দুই শক্তিগোষ্ঠীৰ মাজত এক অবাধ অস্ত্ৰ-শস্ত্ৰ আহৰণৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল আৰু প্ৰতিটো শক্তিগোষ্ঠীয়ে (power bloc) উন্নত কাৰিকৰী কৌশলেৰে সমৃদ্ধ অস্ত্ৰ-শস্ত্ৰ আহৰণত ব্যস্ত হৈছিল। ইয়াৰ ফলত NATO, WARSAW PACT,

CENTO, SEATO, ইত্যাদি কিছুমান সামৰিক জোঁট বন্ধনৰ সৃষ্টি হৈছিল।শীতল যুদ্ধৰ আন এক প্ৰভাৱ হ'ল গোষ্ঠী নিৰপেক্ষ নীতি (Non-Alignment policy) ৰ আৱিৰ্ভাৱ। শীতল যুদ্ধৰ ফলত এক বিশ্ববাষ্ট্ৰৰ (World State) ধাৰণাত উপনীত হোৱাত বাধাৰ সৃষ্টি হৈছিল। আনহাতে, শীতল যুদ্ধৰ প্ৰভাৱত ৰাষ্ট্ৰসংঘৰ পদমর্যাদা বহু পৰিমাণে ম্লান হৈছিল।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি;* গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱর্তী, দিলীপ কুমাৰ (২০০৫); *আন্তর্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash & Arora, Prem. *Comparative Politics and International Relations*. New Delhi: Cosmos Bookhive (P) Ltd.

2) Malhotra, Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

3) Ghai, K.K. (2005) *International Relations – Theory and Practice*. New Delhi: Kalyani Publishers.



২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়ন

২ নং প্ৰশ্নৰ উত্তৰ ঃ বার্ণার্ড বাৰুচ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মার্শ্বাল পৰিকল্পনা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বাৰশ্ব চুক্তি।



৭ নং প্রশ্নৰ উত্তৰ ঃ জার্মান ডেম'ক্রেটিক ৰিপাব্লিক (পূব জার্মানী)।

২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পশ্চিমীয়া গোষ্ঠীৰ নেতৃত্ব বহন কোনে কৰিছিল?

প্ৰশ্ন ২ ঃ ১৯৪৭ চনত আমেৰিকা যুক্তৰাষ্ট্ৰই কোনটো নীতিৰ জৰিয়তে প্ৰত্যক্ষ ভাবে সামৰিক কাৰ্য্য গ্ৰহণৰ উপায় অৱলম্বন কৰিছিল?

প্ৰশ্ন ২ ঃ পূবৰ সাম্যবাদী গোষ্ঠীৰ এটা সামৰিক মিত্ৰ জোঁটৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ পেৰেষ্ট্ৰইকা আৰু গ্লানচ্নোচ্ট্ৰৰ সূচনা কোনে কৰিছিল?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শীতল যুদ্ধৰ অৰ্থ আৰু উৎপত্তিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শীতল যুদ্ধৰ ফলাফলসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ শীতল যুদ্ধৰ উত্তেজনা প্ৰশমন পৰ্য্যায়টো বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শীতল যুদ্ধৰ পৰ্য্যায়সমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ শীতল যুদ্ধৰ বিষয়ে চমুটোকা লিখক।

*** ***** ***

অধ্যায় ৩ ঃ আন্তর্জাতিক ৰাজনীতিত সংঘাত আৰু সহযোগিতা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সংঘাত আৰু শান্তি

৩.৩.১ সংঘাতৰ অর্থ

৩.৩.২ সংঘাতৰ বৈশিষ্ট্য আৰু প্রকাৰ

৩.৩.৩ শান্তিৰ অর্থ

৩.৪ আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ অর্থ আৰু গুৰুত্ব

৩.৫ সংঘাত ব্যৱস্থাপনা আৰু সংঘাত প্রশমন

৩.৫.১ সংঘাত ব্যৱস্থাপনাৰ অর্থ

৩.৫.২ সংঘাত প্রশমনৰ অর্থ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংঘাত আৰু শান্তিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সংঘাতৰ বৈশিষ্ট্যৰ সূচীবদ্ধ কৰণ কৰিব পাৰিব
- সংঘাতৰ বিভিন্ন প্রকাৰ বর্ণনা কৰিব পাৰিব
- শান্তিৰ বিভিন্ন দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ অর্থ আৰু গুৰুত্ব আলোচনা কৰিব পাৰিব
- সংঘাত ব্যৱস্থাপনা আৰু সংঘাত প্রশমনৰ অর্থ আলোচনা কৰিব পাৰিব
- সংঘাত ব্যৱস্থাপনাৰ বিভিন্ন কৌশল বর্ণনা কৰিব পাৰিব ।

৩.২ পৰিচয়

আন্তর্জাতিক ৰাজনীতিত ৰাষ্ট্রসমূহৰ মাজত ক্ষমতাৰ সংঘর্ষই সংঘাত আৰু সহযোগিতাৰ কথাকে প্রকাশ কৰে। প্রত্যেক ৰাষ্ট্রৰে নিজৰ স্বার্থ আছে আৰু ই অন্য ৰাষ্ট্রৰ সম্পূর্ণ অনুকূল (Compatible) নহয় আৰু বহুক্ষেত্রত ই সম্ভৱ নহয়। ৰাষ্ট্রৰ স্বার্থৰ আঁৰত সংঘাত ব্যৱস্থাপনা

আৰু সংঘাত মীমাংসাৰ উদ্দেশ্যও থাকে যাতে আন্তর্জাতিক ৰাজনীতিত সহযোগিতা আৰু সংঘাতৰ এক ভাৰসাম্যতা বর্তি থাকে। আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ মাজেৰে সকলো ৰাষ্ট্ৰৰ মাজত থকা সংঘাত নাশ কৰিব চেষ্টা কৰা হয়।

৩.৩সংঘাত আৰু শান্তি

আন্তর্জাতিক সম্বন্ধত সংঘাত আৰু শান্তি এক মুখ্য আলোচ্য বিষয় হিচাপে বিশ্ব ইতিহাসত প্ৰায় সকলো সময়তে বিবেচিত হৈ আহিছে। সকলো ধর্ম, ধর্মীয় গ্ৰন্থ আৰু বিভিন্ন ধর্মীয় অনুষ্ঠান সমূহৰ শান্তি প্ৰয়াসী বিচাৰ-ভাৱধাৰা বা কার্যই মানুহৰ শান্তিৰ প্ৰতি থকা সজাগতাৰ ইংগিত দিয়ে। সংঘাত নাশ সকলো ধর্মই সমর্থন কৰে।

৩.৩.১ সংঘাতৰ অর্থ

সংঘাতৰ ইংৰাজী শব্দ Conflictৰ মূল হ'ল লেটিন শব্দ 'Confligere' অর্থাৎ "সংঘবদ্ধ ভাৱে হৰতাল কৰা"। 'Conflict' শব্দটোৱে বিভিন্ন অর্থ বহন কৰে। এইটো প্ৰায়ে 'অসংগত' আৰু 'পৰস্পৰ বিৰোধী' শব্দৰ সমার্থক হিচাপে ব্যৱহৃত হয়। দুটা ভিন্নধর্মী লক্ষ্য, স্বার্থ, প্ৰমূল্যবোধ আৰু বিশ্বাস একেলগে অৱস্থান কৰিলেই সংঘাতৰ সূচনা হয়। অন্যভাৱে ক'বলৈ গ'লে, সংঘাত এনে এক পৰিঘটনা যিটোক সম্বন্ধৰ অসংগত দিশে এক বৈশিষ্ট্য প্ৰদান কৰে।

সকলো ক্ষেত্ৰতে সংঘাত ধাৰণাটো বিভিন্ন ৰূপত প্ৰয়োগ হ'ব পাৰে, অর্থনৈতিক, দেশীয় বা আন্তর্জাতিক ক্ষেত্ৰত। কেনেথ্ বউলডিঙ (Keneth Boulding)এ তেওঁৰ অর্থনৈতিক সংঘাতৰ তত্ত্বটো আন্তর্জাতিক সংঘাত হিচাপে প্ৰয়োগ কৰিছে আৰু আন্তর্জাতিক সংঘাতৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰিছে। এনে এক বৈশিষ্ট্য হ'ল যে, ৰাষ্ট্ৰই কেতিয়াবা প্ৰতিযোগিতামূলকভাৱে যুদ্ধ আৰু শান্তিৰ এক নাটকীয় পৰিৱর্তন আনিব পাৰে। অব্যক্ত বা অপ্ৰকাশ্য সংঘাত আৰু প্ৰকাশ্য সংঘাত, এই দুটাৰ যিকোনো এটাৰ দ্বাৰা এই পৰিৱর্তনৰ সূচনা কৰিব পাৰি। অব্যক্ত (latent) সংঘাতৰ ক্ষেত্ৰত মাধ্যম বা সাধন (means) হিচাপে ভয় দেখুওৱা, প্ৰতিজ্ঞা কৰা আৰু হেঁচা বা চাপ দিয়া আৰু প্ৰকাশ্য সংঘাতৰ ক্ষেত্ৰত সাধন হিচাবে যুদ্ধৰ ব্যৱহাৰ কৰা হয়।

আন্তর্জাতিক ৰাজনীতিত সংঘাতক গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয় কাৰণ আন্তর্জাতিক সমাজৰ পৰা সংঘাত নোহোৱা কৰিব নোৱাৰি আৰু সংঘাতৰ ধাৰাবাহিকতাৰ ভেঁটিতেই আন্তর্জাতিক ৰাজনীতি গঢ় লৈ উঠিছে। সাম্প্ৰতিক কালত আফ্ৰিকা, লেটিন আমেৰিকা আৰু এছিয়াৰ কিছুমান নতুন ৰাষ্ট্ৰই সীমা সমস্যাত ভূগিছে আৰু ই নিশ্চয়কৈ আন্তর্জাতিক ৰাজনীতিত এক ডাঙৰ সংঘাতৰ সূচনা কৰিছে। কূটনৈতিক সম্বন্ধত যুদ্ধই অনা ভাবুকিয়ে সংঘাতৰ জন্ম দিয়ে।

সংঘাত হৈছে সৃষ্টি আৰু পুনঃসৃষ্টিৰ এক অবিৰত প্ৰক্ৰিয়া। এইখিনিতে এইটো মনত ৰখা উচিত যে সংঘাত প্ৰশমন মাত্ৰ এটা পদ্ধতি, যাৰ দ্বাৰা সংঘাতৰ অন্ত পেলাব পাৰি। অন্য কিছুমান পদ্ধতি সংঘাত সমাধানৰ বাবে আছে আৰু সেইবোৰ হ'ল বৰ্জন,অধিকাৰ, পুৰস্কাৰ, সন্ধি বা মিত্ৰতা, আলোচনা, বন্দবস্ত বা দৰদাম আৰু প্ৰস্তাৱ আদি। আন্তর্জাতিক সংস্থাসমূহৰ মাধ্যমেৰে এই সংঘাত সমাধান মাধ্যম সমূহৰ প্ৰয়োগ কৰা হয়। আন্তর্জাতিক ৰাজনীতিৰ কাৰ্যক্ষেত্ৰ অধ্যয়নৰ মাজতেই এই সংঘাত প্ৰশমনৰ পদ্ধতিসমূহৰ বুজ পাব পাৰি।

চিন্তা-চৰ্চা কৰক ৩.১

সাম্প্ৰতিক আন্তর্জাতিক ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত সংঘাতৰ ধাৰণাৰ বিষয়ে জানিব চেষ্টা কৰক।

.....

.....

.....

৩.৩.২ সংঘাতৰ বৈশিষ্ট্য আৰু প্ৰকাৰ

- **সংঘাতৰ বৈশিষ্ট্য ঃ** সংঘাতৰ বৈশিষ্ট্য কেইবাটাও আছে। সেইবিলাক হ'ল—
  - সংঘাত নিজে সৃষ্টি নহয়, ইয়াক প্ৰস্তুত কৰা হয়।
  - বিপৰীতমুখী স্বাৰ্থই সংঘাত সৃষ্টিত অৰিহণা যোগায়।
  - লক্ষ্যৰ বিসংগতি বা বৈসাদৃশ্য সংঘাতৰ এক বৈশিষ্ট্য।
  - মতবাদ আৰু মূল্যবোধৰ বিভিন্নতাই সংঘাতৰ জন্ম দিয়ে।
- **সংঘাতৰ প্ৰকাৰ ঃ** সংঘাতক চাৰি প্ৰকাৰত শ্ৰেণীবদ্ধ কৰিব পাৰি—
  - **আন্তঃব্যক্তিক সংঘাত (Interpersonal conflict) ঃ** দুজন ব্যক্তিৰ মাজত হোৱা সংঘাতকে এই শ্ৰেণীত অন্তর্ভুক্ত কৰিব পাৰি। দুজন ব্যক্তিৰ মাজৰ ভিন্নতাক কেন্দ্ৰ কৰিয়েই আন্তঃব্যক্তিক সংঘাতৰ জন্ম হয়। প্ৰত্যক্ষভাৱে ই এক স্বাভাৱিক ঘটনা যিটোৱে শেষত গৈ ব্যক্তিগত বিকাশ আৰু পাৰস্পৰিক সম্বন্ধৰ উন্নতিত সহায়ক হয়।
  - **অন্তঃব্যক্তিক সংঘাত (Intrapersonal conflict) ঃ** এজন ব্যক্তিৰ কেন্দ্ৰতেই এই সংঘাত হয়। ব্যক্তিগত ভাবনা বা মানসিকতাই এই সংঘাতৰ জন্ম দিয়ে। ইয়াক একধৰণৰ মনস্তাত্বিক উপাদানৰ সৃষ্টি বুলিব পাৰি য'ত ব্যক্তিৰ চিন্তা, প্ৰমূল্যবোধ, নীতি আৰু অনুভূতি জড়িত হৈ থাকে।
  - **অন্তঃদলীয় সংঘাত (Intragroup conflict) ঃ** এটা দল বা গোটৰ অন্তর্গত

সদস্যসকলৰ মাজত এনে সংঘাতৰ সৃষ্টি হয়। সদস্যসমূহৰ মাজত পৰস্পৰ অসংগতি আৰু ভুল বুজাবুজিয়ে অন্তঃদলীয় সংঘাতৰ জন্ম দিয়ে। ব্যক্তিসমূহৰ পৰস্পৰৰ মতভেদেই এনে সংঘাতৰ কাৰণ।

- **আন্তঃদলীয় সংঘাত (Intergroup conflict) ঃ** এই ধৰণৰ সংঘাতৰ জন্ম হয় প্ৰধানকৈ সংস্থা এটাৰ অন্তৰ্ৱৰ্ত্তী শাখাসমূহৰ পৰস্পৰৰ বুজাবুজিৰ অভাৱক কেন্দ্ৰ কৰি। প্ৰতিযোগিতাৰ মনোভাৱেও বহুসময়ত দল বা গোটসমূহৰ এটাৰ লগত আনটোৰ সংঘাতৰ জন্ম দিয়ে। (www.typesofconflict.org)

১৩.৩.৩ শান্তিৰ অৰ্থ

বিভিন্ন সামাজিক গোটৰ মাজত শান্তিৰ উদ্ভৱ হয় যেতিয়া গোটসমূহৰ মাজত সংঘাত নাথাকে আৰু সকলো গোট সংঘৰ্ষৰ ভয়ৰ পৰা মুক্ত থাকে। সাধাৰণভাৱে ক'বলৈ গ'লে সংঘৰ্ষ বা সংঘাতৰ অনুপস্থিতিয়েই হৈছে শান্তি। শান্তিৰ সৈতে পাৰস্পৰিক মিলা-প্ৰীতি আৰু বুজা-বুজিও জড়িত হৈ থাকে আৰু তেনেদৰে পাৰস্পৰিক সৌহাৰ্দ্যৰ প্ৰতি এক আন্তৰিক, বিচাৰশীল মনোভাৱ আৰু সম্পৰ্ক শান্তিৰ বাবে জৰুৰী।

➢ **শান্তিৰ দুটা স্বৰূপ (Perspective)**

শান্তিৰ স্বৰূপ দুই প্ৰকাৰৰ হ'ব পাৰে। সেইবোৰ হ'ল—

- **ঋণাত্মক শান্তি (Negative Peace) ঃ** ব্যক্তি, গোট আৰু চৰকাৰৰ মাজত প্ৰত্যক্ষ সংঘৰ্ষৰ পৰিৱেশ নাথাকিলে অৰ্থাৎ, শাৰীৰিক, মৌখিক (verbal) আৰু মনস্তাত্বিক সংঘৰ্ষ নাথাকিলে ঋণাত্মক শান্তি বুলি আখ্যা দিব পাৰি। ঋণাত্মক শান্তিয়ে যুদ্ধ আৰু সংঘৰ্ষৰ পৰিণাম আৰু বিধ্বংসী ৰূপৰ লগতে ভাবুকি আৰু মাৰণাস্ত্ৰৰ ব্যৱহাৰ আৰু তাৰ পাৰ্শ্বক্ৰিয়া আদিৰ দৰে বিষয়বোৰ বিবেচনা কৰে।
- **ধনাত্মক শান্তি (Positive Peace) ঃ** ধনাত্মক শান্তিয়ে সংঘৰ্ষহীন পৰিৱেশৰ উপৰি আন কিছুমান যোগাত্মক দিশো অন্তৰ্ভুক্ত কৰে। সামাজিক ন্যায় আৰু আৰু সম অধিকাৰ, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, সম্পদৰ সমবিতৰণ, সম-সুৰক্ষা নীতি আৰু আইনৰ নিৰপেক্ষতাই ধনাত্মক শান্তি সুনিশ্চিত কৰে। ধনাত্মক শান্তিয়ে সকলো নাগৰিকৰে আন্তঃসংবদ্ধতাৰ ধাৰণাকে গ্ৰহণ কৰে আৰু প্ৰত্যক্ষ সংঘৰ্ষৰ সকলো সম্ভাৱনাক নাশ কৰিব বিচাৰে।



জানি থোৱা ভাল

বাস্তৱবাদী চিন্তাবিদ হেনছ. জে. মৰগেনথিউ-এ তেওঁৰ দিক্‌দৰ্শনকাৰী গ্ৰন্থ "Politics Among Nations"ত শান্তি লাভৰ পথত সমস্যাৰ বিষয়ে আলোচনা

কৰিছিল আৰু তাৰ উদ্দেশ্যে তিনিটা বিস্তৃত বিকল্পৰ পৰামর্শ দিছিল। সেইকেইটা হ'ল সীমাবদ্ধতাৰ মাজেৰে শান্তি, পৰিৱর্তনৰ মাজেৰে শান্তি আৰু সু-বন্দবস্তৰ মাজেৰে শান্তি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সংঘাত শব্দটোৱে কি অর্থ বহন কৰিছে? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ২ ঃ সংঘাত হৈছে সৃষ্টি আৰু পুনঃসৃষ্টিৰ এক অবিৰত প্রক্রিয়া। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৩ ঃ কেনেথ্ বউলডিঙ-এ..... তত্ত্ব প্রয়োগ কৰিছিল।(খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ৪ ঃ সংঘাতক আন্তঃব্যক্তিক সংঘাত, ..., অন্তঃদলীয় সংঘাত আৰু আন্তঃদলীয় সংঘাত এই চাৰিশ্রেণীত ভাগ কৰিব পাৰি।(খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ৫ ঃ ধনাত্মক শান্তিয়ে সকলো নাগৰিকৰে আন্তঃ সংবদ্ধতাৰ ধাৰণা গ্রহণ কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৬ ঃ শান্তি শব্দটোৱে প্রকৃততে কি অর্থ বহন কৰে? (৬০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৩.৪ আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ অর্থ আৰু গুৰুত্ব

- **সহযোগিতাৰ অর্থ**

সহযোগিতা শব্দটোৱে বিভিন্ন অর্থ বহন কৰে। আন্তর্জাতিক ৰাজনীতিত সহযোগিতাই বুজায় যে, বিভিন্ন ৰাষ্ট্রৰ চৰকাৰে এক নির্দিষ্ট লক্ষ্য পূৰণৰ কাৰণে একেলগ হৈ কর্মত অগ্রসৰ হোৱা। ৰাজনৈতিক সহযোগিতা প্রায়েই বুজাপৰা বা সন্ধি (treaties)ৰ মাজেৰে সম্পাদন হয়। সন্ধি হ'ল দুখন ৰাষ্ট্রৰ মাজত আনুষ্ঠানিকতাৰ মাজেৰে স্বীকৃত চুক্তি যাৰ দ্বাৰা চুক্তিবদ্ধ ৰাষ্ট্রকেইখনে পৰস্পৰক সহযোগ কৰিব পাৰে। এনে সহযোগিতাৰে ৰাষ্ট্র দুখনে কিছুমান নির্দিষ্ট সমস্যাত

যৌথভাৱে ভাগ লৈ সমাধান কৰিব পাৰে আৰু স্বেচ্ছামূলকভাৱে জনসম্পদ বা দ্ৰব্যৰ বিনিময় কৰিব পাৰে। এই সকলো কার্য্য ৰাষ্ট্ৰ দুখনৰ নিজা স্বার্থ আৰু কৌশলৰ অনুকূল হয়।

সহযোগিতা দুখন ৰাষ্ট্ৰৰ (bilateral cooperation) (দ্বিপাক্ষীয় সহযোগিতা) বা বহুকেইখন ৰাষ্ট্ৰৰ (বহুপক্ষীয় - multilateral) মাজত হ'ব পাৰে। সহযোগিতা বিভিন্ন মাধ্যমৰ দ্বাৰা স্থাপন হয়, যেনে— আলোচনা (negotiations), কৌশলপূর্ণ বন্দৰস্ত (tacit bargaining) আদি।

উদাৰতাবাদীসকলে ভাবে যে আন্তর্জাতিক সংস্থাসমূহে ৰাষ্ট্ৰৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে এক গুৰুত্বপূর্ণ ভূমিকা লয়। শক্তিশালী আন্তর্জাতিক সংস্থাসমূহৰ সহযোগ আৰু পৰস্পৰ নির্ভৰশীলতাৰ দ্বাৰা ৰাষ্ট্ৰসমূহে সংঘাত হ্ৰাস কৰিবলৈ সুযোগ পায়। তেওঁলোকৰ মূল ধাৰণা হ'ল যে যুদ্ধ কোনোমতে গ্ৰহণীয় নহয় আৰু নিয়ম-বিৰুদ্ধ বা অৰাজকতা (anarchical) পৰিস্থিতি হ্ৰাস কৰি সহযোগিতাৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰি।

বাস্তৱবাদীসকলে আকৌ বিশ্বাস কৰে যে এখন ৰাষ্ট্ৰই যদি নিজৰ ক্ষমতা বৃদ্ধিৰ প্ৰয়াস নকৰে আৰু নিজা স্থিতিতে সন্তুষ্ট থাকে, তথাপি এইটো ধাৰণা কৰা ভুল হ'ব যে অন্য ৰাষ্ট্ৰয়ো একেধৰণৰ আচৰণেই পালন কৰিব। যদি অন্য ৰাষ্ট্ৰই পূর্বৰ সহযোগিতামূলক স্থিতিৰ পৰা আঁতৰি অহাৰ সিদ্ধান্ত লয় তেতিয়াহ'লে প্ৰথম ৰাষ্ট্ৰৰ স্থায়িত্বলৈ ভাবুকিও আহিব পাৰে। কিয়নো, সকলো ৰাষ্ট্ৰই এনে পৰিস্থিতিৰ প্ৰতি সজাগ থাকে আৰু তেওঁলোক সকলোৱে নিজক সুৰক্ষিত ৰাখিবলৈ নিয়ন্ত্ৰণ, সামৰিক শক্তি বৃদ্ধি আৰু অন্য ৰাষ্ট্ৰৰ লগত মিত্ৰতা আদিৰ সহায় লয়। এয়াই হ'ল বাস্তৱবাদী ভাৱধাৰাৰ আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ ধাৰণা।

আদর্শবাদীসকলে বিশ্বাস কৰে যে সহযোগিতাৰ সহজ পথৰ বাবে আন্তর্জাতিক অনুষ্ঠানৰ সৃষ্টি কৰিব লাগিব। এই অনুষ্ঠানসমূহে শান্তিপূর্ণ পৰিৱর্তনৰ সূচনা, নিৰস্ত্ৰীকৰণ আৰু আন্তর্জাতিক আইনৰ মাধ্যমেৰে সহযোগিতাৰ পথ সুগম কৰি তোলে। আদর্শবাদীসকলে প্ৰয়োজন হ'লে এই আন্তর্জাতিক অনুষ্ঠানসমূহে ৰাষ্ট্ৰৰ ওপৰত হেঁচা বা চাপ (enforcement) প্ৰয়োগ কৰাৰো পক্ষপাতী। তেওঁলোকে কয় যে নীতি-নিয়ম আৰু আদর্শ (norms) দ্বাৰা পৰিচালিত ৰাষ্ট্ৰসমূহে সহযোগিতাৰ পথ ল'বলৈ বাধ্য হৈ পৰে।

- **আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ গুৰুত্ব**

আন্তর্জাতিক ৰাজনীতিত বিশ্বৰাষ্ট্ৰ গঠনৰ বাবে সহযোগিতাক এক আধাৰশিলাস্বৰূপ বুলি গণ্য কৰা হয়। শীতল যুদ্ধৰ সামৰণিৰ পৰা বিশ্বৰ বিভিন্ন দেশে প্ৰমাণ কৰি আহিছে যে আন্তর্জাতিক ক্ষেত্ৰৰ বিভিন্ন দিশত সহযোগিতা সম্ভৱ আৰু সংঘবদ্ধ প্ৰচেষ্টাৰ মাজেৰে সমূহ মানৱজাতিৰ কল্যাণ সাধন বাঞ্ছনীয়। আন্তর্জাতিক সহযোগিতাৰ মুখ্য উদ্দেশ্য হৈছে অর্থনৈতিক, ৰাজনৈতিক, সামাজিক বা পৰিৱেশ আদি সকলো ক্ষেত্ৰতে উদ্ভৱ হ'ব পৰা গোলকীয় সমস্যাসমূহৰ আলোচনা বা চুক্তিৰ দ্বাৰা সমাধান কৰাটো।

সহযোগিতাৰ গুৰুত্ব উপলব্ধি কৰিবলৈ হ'লে আমি কুৰি শতিকাৰ আন্তঃৰাষ্ট্ৰীয় সংঘাত

সমাধানত দ্বি-পাক্ষিক আৰু বহু-পাক্ষিক সন্ধিসমূহৰ ভূমিকা মন কৰিলে দেখিম যে সন্ধি আৰু চুক্তিসমূহৰ দ্বাৰা দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্রসমূহৰ মাজত এক সহযোগিতাৰ সম্বন্ধ স্থাপন কৰা হৈছিল। ৰাষ্ট্রসমূহৰ সমূহীয়াভাৱে কাম কৰাৰ ইচ্ছা দৃঢ় হৈছিল সহযোগিতামূলক সম্বন্ধৰ কাৰণে। ৰাষ্ট্রসমূহৰ মাজত ক্রমাগত হাৰত বৃদ্ধি হোৱা সহযোগিতাৰ বহুতো উদাহৰণ আছে, যেনে— শীতল যুদ্ধ (cold war) ৰ পিছত নিৰাপত্তামূলক সহযোগিতা বৃদ্ধি হৈছিল। অমেৰিকা যুক্তৰাষ্ট্র (US) আৰু ছোভিয়েট ইউনিয়ন (USSR) এই দুই ৰাষ্ট্রৰ মাজত অস্ত্র শস্ত্র নিয়ন্ত্রণ (arms control), নিৰস্ত্রীকৰণ চুক্তি (disarmment agreements) আৰু সংযুক্তভাৱে Strategic Arms Reduction Treaty (I) (STARTI), ১৯৯১ আৰু লগতে NATO ৰ শান্তিৰ বাবে সহযোগিতা (১৯৯৪) চুক্তি, G8 Global Partnership (2002) আদি চুক্তিসমূহ দুই ৰাষ্ট্রৰ সহযোগিতামূলক সম্বন্ধৰ আধাৰত স্বাক্ষৰিত। আমেৰিকা যুক্তৰাষ্ট্র আৰু ছোভিয়েট ইউনিয়নৰ মাজত পিছৰ কালছোৱাত সহযোগিতামূলক সম্বন্ধ অধিক শক্তিশালী হৈছিল আৰু ৯/১১ৰ পৰিণামস্বৰূপে আতংকবাদ বিৰোধী চুক্তিৰো গুৰুত্ব বৃদ্ধি হৈছিল।

আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ আন এক গুৰুত্ব হ'ল যে সহযোগিতাই ভাবৰ গতিশীলতা (mobilisation) ৰ সৃষ্টি কৰে, মানৰ সম্পদৰ উন্নয়নৰ উদ্দেশ্যে বিভিন্ন ৰাষ্ট্রৰ মাজত মানৰ সম্পদৰ আদান-প্রদান হয় আৰু একে উদ্দেশ্যেতে বস্তু সম্পদৰো আদান-প্রদান হয়।

তদুপৰি আন্তর্জাতিক সহযোগিতাই বিভিন্ন ৰাষ্ট্রৰ সুৰক্ষা সংস্থাসমূহৰ মাজত বুদ্ধিমত্তাৰ বিনিময় আৰু প্রয়োজনীয় তথ্যৰ আদান-প্রদানৰ সুবিধা দিয়ে। এনেদৰে সহযোগিতাৰ পৰা উদ্ভৱ হোৱা সমন্বয়েৰে বিশ্বৰ ৰাষ্ট্রসমূহে বিভিন্ন আন্তর্জাতিক অপৰাধ যেনে- নিচাজাতীয় দ্রব্যৰ সৰবৰাহ, মানৱসম্পদ সৰবৰাহ, বে-আইনী অস্ত্রৰ ব্যৱসায়, হিংসা, ক'লা ধনৰ সৰবৰাহ আদি ৰোধ কৰাৰ কাৰণে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ উদাৰতাবাদীসকলে বিশ্বাস কৰে যে আন্তর্জাতিক অনুষ্ঠানসমূহে ৰাষ্ট্রসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ ক্ষেত্রত এক মুখ্য ভূমিকা গ্রহণ কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৮ ঃ কোনটো বছৰত START-1 আৰু NATO ৰ শান্তি চুক্তি স্বাক্ষৰিত হৈছিল?

.....

প্রশ্ন ৯ ঃ আন্তর্জাতিক সহযোগিতাই বিভিন্ন ৰাষ্ট্রৰ সুৰক্ষা সংস্থাসমূহৰ মাজত বুদ্ধিমত্তাৰ বিনিময় আৰু প্রয়োজনীয় তথ্যৰ আদান-প্রদানৰ সুবিধা দিয়ে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ১০ ঃ আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ গুৰুত্ব আপোনাৰ নিজৰ ভাষাৰে বুজাই লিখক। (৬০ শব্দৰ ভিতৰত)

.....

.....

.....

.....

৩.৫ সংঘাত ব্যৱস্থাপনা আৰু সংঘাত প্ৰশমন

স্বাভাৱিকভাৱে আন্তর্জাতিক ৰাজনীতিত সময়ে-সময়ে সংঘাতৰ সূত্ৰপাত হৈ আহিছে। সংঘাতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই সদায় আন্তর্জাতিক ৰাজনীতিক সক্ৰিয় কৰি ৰাখিছে। পৃথিৱীৰ ৰাষ্ট্ৰসমূহৰ মাজত সংঘাত এক ধাৰাবাহিক প্ৰক্ৰিয়া। এটা সংঘাতৰ সমস্যাৰ সমাধানৰ লগে লগে আন এটা সমস্যাই মূৰ দাঙি উঠে। সংঘাত এক দীৰ্ঘকালীন প্ৰক্ৰিয়া। সেয়েহে, আন্তর্জাতিক ৰাজনীতিত সংঘাতৰ ব্যৱস্থাপনা আৰু সংঘাত মীমাংসা দুটা জৰুৰী আৰু গুৰুত্বপূৰ্ণ মাধ্যম যাৰদ্বাৰা ৰাষ্ট্ৰসমূহৰ মাজত শান্তি আৰু সহযোগিতা বজাই ৰাখিব পাৰি।

৩.৫.১ সংঘাত ব্যৱস্থাপনাৰ অৰ্থ

সংঘাত ব্যৱস্থাপনা এক কলা আৰু ব্যৱহাৰিক, পৰিচালন, কৌশলপূৰ্ণ লেন-দেনৰ সমন্বয়ৰে সংঘাত নিয়ন্ত্ৰণত সফলতা অৰ্জন কৰিব পাৰি। সংঘাত ব্যৱস্থাপনাৰ দ্বাৰা সংঘাত নিয়ন্ত্ৰণ বা নাশ কৰাত সফল হ'ব পাৰি। সংঘাতৰ গভীৰতা বা উৰ্দ্ধতা প্ৰতিৰোধ বা অন্য কথাত বিনাশৰ প্ৰতিৰোধ সংঘাত ব্যৱস্থাপনাৰ মৌলিক উদ্দেশ্য। সংঘাতক তাৰ স্বাভাৱিক পৰিৱেশলৈ নমাই অনাই সংঘাত ব্যৱস্থাপনা পদ্ধতি। সেয়েহে সংঘাত ব্যৱস্থাপনাই এক বিনাশকাৰী বা দুৰ্যোগকাৰী পৰিৱেশক স্তব্ধ কৰাকে বুজায়, যাৰ দ্বাৰা সাময়িকভাৱে উদ্বিগ্নতা ৰোধ কৰিব পাৰি, কিন্তু ইয়াৰ প্ৰাথমিক সমস্যা বা সমস্যাৰ সমাধান কৰিব নোৱাৰি।

➢ **সংঘাত ব্যৱস্থাপনাৰ কৌশল ঃ**

❍ **আলোচনা আৰু বাধ্যতামূলক কূটনীতি ঃ** ধ্বংস আৰু সংকটৰ উৰ্ধগামী গতিৰোধৰ ক্ষেত্ৰত আলোচনা (negotiation) এক সফল পদ্ধতি। আলোচনাৰ মাধ্যমেৰে চুক্তি সম্পাদন প্ৰক্ৰিয়াই আন্তর্জাতিক সমস্যাসমূহৰ শান্তিপূৰ্ণ সমাধানৰ পথ প্ৰশস্ত কৰে বাবে কূটনীতিত সাধাৰণতে আলোচনাৰ লক্ষ্য গ্ৰহণ কৰা হয়। শান্তিপূৰ্ণ মাধ্যম গ্ৰহণেই ইয়াৰ প্ৰধান লক্ষ্য। কিছুমান বিশেষ পৰিস্থিতিত বাধ্যতামূলক কূটনীতিৰ আশ্ৰয় লোৱা হয়। এনেকুৱা পদ্ধতিত বল প্ৰয়োগৰ ভয় দেখুওৱা বা প্ৰকৃততেই সীমিত বল প্ৰয়োগৰ কৌশল খটুওৱা হয়।

❍ **মধ্যস্থতা (Mediation) ঃ** সংঘাত ব্যৱস্থাপনাৰ ই এক পুৰণি পদ্ধতি আৰু ইয়াত এটা স্বাধীন তৃতীয় শক্তি থাকে যিয়ে দুটা বা ততোধিক অসন্তুষ্ট দলৰ মাজত থকা সংঘাত নাশ কৰি এক গ্ৰহণযোগ্য সমাধান নিশ্চিত কৰে। পুৰণি ৰাজনৈতিক ব্যৱস্থাত তৃতীয় শক্তিৰ দ্বাৰা মধ্যস্থতা নীতিৰে দেশসমূহৰ মাজত থকা অস্থিৰতা

হ্রাস কৰিবলৈ ব্যৱস্থা লোৱা হৈছিল। সাম্প্রতিক সময়ত মধ্যস্থতা স্বেচ্ছাসেৱী নীতিৰ ওপৰত নির্ভৰশীল কিয়নো সংঘাতগ্রস্ত দলসমূহে তৃতীয় শক্তিৰ মধ্যস্থতা গ্রহণ কৰিলেহে এই ব্যৱস্থা কার্যকৰী কৰিব পাৰি।

- **ন্যায় নির্ণয়কৰণ আৰু মীমাংসা ঃ** এই ব্যৱস্থাত বিবাদমান পক্ষই এখন নিৰপেক্ষ আৰু স্বাধীন ন্যায়িক আদালতত বিবাদযুক্ত বিষয় উত্থাপন কৰি গোচৰ তৰিব পাৰে। এইক্ষেত্রত সকলো পক্ষৰ (বিবাদ জড়িত) আগতীয়া সহমত লাগিব। মধ্যস্থতাকাৰীৰ মীমাংসাই নির্ণায়ক সিদ্ধান্ত বুলি বিবেচিত হয়।
- **আন্তর্জাতিক আৰু আঞ্চলিক অনুষ্ঠানসমূহ ঃ** এই পদ্ধতি আন্তর্জাতিক সংঘাত ব্যৱস্থাপনাৰ কাৰণে বিশেষ সফলতাদায়ক। সংঘাতে কঢ়িয়াই অনা শান্তি-বিধ্বংসী পৰিৱেশ, সুৰক্ষা বিপর্যয় বা ধ্বংসকামী পৰিণতি সকলো ক্ষেত্রতে এই অনুষ্ঠানসমূহৰ শান্তিমূলক প্রচেষ্টা বিশেষ গুৰুত্বপূর্ণ। এই ক্ষেত্রত আমি আন্তর্জাতিক আৰু আঞ্চলিক অনুষ্ঠানসমূহৰ নাম উল্লেখ কৰিব পাৰো। যেনে— ৰাষ্ট্রসংঘ (UN), নাটো (NATO), আমেৰিকা যুক্তৰাষ্ট্রৰ সংগঠন (OAS) আদি।

৩.৫.২ সংঘাত প্রশমনৰ অর্থ

সংঘাত প্রশমন ব্যৱস্থাত সংঘাতৰ বদ্ধমূল বা প্রকৃত কাৰণৰ লগত জড়িত হৈ সংঘাতৰ এক গভীৰ ধাৰণা বা বোধ আয়ত্ত কৰাৰ লক্ষ্য ৰখা হয়। সংঘাতৰ শান্তিপূর্ণ সমাধানকেই প্রধান লক্ষ্য হিচাপে নলৈ সংঘাতৰ প্রকৃত কাৰণ অনুধাৱন কৰি দলীয় অসংগতা আৰু বিৰোধ নাশ কৰাই সংঘাত প্রশমন নীতিৰ উদ্দেশ্য। সেয়েহে সংঘাত প্রশমনত বিবাদিত দলসমূহে পৰস্পৰৰ লগত গঠনমূলক সম্বন্ধৰ দ্বাৰা জড়িত হৈ পূর্বৰ সকলো ভুল বুজাবুজি নোহোৱা কৰে। তেওঁলোক পৰস্পৰে এক শুভেচ্ছামূলক মীমাংসাত উপনীত হয় আৰু সেইদৰেই সংঘাতৰ সকলো পৰিৱেশ আৰু কাৰণ নাশ হয়। সংঘাত প্রশমন সম্বন্ধীয় পৰীক্ষামূলক ধাৰণাৰ লগত জড়িত বিখ্যাত ব্যক্তি নৰৱেৰ পণ্ডিত অধ্যাপক জোহান গেলটুং আৰু আমেৰিকাৰ কূটনীতিবিদ জন ডব্লিউ বাৰটন দুয়োগৰাকীৰে এইক্ষেত্রত বৃহৎ অৱদান আছে। সংঘাত প্রশমন পদ্ধতি প্রাথমিকভাৱে পাৰস্পৰিক কথোপকথন আৰু আলোচনাকেন্দ্রিক হয় আৰু সংঘাত সমাধান পদ্ধতিও ইয়াত ব্যৱহাৰ কৰা হয়। শেষত দেখা যায় যে, সংঘাত প্রশমন পদ্ধতিত ক্রমবর্ধমান স্পষ্টতা, স্বচ্ছতা, পাৰস্পৰিক বিশ্বাস আৰু সম্ভাৱমূলক পৰিৱেশ সৃষ্টিৰ দ্বাৰা সমস্যা সমাধানৰ চেষ্টা কৰা হয়।

শেষত এইটো উল্লেখযোগ্য যে প্রায়েই সমাধানহীন অনির্ণীত সমস্যাই যুদ্ধৰ পৰিণতি আনে আৰু এই যুদ্ধৰ সম্ভাৱনা নাশ বা কমেও হ্রাস কৰিবলৈ ৰাষ্ট্রই কিছুমান শান্তিপূর্ণ

সংঘাত প্ৰশমন আৰু সংঘাত সমাধান মাধ্যম অৱশ্যেই গ্ৰহণ আৰু ব্যৱহাৰ কৰিব লাগিব। এই সংঘাত সমাধান, প্ৰশমন মাধ্যম সমূহ হ'ল— আলাপ, সৎ প্ৰয়াস, মধ্যস্থতা, আন্তর্জাতিক অনুসন্ধান সমিতি, মিত্ৰতাসূচক আলোচনা, ন্যায়িক নিষ্পত্তি আদি।

জানি থোৱা ভাল

চাৰ উইনষ্টোন চাৰচিল-এ এবাৰ কৈছিল— "Jaw, Jaw is better than war, war" অর্থাৎ দীর্ঘকালীন আলোচনা যুদ্ধতকৈ ভাল। তেওঁ ইয়াৰ দ্বাৰা বুজাব খুজিছিল যে কেতিয়াবা আলাপ-আলোচনা, মধ্যস্থতা, মিত্ৰতাসূচক আলোচনাৰ কৌশলৰ ব্যৱহাৰ যুদ্ধ স্থগিতকৰণৰ ক্ষেত্ৰত অধিক লাভদায়ক হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১১ ঃ সংঘাত ব্যৱস্থাপনাৰ যিকোনো দুটা কৌশল লিখক।

.....

.....

প্ৰশ্ন ১২ ঃ সংঘাত প্ৰশমন ক্ষেত্ৰৰ দুজন বিখ্যাত গৱেষকৰ নাম লিখক।

.....

.....

প্ৰশ্ন ১৩ ঃ সংঘাত ব্যৱস্থাপনা পদ্ধতিৰ ন্যায় নির্ণয়কৰণ আৰু মীমাংসাৰ বিষয়ে লিখক।

.....

.....

.....

.....

প্ৰশ্ন ১৪ ঃ সংঘাত প্ৰশমন ব্যৱস্থাত সংঘাতৰ বদ্ধমূল (deep-rooted) কাৰণৰ লগত জড়িত হৈ সংঘাতৰ এক গভীৰ বোধ আয়ত্ত কৰাৰ লক্ষ্য ৰাখে। (শুদ্ধ/অশুদ্ধ)

.....

৩.৬অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংঘাত বা Conflict শব্দটো Latin ভাষাৰ 'Confligere' শব্দৰ পৰা আহিছে আৰু ইয়াৰ অর্থ হ'ল— সংঘবদ্ধভাৱে হৰতাল কৰা।
- দুটা ভিন্নধর্মী লক্ষ্য, স্বার্থ, প্ৰমূল্যবোধ আৰু বিশ্বাস একেলগে অৱস্থান কৰিলেই সংঘাতৰ সূচনা হয়।
- সংঘাত এনে এক পৰিঘটনা যাক সম্বন্ধৰ অসংগত দিশে এক বৈশিষ্ট্য প্ৰদান কৰে।

- আন্তর্জাতিক ৰাজনীতিত সংঘাত গুৰুত্বপূর্ণ, কিয়নো আন্তর্জাতিক সমাজৰ পৰা সংঘাত নাশ কৰিব নোৱাৰি আৰু সংঘাতৰ ধাৰাবাহিকতাই আন্তর্জাতিক ৰাজনীতিত সাৰমর্ম গঠন কৰে।
- সংঘাত হৈছে সৃষ্টি আৰু পুনঃসৃষ্টিৰ এক অবিৰত প্রক্রিয়া।
- সংঘাত সমাধানৰ কেইটামান পদ্ধতি হ'ল— বর্জন, অধিকাৰ, পুৰস্কাৰ, সন্ধি বা মিত্রতা, আলোচনা, বন্দবস্ত বা দৰদাম আৰু প্রস্তাৱ আদি। আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ অধ্যয়নে এই পদ্ধতি সমূহৰ বিষয়ে জ্ঞান দিয়ে।
- সংঘাতৰ বৈশিষ্ট্য বিভিন্ন। ইয়াক চাৰিভাগত ভগাব পাৰি— আন্তঃব্যক্তিক সংঘাত, অন্তঃব্যক্তিক সংঘাত, অন্তঃদলীয় সংঘাত আৰু আন্তঃদলীয় সংঘাত।
- বিভিন্ন সামাজিক গোটৰ মাজত শান্তিৰ উদ্ভৱ হয় গোটসমূহৰ মাজত সংঘাতবিহীনতাৰ মাজেৰে আৰু এক সংঘর্ষ ভীতিমুক্ত পৰিৱেশৰ পৰা। সাধাৰণভাৱে ক'বলৈ গ'লে শত্রুতাৰ অভাৱেই শান্তি। শান্তিৰ লগত পাৰস্পৰিক বুজা-পৰা আৰু পাৰস্পৰিক সৌহাদ্য, বিচাৰশীল মনোভাৱ, মিলা-প্রীতি জড়িত হৈ থাকে। শান্তিৰ দুটা স্বৰূপ আছে— ঋণাত্মক আৰু ধনাত্মক।
- সহযোগিতা শব্দটোৱে বিভিন্ন অর্থ বহন কৰে। আন্তর্জাতিক ৰাজনীতিত সহযোগিতাই বুজায় যে বিভিন্ন ৰাষ্ট্রৰ চৰকাৰ এক নির্দ্দিষ্ট লক্ষ্য পূৰণৰ কাৰণে একেলগ হৈ কর্মত অগ্রসৰ হোৱা। সাধাৰণভাৱে ক'বলৈ গ'লে শত্রুতাবিহীন পৰিৱেশত শান্তি পাৰস্পৰিক বুজাবুজিৰ পৰা উদ্ভৱ হয় আৰু সেয়েহে বিচাৰপূর্ণ মনযোগ আৰু সু-সম্পর্কৰ দ্বাৰা পাৰস্পৰিক বুজাপৰা সৃষ্টি কৰা হয়।
- সহযোগিতা দুখন ৰাষ্ট্রৰ মাজত (দ্বিপাক্ষিক সহযোগিতা) বা বহুকেইখন ৰাষ্ট্রৰ মাজত (বহু পাক্ষিক সহযোগিতা) সম্পন্ন হয়।
- আলাপ-আলোচনা, কৌশলপূর্ণ বন্দবস্ত আদিৰ দ্বাৰা সহযোগিতা স্থাপন কৰা হয়।
- উদাৰতাবাদী সকলে আন্তর্জাতিক অনুষ্ঠানসমূহে ৰাষ্ট্রৰ মাজত সহযোগিতা স্থাপনত মুখ্য ভূমিকা লয় বুলি বিশ্বাস কৰে।
- বাস্তৱবাদীসকলে বিশ্বাস কৰে যে এখন ৰাষ্ট্রই নিজৰ ক্ষমতা বৃদ্ধিৰ কাৰণে চেষ্টা নকৰে আৰু নিজৰ স্থিতিতে সন্তুষ্ট থাকিলেও তেওঁলোকে এইটো বিশ্বাস কৰাটো উচিত নহয় যে অন্যৰাষ্ট্রই একেধৰণৰ আচৰণে কৰিব।
- আদর্শবাদী সকলে বিশ্বাস কৰে যে, আন্তর্জাতিক অনুষ্ঠানসমূহৰ দ্বাৰা প্রতিষ্ঠিত শান্তিপূর্ণ পৰিৱর্তন, নিৰস্ত্রীকৰণ আৰু আন্তর্জাতিক আইন আদিয়ে সহজে সহযোগিতাৰ পথ প্রশস্ত কৰে।
- আন্তর্জাতিক সহযোগিতাই অর্থনৈতিক, ৰাজনৈতিক বা সামাজিক পৰিৱেশ আদি বিভিন্ন ক্ষেত্রৰ গোলকীয় সমস্যাসমূহ চুক্তিৰ দ্বাৰা সমাধান কৰে। কিছুক্ষেত্রত, সহযোগিতাই চুক্তিৰ দ্বাৰা বিভিন্ন ৰাষ্ট্রৰ চৰকাৰসমূহৰ মাজত নতুন সম্বন্ধ প্রশস্ত কৰে।

- আন্তর্জাতিক ৰাজনীতিত সংঘাত ব্যৱস্থাপনা আৰু সংঘাত প্ৰশমন দুটা গুৰুত্বপূৰ্ণ আৰু আৱশ্যকীয় ধাৰণা যাৰদ্বাৰা ৰাষ্ট্ৰসমূহৰ মাজত শান্তি আৰু সহযোগিতা বজাই ৰাখিব পাৰি।
- সংঘাত ব্যৱস্থাপনা এক কলা বা দক্ষতা যাৰ দ্বাৰা পৰিচালন কৌশলৰে সংঘাতক সফলভাৱে নিয়ন্ত্ৰণ কৰিব পাৰি।
- আলোচনা, হেঁচা প্ৰয়োগৰ কূটনীতি, মধ্যস্থতা, ন্যায়িক ব্যৱস্থাপনা, মীমাংসা, আন্তর্জাতিক আৰু আঞ্চলিক সংস্থাসমূহ সংঘাত ব্যৱস্থাপনাৰ কিছুমান পদ্ধতি।
- সংঘাত প্ৰশমন ব্যৱস্থাত সংঘাতৰ বদ্ধমূল কাৰণৰ লগত জড়িত হৈ সংঘাতৰ এক গভীৰ ধাৰণা বা বোধ আয়ত্ত কৰাৰ লক্ষ্য ৰখা হয়। সংঘাতৰ শান্তিপূৰ্ণ সমাধানকেই অকল লক্ষ্য হিচাবে নলৈ সংঘাতৰ প্ৰকৃত কাৰণ অনুধাৱন কৰি দলীয় অসংগতা আৰু বিৰোধ নাশ কৰাই সংঘাত প্ৰশমন নীতিৰ উদ্দেশ্য।

৩.৭অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) William D. Paul (2008); *Security Studies: An introduction*, Rutldge Publication.

2) Malhotra Kumar Vinay (2006); *International Relations*. New Delhi: Anmol Publication Private Ltd.

3) Thomas Deiz, Ingvild Bode and Aleksandra Fernandes Da Costa (2011); *Key concepts in International Relations*. New Delhi; sage Publication

4) Kumar Mahendra; *Theoritical Aspects of International Politics*. Agra: Shiva Lal Agarwala and Company.

৩.৮অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'Conflict' শব্দটো লেটিন শব্দ 'Confligere' পৰা উদ্ভৱ হৈছে আৰু ইয়াৰ অর্থ হ'ল 'সংঘবদ্ধ বা একেলগ হৈ হৰতাল কৰা।" সংঘাত শব্দটোৱে বিভিন্ন ভাবৰ অর্থ বহন কৰে। প্ৰায়েই ইয়াক অসংহতি বা অসহযোগী শব্দৰ সমার্থক হিচাবে ব্যৱহাৰ কৰা হয়। দুটা ভিন্ন ধৰ্ম্মী স্বার্থ, প্ৰমূল্যবোধ আৰু বিশ্বাসৰ সহাৱস্থানতেই সংঘাতৰ আৰম্ভণি হয়। অন্যভাৱে ক'বলৈ হ'লে, সংঘাত এনে এক পৰিঘটনা যাক সম্বন্ধৰ অসংগত দিশে এক বৈশিষ্ট্য প্ৰদান কৰে।

সংঘাত আন্তর্জাতিক ৰাজনীতিত বিশেষ গুৰুত্বপূর্ণ কিয়নো আর্ন্তজাতিক সমাজৰ পৰা সংঘাত নাশ কৰিব নোৱাৰি আৰু সংঘাতৰ ধাৰাবাহিকতাই আর্ন্তজাতিক ৰাজনীতিৰ মূল তত্ত্ব গঠন কৰিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অর্থনীতিৰ সংঘাত

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অন্তঃব্যক্তিক সংঘাত

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন সামাজিক গোটৰ মাজত শান্তিৰ উদ্ভৱ হয় যেতিয়া গোটসমূহৰ মাজত সংঘাত নাথাকে আৰু সকলো গোট সংঘর্ষৰ ভয়ৰপৰা মুক্ত থাকে। শান্তিৰ স্বৰূপ দুই ধৰণৰ। যেনে— ঋণাত্মক শান্তি, য'ত প্ৰত্যক্ষ সংঘর্ষ নাথাকে আৰু ধনাত্মক বা যোগাত্মক শান্তি য'ত সংঘর্ষ নাথাকে আৰু সামাজিক ন্যায় প্ৰতিষ্ঠিত হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ START-I, ১৯৯১ আৰু NATOৰ শান্তিৰ বাবে সহযোগিতা, ১৯৯৪

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিত বিশ্ব-ৰাষ্ট্ৰ গঠনৰ বাবে সহযোগিতাক এক আধাৰশিলা স্বৰূপ বুলি গণ্য কৰা হয়। শীতল যুদ্ধ (cold war) সামৰণিৰ পিছত বিভিন্ন দেশে প্ৰমাণ কৰি আহিছে যে আন্তর্জাতিক ক্ষেত্ৰৰ বিভিন্ন দিশত সহযোগিতা সম্ভৱ আৰু সংঘবদ্ধ প্ৰচেষ্টাৰ মাজেৰে সমূহ মানৱ জাতিৰ কল্যাণ সাধন বাঞ্ছনীয়। আন্তর্জাতিক সহযোগিতাৰ উদ্দেশ্য হৈছে অর্থনৈতিক, ৰাজনৈতিক, সামাজিক বা পৰিৱেশ আদি সকলো ক্ষেত্ৰতে উদ্ভৱ হ'ব পৰা গোলকীয় সমস্যাসমূহৰ চুক্তি (agreement)ৰ দ্বাৰা সমাধান।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ আলোচনা আৰু মধ্যস্থতা

১২ নং প্ৰশ্নৰ উত্তৰ ঃ অধ্যাপক জোহান গেলটুং আৰু জন ডব্লিউ বাৰটন

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায় নির্ণয়কৰণ আৰু মীমাংসাঃ এই ব্যৱস্থাৰ দ্বাৰা বিবাদমান পক্ষই এখন

নিৰপেক্ষ আৰু স্বাধীন ন্যায়িক আদালতত বিবাদযুক্ত বিষয় উত্থাপন কৰি গোচৰ তৰিব পাৰে। এইক্ষেত্রত সকলো পক্ষৰ (বিবাদ জড়িত) আগতীয়া সহমত লাগিব। মধ্যস্থতাকাৰীৰ মীমাংসাই নির্ণায়ক সিদ্ধান্ত বুলি বিবেচিত হয়।

১৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ সংঘাতৰ দুটা প্রকাৰ উল্লেখ কৰক।

প্রশ্ন ২ঃ আন্তর্জাতিক ৰাজনীতিত সহযোগিতা স্থাপনৰ দুটা মাধ্যম উল্লেখ কৰক।

(খ) চুটি প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আন্তর্জাতিক ৰাজনীতিত সংঘাত ব্যৱস্থাপনা ধাৰণাৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ঃ শান্তিৰ প্রকাৰ কেইটা বর্ণনা কৰক।

প্রশ্ন ৩ঃ আন্তর্জাতিক ৰাজনীতিত সংঘাতৰ প্রকাৰসমূহ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সংঘাত মানে কি? সংঘাত ব্যৱস্থাপনাৰ বিভিন্ন কৌশল বা মাধ্যমসমূহ কি?

প্রশ্ন ২ঃ সহযোগিতা মানে কি বুজে? আন্তর্জাতিক ৰাজনীতিত সহযোগিতাৰ গুৰুত্ব বর্ণনা কৰক।

অধ্যায় ৪ ঃ আন্তর্জাতিক সংস্থাৰ পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অর্থ আৰু পৃষ্ঠভূমি
৪.৩.১ আন্তর্জাতিক সংস্থাৰ অর্থ
৪.৩.২ পৃষ্ঠভূমি
৪.৪ আন্তর্জাতিক সংস্থাৰ প্রকাৰ
৪.৪.১ গুৰুত্বপূর্ণ আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থা
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্নাৱলী

৪.১ শিকনৰ লক্ষ্যসমূহ

এই অধ্যায়টো অধ্যয়নৰ পাছত আপুনি সক্ষম হ'ব—

- আন্তর্জাতিক সংস্থাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক সংস্থাৰ পৃষ্ঠভূমি ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থাৰ অর্থ আলোচনা কৰিব পাৰিব
- সাধাৰণ সদস্য আৰু সাধাৰণ উদ্দেশ্যযুক্ত সংস্থা; সাধাৰণ সদস্য আৰু সীমিত উদ্দেশ্যযুক্ত সংস্থা; সীমিত সদস্য আৰু সাধাৰণ উদ্দেশ্যযুক্ত সংস্থা তথা সীমিত সদস্য আৰু সীমিত উদ্দেশ্যযুক্ত সংস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

বিংশ শতিকাত স্থাপন হোৱা আন্তঃৰাষ্ট্রীয় সম্পর্কবোৰৰ এটা সম্ভাৱনাপূর্ণ বিকাশ হ'ল সংস্থাৰ বৃদ্ধি হোৱাটো। স্বতন্ত্র ৰাষ্ট্রবোৰৰ মাজত সহযোগিতা বৃদ্ধিৰ লক্ষ্যত উপনীত হ'বলৈ নানা আন্তর্জাতিক সংস্থা গঢ়া আৰু বিকশাই তোলা হৈছে। এনে সংস্থাবোৰ সমগ্র বিশ্বৰ সকলো লোকৰে জীৱনৰ সকলো দিশ সামৰি নানা কার্যকলাপ চলাই থাকে। এই দিশবোৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক অথবা বৈজ্ঞানিক হ'ব পাৰে। এই অধ্যায়টিত আমি আন্তর্জাতিক সংস্থাৰ সৈতে জড়িত বিভিন্ন কথা আলোচনা কৰিম।

৪.৩ অর্থ আৰু পৃষ্ঠভূমি

৪.৩.১ আন্তর্জাতিক সংস্থাৰ অর্থ

কোনো সুনির্দিষ্ট উদ্দেশ্যত উপনীত হ'বলৈ আন্তর্জাতিক আইন অনুসৰি কোনো সন্ধি/চুক্তিৰ আধাৰত ৰাষ্ট্ৰবোৰৰ সম্মিলিত গোট গঠন কৰা সংস্থাকেই আন্তর্জাতিক সংস্থা বোলে। আন্তর্জাতিক সংস্থাবোৰৰ একোটা শাখা প্ৰণালী থাকে। সংস্থাবোৰে কেন্দ্ৰীয় ভাৱে এই প্ৰণালীটো পৰিচালনা কৰে। সংস্থাবোৰৰ কিছুমান অধিকাৰ আৰু কর্তব্য থাকে। কিন্তু এই অধিকাৰ আৰু কর্তব্যবোৰ সদস্য ৰাষ্ট্ৰবোৰৰ অধিকাৰ আৰু কর্তব্যতকৈ পৃথক।

ৰাষ্ট্ৰৰ গোটবোৰে যিবোৰ সন্ধি/চুক্তিৰ আধাৰত আন্তর্জাতিক সংস্থাবোৰ গঢ়ি তোলে সেইবোৰে একোটা সংস্থাৰ সংৰচনাত্মক আহিলা আৰু বৈশিষ্ট্যৰূপে কাম কৰে। কিছুমান বিশেষ কামক বাস্তৱ ৰূপ দিবলৈ কোনো আন্তর্জাতিক চুক্তিৰ আধাৰত ৰাষ্ট্ৰবোৰে আন্তর্জাতিক সংস্থা একোটা গঢ়ি তোলে। সেয়েহে এই সংস্থাবোৰক বিশেষ কার্য সম্পাদনৰ অর্থে বিভিন্ন ৰাষ্ট্ৰৰ দ্বাৰা গঠিত একোটা সংস্থা বুলিব পাৰি। এনে সংস্থাই কোনো ৰাষ্ট্ৰৰ ক্ষমতাৰ উর্দ্ধলৈ নাযায় অথবা কোনো ৰাষ্ট্ৰৰ ওপৰত স্বেচ্ছাচাৰিতা প্ৰদর্শন নকৰে। সেয়েহে এনে সংস্থাবোৰে আন্তর্জাতিক চৰকাৰৰ প্ৰকৃতি ধাৰণা নকৰে। আন্তর্জাতিক সংস্থাবোৰৰ পৃথক ন্যায়িক ব্যক্তিত্ব থাকে আৰু সংস্থাবোৰ আন্তর্জাতিক আইনৰ ওচৰত জবাবদিহি।

৪.৩.২ পৃষ্ঠভূমি

- *আন্তর্জাতিক সংস্থাৰ উত্থান ঃ* প্ৰাচীন আৰু মধ্যযুগত ৰাষ্ট্ৰবোৰৰ মাজৰ পোনপটীয়া সম্বন্ধই আছিল আন্তর্জাতিক সম্পর্কৰ বৈশিষ্ট্য। অন্য ৰাষ্ট্ৰৰ সৈতে সম্পর্ক স্থাপনৰ প্ৰধান উপায় আছিল দ্বিপাক্ষিক চুক্তি আৰু কূটনৈতিক যোগাযোগ।

  কূটনৈতিক সম্পর্কই সময় বাগৰাৰ লগে লগে অধিক ব্যাপক ৰূপ ধাৰণ কৰিছিল। কালক্ৰমত ই ৰাজনৈতিক আৰু অর্থনৈতিক দুয়ো ধৰণৰ সম্পর্কৰ ক্ষেত্ৰত ব্যাপ্ত হৈ পৰিছিল। প্ৰাচীন ভাৰতৰ এখন ৰাজ্যই আন এখন ৰাজ্যলৈ 'দূত' প্ৰেৰণ কৰাৰ কথা আমি পঢ়িবলৈ পাওঁ। কিন্তু এই অনুশীলনৰ কোনো একৰূপতা নাছিল আৰু দূতবোৰক অন্য ৰাজ্যলৈ স্থায়ী ৰূপত প্ৰেৰণ কৰা হোৱা নাছিল।

  কিছুমান বিশেষ উদ্দেশ্যত অন্য ৰাজ্যলৈ কিছুদিনৰ বাবে দূত প্ৰেৰণ কৰা

হৈছিল। উদ্দেশ্য পূৰা হোৱাৰ পাচত দূতবোৰ নিজ নিজ ৰাজ্যলৈ উভতি গৈছিল।

প্ৰাচীন কালত আন্তর্জাতিক সম্পৰ্ক পৰিচালনা কৰাৰ বাবে বিভিন্ন ধৰণৰ 'লীগ' গঠন কৰা হৈছিল। এই লীগবোৰে কুটনৈতিক যোগাযোগ ৰক্ষা কৰাৰ লগতে প্ৰতিৰক্ষা, ধৰ্মীয় উপাসনা আৰু বেহা-বেপাৰৰ উদ্দেশ্যবোৰক বাস্তৱ ৰূপ দিছিল। খৃষ্টপূৰ্ব ৬৮১ চনত চীনৰ কেইখনমান সৰু সৰু ৰাজ্যই বহিঃশক্তিৰ আক্ৰমণৰ ভাবুকি প্ৰতিহত কৰিবলৈ পাৰস্পৰিক প্ৰতিৰক্ষাৰ স্বাৰ্থত এটা লীগ গঠন কৰিছিল। প্ৰাচীন গ্ৰীচৰ নগৰ ৰাষ্ট্ৰবোৰেও লীগ পদ্ধতিৰ বিকাশ ঘটাইছিল। ডেল্ফী মন্দিৰৰ সুৰক্ষাৰ বাবে গ্ৰীচৰ বাৰটা চুবুৰীয়া জনগোষ্ঠীয়ে এম্ফিক্টায়'নিক লীগ গঠন কৰিছিল। পাচলৈ লীগটোৰ কাৰ্যাৱলী ব্যাপক কৰি ইয়াক আন্তর্জাতিক একতা আৰু যুদ্ধ এৰাই চলাৰ পৰিৱেশ গঢ়ি তোলাৰ কামত ব্যৱহাৰ কৰা হৈছিল। আন্তর্জাতিক সংস্থা গঢ়াৰ প্ৰথম ঢাপটো হ'ল মিত্ৰতা স্থাপনৰ সন্ধি আৰু এই লীগ গঠন পদ্ধতিবোৰ। বৰ্তমানৰ আন্তর্জাতিক সংস্থাবোৰ ইয়াৰ অস্তিত্বৰ বাবে বহুক্ষেত্ৰত আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কবোৰ নিয়ন্ত্ৰণ কৰিবলৈ সপ্তদশ তথা অষ্টাদশ শতিকাত আয়োজিত বিভিন্ন সন্মিলন আৰু সভাৰ ওচৰত ঋণী। এনে সন্মিলনবোৰক আন্তর্জাতিক সংস্থা বুলি ক'ব পৰা নাযায় যদিও বহুতো ৰাষ্ট্ৰই এনে সন্মিলনত অংশগ্ৰহণ কৰাটোলৈ চাই ইয়াক আন্তর্জাতিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত এক নতুন যুগৰ আৰম্ভণি বুলিব পৰা যায়।

ৱেষ্টফালিয়াৰ সন্ধি (১৬৪৮) আৰু উট্ৰেখটৰ সন্ধি (১৭১৩) ক সেইবোৰ আন্তর্জাতিক সন্ধিৰ মাজত ধৰিব পাৰি যিবোৰক আন্তর্জাতিক সংস্থাৰ বিকাশ ঘটাৰ ক্ষেত্ৰত মাইলৰ খুটি বুলি গণ্য কৰা হয়। দুয়োখন সন্ধিয়েই আছিল শান্তিচুক্তি। দুয়োখনেই কিছুমান ইউৰোপীয় শক্তিৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা যুদ্ধৰ অৱসান ঘটাই স্থাপনৰ উদ্দেশ্যেৰে প্ৰস্তুত কৰা হৈছিল।

- *ঊনবিংশ শতিকাত হোৱা বিকাশ ঃ* ঊনবিংশ শতিকাত ৰাষ্ট্ৰবোৰৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধি আৰু আন্তর্জাতিক সহযোগিতাৰ আন্দোলন আৰম্ভ হৈছিল। ইয়াৰ ফলস্বৰূপে এই সময়ছোৱাত আয়োজিত আন্তর্জাতিক সন্মিলনবোৰে ন ন মাত্ৰা আহৰণ কৰিছিল। এসময়ত এই সন্মিলনবোৰৰ পৰিসৰে শান্তি চুক্তি স্থাপনৰ একমাত্ৰ উদ্দেশ্যটোৰ সীমা অতিক্ৰম কৰি গৈছিল। সঘনাই বিভিন্ন সন্মিলন আৰু সভা আদি অনুষ্ঠিত হ'বলৈ ধৰিছিল। ১৮১৪-১৫ চনত ভিয়েনাত 'ভিয়েনা কংগ্ৰেছ'ৰ আয়োজন কৰা হৈছিল। ঊনবিংশ শতিকাত ইউৰোপীয় দেশবোৰৰ মাজত আয়োজিত সবাতোকৈ গুৰুত্বপূৰ্ণ আন্তর্জাতিক সন্মিলনবোৰৰ এখন হ'ল ভিয়েনা কংগ্ৰেছ। এই সন্মিলনত ইউৰোপীয় ৰাষ্ট্ৰবোৰৰ ৰাষ্ট্ৰদূতসকলে মিলি মহাদেশখনৰ ক্ষমতা ভাৰসাম্যৰ স্থিতিটো আলোচনা কৰিছিল। ১৮৯৯ আৰু ১৯০৭ চনত হে'গ শান্তি সন্মিলন

অনুস্থিত হৈছিল। এই দুয়োখন সন্মিলনকেই বিশ্বৰ সর্ববৃহৎ কূটনৈতিক সন্মিলনবোৰৰ ভিতৰত স্থান দিয়া হয়। সন্মিলন দুখনত ক্রমে অস্ত্র-শস্ত্রৰ পৰিমাণ সীমিতকৰণ আৰু যুদ্ধ বিষয়ক আইন নির্ধাৰণত সন্মতি প্রদানৰ বিষয় দুটা আলোচনা কৰা হৈছিল। এই সন্মিলন দুখনে আন্তর্জাতিক সংস্থা গঢ়াৰ পথ আৰু অধিক প্রশস্ত কৰি তুলিছিল।

ঊনবিংশ শতিকাত আন্তর্জাতিক ব্যৱসায়-বানিজ্যৰ মাত্রা দ্রুত গতিত বৃদ্ধি পোৱালৈ চাই সংযোগ ক্ষেত্রখনত আন্তর্জাতিক সহযোগিতাৰ পোষকতা কৰিবলৈ আন্তর্জাতিক সংস্থা কিছুমানৰ জন্ম দিয়া হৈছিল। ১৮৬৫ চনলৈ ইউৰোপৰ সকলো ৰাষ্ট্রতে নিজস্ব আভ্যন্তৰীণ ডাক সেৱাৰ বিকাশ ঘটিছিল। এসময়ত ৰাষ্ট্রবোৰে ডাক সেৱা ক্ষেত্রবোৰক একত্রকৰণৰ সুবিধা উপলব্ধি কৰিছিল। ১৮৭৪ চনত ২২ খন ৰাষ্ট্রই মিলি প্রথমটো আন্তর্জাতিক ডাক য়ুনিয়ন গঠন কৰিছিল। এই আটাইকেইখন ৰাষ্ট্রৰ ডাক সেৱাই সামৰি লোৱা মণ্ডলবোৰৰ মাত্র এটা ডাক সেৱা মণ্ডলৰূপে একত্রকৰণ ঘটোৱা হৈছিল। ১৮৫৬ চনত আন্তর্জাতিক য়ুনিয়ন গঠন কৰা হৈছিল। ডাক য়ুনিয়নৰ সদস্য ৰাষ্ট্রবোৰে নিজৰ নিজৰ টেলিগ্রাফ সেৱাবোৰক এটা নেটৱর্কলৈ ৰূপান্তৰ কৰিছিল। ১৯৯০ চনত ৰে'লৱে মালবস্তু ট্রেফিক বিষয়ক আন্তর্জাতিক চুক্তিখন সম্পাদিত হৈছিল। ইয়াৰ দ্বাৰা মালগাড়ীৰে এখন দেশৰ পৰা আন দেশলৈ ৰে'লপথৰ সহায়ত সামগ্রী অনা-নিয়া কৰাৰ সুবিধা গঢ়ি লোৱা হৈছিল। এই সময়ছোৱাত আন কেইবাটাও আন্তর্জাতিক সংস্থাৰ জন্ম হৈছিল।

- *বিংশ শতিকাত বিকাশ ঘটা আন্তর্জাতিক সংস্থা সমূহ ঃ* বিংশ শতিকাত আন্তর্জাতিক সংস্থা সমূহৰ সর্বাংগীন বিকাশ ঘটিছিল। প্রথম বিশ্বযুদ্ধৰ যন্ত্রণাদায়ক অভিজ্ঞতাৰ পাছত ১৯২০ চনৰ পেৰিছ শান্তি চুক্তিৰ আধাৰত জাতিসংঘ (League of Nations)ৰ গঠিত হৈছিল। এই লীগৰ উদ্দেশ্য আছিল আন্তর্জাতিক শান্তি আৰু সুৰক্ষা স্থাপনৰ লক্ষ্যত উপনীত হোৱা আৰু আন্তর্জাতিক সহযোগীতাৰ পযোকতা কৰা। আন্তর্জাতিক শ্রমিক সংস্থা (ILO) আৰু আন্তর্জাতিক ন্যায়ৰ স্থায়ী আদালত (PCIJ) মূলতঃ এই লীগৰ সৈতে জড়িত আছিল যদিও সংগঠন দুটাই উচ্চ মাত্রাৰ স্বতন্ত্রতা উপভোগ কৰিছিল। এই লীগৰ সংৰচনাত আন তিনিটা কথাকথিত কাৰিকৰী সংস্থা অন্তর্ভূক্ত আছিল। সংস্থা কেইটা হ'ল — অর্থনৈতিক আৰু বিত্তীয় সংস্থা, সংযোগ আৰু অতিক্রমন সংস্থা তথা স্বাস্থ্য সংস্থা।

১৯২০ চনৰ জাতিসংঘৰ গঠনক আন্তর্জাতিক সংস্থাৰ বিকাশৰ এক উল্লেখযোগ্য পর্য্যায় বুলি ধৰা হয়। ই মূলতঃ আছিল যুদ্ধৰ মীমাংসাকাৰী, নিৰস্ত্রীকৰণ পথ সুচল কৰি তোলা আৰু আন্তর্জাতিক বিবাদৰ শান্তিপূর্ণ

নিষ্পত্তিৰ পোষকতা কৰা এটা সংস্থা। প্ৰাৰম্ভিক কালছোৱাত সংস্থাটোৱে যথেষ্ট আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ সৃষ্টিকাৰী ঘটনাবোৰৰ হেঁচাত এই সংস্থা টোৰ মৃত্যু হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ মনত ত্ৰাসৰ জন্ম দিছিল। ই নিষ্ঠুৰ ধ্বংসলীলা চলাইছিল। পৃথিৱীৰ সকলো প্ৰান্তৰ মানুহে ভাবিছিল যে এক ধৰণৰ বিশ্বজনীন সংস্থা গটি তোলাটো প্ৰয়োজনীয় হৈ পৰিছে। এলানি দীঘলীয়া আলোচনা আৰু উষ্ম বিতৰ্কৰ অন্তত ৰাষ্ট্ৰসংঘ নামৰ সংস্থাটোৰ উত্থান ঘটিছিল। ১৯৪৬ চনত আন্তর্জাতিক ন্যায়ৰ স্থায়ী আদালত (PCIJ) ৰ বিলোপ সাধন কৰা হৈছিল। তাৰ স্থান লৈছিল ন্যায়ৰ আন্তর্জাতিক আদালত (ICJ) এ ১৯৪৬ চনত গঠিত এই সংস্থাটো ৰাষ্ট্ৰসংঘৰ ছনদৰ ভিতৰুৱা আছিল। এই আদালতে যিটো সংবিধি (Statute) মানি চলে তাৰ আধাৰ হ'ল আন্তর্জাতিক ন্যায়ৰ স্থায়ী আদালতে মানি চলা সংবিধি সমষ্টিটো।

লীগ অৱ্ নেশ্যনচ্ আৰু তাৰ পাছত ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধিত্বত গঢ়লৈ উঠা আন্তর্জাতিক সমাজৰ সাধাৰণ সংস্থাবোৰৰ উপৰি অঞ্চলভেদে ৰাষ্ট্ৰবোৰৰ গোটে মিলি কিছুমান বিশেষীকৃত সংস্থাৰ জন্ম দিছিল। আন্তর্জাতিক সহযোগিতাৰ অঞ্চল নির্দিষ্ট প্ৰয়োজনীয়তা বাঢ়ি যোৱাৰ বাবেই এনে সংস্থাবোৰৰ উত্থান ঘটিছিল। এনে ধৰণৰ প্ৰতিটো সংস্থাই উমৈহতীয় স্বাৰ্থ থকা নির্দিষ্ট ক্ষেত্ৰবোৰত আন্তর্জাতিক সহযোগীতা বিচাৰি এক নির্দিষ্ট ভৌগোলিক অঞ্চলৰ সকলোবোৰ সদস্য ৰাষ্ট্ৰলৈ গোহাৰী এই বিকাশৰ নিদর্শন ৰূপে গঢ় লৈ উঠা দুটা আঞ্চলিক সংস্থা হ'ল অর্গেনাইজেশ্যন অব্ আমেৰিকানষ্টেটচ্ (OAS,১৯৪০ ৰ দশকত) আৰু অর্গেনাইজেশ্যন অব্ আফ্ৰিকান য়ুনিটি (OAU, ১৯৬০ ৰ দশকৰ আৰম্ভণিত)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আন্তর্জাতিক চৰকাৰী সংস্থাৰ অর্থ বুজাই লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ দুটা গুৰুত্বপূর্ণ আঞ্চলিক সংস্থাৰ নাম উল্লেখ কৰক।

.....

.....

৪.৪ আন্তর্জাতিক সংস্থাৰ প্ৰকাৰ

সদস্য, পৰিসৰ, ক্ষমতা, কার্যাৱলী আৰু উদ্দেশ্যৰ প্ৰকৃতি অনুসৰি আন্তর্জাতিক সংস্থাবোৰক বিভিন্ন প্ৰকাৰত ভগোৱা হয়। এনে সংস্থাবোৰ বিশ্বজনীন অথবা আঞ্চলিক পর্য্যায়ৰ হ'ব পাৰে। পৃথিৱীৰ সকলো নাইবা প্ৰায় সকলোবোৰ ৰাষ্ট্ৰই বিশ্বজনীন সংস্থাবোৰৰ সদস্য। এনে এটা বিশ্বজনীন সংস্থাৰ উদাহৰণ হ'ল ৰাষ্ট্ৰসংঘ (United Nations)। আনহাতে কোনো এক নির্দিষ্ট ভৌগোলিক এলেকাৰ অন্তর্গত ৰাষ্ট্ৰকেইখন মানে মিলি গঢ়ি তোলা সংস্থাবোৰকে আঞ্চলিক সংস্থা বোলে। আঞ্চলিক সংস্থাৰ দুটা প্ৰধান উদাহৰণ হ'ল OAS আৰু OAU।

অভিপ্ৰেত সক্ৰিয় কার্যকাল অনুসৰি আন্তর্জাতিক সংস্থাবোৰক আন কেইবাটাও উপভাগত বিভক্ত কৰিব পাৰি। এনে সংস্থাবোৰ তদর্থ ৰূপৰ (ad hoc), সাময়িক (provisional) অথবা স্থায়ী (permanent) হ'ব পাৰে। এই সংস্থাবোৰক পুনৰ এইবোৰৰ ক্ষমতাৰ প্ৰকৃতি অনুসৰিও বিভিন্ন উপভাগত ভগোৱা হ'ব পাৰে। যেনে— ন্যায়িক (judicial), মিত্ৰতাসূচক (conciliatory), চৰকাৰী (governmental) অথবা বিধান (legislative) সংস্থা। এনে সংস্থাবোৰক একক উদ্দেশ্য অথবা বহুমূখী উদ্দেশ্যৰ সংস্থা বুলিও শ্ৰেণীবিভক্ত কৰা হয়।

আন্তর্জাতিক সংস্থাবোৰক (**ক**) সদস্যৰ প্ৰকাৰ আৰু (**খ**) সদস্যৰ পৰিসৰ তথা সংস্থাৰ উদ্দেশ্য আদিৰ দৰে নির্ণায়কৰ আধাৰত কিছুমান বহল ভাগতো ভগাব পৰা যায়।

(ক) সদস্যৰ প্ৰকাৰৰ ভিত্তিত কৰা শ্ৰেণীবিভাজন ঃ সদস্যৰ প্ৰকাৰৰ আধাৰত আন্তর্জাতিক সংস্থাবোৰক আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থাতশ্ৰেণা বিভক্ত কৰা হয়।

- **আন্তর্জাতিক চৰকাৰী সংস্থা (International Governmental Organizations)** ঃ সার্বভৌম ৰাষ্ট্ৰবোৰে মিলি আন্তর্জাতিক চৰকাৰী সংস্থাৰ জন্ম দিয়ে। ৰাষ্ট্ৰবোৰে বিভিন্ন আন্তর্জাতিক সমস্যা সমাধান কৰিবলৈ এনে এক সংস্থা গঢ়ি তোলে। সদস্য ৰাষ্ট্ৰৰ কূটনীতিবিদ সকলে নিয়মীয়া বৈঠকত অংশ গ্ৰহণ কৰি সমস্যাবোৰ আলোচনা আৰু সমাধানৰ উপায় উলিয়াবৰ প্ৰয়াস কৰে। কেতিয়াবা তেওঁলোক কোনো কার্যপন্থা সন্দর্ভত সহমতত উপনীত হয় আৰু কেতিয়াবা সহমতৰ সৃষ্টি নহয়।

  কিছুমান চৰকাৰী আন্তর্জাতিক সংস্থা একক উদ্দেশ্য পূৰণৰ অর্থে গঠন কৰা হয়। যেনে— উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (The North Atlantic Treaty Organisation/ NATO) টো পোনতে সদস্য ৰাষ্ট্ৰবোৰৰ প্ৰতি ৰক্ষা সুৰক্ষা নিশ্চিত কৰিবলৈ গঠন কৰা হৈছিল। বিশ্ব বানিজ্য সংস্থা (World Trade Organization/WTO) ৰ লক্ষ্য হ'ল ৰাষ্ট্ৰবোৰৰ মাজত উদ্ভৱ হোৱা ব্যৱসায়- বানিজ্য ভিত্তিক সমস্যাবোৰ আঁতৰ কৰা।

  অন্য চৰকাৰী সংস্থাবোৰৰ উদ্দেশ্য ব্যাপক। বর্তমান বিশ্বৰ সর্ববৃহৎ আন্তর্জাতিক চৰকাৰী সংস্থাটো হ'ল ৰাষ্ট্ৰসংঘ। শান্তিৰ পোষকতা, বিভিন্ন ৰোগ নির্মূল কৰণৰ যুজঁ, শিক্ষাৰ প্ৰসাৰ আৰু স্বাস্থ্যযত্নৰ উন্নতি সাধন আদিকে ধৰি ৰাষ্ট্ৰসংঘৰ বহুটো লক্ষ্য আছে। ৰাষ্ট্ৰসংঘই সদস্য ৰাষ্ট্ৰবোৰক এখন উমৈহতীয়া মঞ্চ প্ৰদান কৰে। এই মঞ্চত ৰাষ্ট্ৰবোৰে বিভিন্ন বিষয়ত নিজ নিজ দৃষ্টিভংগী দাঙি ধৰিব পাৰে।

আন্তর্জাতিক চৰকাৰী সংস্থাবোৰে বিশ্বৰ গুৰুত্বপূৰ্ণ পৰিবৰ্তন সাধন কৰিব পাৰে। যেনে— ইউৰোপীয়ান ইউনিয়ন (EU) এ ইয়াৰ অধিকাংশ সদ্যস ৰাষ্ট্ৰৰ বাবে এবিধ উমৈহতীয়া মূদ্রা এককৰ প্রচলন আৰম্ভ কৰিছে। 'ইউৰো' নামৰ এই স্বীকৃত মূদ্রা বিধৰ বাবে এতিয়া বিভিন্ন দেশৰ মাজত ব্যৱসায় বানিজ্য প্রক্রিয়াটো সৰল হৈ পৰিছে। অৱশ্যে পৰিৱর্তনৰ মাজতো আন্তর্জাতিক চৰকাৰী সংস্থাবোৰৰৰ গৰিহণা আৰু নিৰলস প্রতিৰোধমূলক ব্যৱস্থা সত্বেও সন্ত্রাসবাদৰ দৰে সমস্যা কিছুমান বিশ্বৰ পৰা আতৰ হোৱা নাই।

- **আন্তর্জাতিক অনা চৰকাৰী সংস্থা ঃ** বিশ্বত এনে কিছুমান আন্তর্জাতিক সংস্থা আছে যিবোৰৰ কোনো দেশৰ চৰকাৰৰ সৈতে কোনো ধৰণৰ সম্পর্ক নাই। এইবোৰ স্বতন্ত্র নাগৰিকে গঠন কৰে। কোনো এটা কাৰণৰ হৈ কাম কৰাৰ প্রয়োজনীয়তাত এনে সংস্থাৰ উত্থান ঘটে। এইবোৰক অনা চৰকাৰী সংস্থা (Non-Governmental Organizations/NGOs) বোলা হয়। আন্তর্জাতিক NGO বোৰে প্রায়েই অন্য চৰকাৰী সংস্থাৰ সৈতে মিলি কাম কৰে। স্বৈচ্ছিকভাৱে সেৱা আগবঢ়োৱা লোক আৰু ব্যক্তিগত দান বৰঙনিৰ ওপৰত আন্তর্জাতিক NGO বোৰ নির্ভৰশীল।

  আন্তর্জাতিক NGO বোৰ ৰাষ্ট্রীয় (অথবা ঘৰুৱা) নাইবা আন্তর্জাতিক বিশ্বজনীন) প্রকৃতিৰ হ'ব পাৰে। ৰাষ্ট্রীয় পর্য্যায়ত গঠিত ব্যক্তিগত সংস্থাবোৰৰ ৰাষ্ট্রীয় সদস্য পদ থাকে। এনে সংস্থাবোৰে নিজৰ লক্ষ্যবোৰ তেওঁলোকৰ সংবিধানত স্পষ্টকৈ উল্লেখ আৰু সংজ্ঞাৱদ্ধ কৰে। আন্তর্জাতিক NGO বোৰৰ সদস্যবোৰ আন্তর্জাতিক প্রকৃতিৰ। এনে সংস্থাবোৰে বিভিন্ন দেশত কার্যকলাপ চলায়। এনে কার্যকলাপৰ উদ্দেশ্য হ'ল ৰাজহুৱা কল্যাণ।

  আন্তর্জাতিক NGO বোৰে এনে কিছুমান কাম কৰিব পাৰে যিবোৰ চৰকাৰী সংস্থাই কৰিব নোৱাৰে। যেনে— বিশ্বত এনে বহু দেশ আছে যিবোৰে কিছুমান নির্দিষ্ট চৰকাৰৰ সৈতে জড়িত হৈ থকা কোনো সংস্থাৰ পৰা সাহার্য্য গ্রহণ নকৰে। এনে দেশে কেৱল অনা চৰকাৰী সংস্থাৰ পৰা লাভ কৰা সাহার্য্যহে গ্রহণ কৰে। ৰেড ক্রু'চৰ আন্তর্জাতিক সমিতি (The International Committee of Red Cross/ICRC), মেডিচিনচ্ চান্স ফ্রণ্টিয়ার্চ (Médecins Sans Frontières/MSF), এমনেষ্টি ইণ্টাৰনেশ্যনেল (Amnesty International) হ'ল এনে আন্তর্জাতিক NGO ৰ উদাহৰণ। এমনেষ্টি ইণ্টাৰনেশ্যনেল হ'ল এটা আন্তর্জাতক অগ্রণী মানৱ অধিকাৰ ৰক্ষাৰ হকে কাম কৰি থকা আন্তর্জাতিক NGO।

৪.৪.১ গুৰুত্বপূৰ্ণ আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা চৰকাৰী সংস্থা

- *আন্তর্জাতিক চৰকাৰী সংস্থা ঃ* বহুতো আন্তর্জাতিক চৰকাৰী সংস্থাই সমগ্র বিশ্বৰ

নাগৰিক জীৱনৰ মান উন্নত কৰি তোলাৰ হকে কাম কৰি আছে। ইয়াৰে দুটামান বিশেষভাৱে গুৰুত্বপূর্ণ সংস্থাৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

- ৰাষ্ট্রসংঘ (The United Nations) ঃ দ্বিতীয় বিশ্বযুদ্ধ শেষ হোৱাৰ প্রায় লগে লগে ১৯৪৫ চনত ৰাষ্ট্রসংঘ গঠন কৰা হৈছিল। ইয়াৰ প্রধান লক্ষ্য হ'ল দেশবোৰৰ মাজত শান্তি বর্তাই ৰখা। ৰাষ্ট্রসংঘই সামজিক অগ্রগতিৰ পোষকতা কৰাৰ লগতে দৰিদ্রতা নির্মূলৰ চেষ্টা আৰু মানৱ অধিকাৰক সুৰক্ষা প্রদান কৰাৰ প্রয়াসো চলাই আহিছে।

  ১৯৩ খন সদস্য ৰাষ্ট্রৰে সৈতে সাধাৰণ সভা (The General Assembly) হ'ল ৰাষ্ট্রসংঘৰ মুখ্য ফ'ৰাম। প্রতিখন সদস্য ৰাষ্ট্রই এই ফ'ৰামত নিজৰ মতামত দাঙি ধৰিব পাৰে। সুৰক্ষা পৰিষদ (The Security Council) নামৰ সৰু গোটটোৱে বিশ্ব শান্তিৰ তাৎক্ষণিক ভাবুকিৰ সৃষ্টি কৰা বিষয়বোৰৰ তদাৰক কৰে। সুৰক্ষা পৰিষদত পাঁচখন স্থায়ী সদস্য দেশ আছে— আমেৰিকা যুক্তৰাষ্ট্র, ৰাছিয়া, ইউনাইটেড কিংড'ম, ফ্রান্স আৰু চীন। সাধাৰণ পৰিষদে প্রতি দুবছৰৰ মূৰে মূৰে অন্য দহখন সদস্য ৰাষ্ট্র নির্বাচিত কৰে। এই পাঁচখন স্থায়ী সদস্য দেশে সুৰক্ষা পৰিষদৰ কোনো সিদ্ধান্তৰ বিৰুদ্ধে 'ভেটো' (Veto) ক্ষমতা প্রয়োগ কৰিব পাৰে অথবা পৰিষদৰ যিকোনো কার্য বন্ধ কৰিব পাৰে।

  ৰাষ্ট্রসংঘৰ অধীনত আন বহুতো শাখা আৰু অভিকৰণ আছে। এইবোৰে নানা ধৰণৰ সমস্যা নির্মূল অথবা নিয়ন্ত্রণৰ চেষ্টা কৰে। ৰাষ্ট্রসংঘৰ অধীনত এখন আন্তর্জাতিক ন্যায় আদালত (International Court of Justice) এখনো গঠন কৰা হৈছে। বিশ্ব ন্যায়ালয় (The World Court) নামেৰে জনাজাত এই আদালতে দেশবোৰৰ মাজত উদ্ভৱ হোৱা ন্যায়িক বিবাদ নিষ্পত্তিৰ চেষ্টা কৰে। ৰাষ্ট্রসংঘই উন্নয়নশীল দেশবোৰৰ অর্থনীতি অধিক উৎপাদনশীল কৰি তোলাতো সহায় আগবঢ়ায়। ৰাষ্ট্রসংঘৰ শিশু পুঁজি (UNICEF) এ সমগ্র বিশ্বৰ শিশুৰ জীৱন উন্নত কৰি তোলাৰ হকে কাম কৰে। ৰাষ্ট্রসংঘৰ শৈক্ষিক, বিজ্ঞানভিত্তিক আৰু সাংস্কৃতিক সংস্থা (UNESCO) ই বিজ্ঞান, শিক্ষা আৰু সংস্কৃতিৰ পোষকতা কৰে।

  ৰাষ্ট্রসংঘৰ ছটা প্রধান অংগ আছে সাধাৰণ সভা, সুৰক্ষা পৰিষদ, ন্যাসৰক্ষকৰ পৰিষদ (Trusteeship Council), আন্তর্জাতিক ন্যায়ালয় আৰু সচিবালয় (Secretariat)।

  ৰাষ্ট্রসংঘৰ বিশেষীকৃত অভিকৰণবোৰ হ'ল—

(ক) আন্তর্জাতিক শ্রমিক সংস্থা (International Labour

Organization/ILO)

(খ) খাদ্য আৰু কৃষি সংস্থা (Food and Agriculture Organization/FAO)

(গ) ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা (UNESCO)

(ঘ) আন্তর্জাতিক অসামৰিক বিমান পৰিবহন সংস্থা (International Civil Aviation Organization/ICAO)

(ঙ) বিশ্ব স্বাস্থ্য সংস্থা (WHO)

(চ) বিশ্ব বেংক গোট (World Bank Group)

(ছ) আন্তর্জাতিক মুদ্রানিধি (IMF)

- উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (NATO) ঃ উত্তৰ আমেৰিকা আৰু ইউৰোপৰ ২৮ খন ৰাষ্ট্রই মিলি উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (North Atlantic Treaty Organization/NATO) গঠন কৰিছিল। ইয়াৰ প্রধান উদ্দেশ্য হ'ল শান্তি বর্তাই ৰখা আৰু যুদ্ধৰ সময়ত সদস্য ৰাষ্ট্রবোৰক সুৰক্ষা প্রদান কৰা। কেতিয়াবা NATO সদস্য ৰাষ্ট্রবোৰে সংকট চলি থকা অঞ্চললৈ সশস্ত্র সুৰক্ষা বাহিনী প্রেৰণ কৰে। যেনে— NATO ই ২০০১ চনত আফগানিস্তান আৰু ২০০৩ চনত ইৰাকলৈ সৈন্য বাহিনী প্রেৰণ কৰিছিল।
- বিশ্ব বাণিজ্য সংস্থা (WTO) ঃ সমগ্র বিশ্বৰ ১৬৬ খন ৰাষ্ট্র WTO ৰ সদস্য। WTO ৰ লক্ষ্য হ'ল মুক্ত বাণিজ্যৰ পোষকতা কৰা। এই লক্ষ্যক বাস্তৱ ৰূপ দিবলৈ WTO ই ইয়াৰ সদস্য ৰাষ্ট্রবোৰক সকলো ধৰণৰ বাণিজ্যিক প্রতিবন্ধক আঁতৰাবলৈ অনুপ্রাণিত কৰে।
- আন্তর্জাতিক শ্রমিক সংস্থা (ILO) ঃ চনৰ পৰা সক্রিয় হৈ থকা ৰাষ্ট্রসংঘৰ একমাত্র ত্রিপাক্ষিক অভিকৰণটো হ'ল ILO। এই সংস্থাটোৱে ইয়াৰ ১৮৭ খন সদস্য ৰাষ্ট্রৰ চৰকাৰ, নিয়োগকর্তা আৰু শ্রমিকৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা লৈ শ্রমিক/শ্রমৰ মান নির্ধাৰণ কৰে, উন্নয়নমূলক নীতিৰ বিকাশ ঘটায় আৰু পুৰুষ- নাৰী উভয়কে মর্য্যদাপূর্ণ কামৰ সুযোগ আগবঢ়োৱা কার্যসূচীবোৰৰ পোষকতা কৰে।

  ILOৰ বিশেষ ত্রিপাক্ষিক সংৰচনাটোৱে শ্রমিক, নিয়োগ কর্তা আৰু চৰকাৰ— তিনিওটা পক্ষকে সমানে নিজৰ দৃষ্টিভংগী দাঙি ধৰাৰ সুযোগ দিয়ে। এই কার্যই এখন নির্দিষ্ট দেশৰ সামাজিক অংশীদাৰসকলৰ দৃষ্টিভংগীবোৰ দেশখনৰ স্বীকৃত শ্রম মানত প্রতিফলন ঘটা আৰু সেই মর্মে শ্রম নীতি তথা কার্যসূচীবোৰক গঢ় দিয়াটো সুনিশ্চিত কৰে।

ILO ৰ প্ৰধান লক্ষ্যবোৰ হ'ল কৰ্মস্থানত অধিকাৰ ৰক্ষাৰ পোষকতা কৰা, মৰ্য্যদাপূৰ্ণ নিয়োগ সুবিধা সৃষ্টিক অনুপ্ৰাণিত কৰা, সামাজিক সূৰক্ষাৰ মাত্ৰা বৃদ্ধি কৰা আৰু কৰ্মৰ সৈতে জড়িত সমস্যাবোৰক লৈ আলাপ- আলোচনাৰ প্ৰক্ৰিয়া সুদৃঢ় কৰি তোলা। ১৯৪৬ চনত ILO ই ৰাষ্ট্ৰসংঘৰ প্ৰথমটো বিশেষীকৃত অভিকৰণৰ মৰ্য্যদা লাভ কৰে।

- বিশ্ব স্বাস্থ্য সংস্থা (WHO) ঃ বিশ্ব স্বাস্থ্য সংস্থা হ'ল ৰাষ্ট্ৰসংঘৰ এটা অংশ। ই বিশ্বৰ সকলো লোকৰ স্বাস্থ্য উন্নত কৰি তোলাৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰে। বিভিন্ন ৰোগ প্ৰতিহত কৰিবলৈ ৰাষ্ট্ৰসংঘই চলোৱা সকলো প্ৰয়াসক WHO ই বিশ্বৰ সকলো দেশতে ফলৱতী কৰি তোলাৰ চেষ্টা চলায়। বিশ্বৰ বিভিন্ন দেশৰ লোকৰ স্বাস্থ্যৰ পোষকতাকাৰী প্ৰয়োজনীয়তাসমূহ পূৰ কৰিব পৰাকৈ WHO ই দেশবোৰৰ বাবে স্বীকৃত মান গঢ়ি দিয়ে। ইয়াৰ উপৰি সংস্থাটোৱে দেশবোৰক এই স্বীকৃত মানত উপনীত হোৱাতো সহায় কৰে। বিভিন্ন জনস্বাস্থ্য বিষয়ক সমস্যাক লৈ WHO এ নানা গৱেষণা চলায়।

  WHO ৰ সফলতাৰ তালিকাত আছে বিশ্বৰ পৰা সৰু আই নিৰ্মূলকৰণ আৰু মানুহক HIVৰ বিষয়ে প্ৰয়োজনীয় শিক্ষা প্ৰদানৰ কাৰ্যসূচী। WHO ৰ সক্ৰিয়তাৰ বাবেই বিশ্বৰ পৰা প্ৰায় ৯৯% পোলিঅ' ৰোগ নাইকিয়া হৈছে। আফ্ৰিকা মহাদেশত WHO ৰ প্ৰচেষ্টাত 'ৰিভাৰ ব্লাইণ্ডনেচ' নামৰ ৰোগবিধৰ প্ৰকোপ শাম কাটিছে। এবিধ বিশেষ পোকে কামুৰিলে এই ৰোগবিধ হয়। এই ৰোগৰ আতংক কমি যোৱাৰ লগে লগে দেশখনত অব্যৱহৃত হৈ থকা মাটিত খেতিৰ পৰিমাণ বাঢ়িছে। পূৰ্বতে সংক্ৰমণ ঘটাৰ আশংকাত খেতিয়কে এনে মাটিত খেতি কৰিবলৈ বাদ দিছিল।

- ইউৰোপত সুৰক্ষা আৰু সহযোগীতা বৃদ্ধিকাৰী সংস্থা (OSCE) ঃ ইউৰোপৰ সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা বিষয়ক সংস্থাটো হ'ল 'ইউৰোপত সুৰক্ষা আৰু সহযোগিতা বৃদ্ধিকাৰী সংস্থা' (OSCE)। সংস্থাটোৱে অস্ত্ৰ-শস্ত্ৰ নিয়ন্ত্ৰণ, মানৱ অধিকাৰৰ পোষকতা, প্ৰেছৰ স্বাধীনতা আৰু মুক্ত তথা নিকা নিৰ্বাচন আদিৰ দৰে বিষয়ৰ তদাৰক কৰে। অষ্ট্ৰিয়াৰ চহৰ ভিয়েনাত সংস্থাটোৰ সচিবালয় অৱস্থিত। ১৯৭৫ চনত ফিন্‌লেণ্ডৰ ৰাজধানী হেলচিংকিত আয়োজিত ইউৰোপত সুৰক্ষা আৰু সহযোগিতা বৃদ্ধি বিষয়ক সন্মিলন' খনক এই সংস্থা গঠনৰ চিন্তা-চৰ্চাৰ উন্মেষ বিন্দু বুলি ক'ব পাৰি।

  OSCE এ যুদ্ধৰ আগতীয়া সতৰ্ক ইংগিত, সংঘাত ৰোধ, সংকট

ব্যৱস্থাপনা আৰু সংঘাতৰ পাচৰ পুনৰসংস্থাপন প্ৰক্ৰিয়া আদিৰ প্ৰতি লক্ষ্য ৰাখে। সংস্থাটোৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৫৭খন। ইউৰোপ, উত্তৰ আৰু মধ্য এচিয়া তথা উত্তৰ আমেৰিকাৰ বহুতো দেশ OSCE ৰ সদস্য। এক প্ৰাচ্য- পাশ্চাত্য ফ'ৰাম হিচাপে শীতল যুদ্ধৰ সময়ত এই সংস্থাটো গঠন কৰা হৈছিল।

- আন্তর্জাতিক পুলিচ সংস্থা (INTERPOL) ঃ আন্তর্জাতিক অপৰাধী কৰায়ত্বকাৰী পুলিচ সংস্থাৰ জনপ্ৰিয় নামটো হ'ল ইণ্টাৰপ'ল। এই আন্তঃৰাষ্ট্ৰীয় চৰকাৰী সংস্থাটোৱে আন্তর্জাতিক পুলিচ সহযোগিতাৰ সুবিধা আগবঢ়ায়। ১৯২৩ চনত ২০ খন দেশৰ পুলিচ বাহিনীৰ অপৰাধী কৰায়ত্বকাৰী শাখাৰ প্ৰতিনিধি সকলে ভিয়েনাত মিলিত হৈ আন্তর্জাতিক অপৰাধী কৰায়ত্বকাৰী পুলিচ আয়োগ (ICPE) গঠন কৰিছিল। ১৯৫৬ চনত আয়োগে নাম সলনি কৰি আন্তর্জাতিক অপৰাধী কৰায়ত্বকাৰী পুলিচ সংস্থা (INTERPOL) বুলি নতুন নাম গ্ৰহণ কৰিছিল। ফ্ৰান্সৰ লায়'নত মুখ্য কাৰ্য্যলয় থকা ইণ্টাৰপ'লত বৰ্তমান ১৯৪ খন সদস্য ৰাষ্ট্ৰ আছে।

  শিশু পৰ্ণ'গ্ৰাফী উদ্যোগ, চাইবাৰ অপৰাধ, মাদক দ্ৰব্যৰ সৰবৰাহ, গণহত্যা, মানৱ সৰবৰাহ, পাৰিপাৰ্শ্বিক কেন্দ্ৰিক অপৰাধ, দূৰ্নীতি, সন্ত্ৰাসবাদ, যুদ্ধ অপৰাধ, অস্ত্ৰ-শস্ত্ৰৰ অবৈধ সৰবৰাহ আদিৰ দৰে ৰাষ্ট্ৰৰ সীমা অতিক্ৰমি চলি থকা বিভিন্ন অপৰাধৰ অপৰাধীক ধৰা পেলোৱাই হ'ল ইণ্টাৰপ'লৰ প্ৰধান কাম।

- আন্তর্জাতিক অনা-চৰকাৰী সংস্থা ঃ বৰ্তমান সক্ৰিয় হৈ থকা কেইটামান আন্তর্জাতিক অনা-চৰকাৰী সংস্থাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

  (ক) ৰেডক্ৰ'চৰ আন্তর্জাতিক সমিতি (International Committee of Red Cross) ঃ ৰেডক্ৰ'চ হ'ল এটা মানৱ অধিকাৰ সংস্থা। ইয়াৰ মুখ্য কাৰ্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত। সংস্থাটোৱে 'আন্তর্জাতিক ৰেডক্ৰ'চ' আৰু 'ৰেডক্ৰিচেণ্ট মুভমেণ্ট'ৰ বেনাৰত সমগ্ৰ বিশ্বৰে বিভিন্ন দেশৰ সাহার্য্য প্ৰদান ক্ষেত্ৰখনত জড়িত স্বেচ্ছাসেৱী সমাজবোৰৰ প্ৰয়াসক একত্ৰিত কৰে। বিশেষকৈ যুদ্ধ আৰু প্ৰাকৃতিক দুৰ্যোগৰ বলিসকললৈ ICRC এ সাহার্য্য আগবঢ়ায়। যুদ্ধৰ সময়ত সংস্থাটোৱে নাগৰিক সমাজক সুৰক্ষা প্ৰদানৰ চেষ্টা কৰে আৰু যুদ্ধবন্দীসকলে যাতে প্ৰাপ্য মর্য্যদা লাভ কৰে সেয়া সুনিশ্চিত কৰে। যুদ্ধবন্দী মানে হ'ল কোনো সংঘাতৰ সময়ত শত্ৰু শক্তিয়ে কৰায়ত্ব কৰা সৈনিক।

ICRC এ যুদ্ধত নিখোজ হোৱা ব্যক্তিৰ সন্ধান উলিওৱাৰো চেষ্টা কৰে। যুদ্ধ বিধ্বস্ত এলেকাত থকা সহায়ৰ আৱশ্যক হোৱা লোকক খাদ্য, বস্ত্ৰ আৰু দৰৱৰ যোগান ধৰে। সকলো প্ৰতিকূল পৰিস্থিতিতে। ICRC এ এটা নিৰপেক্ষ স্থিতি গ্ৰহণ কৰি সেৱা আগবঢ়াই যায়। অৰ্থাৎ কোনো যুদ্ধতে ICRC এ কাৰো সমৰ্থন অথবা বিৰোধিতা নকৰে। অধিকাংশ ৰাষ্ট্ৰই ICRC ৰ কাৰ্যক সন্মান কৰে আৰু বিনা বাধাই ইয়াক কাম কৰি যোৱাৰ অনুমতি দিয়ে। চুইজাৰলেণ্ডৰ ব্যৱসায়ী হেন্ৰী ডুনেণ্ট - এ ICRC গঠন কৰিছিল। তেওঁক প্ৰথমটো শান্তিৰ নোবেল বঁটাৰে সন্মান জনোৱা হৈছিল।

(খ) মেডিচিনচ্ চানচ্ ফ্ৰণ্টিয়ার্চ (Médecins Sans Frontières) ঃ 'মেডিচিনচ্ চানচ্ ফ্ৰণ্টিয়ার্চ' (MSF) সংস্থাটোৰ ইংৰাজী সমৰ্থক নামটো হ'ল 'Doctors Without Borders' (চাৰিসীমাহীন চিকিৎসকৰ দল)। ফ্ৰান্সত জন্মলাভ কৰা MSF হ'ল এটা মানৱ অধিকাৰমূলক চিকিৎসাসেৱা আগবঢ়োৱা আন্তর্জাতিক অনা-চৰকাৰী সংস্থা। সংঘাত জৰ্জৰ এলেকা আৰু মহামাৰী অথবা সংক্ৰমণৰ কবলত পৰা দেশত আগবঢ়োৱা নিঃস্বাৰ্থ সেৱাৰ বাবে MSF এ প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছে।

১৯৭১চনত ফ্ৰান্সৰ চিকিৎসক আৰু সাংবাদিকৰ ক্ষুদ্ৰ গোট এটাই MSF ৰ জন্ম দিছিল। সংস্থাটোৰ উদ্দেশ্য আছিল জাতি, ধৰ্ম, বৰ্ণ অথবা ৰাজনৈতিক স্থিতি নিৰ্বিশেষে ৰাষ্ট্ৰীয় চাৰিসীমা পাৰ কৰি চিকিৎসা যত্নৰ সুলভতা ব্যাপ্ত কৰা।

ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদত MSF ৰ এটা সাধাৰণ পৰামৰ্শদাতাৰ স্থিতি আছে। ইয়াৰ সদস্যসকলে গুৰুতৰ সংকটৰ সময়ত আগবঢ়োৱা অবিৰত চিকিৎসা যত্ন আৰু সম্ভাব্য মানৱীয় দুৰ্যোগ সম্পৰ্কে আন্তর্জাতিক সজাগতা বৃদ্ধিত আগবঢ়োৱা অৱদানৰ বাবে MSF ক ১৯৯৯ চনত শান্তিৰ নোবেল বঁটাৰে পুৰস্কৃত কৰা হৈছে। বৰ্তমান চুইজাৰলেণ্ডৰ জেনেভাত ইয়াৰে সদৰ কাৰ্যালয় অৱস্থিত।

(গ) স্কাউট মুভমেণ্টৰ বিশ্ব সংস্থা (World Organization of the Scout Movement/WOSM) ঃ স্কাউট মুভমেণ্টৰ বিশ্ব সংস্থা- WOSM হ'ল সৰ্ববৃহৎ আন্তর্জাতিক স্কাউটিং সংস্থা।

মালেয়চিয়াৰ কুৱালা-লামপুৰত কার্যবাহী সদৰ কার্যালয় থকা গঠন কৰা হৈছিল ১৯২২ চনত। ইয়াৰ ন্যায়িক আসনখন আছে চুইজাৰলেণ্ডৰ জেনেভাত।

WOSM ৰ সম্প্রতি ঘোষিত অভিযানটো হ'ল "স্কাউট প্র'মিছ (অংগীকাৰ) আৰু স্কাউট ল (আইন) ৰ আধাৰত গঢ়া এক প্রমূল্য প্রণালীৰ জৰিয়তে ল'ৰা-ছোৱালীৰ শিক্ষাত অৱদান আগবঢ়াই এনে এখন উন্নততৰ বিশ্ব নির্মাণত সহায় কৰা যিখন বিশ্বত ব্যক্তিগতভাৱে সকলোৱেই আত্ম-পৰিপূর্ণ আৰু সকলোৱেই সমাহত একোটা গঠনমূলক ভূমিকা পালন কৰিব পাৰিব।" WOSM এ আঞ্চলিক সংগঠন গঢ়ি ইয়াৰ কাম-কাজ আগবঢ়াই নিয়ে। সন্মিলন সমিতি আৰু ব্যুৰ' হ'ল ইয়াৰ কার্যসম্পাদন প্রণালীৰ অংশ।

এটা অনা-চৰকাৰী সংস্থা হিচাপে WOSM এ ৰাষ্ট্রসংঘৰ অর্থনৈতিক আৰু সামাজিক পৰিষদ (ECOSOC) ত এটা সাধাৰণ পৰামর্শদাতাৰ স্থিতি লাভ কৰিছে।

(ঘ) এম্‌নেষ্টি ইণ্টাৰনেশ্যনেল (Amnesty International) ঃ বৃটিছ আইনজীৰী পিটাৰ বেনেচনে ১৯৬১চনত এম্‌নেষ্টি ইণ্টাৰনেশ্যনেল প্রতিষ্ঠা কৰিছিল। এই সংস্থা সকলো চৰকাৰ, ৰাজনৈতিক আদর্শ, অর্থনৈতিক স্বার্থ অথবা ধর্মৰ পৰা স্বতন্ত্র। ইয়াৰ একমাত্র কাম হ'ল মানৱ অধিকাৰৰ পক্ষপাতিত্বহীন সুৰক্ষা। বর্তমান সমগ্র বিশ্বতে এম্‌নেষ্টি ইণ্টাৰনেশ্যনেলৰ সদস্য আৰু সমর্থকৰ এক বিস্তৃত নেটৱর্ক আছে।

এম্‌নেষ্টি ইণ্টাৰনেশ্যনেলৰ কল্পনা হ'ল মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্র আৰু অন্য মানৱ অধিকাৰ বিষয়ক স্বীকৃত মানত উল্লেখ থকা সকলোবোৰ মানৱ অধিকাৰ প্রতিগৰাকী ব্যক্তিয়েই উপভোগ কৰিব পৰা এখন পৃথিৱী গঢ়ি তোলা। এই কল্পনাক বাস্তৱ ৰূপ দিবলৈ সংস্থাটোৱে বিভিন্ন গৱেষণা আৰু কার্য সম্পাদন কৰে। এনে গৱেষণা আৰু কার্যকলাপ আগবঢ়াই নিয়াৰ সময়ত মনোনিৱেশ কৰা বিষয়বোৰ হ'ল —শাৰীৰিক আৰু মানসিক সংহতি বর্তাই ৰখা মানৱ অধিকাৰ বোৰৰ গুৰুতৰ উলংঘন ৰোধ অথবা অন্ত কৰা; সচেতনতা আৰু ভাৱ প্রকাশৰ স্বাধীনতা অক্ষুন্ন ৰখা;

সকলো মানৱ অধিকাৰৰ পোষকতা কৰিবলৈ কর্মৰ

পৃষ্ঠভূমিত চলিব পৰা সকলো ধৰণৰ বৈষম্যৰ পৰা মানুহক মুক্ত কৰা।

- *সদস্য পদৰ পৰিসৰ আৰু সংস্থাৰ উদ্দেশ্যৰ ভিত্তিত কৰা শ্রেণীবিভাজন ঃ* সদস্যপদৰ পৰিসৰ আৰু সংস্থাৰ উদ্দেশ্যৰ ভিত্তিত আন্তর্জাতিক সংস্থাবোৰক তলৰ ভাগবোৰক ভগাব পাৰি—
  - সাধাৰণ সদস্য পদ আৰু সাধাৰণ উদ্দেশ্যৰ সংস্থা ঃ এনে সংস্থাবোৰৰ পৰিসৰ বিশ্বজনীন আৰু ইয়াৰ সদস্য পদ সকলোৰে বাবে মুকলি। এনে সংস্থাই বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে। যেনে — শান্তি আৰু সুৰক্ষা, আর্থ-সামাজিক সহযোগিতা মানৱ অধিকাৰৰ সুৰক্ষা, সাংস্কৃতিক-শৈক্ষিক আৰু বিজ্ঞান ভিত্তিক কার্যকলাপৰ বিকাশ তথা বিনিময় ইত্যাদি। 'লীগ অৱ্ নেশ্যনচ্' আৰু 'ৰাষ্ট্রসংঘ' হ'ল এনে সংস্থাৰ উদাহৰণ।
  - সাধাৰণ সদস্য পদ আৰু সীমিত উদ্দেশ্যৰ সংস্থা ঃ এনে সংস্থাবোৰক প্রকার্যবাদী সংস্থা বুলিও জনা যায়। কাৰণ, এই সংস্থাবোৰে একোটা বিশেষ প্রকার্য সম্পাদন কৰাৰ কামত আত্মনিয়োগ কৰে। কিন্তু এনে সংস্থাৰ সদস্য পদ আন্তর্জাতিক সম্প্রদায়ৰ সকলো দেশৰ বাবে মুকলি। ৰাষ্ট্রসংঘৰ বিদেশীকৃত অভিকৰণবোৰ হ'ল এনে সংস্থাৰ উদাহৰণ। পুনৰ নির্মাণ আৰু উন্নয়নৰ বাবে থকা আন্তর্জাতিক বেংক (IBRD), আন্তর্জাতিক শ্রমিক সংস্থা (ILO), বিশ্ব স্বাস্থ্য সংস্থা (WHO) আদি এই শিতানৰ অন্তর্ভুক্ত সংস্থা।
  - সীমিত সদস্য পদ আৰু সাধাৰণ উদ্দেশ্যৰ সংস্থা ঃ কোনো এক নির্দিষ্ট ভৌগোলিক অঞ্চলৰ ৰাষ্ট্রবোৰ এনে সংস্থাৰ সদস্য হ'ব পাৰে। এনে সংস্থাবোৰক সেয়েহে আঞ্চলিক সংস্থা বুলিও কোৱা হয়। সুৰক্ষা জনীত ৰাজনৈতিক, আর্থ-সামাজিক কার্য তথা দায়িত্ব আদিৰ দৰে অসংখ্যা দিশ সামৰি এনে সংস্থাবোৰ গঢ়ি তোলা হ'ব পাৰে। (OAS,OAU)আৰু আৰব লীগ হ'ল এনে সংস্থাৰ উদাহৰণ।
  - সীমিত সদস্য পদ আৰু সীমিত উদ্দেশ্যৰ সংস্থা ঃ কিছুমান সংস্থাৰ সদস্য পদ কোনো এটা নির্দিষ্ট অঞ্চলৰ ৰাষ্ট্রবোৰৰ বাবে মুকলি। এনে সংস্থাবোৰ একোটা নির্দিষ্ট অথবা সীমিত কার্য সম্পাদন কৰিবলৈ গঠন কৰা হয়। NATO আৰু ৰাৰশ্ব চুক্তি সংস্থা (The Warsaw Pact) হ'ল এনে সংস্থাৰ উদাহৰণ।

দুখনকৈ বিশ্ব যুদ্ধ প্রত্যক্ষ কৰা আৰু অর্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্রবোৰত সংঘাত জর্জৰ এই বিশ্বত

অস্তিত্ব বর্তাই ৰখাত আৱশ্যকীয় উপাদান এটা হ'ল ৰাষ্ট্রবোৰৰ মাজৰ সহযোগীতা। আন্তর্জাতিক সম্প্রদায়ক একত্র কৰাত আৰু ক্ষুধা তথা দৰিদ্রতা নির্মূল আৰু সুৰক্ষা নিশ্চিত কৰাৰ লগতে ব্যৱসায় বানিজ্যৰ মুক্ত প্রবাহত সহযোগীতা বৃদ্ধি কৰিবলৈ হাত মিলোৱাত আন্তর্জাতিক সংস্থাবোৰে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আন্তর্জাতিক চৰকাৰী সংস্থাবোৰ সার্বভৌম ৰাষ্ট্রৰে গঠিত। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৪ ঃ সদস্য ৰাষ্ট্রবোৰৰ প্রতিৰক্ষা কৰিবলৈ মূলতঃ উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (NATO) গঠন কৰা হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৫ ঃ সাধাৰণ সদস্য পদ আৰু সাধাৰণ উদ্দেশ্যৰ সংস্থাৰ এটা উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন নং ৬ ঃ ৰেডক্রু'চৰ আন্তর্জাতিক সমিতি (ICRC) ৰ প্রতিষ্ঠাপক কোন আছিল?

.....

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কোনো সুনির্দিষ্ট উদ্দেশ্যত উপনীত হ'বলৈ আন্তর্জাতিক আইন অনুসৰি কোনো সন্ধি/চুক্তিৰ আধাৰ ৰাষ্ট্রবোৰৰ সন্মিলিত গোটে গঠন কৰা সংস্থাকেই আন্তর্জাতিক সংস্থা বোলে। আন্তর্জাতিক সংস্থাবোৰৰ একোটা শাখা প্রণালী থাকে। সংস্থাবোৰে কেন্দ্রীয় ভাবে এই প্রণালীটো পৰিচালনা কৰে। সংস্থাবোৰৰ কিছুমান অধিকাৰ আৰু কর্তব্য থাকে। কিন্তু এই অধিকাৰ আৰু কর্তব্যবোৰ সদস্য ৰাষ্ট্রবোৰৰ অধিকাৰ আৰু কর্তব্যতকৈ পৃথক।
- ৰাষ্ট্রৰ গোটবোৰে যিবোৰ সন্ধি চুক্তিৰ আধাৰত আন্তর্জাতিক সংস্থাবোৰ গঢ়ি তোলে সেইবোৰে একোটা সংস্থাৰ সংৰচনাত্মক আহিলা আৰু বৈশিষ্ট্য ৰূপে কাম কৰে। কিছুমান

বিশেষ কামক বাস্তৱ ৰূপ দিবলৈ কোনো আন্তর্জাতিক চুক্তিৰ আধাৰত ৰাষ্ট্রবোৰে আন্তর্জাতিক সংস্থা একোটা গঢ়ি তোলে। সেয়েহে এনে সংস্থাবোৰক বিশেষ কার্য সম্পাদনৰ অর্থে বিভিন্ন ৰাষ্ট্রৰ দ্বাৰা গঠিত একোটা সংস্থা বুলিব পাৰি। এনে সংস্থাই কোনো ৰাষ্ট্রৰ ক্ষমতাৰ উর্দ্ধলৈ নাযায় অথবা কোনো ৰাষ্ট্র ওপৰত স্বেচ্ছাচাৰিতা প্রদর্শন নকৰে। সেয়েহে এনে সংস্থাবোৰে আন্তর্জাতিক চৰকাৰৰ প্রকৃতি ধাৰণ নকৰে। আন্তর্জাতিক সংস্থাবোৰৰ পৃথক ন্যায়িক ব্যক্তিত্ব আৰু সংস্থাবোৰ আন্তর্জাতিক আইনৰ ওচৰত জবাবদিহি।

- প্রাচীন আৰু মধ্যযুগত ৰাষ্ট্রবোৰৰ মাজৰ পোনপটীয়া সম্বন্ধই আছিল আন্তর্জাতিক সম্পর্কৰ মৌলিক বৈশিষ্ট্য। অন্য ৰাষ্ট্রৰ সৈতে সম্পর্ক স্থাপনৰ প্রধান উপায় আছিল দ্বি পাক্ষিক চুক্তি আৰু কূটনৈতিক যোগাযোগ ।

বর্তমানৰ আন্তর্জাতিক সংস্থাবোৰে ইয়াৰ অস্তিত্বৰ বাবে বহু ক্ষেত্রত আন্তঃৰাষ্ট্রীয় সম্পর্কবোৰ নিয়ন্ত্রণ কৰিবলৈ সপ্তদশ তথা অষ্টাদশ শতিকাত আয়োজিত বিভিন্ন সন্মিলন আৰু সভাৰ ওচৰত ঋণী। এনে সন্মিলনবোৰক আন্তর্জাতিক সংস্থা বুলি ক'ব পৰা নাযায়। যদিও বহুতো ৰাষ্ট্রই এনে সন্মিলনত অংশ গ্রহণ কৰাটোলৈ চাই ইয়াক আন্তর্জাতিক সম্পর্ক স্থাপনৰ ক্ষেত্রত এক নতুন যুগৰ আৰম্ভণি বুলিব পৰা যায়।

- ৱেষ্টফালিয়াৰ সন্ধি (১৬৪৮) আৰু উট্‌লেখ্‌টৰ সন্ধি (১৭১৩) ক সেইবোৰ আন্তর্জাতিক সন্ধিৰ মাজত ধৰিব পাৰি যিবোৰক আন্তর্জাতিক সংস্থাৰ বিকাশ ঘটাৰ ক্ষেত্রত মাইলৰ খুঁটি বুলি গণ্য কৰা হয়। দুয়োখন সন্ধিয়েই আছিল শান্তি চুক্তি। দুয়োখনেই কিছুমান ইউৰোপীয় শক্তিৰ মাজত দীর্ঘদিন ধৰি চলি থকা যুদ্ধৰ অৱসান ঘটায় শান্তি স্থাপনৰ উদ্দেশ্যেৰে প্রস্তুত কৰা হৈছিল।
- ঊনবিংশ শতিকাত ৰাষ্ট্রবোৰৰ মাজত পৰস্পৰ নির্ভৰশীলতা বৃদ্ধি আৰু আন্তর্জাতিক সহযোগীতাৰ আন্দোলন আৰম্ভ হৈছিল। ইয়াৰ ফলস্বৰূপে এই সময়ছোৱাত আয়োজিত আন্তর্জাতিক সন্মিলন বোৰে ন ন মাত্রা আহৰণ কৰিছিল। এসময়ত এই সন্মিলনবোৰৰ পৰিসৰে শান্তি চুক্তি স্থাপনৰ এক মাত্র উদ্দেশ্যটোৰ সীমা অতিক্রম কৰি গৈছিল। সঘনাই বিভিন্ন সন্মিলন আৰু সভা আদি অনুষ্ঠিত হ'বলৈ ধৰিছিল। ১৮১৪-১৫ চনত ভিয়েনাত 'ভিয়েনা কংগ্রেছ' ৰ আয়োজন কৰা হৈছিল। ঊনবিংশ শতিকাত ইউৰোপীয় দেশবোৰৰ মাজত আয়োজিত সবাতোকৈ গুৰুত্বপূর্ণ আন্তর্জাতিক সন্মিলনবোৰৰ এখন হ'ল ভিয়েনা কংগ্রেছ।
- বিংশ শতিকাত আন্তর্জাতিক সংস্থা সমূহৰ সর্বাঙ্গীন বিকাশ ঘটিছিল। প্রথম বিশ্ব যুদ্ধৰ যন্ত্রণাদায়ক অভিজ্ঞতাৰ পাছত ১৯২০ চনৰ পেৰিচ শান্তি চুক্তিৰ আধাৰত 'লীগ অৱ নেশ্যনচ্' গঠিত হৈছিল। এই লীগৰ উদ্দেশ্য আছিল আন্তর্জাতিক শান্তি আৰু সুৰক্ষা স্থাপনৰ লক্ষ্যত উপনীত হোৱা আৰু আন্তর্জাতিক সহযোগীতাৰ পোষকতা কৰা।
- ১৯২০ চনৰ লীগ অৱ নেশ্যনচ্ ৰ গঠনক আন্তর্জাতিক সংস্থাৰ বিকাশৰ এক উল্লেখযোগ্য পর্য্যায় বুলি ধৰা হয়। ই মূলতঃ আছিল যুদ্ধৰ মীমাংসাকাৰী, নিৰস্ত্রীকৰণ পথ সুচল

কৰি তোলা আৰু আন্তর্জাতিক বিবাদৰ শান্তিপূর্ণ নিষ্পত্তিৰ পোষকতা কৰা এটা সংস্থা। প্ৰাৰম্ভিক কালছোৱাত সংস্থাটোৱে যথেষ্ট আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ সৃষ্টিকাৰী ঘটনাবোৰৰ হেঁচাত এই সংস্থাটোৰ মৃত্যু হৈছিল।

- আন্তর্জাতিক সংস্থাবোৰক (**ক**) সদস্যৰ প্ৰকাৰ আৰু (**খ**) সদস্যপদৰ পৰিসৰ তথা সংস্থাৰ উদ্দেশ্য আদিৰ দৰে নির্ণায়কৰ আধাৰত কিছুমান বহল ভাগত ভগোৱা হয়।
- সদস্যৰ প্ৰকাৰৰ আধাৰত আন্তর্জাতিক সংস্থাবোৰক আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থাত শ্ৰেণীবিভক্ত কৰা হয়।
- সার্বভৌম ৰাষ্ট্ৰবোৰে মিলি আন্তর্জাতিক চৰকাৰী সংস্থাৰ জন্ম দিয়ে। ৰাষ্ট্ৰবোৰে বিভিন্ন আন্তর্জাতিক সমস্যা সমাধান কৰিবলৈ এনে সংস্থা গঢ়ি তোলে।
- বিশ্বত এনে কিছুমান আন্তর্জাতিক সংস্থা আছে যিবোৰৰ কোনো দেশৰ চৰকাৰৰ সৈতে কোনো ধৰণৰ সম্পর্ক নাই। এইবোৰ স্বতন্ত্ৰ নাগৰিকে গঠন কৰে। কোনো এটা কাৰণৰ হৈ কাম কৰাৰ প্ৰয়োজনীয়তাত এনে সংস্থাৰ উত্থান ঘটে। এইবোৰক অনা-চৰকাৰী সংস্থা বোলা হয়।
- অনা-চৰকাৰী সংস্থাবোৰ ৰাষ্ট্ৰীয় (অথবা ঘৰুৱা) নাইবা আন্তর্জাতিক (বিশ্বজনীন) প্ৰকৃতিৰ হ'ব পাৰে। ৰাষ্ট্ৰীয় পয্যায়ত গঠিত ব্যক্তিগত সংস্থাবোৰৰ ৰাষ্ট্ৰীয় সদস্য পদ থাকে। এনে সংস্থাবোৰে নিজৰ লক্ষ্যবোৰ তেওঁলোকৰ সংবিধানত স্পষ্টকৈ উল্লেখ আৰু সংজ্ঞাবদ্ধ কৰে। আন্তর্জাতিক (NGO) বোৰৰ সদস্যবোৰ আন্তর্জাতিক প্ৰকৃতিৰ। এনে সংস্থাবোৰে বিভিন্ন দেশত কার্যকলাপ চলায়। এনে কার্যকলাপৰ উদ্দেশ্য হ'ল ৰাজহুৱা কল্যাণ।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি;* গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱর্তী, দিলীপ কুমাৰ (২০০৫); *আন্তর্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

১) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations*. New Delhi: Cosmos Bookhive (P) Ltd.

২) Malhotra, Vinay Kumar (2006). *International Relations*. New Delhi: Anmol Publications Pvt.Ltd.

৩) Ghai, K.K. (2005) *International Relations – Theory and Practice*. New Delhi: Kalyani Publishers.

৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো সুনির্দিষ্ট উদ্দেশ্যত উপনীত হ'বলৈ আন্তর্জাতিক আইন অনুসৰি কোনো সন্ধি/চুক্তিৰ আধাৰত ৰাষ্ট্ৰবোৰৰ সম্মিলিত গোট গঠন কৰা সংস্থাকেই আন্তর্জাতিক সংস্থা বোলে। আন্তর্জাতিক সংস্থাবোৰৰ একোটা শাখা প্ৰণালী থাকে। সংস্থাবোৰে কেন্দ্ৰীয় ভাৱে এই প্ৰণালীটো পৰিচালনা কৰে। সংস্থাবোৰৰ কিছুমান অধিকাৰ আৰু কর্তব্য থাকে। কিন্তু এই অধিকাৰ আৰু কর্তব্যবোৰ সদস্য ৰাষ্ট্ৰবোৰৰ অধিকাৰ আৰু কর্তব্যতকৈ পৃথক।

ৰাষ্ট্ৰৰ গোটবোৰে যিবোৰ সন্ধি/চুক্তিৰ আধাৰত আন্তর্জাতিক সংস্থাবোৰ গঢ়ি তোলে সেইবোৰে একোটা সংস্থাৰ সংৰচনাত্মক আহিলা আৰু বৈশিষ্ট্যৰূপে কাম কৰে। কিছুমান বিশেষ কামক বাস্তৰ ৰূপ দিবলৈ কোনো আন্তর্জাতিক চুক্তিৰ আধাৰত

ৰাষ্ট্ৰবোৰে আন্তর্জাতিক সংস্থা একোটা গঢ়ি তোলে। সেয়েহে এই সংস্থাবোৰক বিশেষ কার্য সম্পাদনৰ অর্থে বিভিন্ন ৰাষ্ট্ৰৰ দ্বাৰা গঠিত একোটা সংস্থা বুলিব পাৰি। এনে সংস্থাই কোনো ৰাষ্ট্ৰৰ ক্ষমতা উর্দ্ধলৈ নাযায় অথবা কোনো ৰাষ্ট্ৰৰ ওপৰত স্বেচ্ছাচাৰিতা প্রদর্শন নকৰে। সেয়েহে এনে সংস্থাবোৰে আন্তর্জাতিক চৰকাৰৰ প্রকৃতি ধাৰণা নকৰে। আন্তর্জাতিক সংস্থাবোৰৰ পৃথক ন্যায়িক ব্যক্তিত্ব থাকে আৰু সংস্থাবোৰ আন্তর্জাতিক আইনৰ ওচৰত জবাবদিহি।

২ নং প্রশ্নৰ উত্তৰ ঃ অর্গেনাইজেশ্যন অব্ আমেৰিকান ষ্টেটচ্ (OAS) আৰু অর্গেনাইজেশ্যন অব্ আফ্রিকান য়ুনিটি (OAU)

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ জাতিসংঘ

৬ নং প্রশ্নৰ উত্তৰ ঃ হেন্ৰি ডুনেণ্ট



৩.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ আন্তর্জাতিক সংস্থাৰ প্রকাৰবোৰ কি কি?

প্রশ্ন ২ ঃ আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থা মানে কি? উদাহৰণ সহ বুজাই লিখক।

প্রশ্ন ৩ ঃ ইণ্টাৰপ'লৰ সদৰ কার্যালয় ক'ত অৱস্থিত?

প্রশ্ন ৪ ঃ মানৱ অধিকাৰ মূলক চিকিৎসা সেৱা আগবঢ়োৱা আন্তর্জাতিক অনা-চৰকাৰী সংস্থাটোৰ নাম উল্লেখ কৰক।

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আন্তর্জাতিক চৰকাৰী সংস্থাৰ অর্থ লিখক।

প্রশ্ন ২ ঃ সাধাৰণ সদস্য পদ আৰু সীমিত উদ্দেস্যৰ সংস্থাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ যি কোনো দুটা আন্তর্জাতিক অনা-চৰকাৰী সংস্থাৰ বিষয়ে লিখক।

প্রশ্ন ৪ ঃ ৰেডক্রচ'ৰ আন্তর্জাতিক সমিতিৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আন্তর্জাতিক সংগঠনৰ অর্থ আৰু পৃষ্ঠভূমি ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ আন্তর্জাতিক চৰকাৰী সংস্থা আৰু আন্তর্জাতিক অনা-চৰকাৰী সংস্থাৰ অর্থ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সদস্যৰ প্রকাৰৰ ভিত্তিত আন্তর্জাতিক সংস্থাবোৰৰ কেনেদৰে শ্রেণীবিভাজন কৰা হয় আলোচনা কৰক।

প্রশ্ন ৪ ঃ সদস্যপদৰ পৰিসৰ আৰু সংস্থাৰ উদ্দেশ্যৰ ভিত্তিত আন্তর্জাতিক সংস্থাবোৰৰ কেনেদৰে শ্রেণীবিভাজন কৰা হয় আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ৰাষ্ট্ৰসংঘ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ৰাষ্ট্ৰসংঘৰ উৎপত্তি, লক্ষ্য আৰু উদ্দেশ্যসমূহ

৫.৩.১ ৰাষ্ট্ৰসংঘৰ উৎপত্তি

৫.৩.২ ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

৫.৩.৩ ৰাষ্ট্ৰসংঘৰ সদস্যভুক্তি

৫.৪ ৰাষ্ট্ৰসংঘৰ গঠন

৫.৫ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা

৫.৫.১ ৰাষ্ট্ৰসংঘৰ ভৰিষ্যৎ

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰসংঘৰ উৎপত্তি সম্বন্ধে আলোচনা কৰিব পাৰিব,
- ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- ৰাষ্ট্ৰসংঘৰ গঠন সম্বন্ধে বৰ্ণনা কৰিব পাৰিব,
- ৰাষ্ট্ৰসংঘৰ ছটা অংগৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰা ইয়াৰ ভূমিকা সম্বন্ধে মূল্যায়ন কৰিব পাৰিব।

৫.২ পৰিচয়

১৯২০ চনৰ ১০ জানুৱাৰীত ৪২ খন দেশে মিলি ৰাজনৈতিক সন্ধি মৰ্মে বিশ্ব শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰথম বিশ্বযুদ্ধৰ পাচত জাতি সংঘৰ জন্ম দিয়ে যদিও ই বিশ্বশান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল। ইয়াৰ পিচত পুনৰ প্ৰভাৱশালী ৰাষ্ট্ৰনেতাসকলে আন এটা আন্তঃৰাষ্ট্ৰীয় সংস্থা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এনেধৰণৰ প্ৰচেষ্টাৰ ফলতেই ১৯৪৫ চনৰ ২৪ অক্টোবৰত "ৰাষ্ট্ৰসংঘ" (United Nations) নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ জন্ম হৈছিল। এই সংস্থাটোৰ ছটা প্ৰধান অংগ আছে। ইয়াৰ উপৰিও ইয়াৰ আন কিছুমান

বিশেষ সংস্থা আছে। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই ইয়াৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰা সবল নেতৃত্ব প্ৰদান কৰি আহিছে, যাতে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত এক বিশ্বশৃংখলা (world order) প্ৰতিষ্ঠা হয়। ৰাষ্ট্ৰসংঘৰ দৃষ্টিত বিশ্বৰ সৰু-বৰ সকলো ৰাষ্ট্ৰ সমমৰ্যাদাসম্পন্ন।

৫.৩ ৰাষ্ট্ৰসংঘৰ উৎপত্তি, লক্ষ্য আৰু উদ্দেশ্যসমূহ

৫.৩.১ ৰাষ্ট্ৰসংঘৰ উৎপত্তি

থূলমূলকৈ ক'বলৈ হ'লে জাতিসংঘৰ বিফলতাৰ পৰিণতিতেই ৰাষ্ট্ৰসংঘৰ জন্ম হোৱা বুলিব পাৰি। প্ৰথম বিশ্বযুদ্ধৰ পিচতেই বিশ্বৰ প্ৰভাৱশালী ৰাষ্ট্ৰনেতাসকলে যুদ্ধৰ বিভীষিকা আঁতৰ কৰি বিশ্বশান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে জাতিসংঘৰ জন্ম দিছিল। অৱশ্যে জাতিসংঘই ৰাষ্ট্ৰনেতাসকলৰ সপোন বাস্তৱায়িত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল, যাৰ পৰিণতিতেই দ্বিতীয় মহাযুদ্ধৰ সূচনা হৈছিল। প্ৰথম বিশ্বযুদ্ধৰ ফলত হোৱা অপূৰণীয় ক্ষয়-ক্ষতিৰ কাৰণে বিশ্বৰ নেতাসকলে চিন্তা-চৰ্চাত মনোনিৱেশ কৰিছিল। তেওঁলোকে আন এটি আন্তঃৰাষ্ট্ৰীয় সংগঠন গঠনৰ ওপৰত গুৰুত্ব দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৰুজভেল্টে পোনপ্ৰথমে 'ৰাষ্ট্ৰসংঘ' শব্দটো প্ৰয়োগ কৰি এক আন্তঃৰাষ্ট্ৰীয় সংগঠন গঠনৰ ওপৰত গুৰুত্ব দিছিল। ১৯৪২ চনৰ ১ জানুৱাৰী তাৰিখে প্ৰায় ২৬ খন ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰত স্বাক্ষৰ প্ৰদান কৰে। ১৯৪৫ চনৰ চানফ্ৰান্সিছকো সন্মিলনত পঞ্চাশখন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে ৰাষ্ট্ৰসংঘৰ কাৰণে এখন চনদ (charter) প্ৰস্তুত কৰিছিল আৰু সৰ্বসন্মতিক্ৰমে এনে চনদখন গৃহীত হৈছিল। এই প্ৰক্ৰিয়াটো ১৯৪৫ চনৰ ২৪ অক্টোবৰ তাৰিখে সম্পূৰ্ণ হৈছিল আৰু তেতিয়াৰ পৰাই ৰাষ্ট্ৰসংঘৰ চনদখন কাৰ্যকৰী হৈছিল।

৫.৩.২ ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

প্ৰস্তাৱনাৰ আৰম্ভণিতেই উল্লেখ আছে যে— "We the peoples of the United Nations..."

প্ৰস্তাৱনাত সন্নিৱিষ্ট লক্ষ্যসমূহ হৈছে—

- যুদ্ধৰ বিভীষিকাৰ পৰা ভৱিষ্যৎ প্ৰজন্মক ৰক্ষা কৰা।
- মানৱ অধিকাৰ, প্ৰত্যেক ব্যক্তিৰ মৰ্যাদা, পুৰুষ-মহিলা, ক্ষুদ্ৰ আৰু বৃহৎ ৰাষ্ট্ৰৰ সমঅধিকাৰৰ ওপৰত বিশ্বাস অক্ষুণ্ণ ৰখা।
- চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ পৰা সৃষ্টি হোৱা ন্যায় আৰু দায়বদ্ধতা ৰক্ষা কৰা।

- সামাজিক উন্নয়ন আৰু জীৱন নির্বাহৰ মান উন্নত কৰা।

ৰাষ্ট্ৰসংঘৰ চনদৰ ১নং অনুচ্ছেদত সন্নিৱিষ্ট মৌলিক উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল—

- আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা।
- ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূর্ণ সম্পর্ক উন্নত কৰা।
- আন্তঃৰাষ্ট্ৰীয় সমস্যাৰাজি সমাধানৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা লাভ কৰা।
- মানৱ অধিকাৰ, মৌলিক অধিকাৰ আৰু স্বাধীনতা সকলোৰে বাবে সুনিশ্চিত কৰা।
- উল্লেখিত উদ্দেশ্যসমূহ কার্যকৰী কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ কাম-কাজৰ সমন্বয় ৰক্ষাকাৰী কেন্দ্ৰ হিচাপে কার্য কৰা।

ৰাষ্ট্ৰসংঘৰ চনদৰ ২ নং অনুচ্ছেদত উল্লেখ আছে যে ৰাষ্ট্ৰসংঘ ৰাষ্ট্ৰসমূহৰ সার্বভৌম সমতাৰ নীতিৰ ওপৰত প্রতিষ্ঠিত। সদস্য ৰাষ্ট্ৰসমূহে শান্তিপূর্ণ উপায়েৰে বিবাদ মীমাংসা কৰিব আৰু সদস্যৰাষ্ট্ৰসমূহে আন ৰাষ্ট্ৰৰ ভৌগোলিক অখণ্ডতাৰ বিৰুদ্ধে শক্তি প্রয়োগৰ পৰা বিৰত থাকিব। ৰাষ্ট্ৰসংঘই গ্রহণ কৰা কার্যব্যৱস্থা অনুসৰি সদস্য ৰাষ্ট্ৰসমূহে সহযোগিতা আগবঢ়াব আৰু ৰাষ্ট্ৰসংঘই কোনো ৰাষ্ট্ৰৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ কৰিলে তেনে ৰাষ্ট্ৰক সদস্যৰাষ্ট্ৰসমূহে সহযোগিতা আগবঢ়োৱাৰ পৰা বিৰত থাকিব। ৰাষ্ট্ৰসমূহৰ আভ্যন্তৰীণ বিষয়ত ৰাষ্ট্ৰসংঘই হস্তক্ষেপ নকৰিব, ইত্যাদি।

৫.৩.৩ ৰাষ্ট্ৰসংঘৰ সদস্যভুক্তি

ৰাষ্ট্ৰসংঘৰ প্রাৰম্ভিক সদস্যৰাষ্ট্ৰৰ সংখ্যা হ'ল ৫১ খন, যদিও বর্তমান ইয়াৰ সদস্যৰাষ্ট্ৰৰ সংখ্যা ১৯৩ খন। আমাৰ দেশ ভাৰতবর্ষও এনে প্রাৰম্ভিক ৰাষ্ট্ৰসমূহৰ মাজৰ এখন ৰাষ্ট্ৰ। পৃথিৱীৰ যিকোনো সার্বভৌম আৰু শান্তিপ্রিয় ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ সদস্য হ'ব পাৰে। নিৰাপত্তা পৰিষদৰ সর্বসন্মত অনুমোদন ক্রমে সাধাৰণ সভাৰ সিদ্ধান্ত অনুসৰি নতুন সদস্যভর্তি কৰা হয়। কোনো সদস্য ৰাষ্ট্ৰই চনদত উল্লেখিত চর্তসমূহ উলংঘা কৰিলে নিৰাপত্তা পৰিষদৰ অনুমোদন ক্রমে সাধাৰণ সভাই তেনে ৰাষ্ট্ৰৰ সদস্যপদ বাতিল কৰিব পাৰে।

ৰাষ্ট্ৰসংঘৰ প্রধান কার্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়র্কত আৰু ইয়াৰ ইউৰোপীয় কার্যালয়টো জেনেভাত অৱস্থিত। ৰাষ্ট্ৰসংঘৰ পতাকাখন পাতল নীলা বৰণৰ। ইয়াৰ মাজভাগত ৰাষ্ট্ৰসংঘৰ চিহ্নটো অংকিত কৰা আছে।



চীনা, ইংৰাজী, ৰাছিয়ান, স্পেনিচ আৰু আৰৰীক হ'ল ৰাষ্ট্ৰসংঘৰ চৰকাৰী ভাষা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোন চনত ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা কৰা হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰসংঘৰ প্ৰাৰম্ভিক সদস্যসংখ্যা কিমান?

.....

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰসংঘৰ চৰকাৰী ভাষাৰ সংখ্যা ৭ টা। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৪ ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ ২নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰসংঘ ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌম সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। (শুদ্ধ/অশুদ্ধ)।

.....

প্ৰশ্ন নং ৫ ঃ ৰাষ্ট্ৰসংঘৰ ইউৰোপীয় কাৰ্যালয়.....অৱস্থিত। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ৬ ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ ১নং অনুচ্ছেদত উল্লেখিত মৌলিক নীতিসমূহ উল্লেখ কৰক।

.....

.....

.....

৫.৪ ৰাষ্ট্ৰসংঘৰ গঠন

ৰাষ্ট্ৰসংঘ ৬টা প্ৰধান অংগৰ দ্বাৰা গঠিত হৈছে।

- সাধাৰণ সভা
- নিৰাপত্তা পৰিষদ
- সচিবালয়
- অৰ্থনৈতিক আৰু সামাজিক পৰিষদ
- ন্যাসৰক্ষী পৰিষদ
- আন্তৰ্জাতিক ন্যায়ালয়
- **সাধাৰণ সভা ঃ** ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগটোৱেই হৈছে সাধাৰণ সভা। সকলো ৰাষ্ট্ৰই সাধাৰণ সভালৈ পাঁচজনকৈ প্ৰতিনিধি পঠাব পাৰে। কিন্তু প্ৰত্যেক সদস্য ৰাষ্ট্ৰই এটাকৈহে ভোটদান কৰিব পাৰে। সাধাৰণ সভাৰ অধিৱেশন বছৰেকত এবাৰকৈ অনুষ্ঠিত হয়। অৱশ্যে ৰাষ্ট্ৰসংঘৰ অৰ্ধসংখ্যক সদস্য ৰাষ্ট্ৰৰ অনুৰোধমৰ্মে নাইবা নিৰাপত্তা পৰিষদৰ সন্মতিক্ৰমে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানে বিশেষ অধিৱেশন আহ্বান কৰিব পাৰে।

সাধাৰণ সভাক নিঃসন্দেহে এক কূটনীতিবিদসকলৰ সন্মিলনী (Conference of Diplomats) বুলিব পাৰি। ই মূলতঃ এক আলাপ-আলোচনাকাৰী সংস্থা (Deliberative body)। সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখিত যিকোনো বিষয়ত আলোচনা কৰিব পাৰে আৰু আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ক্ষুণ্ণ কৰিব পৰা কোনো বিষয় সম্পৰ্কে নিৰাপত্তা পৰিষদৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। সাধাৰণ সভাই যিহেতু এক পৰামৰ্শকাৰী সংস্থা (Advisory body) হিচাপে কাম কৰে, সেয়েহে ই ৰাষ্ট্ৰসমূহৰ মাজত আন্তর্জাতিক সহযোগিতা বৃদ্ধি আৰু আন্তর্জাতিক আইনৰ উন্নয়নৰ কাৰণে নিৰাপত্তা পৰিষদক পৰামৰ্শ আগবঢ়াব পাৰে। এনেধৰণে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, স্বাস্থ্য আদিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়াব পাৰে। অৱশ্যে সাধাৰণ সভাৰ পৰামৰ্শ, নিৰাপত্তা পৰিষদে কার্যকৰী নকৰিবও পাৰে, যিহেতু সাধাৰণ সভাৰ পৰামৰ্শসমূহৰ আইনগত ভিত্তি নাই। সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ নতুন সদস্য অন্তর্ভুক্তিৰ ক্ষেত্ৰত বিশেষ ক্ষমতা প্ৰয়োগ কৰিব পাৰে। নিৰাপত্তা পৰিষদৰ অস্থায়ী ১০ খন সদস্য ৰাষ্ট্ৰক সাধাৰণ সভাই নির্বাচিত কৰিব পাৰে। অর্থনৈতিক আৰু সামাজিক পৰিষদৰ সদস্যসকলক, ন্যাসৰক্ষী পৰিষদৰ সদস্যসকলক আৰু আন্তর্জাতিক ন্যায়ালয়ৰ ন্যায়াধীশসকলক সাধাৰণ সভাই নির্বাচিত কৰিব পাৰে।

- **নিৰাপত্তা পৰিষদ ঃ** ৰাষ্ট্ৰসংঘৰ আটাইতকৈ গুৰুত্বপূর্ণ অংগটো হৈছে নিৰাপত্তা পৰিষদ। এই অংগটোৱে অৱধাৰিতভাৱে কার্য সম্পাদন কৰিব পাৰে। বিশ্বশান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাই হৈছে নিৰাপত্তা পৰিষদৰ প্ৰধান কাম। ইয়াৰ মুঠ সদস্যসংখ্যা ১৫ খন। ইয়াৰে ৫ খন স্থায়ী আৰু বাকী ১০ খন অস্থায়ী সদস্যৰাষ্ট্ৰৰে নিৰাপত্তা পৰিষদ গঠিত। অস্থায়ী সদস্যসকল ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰৰ মাজৰ পৰা নির্বাচিত হয়। চীন, ফ্ৰান্স, ব্ৰিটিছ যুক্তৰাষ্ট্ৰ, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়া —এই পাঁচখন ক্ষমতাশালী ৰাষ্ট্ৰ ৰাষ্ট্ৰসংঘৰ স্থায়ী সদস্যৰাষ্ট্ৰ। ৰাষ্ট্ৰসংঘৰ অস্থায়ী সদস্য-সকলক সাধাৰণ সভাই দুবছৰৰ কাৰণে নির্বাচিত কৰে। পূর্বতে অস্থায়ী সদস্যসংখ্যা ছখন আছিল যদিও ১৯৬৬ চনত সাধাৰণ সভাৰ পৰামৰ্শ অনুসৰি ১০ খনলৈ বৃদ্ধি কৰা হয়। আমাৰ দেশ ভাৰতবর্ষও ১৯৯১ আৰু ১৯৯২ চনত ৰাষ্ট্ৰসংঘৰ অস্থায়ী সদস্য আছিল। নিৰাপত্তা পৰিষদৰ সদস্য ৰাষ্ট্ৰৰ এটাকৈ ভোট থাকে। পদ্ধতিগত বিষয়ত (Procedural matters) ৯ খন সদস্যৰ সমর্থনৰ জৰিয়তে গুৰুত্বপূর্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে আন গুৰুত্বপূর্ণ বিষয়ত (Substantive matters) ৫ খন স্থায়ী সদস্য ৰাষ্ট্ৰকে ধৰি মুঠ ৯খন সদস্য ৰাষ্ট্ৰৰ সন্মতিৰ প্ৰয়োজন। এনেধৰণৰ বিষয়ত কোনো এখন স্থায়ী সদস্য ৰাষ্ট্ৰই সন্মতি নজনালে তেনে বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাযায়। স্থায়ী সদস্যৰাষ্ট্ৰৰ এনে আচৰণকে 'ভেটো ক্ষমতা' বোলা হয়। ভোট প্ৰদানৰ সময়ত কোনো সদস্য ৰাষ্ট্ৰ অনুপস্থিত থাকিলে তেনে সদস্য ৰাষ্ট্ৰৰ ভোট বাতিল কৰা হয়।

নিৰাপত্তা পৰিষদে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বিঘ্নিত কৰিব পৰা বিষয়সমূহ বিশদভাৱে অলোচনা কৰিব পাৰে। সদস্য ৰাষ্ট্ৰসমূহক বিবাদপূৰ্ণ বিষয়সমূহ শান্তিপূৰ্ণ আৰু আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰিবলৈ নিৰাপত্তা পৰিষদে আহ্বান জনাব পাৰে। বিবাদপূৰ্ণ বিষয়সমূহ আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় নাইবা মধ্যস্থতাকাৰীৰ জৰিয়তে মীমাংসা কৰিবলৈ সংশ্লিষ্ট ৰাষ্ট্ৰসমূহক পৰামৰ্শ দিব পাৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ ওপৰত ক্ষমতা বলৱৎ কৰিব পাৰে। যিকোনো জটিল বিষয় সমাধান কৰিবলৈ নিৰাপত্তা পৰিষদে শান্তিপূৰ্ণ উপায় অৱলম্বন কৰাৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ স্বাৰ্থত বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। নিৰাপত্তা পৰিষদে বিবদমান ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে প্ৰতিবন্ধকতামূলক ব্যৱস্থা, অৰ্থনৈতিক অৱৰোধ, কূটনৈতিক সম্পৰ্ক বিচ্ছেদ আদিৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

জানি থোৱা ভাল



ৰাষ্ট্ৰসংঘ চনদৰ ৪৩ নং অনুচ্ছেদত ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰক নিৰাপত্তা পৰিষদক আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ স্বাৰ্থত সকলো ধৰণে সহায়-সহযোগিতা আগবঢ়াবলৈ উল্লেখ কৰা আছে। আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ স্বাৰ্থত সাধাৰণ সভাই ১৯৫৩ চনৰ ৩ নৱেম্বৰত "শান্তিৰ বাবে একত্ৰিত হোৱা"

"Uniting for Peace" শীৰ্ষক প্ৰস্তাৱ (resolution) গ্ৰহণ কৰে। এনে প্ৰস্তাৱত উল্লেখ আছে যে নিৰাপত্তা পৰিষদে ইয়াৰ প্ৰাথমিক দায়িত্ব সম্পাদনত ব্যৰ্থ হ'লে প্ৰয়োজনসাপেক্ষে সাধাৰণ সভাই তাৎক্ষণিকভাৱে তেনে বিষয় সমাধানৰ উদ্দেশ্যে বিবেচনা কৰিব আৰু সামূহিক ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহক যথোপযুক্ত পৰামৰ্শ আগবঢ়াব যাতে, যিকোনো মুহূৰ্ততে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত হয়।

- **সচিবালয় ঃ** সচিবালয় হৈছে ৰাষ্ট্ৰসংঘৰ এটা প্ৰধান অংগ। ই আন্তঃৰাষ্ট্ৰীয় অসামৰিক সেৱাৰ দৰে এক সংস্থা। সচিবালয় হ'ল ৰাষ্ট্ৰসংঘৰ প্ৰধান প্ৰশাসনীয় সংস্থা। সচিবালয় সচিবপ্ৰধান আৰু অন্যান্য কৰ্মচাৰীসকলক লৈ গঠিত। সচিবপ্ৰধানজনক নিৰাপত্তা পৰিষদৰ পৰামৰ্শমৰ্মে সাধাৰণ সভাই পাঁচ বছৰৰ কাৰণে নিযুক্ত কৰে। সচিবপ্ৰধানে ৰাষ্ট্ৰসংঘত মুখ্য প্ৰশাসনীয় পদাধিকাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। সচিবালয়ৰ প্ৰধান কাৰ্যালয় নিউয়ৰ্কত।

  সচিবপ্ৰধানে সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, ন্যাসৰক্ষী পৰিষদৰ সভাসমূহত মুখ্য প্ৰশাসক হিচাপে কাৰ্যনিৰ্বাহ কৰে আৰু এনে সভাসমূহৰ প্ৰতিবেদন সাধাৰণ সভাত দাখিল কৰিব লাগে। সচিবপ্ৰধানে আন্তঃৰাষ্ট্ৰীয়

শান্তি আৰু নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব পৰা বিষয়সমূহলৈ নিৰাপত্তা পৰিষদৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। সচিবপ্ৰধানে সাধাৰণ সভাৰ ওচৰত ৰাষ্ট্ৰসংঘৰ কাম-কাজৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব লাগে। সাধাৰণ সভা বা নিৰাপত্তা পৰিষদত গৃহীত বা অনুমোদিত প্ৰস্তাৱসমূহ সচিবপ্ৰধানে কাৰ্যকৰী কৰিব লাগে। নিৰাপত্তা পৰিষদ নাইবা অধিকাংশ সদস্যৰাষ্ট্ৰৰ সমৰ্থন ক্ৰমে সচিবপ্ৰধানে ৰাষ্ট্ৰসংঘৰ জৰুৰী অধিৱেশন আহ্বান কৰিব পাৰে।



চিন্তা-চৰ্চা কৰক—৫.১

ৰাষ্ট্ৰসংঘৰ বৰ্ত্তমানৰ সচিব প্ৰধান জনৰ নাম উল্লেখ কৰক।

.....

- **অৰ্থনৈতিক আৰু সামাজিক পৰিষদ ঃ** ৰাষ্ট্ৰসংঘ আৰু অন্যান্য সংস্থাসমূহৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, স্বাস্থ্য সম্পৰ্কীয় আৰু অন্যান্য বিষয়সমূহ পৰিচালনা কৰিবলৈ অৰ্থনৈতিক আৰু সামাজিক পৰিষদ প্ৰতিষ্ঠা কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ এই অৰ্থনৈতিক আৰু সামাজিক পৰিষদ প্ৰতিশ্ৰুতিবদ্ধ আৰু ই সাধাৰণ সভাৰ তত্ত্বাৱধানত এনে কাৰ্যসমূহ পৰিচালনা কৰে। এই পৰিষদৰ মুঠ সদস্যসংখ্যা হ'ল ৫৪ খন আৰু এওঁলোকক সাধাৰণ সভাই তিনি বছৰৰ কাৰণে নিৰ্বাচিত কৰে। প্ৰতি এবছৰৰ অন্তৰে অন্তৰে মুঠ সদস্যৰ এক-তৃতীয়াংশ সদস্যই অৱসৰ লয়। অৱসৰৰ পিচতো সদস্য ৰাষ্ট্ৰসমূহ এই পৰিষদলৈ পুনৰ নিৰ্বাচিত হ'ব পাৰে। প্ৰতিখন সদস্য ৰাষ্ট্ৰই এজনকৈ প্ৰতিনিধি পৰিষদলৈ পঠাব পাৰে আৰু এটাকৈ ভোটদানৰ সুবিধা লাভ কৰে। পৰিষদত সকলো সিদ্ধান্ত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত গ্ৰহণ কৰা হয়।

  পৰিষদে আন্তৰ্জাতিক ক্ষেত্ৰত অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, স্বাস্থ্য সম্পৰ্কীয় আৰু অন্যান্য বিষয়ত অধ্যয়ন কৰাৰ উপৰিও প্ৰতিবেদন প্ৰস্তুত কৰি তেনে বিষয়ৰ ওপৰত পৰামৰ্শ দিব পাৰে। এনে প্ৰতিবেদনসমূহত পৰিষদে প্ৰয়োজনীয় তথ্য-পাতিৰ যোগান ধৰে। পৰিষদে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ সুনিশ্চিত কৰিবলৈ পৰামৰ্শ আগবঢ়াব পাৰে। ইয়াৰ উপৰিও এই পৰিষদে আন্তঃৰাষ্ট্ৰীয় সন্মিলন আহ্বান কৰিব পাৰে আৰু ৰাষ্ট্ৰসংঘৰ বিশেষ সংস্থাসমূহৰ কাম-কাজৰ মাজত সমন্বয় সাধন কৰিব পাৰে।

- **ন্যাসৰক্ষী পৰিষদ ঃ** ন্যাসৰক্ষী পৰিষদ ১৯৪৫ চনত গঠন কৰা হৈছিল। আন্তঃৰাষ্ট্ৰীয় ন্যাসৰক্ষী ব্যৱস্থাৰ অধীনত গঠন কৰা এই ন্যাসৰক্ষী পৰিষদৰ প্ৰধান কাম হ'ল ন্যাস এলেকাৰ প্ৰশাসনৰ ওপৰত তদাৰক কৰা। এই ন্যাস এলেকাসমূহ উপনিৱেশ অঞ্চলত বসবাস কৰা বাসিন্দাসকলৰে গঠিত। ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠাৰ পিচত জাতিসংঘৰ অধীনত

থকা পূৰ্বৰ ন্যাস এলেকাসমূহক ৰাষ্ট্ৰসংঘৰ অধীনলৈ অনা হয় আৰু এখন উন্নত ৰাষ্ট্ৰৰ অধীনত ন্যাস হিচাপে ৰখা হয়। মুঠ এঘাৰখন ন্যাস এলেকাক ন্যাসৰক্ষী পৰিষদৰ অধীনলৈ অনা হয়। ন্যাসৰক্ষী পৰিষদে এনে এলেকাত বসবাস কৰা নাগৰিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰখাৰ ওপৰত চোৱা-চিতা কৰে। ন্যাসৰক্ষী পৰিষদে সাধাৰণ সভাৰ অধীনত কাৰ্য পৰিচালনা কৰে। ৰাষ্ট্ৰসংঘৰ চনদৰ ৭৬ নং অনুচ্ছেদমতে ন্যাস ব্যৱস্থাৰ প্ৰধান উদ্দেশ্য হৈছে উপনিৱেশ অঞ্চলত বসবাস কৰা বাসিন্দাসকলৰ অৰ্থনৈতিক, সামাজিক, শিক্ষাগত আৰু ৰাজনৈতিক বিকাশ সম্ভৱ কৰা আৰু তেওঁলোকে আত্মনিৰ্ধাৰণ (Self determination) লাভ কৰাটো নিশ্চিত কৰা। ন্যাসৰক্ষী পৰিষদৰ সদস্যসংখ্যা স্পষ্টভাৱে উল্লেখ কৰা নাই যদিও ই তলত উল্লেখ কৰা তিনি ধৰণৰ সদস্যৰে গঠিত।

- ন্যাস অঞ্চল পৰিচালনাৰ দায়িত্বত থকা ৰাষ্ট্ৰসমূহ।
- নিৰাপত্তা পৰিষদৰ পাঁচখন স্থায়ী সদস্যৰাষ্ট্ৰ।
- সাধাৰণ সভাই ৩ বছৰৰ কাৰণে নিৰ্বাচিত কৰা আন সদস্য ৰাষ্ট্ৰসমূহ। ন্যাসৰক্ষী পৰিষদ বছৰেকত এবাৰ মিলিত হয়।



জানি থোৱা ভাল

প্ৰশান্ত মহাসাগৰৰ অন্তৰ্গত পালাওঁ নামৰ দ্বীপ ৰাষ্ট্ৰখন হ'ল ৰাষ্ট্ৰসংঘৰ অধীনৰ অন্তিমখন ন্যাস অঞ্চল (Trust territory)। এই সৰু দ্বীপ ৰাষ্ট্ৰখনে ১৯৯৪ চনৰ ১ অক্টোবৰ তাৰিখে স্বাধীনতা লাভ কৰে।

ন্যাসৰক্ষী পৰিষদৰ প্ৰধান ক্ষমতা আৰু কাৰ্যসমূহ হ'ল ঃ

ক) ন্যাস অঞ্চলৰ বাসিন্দাসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক উন্নয়ন সাধন কৰা।

খ) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখাত সহযোগিতা কৰা।

গ) ন্যাস অঞ্চলৰ জনসাধাৰণৰ নিজা চৰকাৰ আৰু স্বাধীনতা আহৰণ প্ৰক্ৰিয়াত সহায় আগবঢ়োৱা।

ঘ) ন্যাস অঞ্চলৰ জনসাধাৰণক ন্যায়সংগতভাৱে আচৰণ কৰা আৰু তেওঁলোকক সকলোধৰণৰ অপপ্ৰয়োগৰ পৰা সুৰক্ষিত কৰি ৰখা।

ঙ) নিয়মীয়াভাৱে ন্যাস অঞ্চলসমূহ পৰিদৰ্শন কৰা।

চ) মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সন্মান জনাবলৈ উৎসাহ যোগোৱা।

ছ) ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰসমূহৰ মাজত সমআচৰণ আৰু ন্যাস এলেকাৰ লগত মধুৰ সম্পৰ্ক সুনিশ্চিত কৰা।

জ) ন্যাস অঞ্চলসমূহে দাখিল কৰা প্ৰতিবেদনসমূহ বিবেচনা কৰা।

- **আন্তর্জাতিক ন্যায়ালয় ঃ** আন্তর্জাতিক ন্যায়ালয় হ'ল ৰাষ্ট্ৰসংঘৰ প্ৰধান ন্যায়িক সংস্থা। এই ন্যায়ালয় ১৫ জন ন্যায়াধীশৰ দ্বাৰা গঠিত। এওঁলোকক সাধাৰণ সভা আৰু নিৰাপত্তা পৰিষদে সুকীয়া সুকীয়াকৈ ভোট দি নিৰ্বাচিত কৰে। এই ন্যায়াধীশসকলে কেতিয়াও নিজ ৰাষ্ট্ৰক প্ৰতিনিধিত্ব নকৰে, বৰং এজন ব্যক্তি হিচাপেহে কাৰ্যনিৰ্বাহ কৰে। ন্যায়াধীশসকলৰ আন্তর্জাতিক আইন বিষয়ত জ্ঞান থকাটো প্ৰয়োজনীয়। এখন সদস্য ৰাষ্ট্ৰৰ পৰা দুজন ন্যায়াধীশ একে সময়তে নিৰ্বাচিত কৰা নহয়। ন্যায়াধীশসকলক ৯ বছৰৰ কাৰণে নিৰ্বাচিত কৰা হয় আৰু প্ৰতি ৩ বছৰৰ অন্তত এক-তৃতীয়াংশ ন্যায়াধীশে অৱসৰ গ্ৰহণ কৰে। আন্তর্জাতিক ন্যায়ালয়ৰ মুখ্য কাৰ্যালয় নেডাৰলেণ্ডচৰ ডি হেগ চহৰত।

আন্তর্জাতিক ন্যায়ালয়ৰ প্ৰধান কাৰ্য হৈছে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে উত্থাপন কৰা গোচৰসমূহ নিষ্পত্তি কৰা আৰু ৰাষ্ট্ৰসমূহক আইনগত পৰামৰ্শ প্ৰদান কৰা। ৰাষ্ট্ৰসংঘই এনে গোচৰৰ লগত জড়িত সকলোধৰণৰ খৰচ বহন কৰে। সাধাৰণ সভা আৰু নিৰাপত্তা পৰিষদে আইন সম্পৰ্কীয় বিষয়ত পৰামৰ্শ বিচাৰিলে এই ন্যায়ালয়ে পৰামৰ্শ আগবঢ়াব পাৰে। অৱশ্যে এনে পৰামৰ্শসমূহ মানি চলাটো বাধ্যতামূলক নহয়। আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ে আন্তঃৰাষ্ট্ৰীয় আইন সম্পৰ্কে উত্থাপিত প্ৰশ্নৰ ব্যাখ্যা আগবঢ়াব পাৰে। চমুকৈ ক'ব পাৰি যে আন্তঃৰাষ্ট্ৰীয় আইনৰ বিকাশত আন্তঃৰাষ্ট্ৰীয় আইনৰ অৱদান উল্লেখনীয়।

ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘৰ আন বহুতো বিশেষ সংস্থা (Specialized agencies) আছে। এই বিশেষ সংস্থাবোৰক সহায়কাৰী সংস্থা বুলিও কোৱা হয়। এই সংস্থাবোৰে সামাজিক, অৰ্থনৈতিক, উন্নয়নমূলক কাম-কাজ, স্বাস্থ্য, মানৱ অধিকাৰ ৰক্ষা কৰা, ঔদ্যোগিক উন্নয়ন ইত্যাদি বিভিন্ন দিশত কাম-কাজ সম্পন্ন কৰে। ৰাষ্ট্ৰসংঘৰ প্ৰায়বোৰ সদস্যৰাষ্ট্ৰ এই সংস্থাবোৰৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হোৱা দেখা যায় যদিও ৰাষ্ট্ৰসংঘৰ সদস্য-বহিৰ্ভূত আন আন ৰাষ্ট্ৰবোৰেও এই সহায়কাৰী সংস্থাবোৰৰ সদস্য হোৱা দেখা যায়। উদাহৰণস্বৰূপে— ছুইজাৰলেণ্ড ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰ নহয় যদিও ই সহায়কাৰী সংস্থাবোৰৰ সদস্য হোৱা দেখা যায়। তলত কেইটামান এনে সংস্থাৰ নাম উল্লেখ কৰা হ'ল—

- আন্তর্জাতিক শ্ৰমিক সংগঠন, (ILO)
- খাদ্য আৰু কৃষি সংগঠন, (FAO)
- ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠন, (UNESCO)
- আন্তর্জাতিক অসামৰিক বিমান সংগঠন, (ICAO)
- বিশ্ববেংক, (WORLD BANK)
- আন্তর্জাতিক মুদ্ৰা নিধি, (IMF)
- আন্তর্জাতিক ডাক সংঘ, (WPW)
- আন্তর্জাতিক বিত্ত নিগম, (IFC)
- আন্তর্জাতিক উন্নয়ন সংস্থা, (IDO)

- বিশ্ব বৌদ্ধিক সম্পত্তি সংগঠন, (WIPO)
- আন্তঃৰাষ্ট্রীয় টেলিসংযোগ সংঘ, (ITU)
- বিশ্ব বতৰ বিজ্ঞান সংগঠন, (WMO)
- আন্তর্জাতিক আনৱিক শক্তি সংস্থা, (IAEA)
- কৃষি বিকাশৰ বাবে আন্তর্জাতিক নিধি, (IFAD)
- বিশ্ব স্বাস্থ্য সংস্থা, (WHO)
- ৰাষ্ট্রসংঘৰ ঔদ্যোগিক বিকাশ সংগঠন, (UNIDO)
- ৰাষ্ট্রসংঘৰ বিকাশমূলক কার্যসূচী, (UNDP)
- বিশ্ব ব্যৱসায় সংগঠন, (WTO)
- হিউমেন ছেটেলমেন্ট ফৰ বেটাৰ লিভিং, (UNHABITAT)
- ইউনাইটেড নেচন্ছ কনফাৰেন্ছ অন ট্রেড এণ্ড ডেভেলপমেণ্ট, (UNCTAD)

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৭ ঃ সাধাৰণ সভা এক আলাপ-আলোচনাকাৰী সংস্থা। (শুদ্ধ/অশুদ্ধ উল্লেখ কৰক)।

.....

প্রশ্ন নং ৮ ঃ WHOৰ সম্পূর্ণ অর্থ কি?

.....

.....

প্রশ্ন নং ৯ ঃ নিৰাপত্তা পৰিষদৰ সদস্যসংখ্যা কিমান?

.....

.....

প্রশ্ন নং ১০ ঃ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্যসকলক কোনে নির্বাচিত কৰে?

.....

.....

প্রশ্ন নং ১১ ঃ আন্তর্জাতিক ন্যায়ালয়ৰ মুখ্য কার্যালয় নিউয়র্কত অৱস্থিত। (শুদ্ধ/অশুদ্ধ উল্লেখ কৰক)।

.....

৫.৫ আন্তঃৰাষ্ট্রীয় ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকা

ৰাষ্ট্রসংঘই ইয়াৰ প্রতিষ্ঠাৰ পিছৰ পৰাই আন্তঃৰাষ্ট্রীয় ক্ষেত্রত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। এইক্ষেত্রত আমি পোনতেই উল্লেখ কৰিব লাগিব ৰাষ্ট্রসমূহৰ মাজত সংঘটিত হোৱা যুদ্ধ নিবাৰণ আৰু শান্তি প্রতিষ্ঠা কৰাত ৰাষ্ট্রসংঘৰ ভূমিকা সম্বন্ধে। ৰাষ্ট্রসংঘই

হলেণ্ড আৰু ইণ্ডোনেছিয়াৰ মাজৰ যুদ্ধ, কোৰিয়াৰ যুদ্ধ, বার্লিন, চুৱেজখাল সংকট, আৰব-ইজৰাইল যুদ্ধ আদিৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰি জনসাধাৰণৰ মাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ১৯৫০ চনত ৰাষ্ট্ৰসংঘই দক্ষিণ কোৰিয়াৰ অনুৰোধমর্মে উত্তৰ কোৰিয়াৰ বিৰুদ্ধে সামৰিক বাহিনী প্ৰেৰণ কৰিছিল আৰু সংঘর্ষৰ অন্তত তেনে ৰাষ্ট্ৰসমূহৰ মাজত শান্তি প্ৰতিষ্ঠা হৈছিল। ৰাছিয়াই আফগানিস্থানৰ পৰা সামৰিক শক্তি পৰিহাৰ কৰিবলৈ বাধ্য হোৱাৰ মূলতেই হ'ল ৰাষ্ট্ৰসংঘৰ সবল ভূমিকা। ঠিক তেনেদৰে, ইৰাক-ইৰাণ যুদ্ধৰ সফল পৰিসমাপ্তি ৰাষ্ট্ৰসংঘৰ এক বিৰাট পদক্ষেপ বুলিব পাৰি।

দ্বিতীয়তে, ৰাষ্ট্ৰসংঘই ইয়াৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰা সদস্যৰাষ্ট্ৰসমূহৰ মাজত আন্তর্জাতিক সহযোগিতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। সদস্যৰাষ্ট্ৰসমূহৰ মাজত অর্থনৈতিক, বৈজ্ঞানিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী দিশত সজাগতা (awareness) সৃষ্টিৰে এখন ৰাষ্ট্ৰৰ আন এখন ৰাষ্ট্ৰৰ সৈতে ওচৰ সম্পর্ক স্থাপন কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই ১৯৬৫ চনত 'আন্তর্জাতিক সহযোগিতা বর্ষ' উদ্‌যাপন কৰে।

ৰাষ্ট্ৰসংঘৰ আন এক দায়িত্ব হ'ল আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰা আৰু ভৱিষ্যৎ প্ৰজন্মক যুদ্ধৰ পৰা আঁতৰত ৰখা। এনে উদ্দেশ্য ৰূপায়ণৰ বাবে ৰাষ্ট্ৰসংঘই নিৰস্ত্ৰীকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰি তুলিছে, যাতে ৰাষ্ট্ৰসমূহৰ মাজত গঢ়ি উঠা সশস্ত্ৰীকৰণ প্ৰক্ৰিয়াৰ অৱনতি ঘটে। ৰাষ্ট্ৰসংঘই আণৱিক শক্তি (atomic energy) প্ৰয়োগৰ ক্ষেত্ৰত বাধানিষেধ আৰোপ কৰিছে আৰু একমাত্ৰ শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এনে শক্তি প্ৰয়োগৰ সন্মতি প্ৰকাশ কৰে। ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টাৰ ফলতেই ১৯৭০ চনৰ ৩ মার্চত পৰমাণু অপ্ৰসাৰ চুক্তি,১৯৬৮ (Nuclear non-Proliferation Treaty) প্ৰযোজ্য হয় আৰু এনে চুক্তি সম্পাদনৰ জৰিয়তে পাৰমাণৱিক অস্ত্ৰ মজুত থকা দেশৰ পৰা অন্য ৰাষ্ট্ৰলৈ এনে অস্ত্ৰ সৰবৰাহ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। সর্বাত্মক পৰীক্ষা নিষিদ্ধকৰণ চুক্তি (Comprehensive Test Ban Treaty) এইক্ষেত্ৰত আন এক সংযোজন বুলিব পাৰি।

ৰাষ্ট্ৰসংঘই উন্নয়নশীল ৰাষ্ট্ৰৰ আর্থ-সামাজিক বিকাশৰ বাবে ১৯৯০ চনৰ ডিচেম্বৰ মাহত 'তৃতীয় ৰাষ্ট্ৰসংঘ বিকাশ দশক' (Third United Nations Development Decade) নামৰ এক বিকাশমূলক কার্যক্ৰম গ্ৰহণ কৰে। ইয়াত উল্লেখ আছে যে 'All members of the United Nations do away with colonialism, imperialism, neo-colonialism, interference in international affairs, apartheid, racial discrimination, hegemony, expansionism and all forms of foreign aggression and occupation for economic emancipation and development of the developing countries.' সাধাৰণ সভাই সময়ে সময়ে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ সমূহক ঔপনিৱেশবাদ, সাম্ৰাজ্যবাদ, নব্যঔপনিৱেশবাদ, বর্ণবৈষম্য, অধিযত্যসূচক প্ৰভাৱ, বিস্তাৰবাদ আৰু বিদেশী আক্ৰমণৰ পৰা মুক্ত হ'বলৈ আহ্বান জনাইছে।

ৰাষ্ট্ৰসংঘৰ আন এক উল্লেখযোগ্য ভূমিকা হ'ল ঔপনিৱেশিক শাসকৰ কবলৰ পৰা

মুক্ত কৰি স্বাধীনতা আহৰণ প্ৰক্ৰিয়াত ৰাষ্ট্ৰসমূহক সহায়-সহযোগিতা আগবঢ়োৱা। ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰাই ৭৫ খনৰো অধিক উপনিৱেশে স্বাধীনতা আহৰণ কৰি ৰাষ্ট্ৰসংঘৰ সদস্যপদ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, নামিবিয়া হ'ল ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টাত শেহতীয়াকৈ স্বাধীনতা আহৰণ কৰা এখন ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখন ১৯৯০ চনৰ ২১ মাৰ্চৰ পূৰ্বে আফ্ৰিকাৰ এখন উপনিৱেশ আছিল। উল্লেখযোগ্য যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৬০ চনত 'উপনিৱেশসমূহত স্বাধীনতাৰ ঘোষণা' গ্ৰহণ কৰাৰ ফলত উপনিৱেশসমূহৰ স্বাধীনতা আহৰণ প্ৰক্ৰিয়া অধিক পৰিমাণে ত্বৰান্বিত হৈছিল।

উন্নয়নশীল ৰাষ্ট্ৰৰ বিকাশৰ পক্ষে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা আঁচনিবোৰৰ ভিতৰত 'ৰাষ্ট্ৰসংঘৰ বিকাশমূলক কাৰ্যসূচী' (United Nations Development Programme) বিশেষভাৱে উল্লেখযোগ্য। এনে বিকাশমূলক আঁচনিৰ জৰিয়তে ৰাষ্ট্ৰসমূহৰ আৰ্থ-সামাজিক আৰু কাৰিকৰী উন্নয়নৰ বাবে সহায় আগবঢ়োৱা হয়। ৰাষ্ট্ৰসমূহৰ মাজত দেখা দিয়া দৰিদ্ৰতাৰ সমস্যা আঁতৰ কৰাৰ অৰ্থে ৰাষ্ট্ৰসংঘই বিভিন্ন কাৰিকৰী কাৰ্যসূচী গ্ৰহণ কৰা দেখা যায়। কাৰণ, বৰ্তমানেও উন্নত ৰাষ্ট্ৰকে ধৰি উন্নয়নশীল ৰাষ্ট্ৰৰ অধিকসংখ্যক জনসাধাৰণ দৰিদ্ৰতাৰ চক্ৰবেহুত আবদ্ধ। ৰাষ্ট্ৰসংঘই এনে বিকাশ কাৰ্যসূচীৰ জৰিয়তে ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজত সাক্ষৰতাৰ হাৰ বৃদ্ধি, নিয়োগৰ সুবিধা আদিৰ সৃষ্টিৰ জৰিয়তে সমাজত পুৰুষ-মহিলাৰ মাজত ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ চেষ্টা কৰি আহিছে। জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰা, মানৱ সম্পদৰ বিকাশ সাধন কৰা, কৃষি উন্নয়ন সাধন কৰা আৰু খাদ্য-শস্যৰ উৎপাদন বৃদ্ধি কৰা ইত্যাদি বিষয়ৰ ওপৰত এনে বিকাশমূলক কাৰ্যসূচীৰ জৰিয়তে প্ৰাধান্য দিছে। । এইক্ষেত্ৰত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা "মহিলাৰ বিৰুদ্ধে হোৱা সকলো প্ৰকাৰৰ বৈষম্য নিৰ্মূল কৰা" (Convention on Elimination of All Forms of Discrimination Against Women) চুক্তি এক উল্লেখযোগ্য পদক্ষেপ। স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰসংঘই বিশ্ব স্বাস্থ্য সংস্থাৰ জৰিয়তে ৰাষ্ট্ৰসমূহক মেলেৰিয়া, যক্ষ্মা, পলিঅ' আদি ৰোগসমূহ নিৰাময় কৰি জনসাধাৰণৰ স্বাস্থ্য উন্নত কৰাৰ ওপৰত প্ৰাধান্য দিছে।

ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘৰ আন এক পদক্ষেপ হ'ল বৰ্ণবৈষম্য আঁতৰ কৰা। ৰাষ্ট্ৰসংঘই বৰ্ণবৈষম্য আঁতৰ কৰাৰ অৰ্থে বৰ্ণবৈষম্যবাদ আৰু আপাৰ্থাইদ (apartheid)ৰ বিৰুদ্ধে এক সন্মিলন অনুষ্ঠিত হৈছিল আৰু ৰাষ্ট্ৰসংঘৰ বৰ্ণবৈষম্য দূৰ কৰাৰ এনে অভিযানত সকলো ৰাষ্ট্ৰক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছিল। ৰাষ্ট্ৰসংঘৰ এনে প্ৰচেষ্টাৰ ফলতে দক্ষিণ আফ্ৰিকাত প্ৰচলিত বৰ্ণবৈষম্যবাদৰ আনুষ্ঠানিকভাৱে অন্ত পৰে। গতিকে ৰাষ্ট্ৰসংঘই বিভিন্ন দিশত এক কাৰ্যকৰী ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। অৱশ্যে বিভিন্ন আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় কাৰণৰ বাবেই আশা কৰামতে ৰাষ্ট্ৰসংঘই ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণত ব্যৰ্থ হৈছে।

ৰাষ্ট্ৰসংঘৰ আন এক উল্লেখযোগ্য ভূমিকা হ'ল মানৱ অধিকাৰ সুৰক্ষিত কৰা। ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘই 'সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰ' গ্ৰহণ কৰে। এনে ঘোষণাপত্ৰৰ জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহৰ জনসাধাৰণৰ সম সুযোগ, সুবিধা, সম-মৰ্যাদা ইত্যাদি সুনিশ্চিত কৰিবলৈ বিচৰা হৈছে। জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, নিৰাপত্তাৰ অধিকাৰ,

দাসত্বৰ পৰা মুক্ত হোৱাৰ স্বাধীনতা ইত্যাদি বিভিন্ন ধৰণৰ মানৰ অধিকাৰ এই ঘোষণাপত্ৰত সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও সংখ্যালঘুৰ অধিকাৰ, শিশুৰ অধিকাৰ, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, মহিলাৰ অধিকাৰ ইত্যাদি বিভিন্ন বিষয়ত ৰাষ্ট্ৰসংঘই চুক্তি সম্পাদন কৰিছে।

জানি থোৱা ভাল



আপাৰ্থাইদ (Apartheid) হ'ল দক্ষিণ আফ্ৰিকাৰ চৰকাৰে গ্ৰহণ কৰা এক চৰকাৰী নীতি আৰু এনে নীতি ৰূপায়ণ কৰিবলৈ ১৯৪৮ চনৰ পৰাই প্ৰয়োজনীয় আইন প্ৰস্তুত কৰিছে। দক্ষিণ আফ্ৰিকাৰ চৰকাৰে এনে নীতিৰ জৰিয়তে বৈধভাৱে বৰ্ণবৈষম্য ব্যৱস্থাক প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। এনে নীতিৰ জৰিয়তে ক'লা ছালৰ লোকসকলক তেওঁলোকৰ মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ পৰা বঞ্চিত কৰা হৈছিল। তেওঁলোকে কোনোধৰণৰ চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰিছিল। অৰ্থাৎ এনে নীতি দক্ষিণ আমেৰিকাৰ জনসাধাৰণৰ বাবে এক দমনমূলক নীতি হিচাপে বিবেচিত হৈছিল।

৫.৫.১ ৰাষ্ট্ৰসংঘৰ ভৰিষ্যৎ

দ্বিতীয় মহাসমৰৰ ধ্বংসলীলাৰ ফলতে আজিৰ পৰা ৬০ বছৰ আগতে ৰাষ্ট্ৰসংঘৰ জন্ম হৈছিল। এনে সংগঠন গঠনৰ মূল উদ্দেশ্য আছিল ভৰিষ্যৎ প্ৰজন্মক যুদ্ধৰ বিভীষিকাৰ পৰা ৰক্ষা কৰা। ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠাৰ পিচত অৰ্থাৎ বৰ্তমান সময়ত এনে সংকল্পৰ গুৰুত্ব অতিকৈ মন কৰিবলগীয়া, যিহেতু বৰ্তমান বিশ্বত মহাসমৰসদৃশ যুদ্ধৰ পৰিবেশ সৃষ্টি হোৱা নাই। ৰাষ্ট্ৰসংঘই বিশ্বসংঘৰ্ষ (global conflict) কে আদি কৰি বিভিন্ন সমস্যা সমাধান কৰি জনসাধাৰণৰ অৰ্থে এক বিশেষ ৰঙণি আগবঢ়াইছে আৰু ইয়াৰ সদস্য ৰাষ্ট্ৰৰ মাজত এক সুদৃঢ় সম্পৰ্ক গঢ়ি উঠাত সহায়ক হৈছে। ৰাষ্ট্ৰসংঘই এক বৃহৎসংখ্যক জনসাধাৰণক ঔপনিৱেশিক শাসনৰ পৰা মুক্ত কৰি তেওঁলোকৰ কাৰণে আত্মনিৰ্ধাৰণৰ অধিকাৰ (Right to Self-determination) সুনিশ্চিত কৰি তুলিছে। একেধৰণে, দক্ষিন আফ্ৰিকাত প্ৰচলিত বৰ্ণবৈষম্যৰ নীতি পৰিহাৰ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে ইয়াৰ চনদত উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিব নোৱাৰাৰ ফলত এচাম ৰাজনৈতিক পণ্ডিতে মত পোষণ কৰিছে যে বৰ্তমান ৰাষ্ট্ৰসংঘই নিজকে সংস্কাৰ সাধন কৰিলেহে ই ভৰিষ্যৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰিব। এনে প্ৰত্যাহ্বানৰ সফল কাৰ্যকাৰিতাৰ কাৰণে সাধাৰণ সভাক পুনৰ উজ্জীৱিত কৰাৰ প্ৰয়োজন। একেদৰে নিৰাপত্তা পৰিষদৰ সদস্যসংখ্যা বঢ়াব লাগে আৰু ইয়াৰ কাৰ্যপ্ৰণালীৰ ওপৰত সময়মতে সমীক্ষা চলাব লাগে, যিয়ে পৰিষদৰ সামৰ্থ্য আৰু কাৰ্যকাৰিতা বৃদ্ধি কৰিব। অৰ্থনৈতিক আৰু সামাজিক পৰিষদক অধিক শক্তিশালী কৰি তুলিব লাগে, যাতে জনসাধাৰণৰ জীৱনধাৰণৰ মান উন্নত হয়। অৱশ্যে ৰাষ্ট্ৰসংঘৰ কাৰ্যকাৰিতা বৃদ্ধি কৰিবলৈ

হ'লে ইয়াৰ উপযুক্ত সম্পদ মজুত থকাটো প্ৰয়োজনীয়। ইয়াৰ সদস্যৰাষ্ট্ৰসমূহে সময়মতে মিলিত হোৱা প্ৰয়োজন। এনে ধৰণৰ চিন্তা-চৰ্চাৰে অগ্ৰসৰ হ'লে ভৱিষ্যৎ সময়ত ই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰিব বুলি আশা কৰিব পাৰি।

চিন্তা-চৰ্চা কৰক—৪.২

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী সদস্য হিচাপে ভাৰতবৰ্ষৰ অন্তৰ্ভুক্তিৰ সপক্ষে যুক্তি আগবঢ়াওক?

.....

.....

.....

.....

জানি থোৱা ভাল

ৰাষ্ট্ৰসংঘৰ সকলো সদস্যৰাষ্ট্ৰই ২০১৫ চনৰ ভিতৰত সমগ্ৰ বিশ্বতে প্ৰযোজ্য হোৱাকৈ আঠটা আন্তঃৰাষ্ট্ৰীয় লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই লক্ষ্যকেইটাক সহস্ৰব্দ উন্নয়ন লক্ষ্য 'Millennium Development Goals' (MDGs) হিচাপে জনা যায়।

- দৰিদ্ৰতা আৰু দুৰ্ভিক্ষ নিৰ্মূল কৰা।
- সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰচলন কৰা।
- মহিলাৰ সবলীকৰণ আৰু লিংগভিত্তিক ন্যায় প্ৰতিষ্ঠা কৰা।
- শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা।
- মাতৃৰ স্বাস্থ্যৰ উন্নতি কৰা।
- এইড্‌ছ, মেলেৰিয়া আৰু আন বেমাৰ ৰোধ কৰা।
- পৰিবেশৰ বহনক্ষমতা নিশ্চিত কৰা।
- উন্নয়নৰ কাৰণে বিশ্বভিত্তিক অংশীদাৰী ব্যৱস্থা গঢ়ি তোলা (global partnership)।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ ৰাষ্ট্ৰসংঘই সাৰ্বজনীন মানৰ অধিকাৰ ঘোষণা-পত্ৰ কেতিয়া গ্ৰহণ কৰে?

.....

প্ৰশ্ন নং ১৩ ঃ ৰাষ্ট্ৰসংঘহ "মহিলাৰ বিৰুদ্ধে হোৱা সকলো প্ৰকাৰৰ বৈষম্য নিৰ্মূল কৰা" (Convention on Elimination of all forms of Discrimination

against women) চুক্তি কোন চনত গ্ৰহণ কৰিছিল?

.....

.....

প্ৰশ্ন নং ১৪ ঃ ৰাষ্ট্ৰসংঘৰ ভৱিষ্যৎ ভূমিকা সম্বন্ধে চমু আলোচনা আগবঢ়াওক।

.....

.....

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪৫ চনৰ ২৪ অক্টোবৰত "ৰাষ্ট্ৰসংঘ" (United Nations) নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ জন্ম হৈছিল। ১৯৪২ চনৰ ১ জানুৱাৰী তাৰিখে প্ৰায় ২৬ খন ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰত স্বাক্ষৰ প্ৰদান কৰে।
- ৰাষ্ট্ৰসংঘৰ চনদত এটি প্ৰস্তাৱনা ১৯ টা অধ্যায়, ১১১ টা অনুচ্ছেদ সন্নিৱিষ্ট কৰাৰ হৈছে। প্ৰস্তাৱনাৰ আৰম্ভণিতেই উল্লেখ আছে যে— "We the peoples of the United Nations."
- চনদৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট লক্ষ্যসমূহ হৈছে— যুদ্ধৰ বিভীষিকাৰ পৰা ভৱিষ্যৎ প্ৰজন্মক ৰক্ষা কৰা, মানৱ অধিকাৰ, প্ৰত্যেক ব্যক্তিৰ মৰ্যাদা, পুৰুষ-মহিলা, ক্ষুদ্ৰ আৰু বৃহৎ ৰাষ্ট্ৰৰ সমঅধিকাৰৰ ওপৰত বিশ্বাস অক্ষুণ্ণ ৰখা, চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ পৰা সৃষ্টি হোৱা ন্যায় আৰু দায়বদ্ধতা ৰক্ষা কৰা, সামাজিক উন্নয়ন আৰু জীৱন নিৰ্বাহৰ মান উন্নত কৰা।
- পৃথিৱীৰ যিকোনো সাৰ্বভৌম আৰু শান্তিপ্ৰিয় ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ সদস্য হ'ব পাৰে। নিৰাপত্তা পৰিষদৰ সৰ্বসম্মত অনুমোদন ক্ৰমে সাধাৰণ সভাৰ সিদ্ধান্ত অনুসৰি নতুন সদস্যভৰ্তি কৰা হয়। কোনো সদস্য ৰাষ্ট্ৰই চনদত উল্লেখিত চৰ্তসমূহ উলংঘা কৰিলে নিৰাপত্তা পৰিষদৰ অনুমোদন ক্ৰমে সাধাৰণ সভাই তেনে ৰাষ্ট্ৰৰ সদস্যপদ বাতিল কৰিব পাৰে।
- ৰাষ্ট্ৰসংঘ ৬টা প্ৰধান অংগৰ দ্বাৰা গঠিত হৈছে- সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, সচিবালয়, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, ন্যাসৰক্ষী পৰিষদ, আন্তৰ্জাতিক ন্যায়ালয়
- ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগটোৱেই হৈছে সাধাৰণ সভা। সকলো ৰাষ্ট্ৰই সাধাৰণ সভালৈ পাঁচজনকৈ প্ৰতিনিধি পঠাব পাৰে। কিন্তু প্ৰত্যেক সদস্য ৰাষ্ট্ৰই এটাকৈহে ভোটদান

কৰিব পাৰে।

- সাধাৰণ সভা এক আলাপ-আলোচনাকাৰী সংস্থা (Deliberative body)। সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখিত যিকোনো বিষয়ত আলোচনা কৰিব পাৰে আৰু আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ক্ষুণ্ণ কৰিব পৰা কোনো বিষয় সম্পৰ্কে নিৰাপত্তা পৰিষদৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।
- ৰাষ্ট্ৰসংঘৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংগটো হৈছে নিৰাপত্তা পৰিষদ। এই অংগটোৱে অৱধাৰিতভাৱে কার্য সম্পাদন কৰিব পাৰে। বিশ্বশান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাই হৈছে নিৰাপত্তা পৰিষদৰ প্ৰধান কাম। ইয়াৰ মুঠ সদস্যসংখ্যা ১৫ খন। ইয়াৰে ৫ খন স্থায়ী আৰু বাকী ১০ খন অস্থায়ী সদস্যৰাষ্ট্ৰৰে নিৰাপত্তা পৰিষদ গঠিত।
- ন্যাসৰক্ষী পৰিষদ ১৯৪৫ চনত গঠন কৰা হৈছিল। আন্তঃৰাষ্ট্ৰীয় ন্যাসৰক্ষী আন্তঃৰাষ্ট্ৰীয় ন্যাসৰক্ষী ব্যৱস্থাৰ অধীনত গঠন কৰা এই ন্যাসৰক্ষী পৰিষদৰ প্ৰধান কাম হ'ল ন্যাস এলেকাৰ প্ৰশাসনৰ ওপৰত তদাৰক কৰা। ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠাৰ পিচত জাতিসংঘৰ অধীনত থকা পূৰ্বৰ ন্যাস এলেকাসমূহক ৰাষ্ট্ৰসংঘৰ অধীনলৈ অনা হয় আৰু এখন উন্নত ৰাষ্ট্ৰৰ অধীনত ন্যাস হিচাপে ৰখা হয়।
- আন্তৰ্জাতিক ন্যায়ালয় হ'ল ৰাষ্ট্ৰসংঘৰ প্ৰধান ন্যায়িক সংস্থা। এই ন্যায়ালয় ১৫ জন ন্যায়াধীশৰ দ্বাৰা গঠিত।
- ৰাষ্ট্ৰসংঘই ইয়াৰ প্ৰতিষ্ঠাৰ পিছৰ পৰাই আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে।ৰাষ্ট্ৰসংঘৰ কার্যকাৰিতা বৃদ্ধি কৰিবলৈ হ'লে ইয়াৰ উপযুক্ত সম্পদ মজুত থকাটো প্ৰয়োজনীয়।এনে ধৰণৰ চিন্তা-চর্চাৰে অগ্ৰসৰ হ'লে ভৱিষ্যৎ সময়ত ই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰিব বুলি আশা কৰিব পাৰি।



৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি;* গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫); *আন্তৰ্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

১) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations*. New Delhi: Cosmos Bookhive (P) Ltd.

২) Malhotra, Vinay Kumar (2006). *International Relations*. New Delhi:

Anmol Publications Pvt.Ltd.

৩) Ghai, K.K. (2005) International Relations – Theory and Practice.New Delhi :Kalyani Publishers.

৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৫ চন, ২৪ অক্টোবৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৫১ জন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ জেনেভা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক)আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা।

খ) ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক উন্নত কৰা।

গ) আন্তঃৰাষ্ট্ৰীয় সমস্যাৰাজি সমাধানৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা লাভ কৰা।

ঘ) মানৱ অধিকাৰ, মৌলিক অধিকাৰ আৰু স্বাধীনতা সকলোৰে বাবে সুনিশ্চিত কৰা।

ঙ) সমন্বয় ৰক্ষাকাৰী কেন্দ্ৰ হিচাপে কাৰ্য কৰা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্ব স্বাস্থ্য সংস্থা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণ সভা।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৮ চনৰ ১০ ডিচেম্বৰ।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৯ চন।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা মন কৰিবলগীয়া। অৱশ্যে ভৱিষ্যতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ ই নিজকে সংস্কাৰ সাধন কৰা প্ৰয়োজন। উদাহৰণস্বৰূপে, সাধাৰণ সভাৰ কাম-কাজ পুনৰ উজ্জীৱিত কৰা প্ৰয়োজন। নিৰাপত্তা পৰিষদৰ বৰ্তমানৰ সদস্যসংখ্যা বৃদ্ধি কৰাৰ লগে লগে ইয়াৰ কাৰ্যপদ্ধতিৰ ওপৰত সমীক্ষা চলোৱা উচিত যাতে ইয়াৰ সামৰ্থ্য আৰু কাৰ্যকাৰিতা বৃদ্ধি হয় আৰু ই এক প্ৰতিনিধিত্বমূলক স্বচ্ছ অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। আধুনিক যুগৰ নাগৰিকক এক উন্নত জীৱন যাপনৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ ভূমিকা শক্তিশালী কৰা উচিত। লগতে ৰাষ্ট্ৰসংঘৰ প্ৰচুৰ পৰিমাণৰ সম্পদ

থকাটো প্ৰয়োজনীয়। ৰাষ্ট্ৰসংঘৰ সদস্যৰাষ্ট্ৰই সময়ে সময়ে মিলিত হৈ প্ৰয়োজনীয় বিষয়সমূহ আলোচনা কৰা দৰকাৰ। এনেধৰণে কিছুমান সবল পদক্ষেপ গ্ৰহণ কৰিলেহে ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য আৰু লক্ষ্য বাস্তৱত পৰিণত হ'ব।



৫.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰীসংঘ শব্দটো কোনে পোন প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰিছিল?

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰসংঘৰ প্ৰধান কাৰ্য্যালয় ক'ত অৱস্থিত?

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰসংঘই "সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰ" কেতিয়া গ্ৰহণ কৰিছিল?

প্ৰশ্ন ৪ ঃ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্যৰ সংখ্যা কিমান?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ উৎপত্তি আৰু ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ সংক্ষেপে লিখক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা আৰু নিৰাপত্তা পৰিষদৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ আন্তৰ্জাতিক ন্যায়ালয়ৰ বিষয়ে চমুটোৱা লিখক।

প্ৰশ্ন ৪ ঃ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ বিষয়ে চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ গঠন বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ গোষ্ঠী নিৰপেক্ষতাৰ অর্থ আৰু সংজ্ঞা

- ৬.৩.১ গোষ্ঠী নিৰপেক্ষতাৰ অর্থ
- ৬.৩.২ গোষ্ঠী নিৰপেক্ষতাৰ সংজ্ঞা
- ৬.৩.৩ গোষ্ঠী নিৰপেক্ষতাৰ বৈশিষ্ট্যসমূহ
- ৬.৩.৪ গোষ্ঠী নিৰপেক্ষতাৰ উৎপত্তিৰ কাৰণ

৬.৪ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সমালোচনাত্মক মূল্যায়ন

৬.৫ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ বিভিন্ন সন্মিলন আৰু শীর্ষ সন্মিলন

- ৬.৫.১ একবিংশ শতিকাৰ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রাসংগিকতা

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান

৬.৯ আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গোষ্ঠী নিৰপেক্ষতাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- গোষ্ঠী নিৰপেক্ষতাৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব।
- গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিত অৰিহণা যোগোৱা উপাদানসমূহ বর্ণনা কৰিব পাৰিবা।
- গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ বিভিন্ন শীর্ষ সন্মিলনসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- একবিংশ শতিকাত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রাসংগিকতা আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

আমি জানি থোৱা উচিত যে আন্তর্জাতিক ৰাজনীতিত ‘গোষ্ঠী নিৰপেক্ষ’ শব্দটোৱে জন্মলাভ কৰিছিল দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৪৫) পাছত। শীতল যুদ্ধৰ শক্তিসমূহ আৰু সামৰিক

গোষ্ঠীসমূহৰ প্ৰতি এয়া আছিল নতুনকৈ স্বাধীনতা লাভ কৰা দেশসমূহৰ উত্তৰ। সেই সময়ত পৃথিৱীখন দুটা শক্তি গোষ্ঠীত বিভক্ত হৈ আছিল। এটা শক্তি গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল আমেৰিকাই আৰু আনটো শক্তি গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল কমিউনিষ্ট ৰাছিয়াই। সেইটো সময়ত স্বাধীনতা লাভ কৰা দেশসমূহে এই শক্তিগোষ্ঠীসমূহ আৰু শীতল যুদ্ধৰ পৰা আঁতৰত থকাৰ সিদ্ধান্ত লৈছিল। আন্তর্জাতিক ৰাজনীতিত তেওঁলোকৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ উদ্দেশ্য তেওঁলোকে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই দুটা শক্তিগোষ্ঠীৰ পৰা আঁতৰত থকাৰ এই নীতিকেই গোষ্ঠী নিৰপেক্ষ নীতি হিচাপে জনা যায়।

৬.৩ গোষ্ঠী নিৰপেক্ষতাৰ অর্থ আৰু সংজ্ঞা

অন্তৰণবাদ (isolationalism)ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰা আঁতৰি থকা।

৬.৩.১ গোষ্ঠী নিৰপেক্ষতাৰ অর্থ

'গোষ্ঠী নিৰপেক্ষ' শব্দটোৱে বিভিন্ন ধৰণৰ অর্থ প্ৰকাশ কৰে যেনে নিৰপেক্ষতা, নিৰপেক্ষবাদ, নিসংগবাদ, নির্লিপ্ততা আদি। ওপৰত উল্লেখ কৰা শব্দবোৰে গোষ্ঠী নিৰপেক্ষতাৰ লগত প্ৰায় একে যদিও ইয়াৰে এটাকো গোষ্ঠী নিৰপেক্ষতাৰ সঠিক সংজ্ঞা দিবলৈ ব্যৱহাৰ কৰিব নোৱাৰি। নিৰপেক্ষতা শব্দটোৱে দেশ কিছুমান ভিতৰত হোৱা বিৰোধৰ সময়ত কোনো পক্ষৰ প্ৰতি প্ৰতিজ্ঞাবদ্ধ নোহোৱাটোকেই বুজায়। নিৰপেক্ষবাদ হ'ল আন্তর্জাতিক ৰাজনীতিত সম্পূর্ণ বা স্থায়ী নিৰপেক্ষতা। এই নীতি অনুসৰণ কৰা দেশ এখনে বর্তমান বা ভৱিষ্যতৰ যিকোনো ৰাজনৈতিক বিৰোধত ইয়াৰ নিৰপেক্ষতা ঘোষণা কৰে। গোষ্ঠী নিৰপেক্ষতা এই সকলোবোৰ নীতিতকৈ একেবাৰেই পৃথক। ই শীতল যুদ্ধৰ লগত নির্লিপ্ততাৰ নীতিকেই বুজায়। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত উদ্ভৱ হোৱা দুয়োটা পৰম শক্তি অর্থাৎ আমেৰিকা আৰু কমিউনিষ্ট ৰাছিয়াৰ পৰা সমান দূৰত্ব বজাই ৰখাৰ ওপৰত ই গুৰুত্ব প্ৰদান কৰে। আমি মনত ৰখা উচিত যে গোষ্ঠী নিৰপেক্ষতা নীতি অনুসৰণ কৰা দেশসমূহ নিজৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত মাত মতাৰ স্বাধীনতাৰ পৰা বঞ্চিত নহয়। ই পৃথিৱীৰ ৰাজনৈতিক সত্যৰ পৰা বিচ্ছিন্ন নৈতিক মতবাদ নহয়। তাৰ পৰিৱর্তে শীতল যুদ্ধ আৰু দ্বিমেৰুকৰণৰ সন্দর্ভত গ্ৰহণ কৰা সকলোতকৈ বিজ্ঞ নীতি। পৰম শক্তি দুটাৰ ফলত সৃষ্টি হোৱা আন্তর্জাতিক ৰাজনৈতিক সংঘাতৰ পৰা আঁতৰত থকাৰ বাবে ই একমাত্ৰ উপায়। ধনাত্মক সহায়ত অবিৰত অর্থনৈতিক বিকাশ সাধন কৰাৰ বাবে ই হ'ল সবাতোকৈ কার্যকৰী বিকল্প।

সহজ কথাত ক'বলৈ গ'লে গোষ্ঠী নিৰপেক্ষতা হ'ল এনে এক বৈদেশিক নীতি যিয়ে শীতল যুদ্ধ, সামৰিক গোষ্ঠী আৰু আক্ৰমণাত্মক শক্তিৰ ৰাজনীতিৰ বিৰোধিতা কৰে আৰু যিয়ে শান্তি, বন্ধুত্ব আৰু সহযোগৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত বৈদেশিক সম্পর্কৰ স্বাধীনতাৰ পক্ষত থিয় দিয়ে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰে যে, তলত উল্লেখ কৰাবোৰ হ'ল গোষ্ঠী নিৰপেক্ষতাৰ মূল নীতি।

- গোষ্ঠী নিৰপেক্ষতা ***অন্তৰণবাদ (isolationalism)*** নহয়। তাৰ পৰিৱর্তে জাতীয় স্বার্থ আৰু নৈতিক মূল্যবোধ ৰক্ষা কৰাৰ কাৰণে ই হ'ল আন্তর্জাতিক ৰাজনীতিত সক্রিয় অংশগ্রহণ।
- গোষ্ঠী নিৰপেক্ষতা হ'ল জাতীয় স্বার্থ বজাই ৰখা আৰু ৰাজনৈতিক অনুষ্ঠান আৰু বৈদেশিক নীতিৰ ৰূপ দিয়াৰ ক্ষেত্রত স্বাধীনতা বজাই ৰখাৰ এক প্রচেষ্টা।
- ই সাম্রাজ্যবাদ আৰু ইয়াৰ লগত জড়িত অশুভ প্রভাৱসমূহৰ সকলো প্রকাৰে বিৰোধিতা কৰে।
- সকলো দেশৰ সার্বভৌম সমতাৰ ওপৰত প্রতিষ্ঠিত আন্তর্জাতিক ৰাজনৈতিক অনুষ্ঠান গঠন কৰা ইয়াৰ উদ্দেশ্য।
- সমতা আৰু জাতীয় স্বাধীনতাৰ ওপৰত প্রতিষ্ঠিত বিশ্ব অর্থনীতিত সকলো ৰাষ্ট্রৰ অংশগ্রহণক ই উৎসাহিত কৰে।

৬.৩.২ গোষ্ঠী নিৰপেক্ষতাৰ সংজ্ঞা

'গোষ্ঠী নিৰপেক্ষতা' শব্দটো পোন প্রথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৫৪ চনত শ্রীলংকাৰ কলম্বোত এক ভাষণ প্রদানৰ সময়ত। তেওঁৰ পাছৰ পৰাই গোষ্ঠী নিৰপেক্ষতা শব্দটো সামৰিক গোষ্ঠী, শীতল যুদ্ধ আৰু দুয়োটা শক্তি গোষ্ঠীৰ শক্তি ৰাজনীতিৰ পৰা আঁতৰত থকা নীতিক বুজাবলৈ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছিল।

পণ্ডিত জৱাহৰলাল নেহৰুৰ মতে গোষ্ঠী নিৰপেক্ষতাই এখন দেশে সামৰিক গোষ্ঠীৰ পৰা নিজকে আঁতৰাই ৰখাৰ প্রচেষ্টাক বুজায়। ইয়ে যিমানদূৰ সম্ভৱ সামৰিক দৃষ্টিভংগী পৰিহাৰ কৰাৰ প্রচেষ্টাক বুজাই যদিও কোনো কোনো সময়ত ইয়াৰ প্রয়োজন হয়, আমি স্বাধীন দৃষ্টিভংগী গ্রহণ কৰিব লাগে আৰু সকলো দেশৰ লগত বন্ধুত্বসুলভ সম্পর্ক বর্তাই ৰাখিব লাগে। (International Relations Theory and Practices by K. K. Ghai)

বিখ্যাত ভাৰতীয় পণ্ডিত অপ্পাদৰায়ৰ মতে গোষ্ঠী নিৰপেক্ষতাৰ সংজ্ঞা দিব পাৰি এনেদৰে। কোনো দেশৰ সৈতে সামৰিক গোষ্ঠীত যোগদান নকৰা আৰু বিশেষকৈ পশ্চিমীয়া বা কমিউনিষ্ট শক্তি গোষ্ঠীৰ অন্তর্ভুক্ত যিকোনো দেশৰ সৈতে। (International Relations Theory and Practices by K. K. Ghai)

সহজ কথাত, আন্তর্জাতিক ৰাজনীতিত দুয়োটা শক্তি গোষ্ঠীৰ এটাতো যোগদান নকৰা দেশসমূহৰ বৈদেশিক নীতি বুজাবলৈ গোষ্ঠী নিৰপেক্ষতা শব্দটো ব্যৱহাৰ কৰা হয়। এই নীতি শীতল যুদ্ধ আৰু শক্তি গোষ্ঠীৰ বিৰুদ্ধে। ই আন্তর্জাতিক

সম্পর্কত স্বাধীনভাৱে কাম কৰা আৰু জাতীয় স্বার্থ আৰু বিশ্বৰ স্বাধীন দৃষ্টিভংগীৰ ওপৰত ভেটি কৰি সকলো সিদ্ধান্ত গ্রহণ কৰা নীতি বুজায়। আন্তর্জাতিক সম্পর্কত পূর্ণ অংশগ্রহণ কৰাৰ পক্ষত ই থিয় হয়।

৬.৩.৩ গোষ্ঠী নিৰপেক্ষতাৰ বৈশিষ্ট্য

ইতিমধ্যে আমি গোষ্ঠী নিৰপেক্ষতাৰ মূল ধাৰণাটোৰ বিষয়ে জানিব পাৰিছো। এই আন্দোলনৰ বৈশিষ্ট্যৰ বিষয়েও আমি জানি থোৱা উচিত। গোষ্ঠী নিৰপেক্ষতাৰ কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল।

- *সামৰিক আৰু নিৰাপত্তা মিত্রতা চুক্তি নাকচ ঃ* গোষ্ঠী নিৰপেক্ষতা পৰম শক্তিৰ সৈতে মিত্রতা চুক্তিৰ বিৰোধী। এই কথা উল্লেখ কৰিব পাৰি যে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱর্তী কালত উদ্ভৱ হোৱা সামৰিক মিত্রতা চুক্তি যেনে NATO. Warsaw Pact আদিৰ গোষ্ঠী নিৰপেক্ষতাই বিৰোধিতা কৰিছিল কাৰণ এই মিত্রতা চুক্তিবোৰক পৰম শক্তিবোৰে বিশ্ব ত নিজৰ নিয়ন্ত্রণ ৰক্ষাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। সেয়েহে গোষ্ঠী নিৰপেক্ষতা এনে সকলো ধৰণৰ সামৰিক, ৰাজনৈতিক আৰু নিৰাপত্তা মিত্রতা চুক্তিৰ পৰা আঁতৰত থকাৰ সপক্ষে।
- *পৰম শক্তি দুয়োটাৰ পৰা সমদূৰত্ব ঃ* গোষ্ঠী নিৰপেক্ষতা আমেৰিকা আৰু কমিউনিষ্ট ৰাছিয়া দুয়োটা পৰম শক্তিৰ পৰা দূৰত থকাৰ পক্ষে। এই নীতিৰ মতে উন্নয়নশীল দেশৰ কাৰণে আটাইতকৈ গুৰুত্বপূর্ণ প্রয়োজন হ'ল ইয়াৰ উন্নতিৰ কাৰণে অর্থনৈতিক সাহার্য। গতিকে যদিহে এখন দেশে এটা শক্তিগোষ্ঠীৰ লগত মিত্রতা স্থাপন কৰে, ই আনটো শক্তিগোষ্ঠীৰ অর্থনৈতিক সাহার্য হেৰুৱাব। সেয়েহে গোষ্ঠী নিৰপেক্ষ আন্দোলনে এনে এটা নীতি প্রতিষ্ঠা কৰিব বিচাৰিছিল য'ত গোষ্ঠী নিৰপেক্ষ দেশসমূহ দুয়োটা পৰম শক্তিৰ পৰা সম দূৰত্বত অৱস্থান কৰিব।
- *স্বাধীন বৈদেশিক নীতি ঃ* গোষ্ঠী নিৰপেক্ষ দেশসমূহ দুয়োটা পৰম শক্তিৰ বৈদেশিক নীতিৰ প্রতি কোনো ধৰণে প্রতিজ্ঞাবদ্ধ নোহোৱাকৈ এক স্বাধীন বৈদেশিক নীতি গ্রহণৰ পক্ষপাতী। গোষ্ঠী নিৰপেক্ষতাই এনে এক স্বাধীন বৈদেশিক নীতি গ্রহণৰ সমর্থন কৰে যাতে ই গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ জাতীয় স্বার্থবর্ধিত কৰে আৰু পৰম শক্তিসমূহৰ হেঁচাৰ পৰা এই দেশসমূহক আঁতৰাই ৰাখে।
- *অর্থনৈতিক মাত্রা ঃ* গোষ্ঠী নিৰপেক্ষতাৰ এক স্পষ্ট অর্থনৈতিক দিশ আছে। কোনো শক্তি গোষ্ঠীৰ লগত জড়িত নোহোৱাকৈ থাকি দুয়োটা শক্তি গোষ্ঠীৰ পৰা অর্থনৈতিক সাহার্য লাভ কৰিবলৈ গোষ্ঠী নিৰপেক্ষ দেশসমূহে চেষ্টা

কৰে। উল্লেখনীয় কথা যে এছিয়া আৰু আফ্রিকাৰ নতুনকৈ স্বাধীনতা লাভ কৰা বেছিভাগ দেশেই অর্থনৈতিকভাৱে দুখীয়া আছিল। বিকাশৰ বাবে তেওঁলোকক অর্থনৈতিক সাহার্যৰ প্রয়োজন আছিল। সেয়েহে গোষ্ঠী নিৰপেক্ষ দেশসমূহে অর্থনৈতিক দিশত দুয়োটা পৰম শক্তিৰ সৈতে ওচৰ সম্পর্ক বজাই ৰাখিবলৈ বিচাৰিছিল। এয়া পিছপৰা অঞ্চলসমূহৰ অর্থনৈতিক বিকাশৰ বাবে অর্থনৈতিক পুঁজিৰ প্রবাহ নিশ্চিত কৰাৰ বাবে এই আন্দোলনৰ নেতাসকলে গ্রহণ কৰা এক কৌশল আছিল।

- *ঔপনিবেশিকতাবাদৰ বিৰোধিতা ঃ* গোষ্ঠী নিৰপেক্ষতাই সকলো ধৰণৰ ঔপনিবেশিক প্রভাৱৰ বিৰোধিতা কৰে আৰু ঔপনিবেশিকতাবাদ ধ্বংসৰ নীতি সমর্থন কৰে। ঔপনিবেশিকতাবাদ ধ্বংস নীতিয়ে এছিয়া আৰু আফ্রিকাৰ দেশসমূহক ঔপনিৱেশিক শক্তিসমূহৰ নিয়ন্ত্রণৰ পৰা মুক্ত কৰিব বিচাৰে। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল যে বিশেষকৈ গোষ্ঠী নিৰপেক্ষ আন্দোলনে প্রদান কৰা সাহার্যৰ কাৰণেই এছিয়া আৰু আফ্রিকাৰ বহু সংখ্যক দেশে ঔপনিবেশিক প্রভাৱৰ পৰা মুক্তি লাভ কৰিছিল।
- *জাতিগত সমতাৰ বর্ধন ঃ* গোষ্ঠী নিৰপেক্ষতাৰ অন্য এক বৈশিষ্ট্য হ'ল ৰাষ্ট্রসমূহৰ মাজত জাতিগত সমতাক বর্ধিত কৰা। সেয়েহে এই আন্দোলনে যিকোনো ধৰণৰ জাতিগত বৈষম্যৰ বিৰোধিতা কৰে, যেনে দক্ষিণ আফ্রিকাত থকা জাতিগত পৃথকীকৰণৰ প্রণালী। দক্ষিণ আফ্রিকাত সংখ্যালঘু ঔপনিৱেশিক শাসকে সংখ্যাগুৰু নিগ্রোসকলৰ ওপৰত আধিপত্য চলাইছিল, যিসকলক তেওঁলোকৰ নিজৰ দেশতেই দ্বিতীয় শ্রেণীৰ নাগৰিকৰ মর্যাদা দিয়া হৈছিল। দক্ষিণ আফ্রিকাত এই প্রণালী ধ্বংস কৰাত গোষ্ঠী নিৰপেক্ষ আন্দোলনে আগবঢ়োৱা সমর্থনে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।
- *আন্তর্জাতিক বিৰোধৰ শান্তিপূর্ণ সমাধান ঃ* গোষ্ঠী নিৰপেক্ষতাৰ এটা তাৎপর্যপূর্ণ বৈশিষ্ট্য হ'ল যে ই আন্তর্জাতিক বিৰোধৰ শান্তিপূর্ণ সমাধানৰ পক্ষপাতী। সেই অনুসৰি সমস্যাৰ স্থায়ী সমাধানৰ উদ্দেশ্যে সংশ্লিষ্ট পক্ষৰ মাজত আলোচনাৰ পদ্ধতিক গোষ্ঠী নিৰপেক্ষতাই অগ্রাধিকাৰ দিয়ে। সামৰিক দৃষ্টিভংগী প্রত্যাহাৰ কৰি গোষ্ঠী নিৰপেক্ষতাই আন্তর্জাতিক দ্বন্দ্বৰ শান্তিপূর্ণ সমাধানৰ আদর্শ আৰু পদ্ধতিক উৎসাহিত কৰিছে আৰু শান্তিপূর্ণ সহযোগ আৰু বিকাশত অৰিহণা যোগাইছে।
- *সক্রিয়তাৰ নীতি, অন্তৰণবাদ (isolationalism) নহয় ঃ* কেতিয়াবা কেতিয়াবা গোষ্ঠী নিৰপেক্ষতা অন্তৰণবাদ (isolationalism) বুলি বিভ্রান্তিৰ সৃষ্টি হয়। কিন্তু প্রকৃততে গোষ্ঠী নিৰপেক্ষতাই অন্তৰণবাদ প্রত্যাহাৰ কৰে আৰু আন্তর্জাতিক ৰাজনীতিত পূর্ণ অংশগ্রহণৰ অধিকাৰ গ্রহণ কৰে। ই বিশ্ব

ৰাজনীতিত পূৰ্ণ আৰু সক্ৰিয় অংশগ্ৰহণৰ সপক্ষে আৰু সকলো আন্তৰ্জাতিক বিষয় আৰু সমস্যাত মুক্তভাৱে ভাব প্ৰকাশৰ সপক্ষে।

ওপৰত উল্লেখ কৰাবোৰ গোষ্ঠী নিৰপেক্ষতাৰ মৌলিক বৈশিষ্ট্য। ১৯৬১ চনত পণ্ডিত জৱাহৰলাল নেহৰু, ইজিপ্তৰ ৰাষ্ট্ৰপতি গামাল আবদেল নাছেৰ আৰু যুগোশ্লাভিয়াৰ ৰাষ্ট্ৰপতি মাৰ্শেল টিটোই তলত উল্লেখ কৰা এক গোষ্ঠী নিৰপেক্ষ বৈদেশিক নীতি পাঁচটা আৱশ্যকীয়তা গ্ৰহণ কৰে।

- গোষ্ঠী নিৰপেক্ষতা আৰু শান্তিপূৰ্ণসহ অৱস্থানৰ ওপৰত প্ৰতিষ্ঠিত স্বাধীন বৈদেশিক নীতি।
- ঔপনিবেশিকতাবাদৰ বিৰোধিতা আৰু স্বাধীনত আন্দোলনৰ সমৰ্থন।
- কোনো সামৰিক গোষ্ঠী বা মিত্ৰতা চুক্তিৰ সদস্য নোহোৱা।
- দেশৰ এলেকাত দ্বিপাক্ষিক সামৰিক ভোটৰ অনুপস্থিতি।
- দেশৰ এলেকাত বিদেশী সামৰিক ভেটিৰ অনুপস্থিতি।

গোষ্ঠী নিৰপেক্ষ দেশ হিচাপে গৃহিত হ'ব খোজা প্ৰত্যেকখন দেশেই ওপৰত উল্লেখ কৰা পাঁচটা আৱশ্যকীয়তা পূৰণ কৰিব লাগে।



জানি থোৱা ভাল

গোষ্ঠী নিৰপেক্ষ আন্দোলন উৎপত্তিত এক তাৎপৰ্যপূৰ্ণ ঘটনা হ'ল ১৯৫৫ চনত ইন্দোনেছিয়াৰ ৰাষ্ট্ৰপতিয়ে সুবৰ্ণনই সভাপতিত্ব কৰা বান্দুং চহৰত অনুষ্ঠিত এছিয়া আফ্ৰিকাৰ সন্মিলন। এই সন্মিলনত অংশগ্ৰহণকাৰী দেশসমূহে ঘোষণা কৰিছিল যে তেওঁলোকে শীতল যুদ্ধত জড়িত হোৱা নাছিল আৰু লগতে বিশ্ব শান্তি আৰু সহযোগিতা বৃদ্ধিৰ বাবে এক ঘোষণা গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালত ১৯৬১ চনত যুগোশ্লাভিয়াৰ ৰাষ্ট্ৰপতি মাৰ্শেল টিটোৰ উদ্যোগত বেলগ্ৰেডত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথম আনুষ্ঠানিক শীৰ্ষ সন্মিলন অনুষ্ঠিত হয়।

৬.৩.৪ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিৰ কাৰণ

গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰোতে আমি এই আন্দোলনৰ উৎপত্তিত বিশেষভাৱে অৱিহণা যোগোৱা বিভিন্ন উপাদানৰ বিষয়ে জানিবলৈ পাওঁ। ইয়াৰে কিছুমান তলত উল্লেখ কৰা হ'ল।

- *এছিয়া আৰু আফ্ৰিকাৰ ৰাজনৈতিক অৱস্থা ঃ* দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এছিয়া আৰু আফ্ৰিকাৰ বেছিভাগ দেশেই বিদেশী শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল। কিন্তু এনে সময়তেই এই দেশসমূহ অৰ্থনৈতিক উন্নতিৰ কাৰণে খুব জৰুৰীভাৱে অৰ্থৰ প্ৰয়োজনত আছিল। সেই অনুসৰি এই সমস্যা সমাধানৰ

কাৰণে ৰাজনৈতিক উদ্যোগৰ আৱশ্যকতা আহি পৰিছিল। এই সন্দর্ভতেই তৃতীয় বিশ্বৰ নেতাসকলে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ আৰম্ভণিৰ সূচনা কৰিছিল।

- *জাতীয়তাবাদৰ উদয় ঃ* দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এছিয়া আৰু আফ্রিকাত জাতীয়তাবাদৰ উদয় হৈছিল। তাৰ ফলত এছিয়া আৰু আফ্রিকাৰ দেশসমূহত ঔপনিবেশিকতাবাদ বিৰোধী আন্দোলনসমূহ সবল হৈ উঠিছিল। জাতীয়তাবাদে এইটোও দাবী কৰে যে এই দেশসমূহৰ ভৱিষ্যৎ নির্ণয় কৰিবলৈ এক স্বাধীন বৈদেশিক নীতি থকা উচিত। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিৰ এইটোও এটা কাৰণ।
- *অর্থনৈতিক অনগ্রসৰতা ঃ* দ্বিতীয় বিশ্বযুদ্ধৰ পাছত যেতিয়া এছিয়া আৰু আফ্রিকাৰ বেছিভাগ দেশেই ৰাজনৈতিক স্বাধীনতা লাভ কৰিছিল, তেতিয়া এই দেশসমূহৰ অর্থনৈতিক অৱস্থা অতি শোচনীয় আছিল। অর্থনৈতিক বিকাশৰ বিষয়টো তেতিয়া শীর্ষস্থানত আছিল আৰু তৃতীয় বিশ্বৰ দেশসমূহৰ অর্থনৈতিক পুঁজিৰ প্রয়োজনৰ বিষয়ত সকলো একমত আছিল। ইয়াৰ ফলত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নেতৃবর্গই এই নীতি অব্যাহত ৰাখিবলৈ সিদ্ধান্ত গ্রহণ কৰে যাতে সকলো পিনৰ পৰা ধন আহৰণ কৰিব পাৰি। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রয়োজনীয়তা উপলব্ধি হোৱাৰ ইয়ো এটা কাৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গোষ্ঠী নিৰপেক্ষতা শব্দটো পোন প্রথমবাৰৰ বাবে কোনে ব্যৱহাৰ কৰিছিল?

.....

.....

প্রশ্ন নং ২ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ এক গোষ্ঠী নিৰপেক্ষ বৈদেশিক নীতিৰ পাঁচটা আৱশ্যকীয়তা বা পৰীক্ষা গ্রহণ কৰা নেতৃবর্গৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলন উপনিৱেশবাদ, সামৰিক আৰু নিৰাপত্তা মিত্রতা চুক্তিৰ বিৰোধী (শুদ্ধ/অশুদ্ধ)।

.....

৬.৪ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সমালোচনাত্মক মূল্যায়ন

গোষ্ঠী নিৰপেক্ষতাই আন্তর্জাতিক সম্পর্কত ইয়াৰ কার্যকালৰ সাতটা দশক সম্পূর্ণ কৰিছে, তথাপিও ই সমালোচনাৰহিত নহয়। সমালোচকসকলে এতিয়াও গোষ্ঠী নিৰপেক্ষতা নীতিৰ কিছুমান দোষ আঙুলিয়াই দিয়ে।

- **সমালোচনাৰ বিষয় ঃ**
  - ➢ *গোষ্ঠী নিৰপেক্ষতা আৰু অবাস্তৱ আৰু আদর্শবাদী নীতি ঃ* গোষ্ঠী নিৰপেক্ষতাৰ বিৰুদ্ধে এয়া হ'ল প্রথম সমালোচনা যে ই এক আদর্শবাদী আৰু অবাস্তৱ কল্পনাৰ নীতি যাক প্রকৃততে বাস্তৱত পৰিণত কৰিব নোৱাৰি। শীতল যুদ্ধৰ পৰা আঁতৰত থকা আৰু শক্তিগোষ্ঠী দুয়োটাৰ পৰা সমদূৰত্ব বজাই ৰখাৰ কথা কেৱল ক'ব পাৰি আৰু তাত্ত্বিকভাৱে শুদ্ধ প্রমাণিত কৰিব পাৰি, কিন্তু বাস্তৱিকতে সফলভাৱে অনুশীলন কৰিব নোৱাৰি। শান্তি আৰু বন্ধুত্বৰ নীতি হিচাপে গোষ্ঠী নিৰপেক্ষতা শুনিবলৈ ভাল, কিন্তু ইয়াৰ প্রকৃত অনুশীলন কঠিন আৰু ক্ষতিকাৰক।
  - ➢ *গোষ্ঠী নিৰপেক্ষতা বন্ধুবিহীনতাৰ উৎস হ'ব পাৰে ঃ* সমালোচকসকলে মত পোষণ কৰে যে গোষ্ঠী নিৰপেক্ষ দেশসমূহে সঁচা আৰু অকৃত্রিম বন্ধুৰ অভাৱ অনুভৱ কৰিব পাৰে। আমি ভাৰতৰ উদাহৰণ ল'ব পাৰো। শীতল যুদ্ধৰ নীতি বুলি আমেৰিকাৰ বৈদেশিক নীতিৰ (১৯৪৫-১৯৯০) ভাৰতৰ তীক্ষ্ণ সমালোচনাই ইয়াক আমেৰিকাৰ সঁচা আৰু সবল বন্ধুত্বৰ পৰা বঞ্চিত কৰিছিল। একে ধৰণে, সাম্যবাদৰ প্রতি ভাৰতৰ ভয় আৰু কমিউনিষ্ট ৰাছিয়াৰ কিছুমান নীতিৰ সমালোচনাই কমিউনিষ্ট ৰাছিয়াৰ সৈতে ভাৰতৰ গভীৰ বন্ধুত্বৰ বিকাশত বাধা দিছিল। এই অসফলতাই ১৯৬২ চনৰ চীনাৰ আগ্রাসনৰ সময়ত বিপজ্জনক ৰূপ লৈছিল। এই সময়ছোৱাত, কমিউনিষ্ট ৰাছিয়াই ভাৰতক প্রয়োজনীয় সাহার্য আগবঢ়াবলৈ সক্ষম হোৱা নাছিল আৰু আমেৰিকা আৰু ইংলেণ্ডত সীমিত সাহার্যহে আগবঢ়াব পাৰিছিল। সেয়েহে সমালোচকসকলে গোষ্ঠী নিৰপেক্ষতাৰ ঠাইত পক্ষালম্বন সমর্থন কৰে।
- **গোষ্ঠী নিৰপেক্ষতা নিষ্ক্রীয়তাৰ নীতি ঃ** এই আন্দোলনৰ সমালোচকসকলে মত পোষণ কৰে যে শীতল যুদ্ধত নিৰপেক্ষতাৰ নামত গোষ্ঠী নিৰপেক্ষ দেশসমূহে যিকোনো শক্তিশালী নীতি অৱলম্বনৰ পৰা নিজকে আঁতৰাই ৰাখে। তেওঁলোকৰ সিদ্ধান্তবোৰে সদায়েই নিজকে সুৰক্ষিত ৰখাৰ উদ্দেশ্যে মধ্যম পন্থা অৱলম্বন কৰিব বিচাৰে।
- **গোষ্ঠী নিৰপেক্ষতা দ্বি পক্ষালম্বনৰ নীতি ঃ** এই সমালোচনাৰ জৰিয়তে সমালোচকসকলে দাবী কৰে যে সকলো দেশৰ পৰা সহায় আৰু সাহার্য লাভৰ উদ্দেশ্যে গোষ্ঠী নিৰপেক্ষ দেশসমূহে সদায় দ্বিমুখী নীতি গ্রহণ কৰিবলৈ চেষ্টা কৰে। সমালোচকসকলে আনকি ইয়াকো কৈছে যে গোষ্ঠী নিৰপেক্ষতাৰ কোনো ৰাজনৈতিক

নৈতিকতা নাই আৰু নিৰপেক্ষ নীতিটো কোনো ৰাজনৈতিক নৈতিকতা নহয় বৰং ব্যক্তিগত অভাৱ-অভিযোগ আৰু ৰাজনৈতিক উচ্চাকাংক্ষাৰ ওপৰতহে প্ৰতিষ্ঠিত।

- **গোষ্ঠী নিৰপেক্ষতা প্ৰাসংগিক নীতি নহয় ঃ** গোষ্ঠী নিৰপেক্ষতাৰ বিৰুদ্ধে আন এক যুক্তি হ'ল যে যদিও শীতল যুদ্ধ আৰু দুয়োটা পৰম শক্তিৰ মাজত শক্তিৰ ৰাজনীতিৰ যুগত নতুন ৰাষ্ট্ৰসমূহৰ বাবে গোষ্ঠী নিৰপেক্ষতা অৱলম্বন কৰাটো লক্ষ্য আছিল, বৰ্তমানৰ পৰিৱৰ্তিত আন্তৰ্জাতিক পৰিৱেশত গোষ্ঠী নিৰপেক্ষতা অব্যাহত ৰখাটোৱে তেওঁলোকক নুশুৱায়। শীতল যুদ্ধৰ অন্ত আৰু কমিউনিষ্ট ৰাছিয়াৰ ধ্বংসৰ লগে লগে গোষ্ঠী নিৰপেক্ষতাৰ উৎপত্তিত অৰিহণা যোগোৱা উপাদান আৰু শক্তিসমূহো নোহোৱা হৈ গৈছিল। সেয়েহে গোষ্ঠী নিৰপেক্ষতা অব্যাহত ৰখাৰ কোনো যুক্তি থাকিব নোৱাৰে।
- **গোষ্ঠী নিৰপেক্ষতাৰ সপক্ষে যুক্তি ঃ** আনহাতে, গোষ্ঠী নিৰপেক্ষতাৰ সমৰ্থকসকলে ইয়াৰ সপক্ষে কিছুমান যুক্তি আগবঢ়াইছে যিবোৰ তলত উল্লেখ কৰা হ'ল।
  - ➢ *গোষ্ঠী নিৰপেক্ষতা বাস্তৱধৰ্মী ধাৰণা ঃ* গোষ্ঠী নিৰপেক্ষতা নীতিৰ সমৰ্থসকলে মত পোষণ কৰে যে গোষ্ঠী নিৰপেক্ষতাক অবাস্তৱধৰ্মী বুলি বৰ্ণনা কৰাটো ভুল। পৰম শক্তিসমূহ আৰু অন্যান্য সমভাবাপন্ন তৃতীয় বিশ্বৰ দেশসমূহৰ লগত সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ দেশসমূহে যি সাফল্যৰে সৈতে গোষ্ঠী নিৰপেক্ষতা অনুসৰণ কৰি আহিছে সেয়াই গোষ্ঠী নিৰপেক্ষতাৰ বাস্তৱধৰ্মিতাক প্ৰমাণ কৰে। আজি সকলো দেশেই তেওঁলোকৰ সৈতে সম্পৰ্কৰ গুৰুত্ব বুজিব পাৰিছে আৰু গোষ্ঠী নিৰপেক্ষতাৰ মূল্য বুজিব পাৰিছে।
  - ➢ *গোষ্ঠী নিৰপেক্ষতাই আন্তৰ্জাতিক সম্পৰ্কত সক্ৰিয়তা আৰু পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰে ঃ* ইয়াৰ যুক্তিযুক্ততা প্ৰমাণ কৰা হয় এই ভেটিত যে ইয়াক নিষ্ক্ৰীয়তাৰ নীতি বুলি কোৱাটো ভুল। এয়া এক প্ৰমাণ যে ভাৰতৰ নিচিনা গোষ্ঠী নিৰপেক্ষ দেশ এখনে শক্তি গোষ্ঠীৰ পৰা আঁতৰত থাকি আন্তৰ্জাতিক বিষয়সমূহত স্বাধীন, নিৰপেক্ষ আৰু সাহসীভাৱে মত প্ৰকাশ কৰে। তদুপৰি, গোষ্ঠী নিৰপেক্ষ দেশসমূহে বিশ্ব শান্তি, বিকাশ আৰু আন্তৰ্জাতিক সম্প্ৰদায়ৰ সদস্যসমূহৰ মাজত সহযোগিতা ৰক্ষা কৰাত, সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। তেওঁলোকে আন্তৰ্জাতিক সম্পৰ্কত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে আৰু এক মুখ্য ভূমিকা পালন কৰি আহিছে।
  - ➢ গোষ্ঠী নিৰপেক্ষতাই আন্তৰ্জাতিক সম্পৰ্কত নতুন ৰাষ্ট্ৰসমূহক নিজৰ বাঞ্ছিত ভূমিকা পালন কৰিবলৈ সক্ষম কৰি তুলিছিল। গোষ্ঠী নিৰপেক্ষতা এনে এক নীতি যিয়ে দ্বিতীয় যুদ্ধৰ পাছৰ বিশ্ব ৰাজনীতিত নতুন দেশসমূহক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সহায় কৰিছিল। দাৰিদ্ৰ্য, অৰ্থনৈতিক আৰু ঔদ্যোগিক অনগ্ৰসৰতাত আৰু সীমাবদ্ধ সামৰিক শক্তিৰ ফলত দুৰ্বল স্থিতিৰ সত্ত্বেও তেওঁলোকে বিশ্ব ৰাজনীতিত নিজৰ স্বকীয়তা বজাই ৰাখিব পাৰিছে আৰু সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰিছে।

- *গোষ্ঠী নিৰপেক্ষতা দ্বিপক্ষালম্বন নহয় ঃ* গোষ্ঠী নিৰপেক্ষতা কোনো দেশৰ সৈতে সামৰিক বা ৰাজনৈতিক পক্ষালম্বনৰ সপক্ষে নহয়। ই সমতা আৰু সকলো দেশৰ প্ৰতি পাৰস্পৰিক সন্মানৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সমৰ্থকসকলে ইয়াকো কয় যে এয়া হ'ল বস্তুনিষ্ঠ বিবেচনা শক্তিৰ অভাৱ যিয়ে ইয়াক দ্বিপক্ষালম্বন বুলি ক'বলৈ কিছুমান মানুহক বাধ্য কৰায়। এখন দেশৰ সৈতে বন্ধুত্বই কেতিয়াও আন এখন দেশৰ সৈতে শত্ৰুতা নুসূচায়।
- *শীতল যুদ্ধৰ অন্ত অনাত ধনাত্মক ভূমিকা ঃ* শীতল যুদ্ধৰ অন্তত তলত গোষ্ঠী নিৰপেক্ষতাই নিশ্চিতভাৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। গোষ্ঠী নিৰপেক্ষতা অৱলম্বন কৰিবলৈ কিছুমান দেশ যেনে ভাৰতে লোৱা সিদ্ধান্ত শীতল যুদ্ধৰ দুৰ্বলতাৰ এক উৎস আছিল। ভাৰতে যিকোনো এটা শক্তি গোষ্ঠীত যোগদান কৰা হ'লে ই শীতল যুদ্ধক আৰু বেছি তীব্ৰতৰ কৰি তুলিলেহেঁতেন। শীতল যুদ্ধত যোগদান কৰিবলৈ অস্বীকাৰ কৰি আৰু শীতল যুদ্ধৰ শক্তিসমূহ আৰু নিৰাপত্তা মিত্ৰতা চুক্তিৰ দৃঢ় বিৰোধিতা কৰি গোষ্ঠী নিৰপেক্ষ দেশসমূহে শীতল যুদ্ধৰ অন্ত কৰাত এক ধনাত্মক ভূমিকা পালন কৰিছে।
- *গোষ্ঠী নিৰপেক্ষতা পক্ষালম্বনতকৈ ভাল ঃ* এই আন্দোলনৰ কামৰ এক তুলনামূলক অধ্যয়ন কৰি গোষ্ঠী নিৰপেক্ষতাৰ সফলতা পৰীক্ষা কৰিব পাৰি। গোষ্ঠী নিৰপেক্ষ দেশৰ সংখ্যাই এক নিয়মীয়া ঊৰ্ধ্বমুখী প্ৰৱণতা দেখুৱাইছে আৰু বৰ্তমান বৃহৎ সংখ্যক দেশে গোষ্ঠী নিৰপেক্ষতাৰ অনুসৰণ অব্যাহত ৰাখিছে। আনহাতে, নিৰাপত্তা মিত্ৰতা চুক্তি দুৰ্বল হৈ পৰিল। মিত্ৰতা চুক্তিয়ে নিজকে সক্ৰিয় কৰি ৰখাত অসফল হ'ল। শক্তিৰ ৰাজনীতি আৰু সপক্ষ বিপক্ষৰ ৰাজনীতি সত্ত্বেও শান্তিপূৰ্ণ সহাৱস্থান আৰু সকলোৰে মাজত ভাব বিনিময়ৰ নীতিয়ে এই দৰ্শনকেই প্ৰতিফলিত কৰে যে গোষ্ঠী নিৰপেক্ষতা পক্ষালম্বনতকৈ ভাল। সেয়েহে গোষ্ঠী নিৰপেক্ষতা এতিয়াও উপকাৰী আৰু প্ৰাসংগিক নীতি হৈয়ে আছে আৰু ই তৃতীয় বিশ্বৰ দেশসমূহৰ কাৰণে শক্তি আৰু সহযোগৰ এক উৎস।

ওপৰত উল্লেখ কৰা যুক্তিবোৰে গোষ্ঠী নিৰপেক্ষতাৰ ধাৰাবাহিকতাৰ যুক্তিযুক্ততা প্ৰমাণ কৰে। স্বাধীন বৈদেশিক নীতি, শান্তিপূৰ্ণ সহাৱস্থান আৰু সহযোগৰ ওপৰত প্ৰদান কৰা গুৰুত্বৰে সৈতে এই নীতি গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ শক্তি আৰু সন্মানৰ উৎস হৈ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সমালোচনাৰ দুটা যুক্তি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সপক্ষে দুটা যুক্তি উল্লেখ কৰক।

.....

.....

৬.৫ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ বিভিন্ন সন্মিলন আৰু শীৰ্ষ সন্মিলন

নেহৰু, নাছেৰ আৰু টিটোৰ নেতৃত্ব আৰু গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ আন কিছুমান নেত্ৰীৰ উৎসৰ্গিত কৰ্মৰাজিৰ ফলত গোষ্ঠী নিৰপেক্ষতাই এক আন্তৰ্জাতিক আন্দোলনৰ ৰূপ পাইছে আৰু ই শক্তিৰ ৰাজনীতি, শীতল যুদ্ধৰ সাম্ৰাজ্যবাদ, ঔপনিবেশিকতাবাদ, বৰ্ণবৈষম্য, অস্ত্ৰ সংগ্ৰহৰ প্ৰতিযোগিতা আৰু পাৰমাণৱিক শক্তিৰ প্ৰসাৰৰ বিৰুদ্ধে কাম কৰিবলৈ আৰম্ভ কৰিছে। ১৯৬১ চনলৈকে গোষ্ঠী নিৰপেক্ষতা শান্তি, স্বাধীনতা, সহযোগ আৰু উন্নতিৰ হকে এক আন্তৰ্জাতিক আন্দোলন হিচাপে সূচনা হোৱাৰ বাবে প্ৰস্তুত হৈ উঠিল। ইয়াৰ আৰম্ভণি হৈছিল গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথম শীৰ্ষ সন্মিলনৰ ৰূপত যিয়ো গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিৰ প্ৰথম পৰ্যায়টোক সূচায়।

- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথম শীৰ্ষ সন্মিলন— বেলগ্ৰেড শীৰ্ষ সন্মিলন, ১৯৬১ ঃ** গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথমখন শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছিল ১৯৬১ চনৰ ১ৰ পৰা ৬ ছেপ্টেম্বৰলৈ যুগোশ্লাভিয়াৰ পূৰ্বৰ ৰাজধানী বেলগ্ৰেডত। এই শীৰ্ষ সন্মিলনত এছিয়া আৰু আফ্ৰিকাৰ বাহিৰৰ গোষ্ঠী নিৰপেক্ষ দেশসমূহেও অংশগ্ৰহণ কৰিছিল। এই শীৰ্ষ সন্মিলনে আন্তৰ্জাতিক ৰাজনীতিৰ জ্বলন্ত সমস্যাসমূহ যেনে শীতল যুদ্ধ, সাম্ৰাজ্যবাদ, সকলো ধৰণৰ বৰ্ণবৈষম্য, ঔপনিবেশিকতাবাদ, পাৰমাণৱিক অস্ত্ৰ আদি বিষয় সামৰি লৈছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দ্বিতীয় শীৰ্ষ সন্মিলন ঃ** দ্বিতীয় শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হৈছিল ইজিপ্ত দেশৰ কাইৰোত ১৯৬৪ চনৰ ৫ৰ পৰা ১০ অক্টোবৰৰ ভিতৰত। এই শীৰ্ষ সন্মিলনে আন্তৰ্জাতিক চাপ কমোৱা, ঔপনিবেশিকতাবাদৰ অন্ত কৰা, নিৰস্ত্ৰীকৰণ আৰু আন্তৰ্জাতিক বিবাদৰ শান্তিপূৰ্ণ সমাধানৰ উদ্দেশ্য আগত লৈছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ তৃতীয় শীৰ্ষ সন্মিলন— লুছাকা শীৰ্ষ সন্মিলন, ১৯৭০ ঃ** এই সন্মিলন জাম্বিয়াৰ ৰাজধানী, লুছাকাত ১৯৭০ চনৰ ৬ৰ পৰা ১০ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হৈছিল। এই সন্মিলনৰ কেন্দ্ৰীয় বিষয় আছিল আন্তৰ্জাতিক সম্পৰ্কত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰাসংগিকতা। এই সন্মিলনে পৰম শক্তিসমূহকে ধৰি সকলো দেশকে শান্তিপূৰ্ণভাৱে আন্তৰ্জাতিক বিবাদ সীমাংসা কৰিবলৈ আহ্বান জনাইছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ চতুৰ্থ শীৰ্ষ সন্মিলন, আলজিয়ার্ছ সন্মিলন, ১৯৭৩ ঃ** চতুৰ্থ শীৰ্ষ সন্মিলনখন আলজেৰিয়াৰ ৰাজধানী আলজিয়ার্ছত অনুষ্ঠিত হৈছিল ১৯৭৩ চনৰ ৫ৰ পৰা ৯ ছেপ্টেম্বৰলৈ। এই সন্মিলনে কিছুমান গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক বিষয় সামৰি লৈছিল; যেনে— ভিয়েটনামৰ বিপ্লৱী চৰকাৰৰ স্বীকৃতি, ইজৰাইলৰ বিপৰীতে ইজিপ্ত, ছিৰিয়া আৰু জৰ্ডানক সমৰ্থন। তদুপৰি এই সন্মিলনে ইয়াকো ঘোষণা কৰে যে

গোষ্ঠী নিৰপেক্ষ দেশে কোনো সামৰিক গোষ্ঠীক যোগদান নকৰে আৰু তেওঁলোকৰ এলেকাত কোনো পৰম শক্তিক সামৰিক ঘাটি স্থাপন কৰিবলৈ অনুমতি প্রদান নকৰে।

- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ পঞ্চম শীর্ষ সন্মিলন— কলম্বো শীর্ষ সন্মিলন, ১৯৭৬ ঃ** এই শীর্ষ সন্মিলন প্রথমবাৰৰ বাবে এছিয়াত অনুষ্ঠিত হৈছিল ১৯৭৬ চনৰ ১৬ আগষ্টৰ পৰা ১৯ আগষ্টলৈ। শ্রীলংকাৰ ৰাজধানী কলম্বোত অনুষ্ঠিত হোৱা এই সন্মিলনে তৃতীয় বিশ্বৰ দেশসমূহৰ লগত জড়িত অর্থনৈতিক সমস্যাৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছিল। ই আন্তর্জাতিক বাণিজ্য, উৎপাদন প্রণালী আৰু মুদ্রা ব্যৱস্থাৰ পুনর্গঠনৰ পৰামর্শ দিছিল। এই সন্মিলনে এক নতুন ৰাজনৈতিক ৰূপ লাভ কৰিব বিচাৰিছিল য'ত ক্ষমতাৰ ভাৰসাম্য, প্রভাৱৰ পৰিসৰ আদি ধাৰণাক নতুনকৈ সংঘবদ্ধ কৰা হ'ব। ই এই কথা পৰিষ্কাৰ কৰি দিয়ে যে বিশ্বৰ সমস্যাসমূহ তেতিয়ালৈকে শেষ হ'ব নোৱাৰে যেতিয়ালৈকে অস্ত্র সংগ্রহৰ প্রতিযোগিতা আৰু সামৰিক গোষ্ঠীসমূহৰ অন্ত পেলোৱা নহয়।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ষষ্ঠ সন্মিলন— হাভানা শীর্ষ সন্মিলন, ১৯৭৯ ঃ** ই ১৯৭৯ চনৰ ৩ৰ পৰা ৯ ছেপ্টেম্বৰলৈ কিউবাৰ ৰাজধানী হাভানা চহৰত অনুষ্ঠিত হৈছিল। দীঘলীয়া আলোচনা আৰু বিভিন্ন গুৰুত্বপূর্ণ বিষয়ৰ ওপৰত তর্ক-বিতর্কৰ পাছত এই সন্মিলনৰ অন্ত পৰিছিল এক ঘোষণাৰ সৈতে যাৰ গুৰুত্বপূর্ণ বৈশিষ্টসমূহ হ'ল— গোষ্ঠী নিৰপেক্ষতাক সবল কৰাৰ এক আহ্বান, পৰম শক্তিসমূহৰ কর্তৃত্বৰ নীতি বাতিল, সামৰিক মিত্রতা চুক্তি আৰু সামৰিক ঘাটিৰ ধ্বংসৰ আহ্বান আৰু ধনী আৰু দুখীয়া দেশৰ মাজৰ ব্যৱধান কমাবলৈ পদক্ষেপ ল'বলৈ আহ্বান।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সপ্তম শীর্ষ সন্মিলন— নতুন দিল্লী শীর্ষ সন্মিলন, ১৯৮৩ ঃ** এই সন্মিলন নতুন দিল্লীত অনুষ্ঠিত হৈছিল ১৯৮৩ চনৰ ৭ৰ পৰা ১১ মার্চলৈ। নতুন দিল্লী শীর্ষ সন্মিলনে পৰম শক্তিসমূহৰ মাজত বর্ধিত অস্ত্র সংগ্রহৰ প্রতিযোগিতা আৰু উন্নত উন্নয়নশীল দেশসমূহৰ মাজত ক্রমবর্ধমান অর্থনৈতিক ব্যৱধানক সাম্প্রতিক আন্তর্জাতিক সম্পর্কত বুনিয়াদী বিষয় হিচাপে চিহ্নিত কৰে যাক আমাৰ মনোযোগৰ প্রয়োজন।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ অষ্টম শীর্ষ সন্মিলন— হাৰাৰে শীর্ষ সন্মিলন, ১৯৮৬ ঃ** অষ্টম গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীর্ষ সন্মিলন জিম্বাবৱেৰ ৰাজধানী হাৰাৰেত অনুষ্ঠিত হৈছিল। হাৰাৰে শীর্ষ সন্মিলনখন ১৯৮৬ চনৰ ছেপ্টেম্বৰ মাহৰ ১ৰ পৰা ৬ তাৰিখলৈ অনুষ্ঠিত হৈছিল। এই শীর্ষ সন্মিলনে গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ মাজত পাৰস্পৰিক অর্থনৈতিক সহযোগৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নৱম শীর্ষ সন্মিলন— বেলগ্রেড শীর্ষ সন্মিলন, ১৯৮৯ ঃ** নৱম গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীর্ষ সন্মিলন যুগোশ্লাভিয়াৰ ৰাজধানী বেলগ্রেডত

অনুষ্ঠিত হৈছিল ১৯৮৯ চনৰ ছেপ্টেম্বৰ মাহৰ প্ৰথম ভাগত। এই শীৰ্ষ সন্মিলনৰ আলোচনাৰ মূল বিষয় আছিল অৰ্থনৈতিক বিষয় যিয়ে উত্তৰ আৰু দক্ষিণৰ দেশসমূহৰ মাজৰ সম্পৰ্কত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে।

- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দশম শীৰ্ষ সন্মিলন— জাকার্তা শীৰ্ষ সন্মিলন, ১৯৯২** ঃ এই শীৰ্ষ সন্মিলন ইণ্ডোনেছিয়াৰ ৰাজধানী জাকার্তাত অনুষ্ঠিত হৈছিল ১৯৯২ চনৰ ১ ছেপ্টেম্বৰৰ পৰা ৬ ছেপ্টেম্বৰলৈ। এই শীৰ্ষ সন্মিলনত গোষ্ঠী নিৰপেক্ষ দেশসমূহে কেৱল গোষ্ঠী নিৰপেক্ষতাৰ অবিৰত প্ৰাসংগিকতা প্ৰদৰ্শন কৰাই নহয়, সংকট নিৰাময় কৰা আৰু আন্তৰ্জাতিক সম্পৰ্কৰ সমস্যা আৰু মুখ্য বিষয়সমূহৰ ক্ষেত্ৰত এক মতত উপনীত হোৱাৰ ক্ষমতাও প্ৰমাণ কৰে।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ একাদশ শীৰ্ষ সন্মিলন— কার্টাজেনা শীৰ্ষ সন্মিলন, ১৯৯৫** ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ একাদশ শীৰ্ষ সন্মিলন কলম্বিয়াৰ কার্টাজেনাত অনুষ্ঠিত হৈছিল। এই শীৰ্ষ সন্মিলনত পাৰমাণৱিক অস্ত্ৰ নোহোৱা কৰা উদ্দেশ্যত উপনীত হোৱাৰ পথত প্ৰথম খোজ হিচাপে পৃথিৱীৰ বিভিন্ন অংশত পাৰমাণৱিক অস্ত্ৰহীন মণ্ডল প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছিল। উন্নয়নশীল দেশসমূহে সন্মুখীন হোৱা অৰ্থনৈতিক সমস্যাৰ ক্ষেত্ৰত, গোষ্ঠী নিৰপেক্ষ আন্দোলনে বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সংস্কাৰ সাধন কৰিবলৈ আহ্বান জনাইছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দ্বাদশ শীৰ্ষ সন্মিলন— ডাৰবান শীৰ্ষ সন্মিলন, ১৯৯৮** ঃ এইখন ১৯৯৮ চনৰ ৪ আৰু ৫ ছেপ্টেম্বৰত দক্ষিণ আফ্ৰিকাৰ ডাৰবানত অনুষ্ঠিত হোৱা দুদিনীয়া শীৰ্ষ সন্মিলন আছিল। এই সন্মিলনে বিশ্বব্যাপী হোৱা সন্ত্ৰাসবাদৰ সমস্যা সমাধানৰ উপায় আলোচনা কৰিছিল আৰু পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ বিষয়টো আলোচনা কৰিবলৈ আন এখন আন্তৰ্জাতিক সন্মিলন অনুষ্ঠিত কৰাৰ বিষয়ে আলোচনা কৰিছিল। ব্যৱসায়-বাণিজ্যৰ বিষয়ত সহযোগিতা সৃষ্টি কৰা আৰু উপযুক্ত আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক ব্যৱস্থাৰ সৃষ্টি কৰাৰ কাৰণে উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজত আলোচনা হোৱাৰ ওপৰত এই সন্মিলনে গুৰুত্ব দিছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ত্ৰয়োদশ শীৰ্ষ সন্মিলন— কুৱালালামপুৰ শীৰ্ষ সন্মিলন, ২০০৩** ঃ ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত ত্ৰয়োদশ শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হৈছিল। সদস্য দেশসমূহে বহু মেৰুযুক্ত বিশ্ব গঠন কৰা, ৰাষ্ট্ৰ সংঘক সবল কৰা আৰু আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই শীৰ্ষ সন্মিলনে এই বৃহৎ আন্তৰ্জাতিক আন্দোলনৰ অবিৰত উপস্থিতি আৰু প্ৰাসংগিকতা প্ৰদৰ্শন কৰে।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ চৰ্তুদশ শীৰ্ষ সন্মিলন— হাভানা শীৰ্ষ সন্মিলন, ২০০৬** ঃ হাভানা শীৰ্ষ সন্মিলন ২০০৬ চনৰ ১৬ আৰু ১৭ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল। এই সন্মিলনে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি আৰু উন্নয়নশীল দেশসমূহৰ বিকাশৰ

অধিকাৰ আৰু শান্তিপূৰ্ণ উদ্দেশ্যৰ বাবে পাৰমাণৱিক শক্তি ব্যৱহাৰৰ অধিকাৰৰ ক্ষেত্ৰত ভাৰতৰ দৃঢ়তাক সমৰ্থন কৰিছিল। গোষ্ঠী নিৰপেক্ষ দেশসমূহক সন্ত্ৰাসবাদৰ প্ৰতি ৰাজনৈতিক, কূটনৈতিক, নৈতিক আৰু পাৰ্থিৱ সমৰ্থন প্ৰদান কৰাৰ পৰা বিৰত থাকিবলৈ আৰু UN চাৰ্টাৰৰ পৰামৰ্শ মতে কাম কৰিবলৈ আবেদন জনোৱা হৈছিল।

- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ পঞ্চদশ শীৰ্ষ সন্মিলন— ছাৰ্ম-এল-ছেইখ (ইজিপ্ত) শীৰ্ষ সন্মিলন, ২০০৯ ঃ** পঞ্চবিংশতম গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছিল ইজিপ্তৰ ছাৰ্ম-এল-ছেইখত ২০০৯ চনৰ ১১ৰ পৰা ১৬ জুলাইলৈ। এই শীৰ্ষ সন্মিলনৰ সময়ছোৱাত, ১১৮ খন উন্নয়নশীল দেশৰ চৰকাৰৰ মুৰব্বীসকলে বিশ্বৰ অৰ্থনৈতিক মন্দাৱস্থা, সন্ত্ৰাসবাদ, জলবায়ু পৰিবৰ্তন আৰু খাদ্যৰ নিৰাপত্তাৰ লগত জড়িত বিষয়সমূহ আলোচনা কৰিছিল। শীৰ্ষ সন্মিলনৰ অন্যান্য বিষয়বস্তুসমূহৰ ভিতৰত আছিল বিকাশ, মানৱ অধিকাৰ আৰু সামাজিক বিষয়বস্তু।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ষষ্ঠদশ শীৰ্ষ সন্মিলন— তেহৰাণ, ইৰাণ শীৰ্ষ সন্মিলন, ২০১২ ঃ** ষষ্ঠদশ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছিল ইৰাণৰ তেহৰাণ চহৰত ২০১২ চনৰ ২৬ৰ পৰা ৩১আগষ্টলৈ। এই শীৰ্ষ সন্মিলনৰ সময়ছোৱাত, ১২০ খন উন্নয়নশীল দেশৰ চৰকাৰৰ মুৰব্বীসকলে বিভিন্ন বিষয় যেনে- পৰমাণু নিৰস্ত্ৰীকৰণ, মানৱ অধিকাৰ, আঞ্চলিক বিষয় আদিৰ সম্পৰ্কে আলোচনা কৰিছিল।
- **গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সপ্তদশ শীৰ্ষ সন্মিলন–ভেনিজুৱেলা শীৰ্ষ সন্মিলন,২০১৬ ঃ** চনৰ ছেপ্টেম্বৰ মাহত ভেনিজুৱেলাত সপ্তদশ শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হৈছিল । এই শীৰ্ষ সন্মিলনৰ সময়ছোৱাত, উন্নয়নশীল দেশৰ চৰকাৰৰ মুৰব্বীসকলে বিভিন্ন বিষয় যেনে- গোলকীয় উষ্ণতা, বহনক্ষম উন্নয়ন, আন্তৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা, যুক্তৰাষ্ট্ৰৰ শান্তিৰক্ষাকাৰী বাহিনী আদিৰ সম্পৰ্কে আলোচনা কৰিছিল।

আজাৰবাইজাৱনৰ বাকুত ২০১৯ চনৰ জুন মাহত NAM ৰ অষ্টদশ শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হ'ব।

৬.৫.১ একবিংশ শতিকাত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰাসংগিকতা

গোষ্ঠী নিৰপেক্ষতাৰ উৎপত্তি হৈছিল শীতল যুদ্ধৰ যুগত আৰু ইয়াক নতুনকৈ স্বাধীন হোৱা দেশসমূহে অৱলম্বন কৰিছিল শীতল যুদ্ধ, নিৰাপত্তা চুক্তি আৰু শক্তিৰ ৰাজনীতিৰ পৰা আঁতৰত থকাৰ উদ্দেশ্যে। ১৯৬১ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনে আন্তৰ্জাতিক সম্পৰ্কত এক সক্ৰিয় ভূমিকা পালন কৰিছিল। কিন্তু, যেতিয়া শীতল যুদ্ধৰ অন্ত পৰিছিল, গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সমালোচকসকলে তৰ্ক কৰিছিল যে যিহেতু গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল শক্তি গোষ্ঠীত বিশ্বৰ বিভাজন ৰোধ কৰা, শীতল যুদ্ধৰ অন্ত পৰাৰ লগে লগে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰাসংগিকতা নোহোৱা হৈ পৰিছে।

তেওঁলোকে ইয়াকো কয় যে গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইয়াৰ অন্ত পেলাব লাগে বা নতুন আন্দোলনলৈ ৰূপান্তৰিত হ'ব লাগে।

গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সদস্যসমূহে পিচে ইয়াক এক অদূৰদৰ্শী দৃষ্টিভংগী বুলি কয়। তেওঁলোকে মত পোষণ কৰে যে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ মুখ্য উদ্দেশ্য হ'ল আন্তর্জাতিক সম্পর্কত স্বাধীন বিবেচনা আৰু কার্য পালন কৰা। শীতল যুদ্ধ আৰু দ্বিমেৰুকৰণৰ যুগত গোষ্ঠী নিৰপেক্ষতাক এক স্বাধীন বৈদেশিক নীতিৰ আদর্শ হিচাপে ৰূপ দিয়া হৈছিল। এই মুখ্য উদ্দেশ্যটো এতিয়াও প্রযোজ্য আৰু সেয়েহে ই সম্পূর্ণ প্রাসংগিক আন্দোলন।

গণতন্ত্রৰ প্রতি নতুন আগ্রহ, বহু দল ব্যৱস্থা মানৰ অধিকাৰৰ সন্মান আৰু মুক্ত অর্থনীতি আৰু বিশ্ব অর্থনীতিৰ সৈতে ইয়াৰ মিলন আদিয়ে গোষ্ঠী নিৰপেক্ষতাৰ আদর্শৰ সৈতে সুন্দৰকৈ খাপ খায়। শান্তিপূর্ণ সহাৱস্থান, সহযোগ আৰু বিবাদৰ শান্তিপূর্ণ মীমাংসাৰ ওপৰত প্রদান কৰা গুৰুত্বই গোষ্ঠী নিৰপেক্ষতাৰ প্রাসংগিকতাৰ যুক্তিযুক্ততা প্রমাণ কৰে।

গোষ্ঠী নিৰপেক্ষ আন্দোলনে এক আন্তর্জাতিক আন্দোলন, তৃতীয় বিশ্বৰ সকলো দেশৰ এক আন্দোলন হিচাপে অব্যাহত হৈ আছে। ই নতুন ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে এক আন্দোলন। যিহেতু ধনী আৰু শক্তিশালী দেশসমূহে তৃতীয় বিশ্বৰ দেশসমূহৰ অর্থনীতি আৰু ৰীতিৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্রণ অব্যাহত ৰাখিছে, সেয়েহে গোষ্ঠী নিৰপেক্ষ আন্দোলন অব্যাহত ৰখাৰ যুক্তিযুক্ততা এতিয়াও আছে, যাক নতুন ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে তৃতীয় বিশ্বৰ যুদ্ধ যুঁজিবলৈ ৰূপ দিয়া হৈছিল। তদুপৰি, গোষ্ঠী নিৰপেক্ষ আন্দোলনে এতিয়াও আন্তর্জাতিক ৰাজনীতিত এতিয়াও আন্তর্জাতিক সন্ত্রাসবাদ, অস্ত্র সংগ্রহৰ প্রতিযোগিতা, পাৰমাণৱিক অস্ত্র আদিৰ বিৰুদ্ধে যুদ্ধ জয় কৰিবলৈ আছে। এই কথাত সন্দেহ নাই যে, এই দিশত কিছু প্রগতি হৈছে, তথাপিও এই অশুভ শক্তিসমুহৰ বিৰুদ্ধে যুদ্ধ জয় কৰিবলৈ এতিয়াও বাকী আছে।

এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ এতিয়াও জনপ্রিয়তা আছে। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সদস্যসংখ্যা আৰু জনপ্রিয়তা স্থিৰ আৰু অবিৰতভাৱে বাঢ়ি গৈ আছে। সেয়েহে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রাসংগিকতাক অগ্রাহ্য কৰিব নোৱাৰি। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উদ্দেশ্যসমূহ দীর্ঘম্যাদী উদ্দেশ্য, যেনে নতুন আন্তর্জাতিক অর্থনৈতিক পৰিস্থিতি প্রতিষ্ঠা কৰা আৰু আন্তর্জাতিক ব্যৱস্থা আৰু কার্যপ্রণালী গণতান্ত্রিক কৰা। এই উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ দীর্ঘ সময়ৰ প্রয়োজন। সেয়েহে গোষ্ঠী নিৰপেক্ষ আন্দোলন একবিংশ শতিকাত জীয়াই থাকিবলৈ, সক্রিয় হৈ থাকিবলৈ আৰু প্রাসংগিক হৈ থাকিবলৈ প্রতিজ্ঞাবদ্ধ।

সেয়েহে আমি মনত ৰখা উচিত যে ইয়াৰ জীৱন আৰু শক্তিৰ বাবে গোষ্ঠী নিৰপেক্ষ আন্দোলনে আন্তর্জাতিক ব্যৱস্থাৰ ক্ষেত্রত নতুন দৃষ্টিভংগী নীতি আৰু সিদ্ধান্ত গ্রহণ কৰিব লাগিব। গোষ্ঠী নিৰপেক্ষ আন্দোলন ইয়াৰ জীৱনকালৰ ৪৮ বছৰ অতিবাহিত কৰিছে। শীতল যুদ্ধ আৰু শক্তিৰ ৰাজনীতিৰ অন্ত পৰাৰ পাছতো সাম্প্রতিক সময়ত ই সর্ববৃহৎ আন্তর্জাতিক আন্দোলন হিচাপে অব্যাহত আছে। শীতল যুদ্ধৰ অন্ত পৰাৰ পাছতো ছটা শীর্ষ সন্মিলন সফলভাৱে অনুষ্ঠিত কৰি গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইয়াৰ সমালোচকসকলক নীৰৱ কৰি তুলিলে, যিসকলে তর্ক কৰিছিল যে শীতল যুদ্ধৰ অন্তই গোষ্ঠী নিৰপেক্ষ আন্দোলনক অপ্রাসংগিক আৰু অতিৰিক্ত কৰি তুলিছে।

গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইয়াৰ পৰম্পৰাগত ৰূপতেই একবিংশ শতিকাত প্রৱেশ কৰিছে আৰু ইয়াৰ ভৱিষ্যৎ কর্মপন্থা গ্রহণ কৰাত ব্যস্ত হৈ পৰিছে। ই আন্তর্জাতিক সন্ত্রাসবাদৰ বিৰুদ্ধে শক্তিশালী আন্দোলন হিচাপে কাম কৰাৰ প্রচুৰ সম্ভাৱনা আছে আৰু সেয়েহে ই আন্তর্জাতিক শান্তি, নিৰাপত্তা আৰু বিকাশৰ কাৰণে উৎসর্গিত উন্নয়নশীল দেশসমূহৰ আন্দোলন হিচাপে জীৱিত থাকিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রথম শীর্ষ সন্মিলন ক'ত অনুষ্ঠিত হৈছিল?

.....

.....

প্রশ্ন নং ৮ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীর্ষ সন্মিলন (১৯৮৩) কোন চহৰত অনুষ্ঠিত হৈছিল?

.....

.....

প্রশ্ন নং ৯ ঃ ২০০৯ চনৰ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ১৫তম শীর্ষ সন্মিলন ক'ত অনুষ্ঠিত হৈছিল?

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'গোষ্ঠী নিৰপেক্ষতা' শব্দটো পোন প্রথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৫৪ চনত শ্রীলংকাৰ কলম্বোত এক ভাষণ প্রদানৰ সময়ত। তেওঁৰ পাছৰ

পৰাই গোষ্ঠী নিৰপেক্ষতা শব্দটো সামৰিক গোষ্ঠী, শীতল যুদ্ধ আৰু দুয়োটা শক্তি গোষ্ঠীৰ শক্তি ৰাজনীতিৰ পৰা আঁতৰত থকা নীতিক বুজাবলৈ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছিল।

- গোষ্ঠী নিৰপেক্ষতা পৰম শক্তিৰ সৈতে মিত্রতা চুক্তিৰ বিৰোধী। এই কথা উল্লেখ কৰিব পাৰি যে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱর্তী কালত উদ্ভৱ হোৱা সামৰিক মিত্রতা চুক্তি যেনে NATO. Warsaw Pact আদিৰ গোষ্ঠী নিৰপেক্ষতাই বিৰোধিতা কৰিছিল কাৰণ এই মিত্রতা চুক্তিবোৰক পৰম শক্তিবোৰে বিশ্বত নিজৰ নিয়ন্ত্রণ ৰক্ষাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। সেয়েহে গোষ্ঠী নিৰপেক্ষতা এনে সকলো ধৰণৰ সামৰিক, ৰাজনৈতিক আৰু নিৰাপত্তা মিত্রতা চুক্তিৰ পৰা আঁতৰত থকাৰ সপক্ষে।

  গোষ্ঠী নিৰপেক্ষতা আমেৰিকা আৰু কমিউনিষ্ট ৰাছিয়া দুয়োটা পৰম শক্তিৰ পৰা দূৰত থকাৰ পক্ষে।
- গোষ্ঠী নিৰপেক্ষতাৰ অন্য এক বৈশিষ্ট্য হ'ল ৰাষ্ট্রসমূহৰ মাজত জাতিগত সমতাক বৰ্ধিত কৰা। সেয়েহে এই আন্দোলনে যিকোনো ধৰণৰ জাতিগত বৈষম্যৰ বিৰোধিতা কৰে, যেনে দক্ষিণ আফ্রিকাত থকা জাতিগত পৃথকীকৰণৰ প্রণালী।
- কেতিয়াবা কেতিয়াবা গোষ্ঠী নিৰপেক্ষতা বিচ্ছিন্নতা বুলি বিভ্রান্তিৰ সৃষ্টি হয়। কিন্তু প্রকৃততে গোষ্ঠী নিৰপেক্ষতাই বিচ্ছিন্নতা প্রত্যাহাৰ কৰে আৰু আন্তর্জাতিক ৰাজনীতিত পূর্ণ অংশগ্রহণৰ অধিকাৰ গ্রহণ কৰে। ই বিশ্ব ৰাজনীতিত পূর্ণ আৰু সাহসী অংশগ্রহণৰ সপক্ষে আৰু সকলো আন্তর্জাতিক বিষয় আৰু সমস্যাত মুক্তভাৱে ভাব প্রকাশৰ সপক্ষে।
- এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ এতিয়াও জনপ্রিয়তা আছে। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সদস্যসংখ্যা আৰু জনপ্রিয়তা স্থিৰ আৰু অবিৰতভাৱে বাঢ়ি গৈ আছে। সেয়েহে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রাসংগিকতাক অগ্রাহ্য কৰিব নোৱাৰি।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্র, নায়ক, অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*; গুৱাহাটী, অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ (২০০৫); *আন্তর্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

১) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

২) Malhotra, Vinay Kumar (2006). *International Relations*. New Delhi: Anmol Publications Pvt.Ltd.

৩) Ghai, K.K. (2005) *International Relations – Theory and Practice*. New Delhi: Kalyani Publishers.



৬.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জৱাহৰলাল নেহৰু

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) সামৰিক আৰু নিৰাপত্তা চুক্তি প্ৰত্যাহাৰ

খ) পৰম শক্তিসমূহৰ পৰা সমদূৰত্ব

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পণ্ডিত জৱাহৰলাল নেহৰু, গামাল আবদেল নাছেৰ, ৰাষ্ট্ৰপতি ইজিপ্ত আৰু যুগোশ্লাভিয়াৰ ৰাষ্ট্ৰপতি মাৰ্শেল টিটো।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক) গোষ্ঠী নিৰপেক্ষতাক অবাস্তৱধৰ্মী আৰু আদৰ্শবাদী নীতি বুলি সমালোচনা কৰা হৈছিল।

খ) গোষ্ঠী নিৰপেক্ষতাক নিষ্ক্ৰীয়তাৰ নীতি বুলি সমালোচনা কৰা হৈছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) গোষ্ঠী নিৰপেক্ষতাই আন্তৰ্জাতিক সম্পৰ্কত পূৰ্ণ কৰ্ম আৰু অংশগ্ৰহণক অন্তৰ্ভুক্ত কৰে।

খ) গোষ্ঠী নিৰপেক্ষতাই নতুন দেশসমূহক আন্তৰ্জাতিক সম্পৰ্কত তেওঁলোকৰ বাঞ্ছিত ভূমিকা পালন কৰিবলৈ সক্ষম কৰি তুলিছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বেলগ্ৰেড

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নতুন দিল্লী

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ছাৰ্ম-এল-ছেইখ, ইজিপ্ত।



৬.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সপক্ষে যিকোনো দুটা যুক্তি উল্লেখ কৰক।

প্রশ্ন ২ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ যিকোনো দুটা সমালোচনা উল্লেখ কৰক।

প্রশ্ন ৩ ঃ 'গোষ্ঠী নিৰপেক্ষতা' শব্দটো কোনে পোন প্রথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল?

প্রশ্ন ৪ ঃ গোষ্ঠী নিৰপেক্ষতা আন্দোলনৰ ষষ্ঠদশ শীর্ষ সন্মিলন ক'ত অনুষ্ঠিত হৈছিল?

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ উৎপত্তিত অৰিহণা যোগোৱা বিভিন্ন উপাদানসমূহৰ বিষয়ে সংক্ষেপে বর্ণনা কৰক।

প্রশ্ন ২ ঃ একবিংশ শতিকাত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রাসংগিকতা বর্ণনা কৰক।

প্রশ্ন ৩ ঃ তলত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত চমুটোকা লিখকঃ

(ক) গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্রথম শীর্ষ সন্মিলন- বেলগ্রেড শীর্ষ সন্মিলন, ১৯৬১

(খ) গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দশম শীর্ষ সন্মিলন- জাকার্তা শীর্ষ সন্মিলন, ১৯৯২

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আন্তঃ ৰাষ্ট্রীয় ৰাজনীতিৰ পৰিপ্রেক্ষিতত গোষ্ঠী নিৰপেক্ষতাৰ অর্থ আলোচনা কৰক। গোষ্ঠী নিৰপেক্ষতাৰ বৈশিষ্ট্য সমূহ কি কি?

প্রশ্ন ২ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ বিভিন্ন সন্মিলন আৰু শীর্ষ সন্মিলনৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৭ ঃ আঞ্চলিক সংস্থা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ইউৰোপীয় সংঘ (EU)
৭.৩.১ ইউৰোপীয় সংঘৰ গঠন
৭.৩.২ ইউৰোপীয় সংঘৰ গাঁথনি
৭.৩.৩ ইউৰোপীয় সংঘ আৰু ভাৰত
৭.৪ দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন (ছার্ক-SAARC)
৭.৪.১ ছার্কৰ গঠন
৭.৪.২ ছার্কৰ উদ্দেশ্যসমূহ
৭.৪.৩ ছার্কে সমুখীনহোৱা সমস্যাসমূহ
৭.৫ দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্রসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN)
৭.৫.১ এচিয়ানৰ গঠন
৭.৫.২ এচিয়ানৰ উদ্দেশ্য আৰু নীতিসমূহ
৭.৫.৩ এচিয়ানৰ ভূমিকা
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইউৰোপীয় সংঘৰ গাঁথনিৰ বর্ণনা কৰিব পাৰিব,
- ছার্কৰ গঠন সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- ছার্কৰ উদ্দেশ্যসমূহ আলোচনা কৰিব পাৰিব
- ছার্কে সন্মুখীন হোৱা সমস্যাসমূহ ব্যাখ্যা কৰিব পাৰিব
- এচিয়ানৰ গঠন সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- এচিয়ানৰ উদ্দেশ্য সর্ম্পকে আলোচনা কৰিব পাৰিব
- এচিয়ানৰ ভূমিকা সর্ম্পকে ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

আঞ্চলিক সংস্থা সমূহে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই আঞ্চলিক সংস্থা সমূহে কোনো এক আঞ্চলৰ কেইবাখনো দেশ প্ৰতিনিধিত্ব কৰে।দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰাত এই আঞ্চলিক সংস্থা সমূহে এক সক্ৰিয় ভূমিকা পালন কৰি আহিছে।

দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিয়ে আন্তৰ্জাতিক ৰাজনীতিলৈ বহুতো পৰিবৰ্তন আনিছিল। এই সময়ছোৱাত আঞ্চলিক সহযোগিতাৰ গঠনৰ প্ৰক্ৰিয়াটো দেখা গৈছিল; এই সহযোগিতা অৰ্থনৈতিক লগতে নিৰাপত্তাজনিত কাৰণৰ বাবে সৃষ্টি হৈছিল। সমগ্ৰ বিশ্বজুৰি দেশসমূহে পৰস্পৰ নিৰ্ভৰশীলতা আৰু সহযোগিতাৰ গুৰুত্ব বুজি উঠিছিল। এই আন্দোলন ইউৰোপত আৰম্ভ হৈছিল যদিও অতিশীঘ্ৰেই ই বিশ্বৰ অন্যান্য অংশবোৰলৈ বিয়পি পৰিছিল। এই অধ্যায়ত আমি তিনিটা অতি গুৰুত্বপূৰ্ণ আঞ্চলিক সংগঠনৰ বিষয়ে আলোচনা কৰিম, অৰ্থাৎ ইউৰোপীয় সংঘ (EU), দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন (SAARC) আৰু দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (ASEAN)।

৭.৩ ইউৰোপীয় সংঘ

৭.৩.১ ইউৰোপীয় সংঘৰ গঠন

ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী আৰিষ্টাইড ব্ৰিয়ান্দকেই ১৯২৯ চনত এক ইউৰোপীয় যুক্তৰাষ্ট্ৰীয় সংঘৰ প্ৰস্তাৱ দিয়া আগশাৰীৰ ৰাজনৈতিকৰ কৃতিত্ব দিয়া হয়। পৰৱৰ্তীকালত ১৯৪৯ চনত ফ্ৰান্সৰ পৰিকল্পনা আয়ুক্ত জিন মন্নেটে ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী ৰবাৰ্ট স্কুমেনৰ আগত এক আঁচনি প্ৰস্তাৱ কৰে। এয়াই ১৯৫১ চনত স্থাপিত হোৱা ইউৰোপীয় কয়লা আৰু তীখা সম্প্ৰদায়ৰ ভেটি। ছখন দেশ যেনে— বেলজিয়াম, ফ্ৰান্স, ইটালী, লাক্সেমবাৰ্গ, নেদাৰলেণ্ড আৰু পশ্চিম জাৰ্মানীয়ে ১৯৫১ চনত পেৰিছ চুক্তিত চহী কৰিছিল, যিয়ে ইউৰোপীয় কয়লা আৰু তীখা সম্প্ৰদায়ৰ জন্ম দিছিল। কয়লা আৰু তীখাৰ এক সমূহীয়া বজাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে ছখন দেশেই তেওঁলোকৰ কয়লা আৰু তীখাৰ সম্পদসমূহ একগোট কৰিবলৈ মান্তি হৈছিল। ১৯৫৭ চনত ৰোমৰ চুক্তিয়ে ইউৰোপীয় অৰ্থনৈতিক সম্প্ৰদায় আৰু ইউৰোপীয় আণৱিক শক্তি সম্প্ৰদায় প্ৰতিষ্ঠা কৰিছিল। ইউৰোপীয় অৰ্থনৈতিক সম্প্ৰদায়ৰ অধীনত ইউৰোপৰ অৰ্থনৈতিক সংহতিৰ প্ৰচেষ্টা চলোৱা হৈছিল। ১৯৭৩ চনত ব্ৰিটেইনক ইউৰোপীয় অৰ্থনৈতিক সম্প্ৰদায়ৰ প্ৰৱেশাধিকাৰ দিয়া হৈছিল। ডেনমাৰ্ক আৰু আয়াৰলেণ্ডেও এই সংগঠনটোত যোগদান কৰিছিল। পৰৱৰ্তীকালত ইখনৰ পাচত সিখনকৈ গ্ৰীচ, পৰ্তুগাল, স্পেইন আৰু পূৰ্বৰ পূব জাৰ্মানী আদি ইউৰোপীয় দেশসমূহে EECত যোগদান কৰিছিল। ইউৰেটম

(Euratom) ৰ কথা ক'বলৈ গ'লে ই পাৰমাণৱিক শক্তিৰ বিকাশৰ ক্ষেত্ৰত সহযোগিতা লাভ কৰিব বিচাৰিছিল। সেই অনুসৰি এই তিনিওটা অনুষ্ঠান অর্থাৎ ECSC, EEC আৰু Euratom-এ বিভিন্ন ক্ষেত্ৰত ইউৰোপীয় সংহতিৰ অর্থে কাম কৰিছিল আৰু এই তিনিওটা একেলগে ইউৰোপীয় সম্প্ৰদায় European Communities– EC) গঠন কৰিছিল। ১৯৯৩ চনৰ ১ নৱেম্বৰত মাছট্ৰিক্ট চুক্তি (Maastricht Treaty) কার্যকৰী হয়। এই চুক্তিৰ অধীনত ১৯৯৩ চনত ইউৰোপীয় সংঘ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰা হয়। ইউৰোপীয় সংঘৰ তিনিটা মুখ্য অংগ আছে— (ক) ইউৰোপীয় সম্প্ৰদায়, (খ) সমূহীয়া বৈদেশিক আৰু নিৰাপত্তা নীতি, (গ) অপৰাধ সম্পৰ্কীয় বিষয়ত আৰক্ষী আৰু আইনৰ সহযোগিতা। পৰৱর্তী সময়ত এই অংগৰ বিভাজন প্ৰত্যাহাৰ কৰা হৈছিল। ২০০৯ চনত লিছবন চুক্তি (Lisbon Treaty) কার্যকৰী হোৱাৰ পাচত ইউৰোপীয় সম্প্ৰদায়ৰ সকলো ক্ষমতা আৰু কার্যাৱলী ইউৰোপীয় সংঘলৈ হস্তান্তৰ কৰা হৈছিল। বর্তমান ইউৰোপীয় সংঘ ২৮ খন সদস্য ৰাষ্ট্ৰৰ দ্বাৰা গঠিত।

১৯৯৯ চনৰ ১ জানুৱাৰীত মুদ্ৰাকেন্দ্ৰিক একতাৰ ক্ষেত্ৰত ইউৰোপীয়ান ইউনিয়নে এক গুৰুত্বপূর্ণ সফলতা লাভ কৰিছিল। সেই দিনাৰ পৰা 'ইউৰো' নামৰ একক ইউৰোপীয়ান মুদ্ৰাবিধৰ প্ৰচলন আৰম্ভ হৈছিল। বর্তমানলৈকে ইউৰোপীয়ান ইউনিয়নৰ ১৯ খন সদস্য ৰাষ্ট্ৰই 'ইউৰো'ক উমৈহতীয়া মুদ্ৰাৰূপে গ্ৰহণ কৰিছে। 'ইউৰো'ৰ প্ৰচলন ঘটোৱা দেশবোৰৰ মুঠ এলেকাটোক 'ইউৰো অঞ্চল' বুলি আনুষ্ঠানিক ভাৱে জনা যায়। অঞ্চলটোক সাধাৰণতে 'ইউৰো জোন' (eurozone) বুলি উল্লেখ কৰা হয়।

ইউৰোপীয় সংঘৰ মূল উদ্দেশ্যসমূহক তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰি ঃ

- ইউৰোপীয় দেশসমূহৰ অর্থনৈতিক আৰু ৰাজনৈতিক ঐক্যৰ অর্থে কাম কৰা।
- নিৰাপত্তা আৰু বৈদেশিক নীতি আৰু আৰক্ষী আৰু আইনগত বিষয়ত সহযোগিতাৰ অর্থে সদস্য ৰাষ্ট্ৰসমূহৰ ঐক্যবদ্ধ কার্যপালনৰ বাবে এক গাঁথনি প্ৰস্তুত কৰা।
- আন্তর্জাতিক মঞ্চত ইউৰোপীয় সংঘৰ পৰিচয় সাব্যস্ত কৰা।
- ইউৰোপীয় নাগৰিকতাৰ সূচনা কৰা। সঁচা অর্থত ক'বলৈ গ'লে ইউৰোপীয় সংঘৰ নাগৰিকতাৰ সূচনা কৰিছিল ১৯৯২ চনৰ মাছট্ৰিক চুক্তিয়ে। ই ১৯৯৩ চনত কার্যকৰী হৈছিল। এতিয়া ইউৰোপীয় সংঘৰ সদস্য ৰাষ্ট্ৰৰ জাতীয়তা থকা প্ৰত্যেক জন ব্যক্তিয়ে এই সংঘৰ নাগৰিক। অৱশ্যে এই নাগৰিকত্বই জাতীয় নাগৰিকত্বক সলনি নকৰে, ই সংযোজিত নাগৰিকত্বহে।
- সামাজিক আৰু অর্থনৈতিক উন্নতি বর্ধিত কৰা।
- স্বাধীনতা, নিৰাপত্তা আৰু ন্যায়ৰ অর্থে প্ৰচেষ্টা চলোৱা।

ইউৰোপীয় সংঘৰ মুখ্য কার্যালয় বেলজিয়ামৰ ব্ৰাছেলছত আছে। আজি ইউৰোপীয় সংঘ পৃথিৱীৰ সর্ববৃহৎ অর্থনৈতিক গোষ্ঠী।

৭.৩.২ ইউৰোপীয় সংঘৰ গাঁথনি

- *ইউৰোপীয় আয়োগ ঃ* ইউৰোপীয় আয়োগ ২০ জন সদস্যৰে গঠিত হয়, যিসকলক সদস্য ৰাষ্ট্রসমূহে ৫ বছৰৰ কাৰণে নিয়োগ কৰে। ইউৰোপীয় আয়োগ, ইউৰোপীয় সংঘৰ কার্যকৰী নিকায়। ই আইন প্রণয়নৰ প্রস্তাৱ কৰা, সিদ্ধান্তসমূহ কার্যকৰী কৰা, সংঘৰ চুক্তিসমূহ কার্যকৰী কৰি ৰখা আৰু সংঘৰ দৈনন্দিন কামসমূহ কৰাৰ বাবে দায়বদ্ধ। এই আয়োগে কোনো দেশৰ অধীন নোহোৱাকৈ ইউৰোপীয় সংঘৰ স্বার্থৰ হকে কাম কৰে।
- *ইউৰোপীয় সংঘৰ পৰিষদ ঃ* ইউৰোপীয় সংঘৰ পৰিষদক মন্ত্রী পৰিষদ বুলিও জনা যায়। এই পৰিষদে ইউৰোপীয় সংঘৰ গুৰুত্বপূর্ণ সকলো সিদ্ধান্ত গ্রহণ কৰে। এই পৰিষদ ইউৰোপীয় সংঘৰ দুটা আইন প্রণয়নকাৰী অংগৰ এটা, আনটো হ'ল সংসদ। এই পৰিষদ সাতাইশজন জাতীয় মন্ত্রীৰ দ্বাৰা গঠিত।
- *ইউৰোপীয় সংসদ ঃ* ইউৰোপীয় সংসদ ইউৰোপীয় সংঘৰ পোনপটীয়াকৈ নির্বাচিত সংসদীয় অনুষ্ঠান। ইউৰোপীয় সংঘৰ পৰিষদৰ লগত একেলগে ই ইউৰোপীয় সংঘৰ দ্বিসদনীয় বিধায়িনী শাখা গঠন কৰে। এই সংসদখন ৭৩৬ জন সদস্যৰ দ্বাৰা গঠিত। ইয়াৰ সদস্যসকলক ইউৰোপীয় সংসদৰ সদস্য (Member of the European Parliament or MEPs) বোলা হয়। ইউৰোপীয় সংঘৰ সকলো নাগৰিকেই তেওঁলোকৰ নিজৰ নিজৰ দেশত প্রতিদ্বন্দ্বিতা কৰিব পাৰে অথবা ভোট দিব পাৰে।
- *ইউৰোপীয় সংঘৰ আদালতত ঃ* ইউৰোপীয় সংঘৰ আদালতে ইউৰোপীয় সংঘৰ সমগ্র ন্যায়পালিকাক সামৰি লয়। ই লাক্সেমবার্গত অৱস্থিত আৰু ইয়াৰ তিনিটা আদালত আছে— ইউৰোপীয় আদালত, সাধাৰণ আদালত আৰু অসামৰিক সেৱাৰ আদালত।

এই খিনিতে উল্লেখ কৰা ভাল হ'ব যে ২০১৬ চনৰ ২৩ জুনত অনুষ্ঠিত কৰা এক গণভোটৰপাচত ইউনাইটেড কিংড'ম-এ (গ্রেট বৃটেইনে) ইউৰোপীয়ান ইউনিয়ন ত্যাগ কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তটোৰ জনপ্রিয় নামটো হ'ল 'ব্রেক্সিট্' অথবা 'বৃটিছ এক্সিট'।

৭.৩.৩ ইউৰোপীয় সংঘ আৰু ভাৰত

ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত কূটনৈতিক সম্পর্ক স্থাপিত হয় ১৯৬২ চনত। আৰম্ভণিতে এই সম্পর্ক কেৱল অর্থনৈতিক আৰু বাণিজ্যৰ বিষয়তে সীমাবদ্ধ আছিল। ক্রমান্বয়ে এই সম্পর্কৰ পৰিসৰ বাঢ়ি গৈ বাণিজ্য আৰু উদ্যোগৰ উপৰি বিজ্ঞানসম্মত গৱেষণা আৰু পৰিবেশ সম্পর্কীয় বিষয়কো সামৰি লয়। ব্যৱসায়িক প্রতিষ্ঠান চুক্তি (১৯৭৩) আৰু অর্থনৈতিক আৰু ব্যৱসায়িক চুক্তি আদি

চুক্তি ভাৰত আৰু ইউৰোপীয় সংঘৰ এই বৰ্ধিত সম্পৰ্কৰ প্ৰমাণস্বৰূপ। শেহতীয়াভাৱে ১৯৯৪ চনত অংশীদাৰিত্ব আৰু বিকাশৰ ওপৰত ইউৰোপীয় সংঘ আৰু ভাৰতীয় যুক্তৰাষ্ট্ৰৰ মাজত এক সহযোগিতাৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিয়ে ইউৰোপীয় সংঘ আৰু ভাৰতৰ সহযোগিতাৰ আইনগত গাঁথনিৰ ব্যৱস্থা কৰে। তদুপৰি বছৰেকীয়া শীৰ্ষ সম্মিলন আৰু নিয়মীয়া মন্ত্ৰীস্তৰীয় আৰু বিশেষজ্ঞ স্তৰীয় সম্মিলনো ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত অনুষ্ঠিত হয়। ইউৰোপীয় সংঘ আৰু ভাৰতৰ মাজত প্ৰথমখন শীৰ্ষস্তৰীয় আলোচনা অনুষ্ঠিত হয় ২০০০ চনৰ জুন মাহত পৰ্তুগালৰ লিছ্বনত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোন চনত ইউৰোপীয় সংঘ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ ২০০৯ চনৰ লিছ্বনৰ চুক্তিৰ আগতে ইউৰোপীয় সংঘৰ তিনিটা মুখ্য অংগ কিহে গঠন কৰিছিল?

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ইউৰোপীয় সংঘৰ মুখ্য কাৰ্যালয় বেলজিয়ামৰ .....ত অৱস্থিত (খালী ঠাই পূৰণ কৰক)।

প্ৰশ্ন নং ৪ ঃ ইউৰোপীয় একমাত্ৰ মুদ্ৰাটোক ..... বোলা হয় (খালী ঠাই পূৰণ কৰক)।

৭.৪ দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন (ছার্ক- SAARC)

দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন (SAARC) এটা দক্ষিণ-এচিয়াৰ এটা মুখ্য অনুষ্ঠান। দক্ষিণ এচিয়াৰ দেশবোৰৰ মাজত দীঘলীয়া সহযোগিতাৰ ফলস্বৰূপে ছার্কৰ জন্ম হয়। ছার্কৰ সদস্য ৰাষ্ট্ৰসমূহ হ'ল— ভাৰত, ভূটান, মালদীপ, নেপাল, পাকিস্থান, বাংলাদেশ আৰু শ্ৰীলংকা। ২০০৫ চনত আফগানিস্তান ছার্কৰ অষ্টমখন সদস্য ৰাষ্ট্ৰ হিচাপে যোগদান দিয়ে।

৭.৪.১ ছার্কৰ গঠন

১৯৮৫ চনৰ ৮ ডিচেম্বৰত দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন

প্রতিষ্ঠা হয়। অৱশ্যে ইয়াৰ গঠনৰ প্ৰচেষ্টা বহু বছৰ আগৰ পৰাই আৰম্ভ হৈছিল। ছার্কৰ ধাৰণাটো আৰম্ভ কৰিছিল ১৯৭০ চনৰ পাছৰভাগত বাংলাদেশৰ তেতিয়াৰ ৰাষ্ট্ৰপতি স্বৰ্গীয় জিয়াউৰ ৰহমানে। ৰাষ্ট্ৰপতি ৰহমানেই প্ৰথমবাৰৰ বাবে সাতখন দক্ষিণ এছিয়াৰ দেশ অৰ্থাৎ একেখন মঞ্চত থিয় হোৱাৰ প্ৰয়োজন অনুভৱ কৰিছিল। এই প্ৰক্ৰিয়াটো আৰম্ভ কৰাৰ এক পদক্ষেপ হিচাপে দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতাৰ ওপৰত বাংলাদেশ গৱেষণা পত্ৰ নামৰ নথি-পত্ৰ এখনে তলত দিয়া সহযোগিতাৰ বহল ক্ষেত্ৰসমূহ নিৰ্দেশ কৰে।

- দূৰসংযোগ
- বতৰ বিজ্ঞান
- পৰিবহণ
- নৌবহৰ
- পৰ্যটন
- কৃষি বিষয়ক গৱেষণা
- সংযুক্ত কাৰ্য
- বজাৰ
- বৈজ্ঞানিক আৰু কাৰিকৰী সহযোগিতা
- শৈক্ষিক আৰু সাংস্কৃতিক সহযোগিতা

ইয়াৰ পাচত সাতখন দেশেও বিভিন্ন স্তৰত কেইবাখনো আলোচনাচক্ৰ অনুষ্ঠিত কৰে আৰু বিভিন্ন অধ্যয়ন সমাপন কৰা হয়। ছার্কৰ গঠনত আন এটা গুৰুত্বপূৰ্ণ পৰ্যায় আহে ১৯৮৩ চনত, যেতিয়া সাতখন দেশৰ বৈদেশিক মন্ত্ৰীসকলে নতুন দিল্লীত মিলিত হয় আৰু দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা চুক্তিত স্বাক্ষৰ কৰে। পৰৱৰ্তীকালত সাতখন দেশৰ চৰকাৰৰ মুৰব্বীসকলে ঢাকাত ছার্ক ঘোষণাপত্ৰ গ্ৰহণ কৰে।

ছার্কৰ মুখ্য অনুষ্ঠানসমূহ হ'ল—

- শীৰ্ষ সন্মিলন।
- মন্ত্ৰী পৰিষদৰ সভা।
- কাৰিকৰী কমিটী।
- অৰ্থনৈতিক সহযোগিতাৰ কমিটী।

১৯৮৭ চনত নেপালৰ কাঠমাণ্ডুত ছার্কৰ সচিবালয় প্ৰতিষ্ঠা কৰা হয়। এই সচিবালয় এজন সাধাৰণ সম্পাদক, সাতজন পৰিচালক আৰু সাধাৰণ সেৱাৰ কৰ্মচাৰীৰে গঠন কৰা হয়। ইয়াৰ ভূমিকাসমূহ হ'ল— ছার্কৰ কাৰ্যসমূহ ৰূপায়ণৰ সমন্বয় সাধন আৰু নিৰীক্ষণ কৰা, সংস্থাটোৰ সভা অনুষ্ঠিত কৰা আৰু ছার্ক আৰু আন আন আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ মাজত যোগাযোগৰ সুঁতি হিচাপে কাম কৰা।

ছার্ক সচিবালয়ৰ মুখ্য কার্যালয় নেপালৰ কাঠমাণ্ডুত অৱস্থিত।

৭.৪.২ ছার্কৰ উদ্দেশ্যসমূহ

ছার্ক ঘোষণাপত্রত তলত দিয়া উদ্দেশ্যসমূহ উল্লেখ কৰা হৈছিল—

- দক্ষিণ এছিয়াৰ লোকসকলৰ কল্যাণ সাধন কৰা আৰু তেওঁলোকৰ জীৱনৰ মান উন্নত কৰা।
- অঞ্চলটোত অর্থনৈতিক উন্নয়ন, সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু সকলো ব্যক্তিকে সম্ভ্রমেৰে জীয়াই থাকিবলৈ আৰু তেওঁলোকৰ প্রতিভা বিকাশ কৰাৰ সুবিধা দিয়া।
- দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত সামূহিক আত্মনির্ভৰশীলতাৰ সৃষ্টিৰ লগতে তাক সবল কৰা।
- পাৰস্পৰিক বিশ্বাস আৰু বুজাবুজিৰ সৃষ্টি কৰা।
- অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী আৰু বিজ্ঞানৰ বিষয়ত সহযোগিতা সৃষ্টি কৰা।
- আন আন উন্নয়নশীল দেশৰ লগত সহযোগিতাৰ সৃষ্টি কৰা।
- সামূহিক স্বার্থৰ ক্ষেত্রত আন্তর্জাতিক মঞ্চত পাৰস্পৰিক সহযোগিতা বৃদ্ধি।
- বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় সংগঠনৰ লগত সহযোগিতাৰ সৃষ্টি কৰা।

৭.৪.৩ ছার্কে সন্মুখীন হোৱা সমস্যাসমূহ

ছার্কে পৃথিৱীৰ জনসংখ্যাৰ পাঁচভাগৰ এভাগ লোকৰ প্রতিনিধিত্ব কৰে আৰু ইয়ে ইয়াক পৃথিৱীৰ সর্ববৃহৎ আঞ্চলিক সংগঠন (মানৰ সম্পদৰ ক্ষেত্রত)ত পৰিণত কৰিছে। অৱশ্যে ই এতিয়াও ইয়াৰ প্রতিষ্ঠাপকসকলৰ আশাবোৰ পূৰণ কৰিব পৰা নাই। আঞ্চলিক সংগঠন হিচাপে ছার্কৰ সস্থাৰ সাফল্যৰ ক্ষেত্রত বহুতো বাধা আছে, তাৰে কিছুমান হ'ল—

- প্রথমতে, এই অঞ্চলৰ ৰাজনৈতিক পৰিবেশ এই সংগঠনৰ মসৃণ কার্যপালনৰ বাবে অনুকূল নহয়। সদস্য ৰাষ্ট্রসমূহৰ মাজত থকা মতভেদ আৰু তেওঁলোকৰ ৰাজনৈতিক বিৰোধে প্রায়ে ছার্কৰ কৃতকার্যতাত বাধাৰ সৃষ্টি কৰে। ভাৰত আৰু পাকিস্তানৰ তিক্ততাপূর্ণ সম্পর্কই ইয়াৰ এক উদাহৰণ।
- দ্বিতীয়তে , এই অঞ্চলটো ভাষা, সংস্কৃতি, ধর্ম আৰু জাতি আদিৰ ক্ষেত্রত ভিন্ন। এই ভিন্নতাই দক্ষিণ এছিয়াৰ দেশসমূহক ৰাজনৈতিক আৰু অর্থনৈতিক সহযোগিতা আৰু ঐক্যৰ আদর্শটো আদৰি লোৱাত বাধা প্রদান কৰে।
- তৃতীয়তে, কিছুমান সাংগঠনিক আৰু পদ্ধতিগত ত্রুটিয়েও ছার্কৰ সফল

কার্যপালনত বাধা প্রদান কৰিছে। উদাহৰণস্বৰূপে সর্বসম্মতিৰ নিয়মটোৱে দাবী কৰে যে সংগঠনৰ সকলো সিদ্ধান্ত গ্রহণত সকলো সদস্য ৰাষ্ট্রৰ মুৰব্বীৰ সম্মতিৰ দৰকাৰ, যি সকল ব্যক্তিগতভাৱে সভাত উপস্থিত থাকিব লাগিব। কিন্তু এইক্ষেত্রত কিছু নমনীয়তা থকা উচিত। কোনো চৰকাৰ প্রধান ছার্কৰ সন্মিলনত উপস্থিত থাকিব নোৱাৰিলে, তেওঁৰ হৈ সিদ্ধান্ত গ্রহণ কৰিবলৈ তেওঁৰ প্রতিনিধি পঠোৱাৰ অনুমতি তেওঁক দিব লাগে। সেই অনুসৰি এনে সিদ্ধান্ত দেশৰ মুৰব্বীয়ে মানি ল'ব পাৰিব লাগে।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে ছার্কত পাৰস্পৰিক বিশ্বাস আৰু শুভ ইচ্ছাৰ পৰিবেশৰ সৃষ্টিৰ উদ্দেশ্যে দেশসমূহৰ মাজত পাৰস্পৰিক সহযোগিতাৰ অভাৱ দেখা যায়। দক্ষিণ এছিয়াই এনে এক গাঁথনিৰ সৃষ্টি কৰিব লাগিব, য'ত ডাঙৰ আৰু সৰু সকলো দেশে সামূহিক লাভৰ উদ্দেশ্যে সংগতিপূর্ণভাৱে কাম কৰিব পাৰে। এয়া সর্বসম্মতিৰ নীতিক বিচাৰ কৰা আৰু শুধৰোৱাৰ সময়, যাতে ই ছার্কৰ মসৃণ কার্যপালনত বাধাৰ সৃষ্টি কৰিব নোৱাৰে। ছার্কক সফল কৰাৰ বাবে আটাইতকৈ প্রয়োজনীয় আৰু কার্যকৰী উপায় হ'ল এনেধৰণৰ যিকোনো পৰিস্থিতিক বাধা দিয়া, যাৰ ছার্কক ধ্বংস কৰা সম্ভাৱনা আছে আৰু ইয়াৰ বাবে ৰাজনৈতিক ইচ্ছা আৰু দৃষ্টি থকাটো অতিকৈ প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ছার্ক স্থাপনৰ বাবে কোনে প্রথমবাৰৰ বাবে উদ্যোগ লৈছিল?

.....

প্রশ্ন নং ৬ ঃ ছার্কৰ সর্বমুঠ সদস্য ৰাষ্ট্রৰ সংখ্যা হৈছে সাত। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৭ ঃ ছার্কৰ মূখ্য সচিবালয় .....ত অৱস্থিত । (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৮ ঃ ছার্কৰ যিকোনো চাৰিটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ ছার্কৰ লেহেমীয়া প্রগতিৰ বাবে দায়ী যিকোনো দুটা সমস্যাৰ বিষয়ে লিখক।

.....

.....

.....

.....

৭.৫ দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN)

দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN) আন এক গুৰুত্বপূৰ্ণ আঞ্চলিক সংস্থা। এচিয়ানে অঞ্চলটোৰ দেশসমূহৰ মাজত বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাত এক সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এচিয়ানৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা হ'ল দহ খন।

৭.৫.১ এচিয়ানৰ গঠন

দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN) ১৯৬৭ চনত গঠন হয়। এই সংগঠনটোৰ গঠনত ইন্দোনেচিয়া, মালয়চিয়া, ফিলিপাইনচ, চিঙ্গাপুৰ আৰু থাইলেণ্ডে আগভাগ লৈছিল। তথাপি এচিয়ান গঠনৰ পূৰ্বে দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ মাজত এক আঞ্চলিক সংগঠনৰ গঠনৰ প্ৰচেষ্টা ১৯৫৯- ৬৫ চনৰ সময়ছোৱাত হৈছিল। মালয়চিয়া, থাইলেণ্ড আৰু ফিলিপাইনচে ১৯৫৯ চনত দঃ পূব এচিয়া সংগঠন প্ৰতিস্তা কৰে। এই সংগঠনটো ফিলিপাইনচ আৰু থাইলেণ্ডৰ মাজত হোৱা সংঘাটৰ বাবে ভঙ্গ হৈ যায়। তাৰোপৰি ফিলিপাইনচ, মালচিয়া আৰু ইন্দোনেচিয়াৰ বৈদেশিক মন্ত্ৰী সকলে১৯৬৩ চনত "মেফিলিনণ্ডো"(maphilindo) নামেৰে আন এটা আঞ্চলিক সংগঠনৰ প্ৰস্তাৱ আগবঢ়াই। কিন্তু এই প্ৰস্তাৱটো বিফল হয় ইন্দোনেচিয়া আৰু মালয়চিয়াৰ মাজত হোৱা সংঘাটৰ বাবে। তথাপিও আঞ্চলিক সংগঠনৰ গঠন প্ৰক্ৰিয়া অব্যাহত থাকে আৰু অৱশেষত দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN) ১৯৬৭ চনৰ ৮ আগষ্টত গঠন হয়। এচিয়ানৰ সদস্য সকল হ'ল— ইন্দোনেচিয়া, মালয়চিয়া, ফিলিপাইনচ, কম্বোডিয়া,ছিংগাপুৰ, থাইলেণ্ড ব্ৰুণে ভিয়েটনাম, লাউচ্ আৰু ম্যানমাৰ।

এচিয়ানৰ মুখ্য অনুষ্ঠানসমূহ হ'ল—

- এচিয়ান শীৰ্ষ সন্মিলন (ASEAN Summit)
- এচিয়ান সমন্বয়ৰক্ষী পৰিষদ (ASEAN Coordinating Council)
- এচিয়ান গোষ্ঠী পৰিষদ (ASEAN Community Council)
- এচিয়ান বিভাগীয় মন্ত্ৰী গোটসমূহ (ASEAN Sectoral Bodies)

- স্থায়ী প্রতিনিধিত্ব সমিতিসমূহ(Committee of Permanant representatives)
- ৰাষ্ট্রীয় সচিবালযসমূহ (National Secretariats)
- বৈদেশিক সমিতি সমূহ (Committees Abroad)

৭.৫.২ এছিয়ানৰ উদ্দেশ্য আৰু নীতিসমূহ

এছিয়ানৰ চনদত উল্লিখিত উদ্দেশ্যসমূহ তলত দিয়া হ'ল—

- দক্ষিণ পূব-এছিয়া অঞ্চলটোত অর্থনৈতিক - সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু দক্ষিণ পূব-এছিয়াত এক শান্তিপূর্ণ আৰু সংহতি ৰ বাতাবৰণ সৃষ্টি কৰাত দক্ষিণ পূব-এছিয়াৰ দেশ সমূহে সহযোগিতাৰ ভিত্তিত উমৈহতীয়া প্রচেষ্টা হাতত লোৱা।
- ৰাষ্ট্রসংঘৰ চনদত উল্লিখিত নীতিসমূহ মানি চলি আৰু ৰাষ্ট্রসমূহৰ পাৰস্পৰিক সম্পর্কৰ ক্ষেত্রত ন্যায় আৰু আইনৰ শাসনৰ প্রতি সন্মান প্রদর্শন কৰি আঞ্চলিক শান্তি আৰু স্থিৰতা অটুত ৰখা।
- সামূহিক স্বার্থৰ ক্ষেত্রত অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী, বিজ্ঞান আৰু প্রশাসনীয় বিষয়ত সহযোগিতা কৰা।
- শিক্ষা, বিত্তিগত, কাৰিকৰী আৰু প্রশাসনীয় ক্ষেত্রত প্রশিক্ষণ আৰু গৱেষণাৰ সুবিধা
- কৃষি আৰু উদ্যোগৰ উপযোগিতা বৃদ্ধি, বাণিজ্যৰ সম্প্রসাৰণ, পণ্য বাণিজ্যৰ অসুবিধা অধ্যয়ন, যাতায়ত ব্যৱস্থাৰ উন্নতিকৰণ আৰু জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্রত দেশসমূহৰ মাজত সার্থক সহযোগিতা বৃদ্ধি কৰা।
- দক্ষিণ পূব-এছিয়াৰ বিষয়ে গৱেষণা আৰু অধ্যয়নক অগ্রাধিকাৰ দিয়া।
- বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় সংগঠনৰ লগত পাৰস্পাৰিক সহযোগিতা বৃদ্ধি কৰা।

ইয়াৰ উপৰিও ১৯৯৫ চনত এচিয়ানৰ সদস্য ৰাষ্ট্রসমূহৰ মুৰব্বীসক লে এচিয়ানৰ উদ্দেশ্য "সমূহীয়া শান্তি আৰু উন্নয়ন" বুলি সুনিশ্চিত কৰিছে।

ৰাজনৈতিক ক্ষেত্রত এচিয়ানৰ উদ্দেশ্য হল সামুহিক উন্নয়ন আৰু আঞ্চলিক ঐক্যতা আৰু শান্তি।

১৯৭৬ চনৰ ২৪ ফ্রেব্রুৱাৰীত হোৱা প্রথম শীর্ষ সন্মিলত সদস্য সকলে তলত উল্লেখ কৰা **নীতিসমূহ** মানি চলি কাম কৰিবলৈ উপদেশ দিয়ে— পাৰস্পৰিক সন্মান, আত্মনির্ভৰশীলতা, আত্মবিশ্বাস, ভূ-খণ্ডৰ ঐকতা আৰু

জাতীয় অস্তিত্ব বজাই ৰখা।

- পৰস্পৰৰ স্বাধীনতাৰ প্ৰতি সন্মান জনোৱা আৰু ৰাষ্ট্ৰসমূহৰ বাহ্যিক হস্তক্ষেপ আৰু কুটঘাতৰ পৰা জাতীয় পৰিচয় ৰক্ষা কৰাৰ অধিকাৰ।
- পৰস্পৰৰ আভ্যন্তৰীণ সমস্যাবোৰৰ ওপৰত হস্তক্ষেপ নকৰা।
- মতানৈক্যবোৰক শান্তিপূৰ্ণ ভাবে সমাধা কৰা।
- শক্তি প্ৰয়োগ বা শক্তি প্ৰয়োগৰ ভাবুকিৰ পৰা আতৰি থকা।
- ৰাষ্ট্ৰসমূহৰ মাজত সমন্বয় ৰক্ষা কৰা।
- ৰাষ্ট্ৰসমূহৰ মাজত সুস্থ সহযোগিতা আৰু সংহতি জগাই তোলা।

৭.৫.৩ এচিয়ানৰ ভূমিকা

এচিয়ানে ইয়াৰ জন্মলগ্নৰে পৰা সদস্য ৰাষ্ট্ৰসমূহৰ মাজত এক আঞ্চলিক সমন্বয় ৰক্ষা কৰি আহিছে। প্ৰধানকৈ এচিয়ানে অৰ্থনৈতিক উন্নয়ন আৰু বুজা পৰা ৰক্ষা কৰি আহিছে। ১৯৯২ চনত অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰাৰ চুক্তিৰ আৰ্হি (1992 Framework Agreement on Enhancing ASEAN Economic Cooperation) গঢ় লয়। এচিয়ান ৰাষ্ট্ৰসমূহৰ মাজত বয়বস্তুৰ আদান প্ৰদানৰ বাবে এচিয়ান মুক্ত বাণিজ্য অঞ্চল - ASEAN Free Trade Area (AFTA)

চুক্তিৰ ২৮ জানুৱাৰী ১৯৯২ চনত স্বাক্ষৰ হয়। । ২০১৫ চনৰ শেষৰ ফালে এচিয়ানে ৰাষ্ট্ৰ সমূহৰ মাজত অৰ্থনৈতিক লেনদেনৰ মুক্ত পৰিচালনা আৰু মুলধন, নিয়োগ আৰু শ্ৰমৰ বাধাহীন প্ৰবাহৰ বাবে এখন উমৈহতীয়া বজাৰ স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। ২০০০ চনত এচিয়ানৰ প্ৰখ্যাত ব্যক্তিৰ গোটৰ প্ৰতিবেদনে এচিয়ানৰ ৰাষ্ট্ৰ সমূহৰ মাজত অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এচিয়ানে আগ ভাগ লোৱাৰ পৰামশ দিয়ে। এচিয়ানৰ প্ৰখ্যাত ব্যক্তিৰ গোটে এচিয়ানে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি - International Monetary Fund (IMF), বিশ্ব বেঙ্ক (World Bank) আৰু এছিয়ান উন্নয়ন বেঙ্ক (Asian Development Bank)ৰ লগত যোগাযোগ ৰাখি কাম কৰি যাবলৈ পৰামৰ্শ দিয়ে। এচিয়াৰ প্ৰধান ৰাষ্ট্ৰসমূহ- ভাৰত, চীন, জাপান আৰু দক্ষিণ কোৰিয়াৰ সৈতে থকা বাণিজ্যিক বাধা বোৰ আতৰাবলৈ পৰামৰ্শ দিয়ে।

ৰাজনীতিৰ ফালৰ পৰা এচিয়ানে কিছুমান চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তি বোৰৰ ভিতৰত আছে—

- শান্তিৰ অঞ্চল, স্বাধীনতা আৰু নিৰপেক্ষতাৰ ঘোষণা, কুৱালালামপুৰ, ২৭ নৱেম্বৰ, ১৯৭১ (Zone of Peace, Freedom and Neutrality Declaration, Kuala Lumpur, 27th November 1971);
- এচিয়ান সমন্বয় সন্মিলন ঘোষণা, বালী, ২৪ ফেব্ৰুৱাৰী, ১৯৭৬ (Declaration

of ASEAN Concord, Bali, 24th February 1976);

- বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তি, (Treaty of Amity and Cooperation in Southeast Asia, Bali, 24th February 1976)
- দক্ষিণ-চীন সাগৰৰ বিষয়ে ঘোষণা, মেনিলা, ২২ জুলাই, ১৯৯২ (ASEAN Declaration on the South China Sea, Manila, 22nd July 1992);
- দক্ষিণ পূব এচিয়াৰ পাৰমাণৱিক অস্ত্ৰ মুক্ত অঞ্চল, বেংকক,১৫ ডিচেম্বৰ, ১৯৯৭ (Treaty on the Southeast Asia Nuclear-Weapon-Free Zone, Bangkok, 15th December 1997);
- এচিয়ান কল্পদৃষ্টি , ২০২০, কুৱালালাম পুৰ, ১৫ ডিচেম্বৰ, ১৯৭১ ASEAN Vision 2020, Kuala Lumpur, 15th December 1997);
- সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুতীয়া অভিযানৰ ঘোষণা, ৫ নৱেম্বৰ, ২০০১ (Declaration on Joint Action to Counter Terrorism, 5th November 2001);
- এচিয়ান সমন্বয় সন্মিলন ঘোষণা- ২, বালী, ৭ অক্টোবৰ, ২০০৩ (Declaration of ASEAN Concord II, Bali, 7th October 2003);

প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো এচিয়ানে সাফল্য লাভ কৰে। ৰাজনৈতিক, প্ৰতিৰক্ষা আৰু সহযোগিতাৰ বাবে ১৯৯৩ চনত এচিয়ান আঞ্চলিক আলোচনা চক্ৰ স্থাপন কৰা হয়। এচিয়ানৰ ৫ ম শীৰ্ষ সন্মিলনে ১৯৯৫ চনত দক্ষিণ পূব এচিয়াক এটা পৰমানু অস্ত্ৰ মুক্ত অঞ্চল হিচাবে বিবেচিত কৰে। ২০০৩ চনত নৱম এচিয়ান শীৰ্ষ গোষ্ঠী গঠন হয় আৰু এই গোষ্ঠীয়ে এচিয়ানে আঞ্চলৰ দেশ সমূহৰ ৰাজনৈতিক আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ ভিত্তিত বিশ্বত শান্তি আৰু মিলাপ্ৰীতি পৰিবেশ প্ৰতিস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এইটো বুজা যায় যে এচিয়ানে সদস্যৰাষ্ট্ৰ সমূহৰ মাজত বিভিন্ন ক্ষেত্ৰ যেনে বাণিজ্যি, অৰ্থনীতি, ৰাজনীতি আৰু প্ৰতিৰক্ষা আদিত সহযোগিতা বৃদ্ধি কৰাত এক সক্ৰিয় ভূমিকা পালন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ এছিয়ান প্ৰতিষ্ঠাৰ কাৰণে উদ্যোগ গ্ৰহণ কৰা ৰাষ্ট্ৰকেইখনৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১১ ঃ বৰ্তমান এছিয়ানৰ সৰ্বমুঠ সদস্য ৰাষ্ট্ৰৰ সংখ্যা..... (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ১২ ঃ কোন চনত এচিয়ান এচিয়ান আঞ্চলিক আলোচনা চক্র স্থাপন কৰা হৈছিল।

.....

প্রশ্ন নং ১৩ ঃ এচিয়ানৰ যিকোনো দুটা উদ্দেশ্যৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন নং ১৪ ঃ এচিয়ানৰ যিকোনো দুটা নীতি উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১৫ ঃ এচিয়ানে অঞ্চলৰ ৰাষ্ট্রসমূহৰ মাজত বাণিজ্য আৰু অর্থনৈতিক সহযোগিতা কৰাৰ ক্ষেত্রত পালন কৰা ভূমিকাৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আঞ্চলিক সংস্থা সমূহে আন্তঃৰাষ্ট্রীয় ৰাজনীতিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই আঞ্চলিক সংস্থা সমূহে কোনো এক আঞ্চলৰ কেইবাখনো দেশ প্রতিনিধিত্ব কৰে। দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰাত এই আঞ্চলিক সংস্থা সমূহে এক সক্রিয় ভূমিকা পালন কৰি আহিছে। এনে তিনিটা সংস্থা হ'ল- ইউৰোপীয় সংঘ (EU), দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন (ছার্ক- SAARC) আৰু দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্রসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN) ।
- দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিয়ে আন্তর্জাতিক ৰাজনীতিলৈ বহুতো পৰিবর্তন আনিছিল। এই সময়ছোৱাত আঞ্চলিক সহযোগিতাৰ গঠনৰ প্রক্রিয়াটো দেখা গৈছিল। .....

  ইউৰোপীয় সংঘৰ মূল উদ্দেশ্যসমূহ হ'ল- ইউৰোপীয় দেশসমূহৰ অর্থনৈতিক আৰু ৰাজনৈতিক ঐক্যৰ অর্থে কাম কৰা; নিৰাপত্তা আৰু বৈদেশিক নীতি আৰু আৰক্ষী আৰু আইনগত বিষয়ত সহযোগিতাৰ অর্থে সদস্য ৰাষ্ট্রসমূহৰ ঐক্যবদ্ধ কার্যপালনৰ বাবে এক গাঁথনি প্রস্তুত কৰা; আন্তর্জাতিক মঞ্চত ইউৰোপীয় সংঘৰ পৰিচয় সাব্যস্ত কৰা; ইউৰোপীয় নাগৰিকতাৰ সূচনা কৰা; সামাজিক আৰু অর্থনৈতিক উন্নতি বর্ধিত কৰা; স্বাধীনতা, নিৰাপত্তা আৰু ন্যায়ৰ অর্থে প্রচেষ্টা চলোৱা।

- ১৯৮৫ চনৰ ৮ ডিচেম্বৰত দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংগঠন প্ৰতিষ্ঠা হয়। আঠখন দক্ষিণ এছিয়াৰ দেশ ছাৰ্কৰ সদস্য ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰ সমূহ হ'ল- ভূটান, ভাৰত, মালডিভছ্, নেপাল, পাকিস্তান, বাংলাদেশ,শ্ৰীলংকাই আৰু আফগানিস্তান।
- ছাৰ্ক ঘোষণাপত্ৰত ডল্লিখিত উদ্দেশ্যসমূহ হ'ল- দক্ষিণ এছিয়াৰ লোকসকলৰ কল্যাণ সাধন কৰা আৰু তেওঁলোকৰ জীৱনৰ মান উন্নত কৰা, অঞ্চলটোত অৰ্থনৈতিক উন্নয়ন, সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু সকলো ব্যক্তিকে সম্ভ্ৰমেৰে জীয়াই থাকিবলৈ আৰু তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাৰ সুবিধা দিয়া, দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত সামূহিক আত্মনিৰ্ভৰশীলতাৰ সৃষ্টিৰ লগতে তাক সবল কৰা, পাৰস্পৰিক বিশ্বাস আৰু বুজাবুজিৰ সৃষ্টি কৰা, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী আৰু বিজ্ঞানৰ বিষয়ত সহযোগিতা সৃষ্টি কৰা, আন আন উন্নয়নশীল দেশৰ লগত সহযোগিতাৰ সৃষ্টি কৰা, সামূহিক স্বাৰ্থৰ ক্ষেত্ৰত আন্তৰ্জাতিক মঞ্চত পাৰস্পৰিক সহযোগিতা বৃদ্ধি, বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ লগত সহযোগিতাৰ সৃষ্টি কৰা।
- ছাৰ্ক সচিবালয়ৰ মুখ্য কাৰ্যালয় নেপালৰ কাঠমাণ্ডুত অৱস্থিত। ছাৰ্কৰ মুখ্য অনুষ্ঠানসমূহ হ'ল— শীৰ্ষ সন্মিলন, মন্ত্ৰী পৰিষদৰ সভা, কাৰিকৰী কমিটী, অৰ্থনৈতিক সহযোগিতাৰ কমিটী, ছাৰ্কৰ সন্থাৰ সাফল্যৰ ক্ষেত্ৰত বহুতো বাধা আছে, তাৰে কিছুমান হ'ল—

  প্ৰথমতে, এই অঞ্চলৰ ৰাজনৈতিক পৰিবেশ এই সংগঠনৰ মসৃণ কাৰ্যপালনৰ বাবে অনুকূল নহয়। সদস্য ৰাষ্ট্ৰসমূহৰ মাজত থকা মতভেদ আৰু তেওঁলোকৰ ৰাজনৈতিক বিৰোধে প্ৰায়ে ছাৰ্কৰ কৃতকাৰ্যতাত বাধাৰ সৃষ্টি কৰে দ্বিতীয়তে, সদস্য ৰাষ্ট্ৰসমূহৰ মাজত আকাৰ, জনসংখ্যা আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত থকা বৈষম্যকো ছাৰ্কৰ মন্থৰ সাফল্যৰ আন এক কাৰণ বুলি কোৱা হয়। তৃতীয়তে, এই অঞ্চলটো ভাষা, সংস্কৃতি, ধৰ্ম আৰু জাতি আদিৰ ক্ষেত্ৰত ভিন্ন। এই ভিন্নতাই দক্ষিণ এছিয়াৰ দেশসমূহক ৰাজনৈতিক আৰু অৰ্থনৈতিক সহযোগিতা আৰু ঐক্যৰ আদৰ্শটো আদৰি লোৱাত বাধা প্ৰদান কৰে। তৃতীয়তে, কিছুমান সাংগঠনিক আৰু পদ্ধতিগত ত্ৰুটিয়েও ছাৰ্কৰ সফল কাৰ্যপালনত বাধা প্ৰদান কৰিছে।
- দক্ষিণ পূব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ আঞ্চলিক সংগঠন (এচিয়ান- ASEAN) ১৯৬৭ চনত গঠন হয়। (এচিয়ান- ASEAN) ১৯৬৭ চনৰ ৮ আগষ্টত গঠন হয়। এচিয়ানৰ সদস্য সকল হ'ল- ইন্দোনেচিয়া, মালয়চিয়া, ফিলিপাইনচ , কম্বোডিয়া,ছিংগাপুৰ, থাইলেণ্ড ব্ৰুণে ভিয়েটনাম, লাউচ্ আৰু ম্যানমাৰ।
- এচিয়ানৰ মূখ্য অনুষ্ঠানসমূহ হ'ল— এচিয়ান শীৰ্ষ সন্মিলন, এচিয়ান সমন্বয়ৰক্ষী পৰিষদ, এচিয়ান গোষ্ঠী পৰিষদ, এচিয়ান বিভাগীয় মন্ত্ৰী গোট সমূহ, স্থায়ী প্ৰতিনিধিত্ব সমিতি সমূহ, ৰাষ্ট্ৰীয় সচিবালয সমূহ, বৈদেশিক সমিতি সমূহ
- এচিয়াৰ চনদত উল্লিখিত উদ্দেশ্যসমূহ হ'ল- দক্ষিণ পূব-এছিয়া অঞ্চলটোত অৰ্থনৈতিক-সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু দক্ষিণ পূব-এছিয়াত

এক শান্তিপূর্ণ আৰু সংহতি ৰ বাতাবৰণ সৃষ্টি কৰাত দক্ষিণ পূব-এছিয়াৰ দেশ সমূহে সহযোগিতাৰ ভিত্তিত উমৈহতীয়া প্রচেষ্টা হাতত লোৱা; ৰাষ্ট্রসংঘৰ চনদত উল্লিখিত নীতিসমূহ মানি চলি আৰু ৰাষ্ট্রসমূহৰ পাৰস্পৰিক সম্পর্কৰ ক্ষেত্রত ন্যায় আৰু আইনৰ শাসনৰ প্রতি সন্মান প্রদর্শন কৰি আঞ্চলিক শান্তি আৰু স্থিৰতা অটুত ৰখা; সামূহিক স্বার্থৰ ক্ষেত্রত অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী, বিজ্ঞান আৰু প্রশাসনীয় বিষয়ত সহযোগিতা কৰা; শিক্ষা, বিত্তিগত, কাৰিকৰী আৰু প্রশাসনীয় ক্ষেত্রত প্রশিক্ষণ আৰু গৱেষণাৰ সুবিধা; কৃষি আৰু উদ্যোগৰ উপযোগিতা বৃদ্ধি, বাণিজ্যৰ সম্প্রসাৰণ, পণ্য বাণিজ্যৰ অসুবিধা অধ্যয়ন, যাতায়ত ব্যৱস্থাৰ উন্নতিকৰণ আৰু জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্রত দেশসমূহৰ মাজত সার্থক সহযোগিতা বৃদ্ধি কৰা; দক্ষিণ পূব-এছিয়াৰ বিষয়ে গৱেষণা আৰু অধ্যয়নক অগ্রাধিকাৰ দিয়া; বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় সংগঠনৰ লগত পাৰস্পাৰিক সহযোগিতা বৃদ্ধি কৰা।

- ১৯৭৬ চনৰ ২৪ ফ্রেব্রুৱাৰীত হোৱা প্রথম শীর্ষ সন্মিলত সদস্য সকলে তলত উল্লেখ কৰা নীতিসমূহ হ'ল- পাৰস্পৰিক সন্মান, আত্মনির্ভৰশীলতা, আত্মবিশ্বাস, ভূ-খণ্ডৰ ঐকতা আৰু জাতীয় অস্তিত্ব বজাই ৰখা; পৰস্পৰৰ স্বাধীনতাৰ প্রতি সন্মান জনোৱা আৰু ৰাষ্ট্রসমূহৰ বাহ্যিক হস্তক্ষেপ আৰু কুটঘাতৰ পৰা জাতীয় পৰিচয় ৰক্ষা কৰাৰ অধিকাৰ; পৰস্পৰৰ আভ্যন্তৰীণ সমস্যাবোৰৰ ওপৰত হস্তক্ষেপ নকৰা; মতানৈক্যবোৰক শান্তিপূর্ণ ভাবে সমাধা কৰা; শক্তি প্রয়োগ বা শক্তি প্রয়োগৰ ভাবুকিৰ পৰা আতৰি থকা; ৰাষ্ট্রসমূহৰ মাজত সুস্থ সহযোগিতা আৰু সংহতি জগাই তোলা।
- এচিয়ানে ইয়াৰ জন্মলগ্নৰে পৰা ৰাষ্ট্রসমূহৰ সদস্য বোৰৰ মাজত এক আঞ্চলিক সমন্বয় ৰক্ষা কৰি আহিছে। সদস্য সকলৰ মাজত এচিয়ানে বিভিন্ন ক্ষেত্রত যেনে বাণিজ্যিক, অর্থনীতি, ৰাজনৈতিক আৰু প্রতিৰক্ষাত সক্রিয় অংশ গ্রহণ কৰে।



৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৩।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ইউৰোপীয় সম্প্রদায়, (খ) সমূহীয়া বৈদেশিক আৰু নিৰাপত্তা নীতি, (গ) অপৰাধ সম্পর্কীয় বিষয়ত আৰক্ষী আৰু আইনৰ সহযোগিতা।

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্রাছেলছ

৪ নং প্রশ্নৰ উত্তৰ ঃ ইউৰো

৫ নং প্রশ্নৰ উত্তৰ ঃ বাংলাদেশৰ তেতিয়াৰ ৰাষ্ট্রপতি স্বর্গীয় জিয়াউৰ ৰহমানে।

৬ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

৭ নং প্রশ্নৰ উত্তৰ ঃ কাঠমাণ্ডুত

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) দক্ষিণ এছিয়াৰ লোকসকলৰ কল্যাণ সাধন কৰা আৰু তেওঁলোকৰ জীৱনৰ মান উন্নত কৰা।

খ) অঞ্চলটোত অর্থনৈতিক উন্নয়ন, সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু সকলো ব্যক্তিকে সম্ভ্রমেৰে জীয়াই থাকিবলৈ আৰু তেওঁলোকৰ প্রতিভা বিকাশ কৰাৰ সুবিধা দিয়া।

গ) দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত সামূহিক আত্মনির্ভৰশীলতাৰ সৃষ্টিৰ লগতে তাক সবল কৰা।

ঘ) পাৰস্পৰিক বিশ্বাস আৰু বুজাবুজিৰ সৃষ্টি কৰা।

৯ নং প্রশ্নৰ উত্তৰ ঃ ক) এই অঞ্চলৰ ৰাজনৈতিক পৰিবেশ এই সংগঠনৰ মসৃণ কার্যপালনৰ বাবে অনুকূল নহয়। সদস্য ৰাষ্ট্রসমূহৰ মাজত থকা মতভেদ আৰু তেওঁলোকৰ ৰাজনৈতিক বিৰোধে প্রায়ে ছার্কৰ কৃতকার্যতাত বাধাৰ সৃষ্টি কৰে। ভাৰত আৰু পাকিস্তানৰ তিক্ততাপূর্ণ সম্পর্কই ইয়াৰ এক উদাহৰণ।

খ) এই অঞ্চলটো ভাষা, সংস্কৃতি, ধর্ম আৰু জাতি আদিৰ ক্ষেত্রত ভিন্ন। এই ভিন্নতাই দক্ষিণ এছিয়াৰ দেশসমূহক ৰাজনৈতিক আৰু অর্থনৈতিক সহযোগিতা আৰু ঐক্যৰ আদর্শটো আদৰি লোৱাত বাধা প্রদান কৰে।

১০ নং প্রশ্নৰ উত্তৰ ঃ ইন্দোনেচিয়া, মালয়চিয়া, ফিলিপাইনচ, ছিংগাপুৰ আৰু থাইলেণ্ড

১১ নং প্রশ্নৰ উত্তৰ ঃ দহ

১২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৩

১৩ নং প্রশ্নৰ উত্তৰ ঃ ক) দক্ষিণ পূব-এছিয়া অঞ্চলটোত অর্থনৈতিক-সামাজিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশ খৰতকীয়া কৰা আৰু দক্ষিণ পূব-এছিয়াত এক শান্তিপূর্ণ আৰু সংহতিৰ বাতাবৰণ সৃষ্টি কৰাত দক্ষিণ পূব-এছিয়াৰ দেশ সমূহে সহযোগিতাৰ ভিত্তিত উমৈহতীয়া প্রচেষ্টা হাতত লোৱা।

খ) ৰাষ্ট্রসংঘৰ চনদত উল্লিখিত নীতিসমূহ মানি চলি আৰু ৰাষ্ট্রসমূহৰ পাৰস্পৰিক সম্পর্কৰ ক্ষেত্রত ন্যায় আৰু আইনৰ শাসনৰ প্রতি সন্মান প্রদর্শন কৰি আঞ্চলিক শান্তি আৰু স্থিৰতা অটুত ৰখা।

১৪ নং প্রশ্নৰ উত্তৰ ঃ ক) পাৰস্পৰিক সন্মান, আত্মনির্ভৰশীলতা, আত্মবিশ্বাস, ভূ-খণ্ডৰ ঐকতা আৰু জাতীয় অস্তিত্ব বজাই ৰখা।

খ) পৰস্পৰৰ স্বাধীনতাৰ প্রতি সন্মান জনোৱা আৰু ৰাষ্ট্রসমূহৰ বাহ্যিক হস্তক্ষেপ আৰু কুটঘাতৰ পৰা জাতীয় পৰিচয় ৰক্ষা কৰাৰ অধীকাৰ।

১৫ নং প্রশ্নৰ উত্তৰ ঃ এচিয়ানে ইয়াৰ জন্মলগ্নৰে পৰা সদস্য ৰাষ্ট্রসমূহৰ মাজত এক আঞ্চলিক সমন্বয় ৰক্ষা কৰি আহিছে। প্রধানকৈ এচিয়ানে অর্থনৈতিক উন্নয়ন আৰু বুজা পৰা ৰক্ষা কৰি আহিছে। ১৯৯২ চনত অর্থনৈতিক সহযোগিতা বৃদ্ধি কৰাৰ চুক্তিৰ আর্হি (1992 Framework Agreement on Enhancing ASEAN Economic

Cooperation) গঢ় লয়। এচিয়ান ৰাষ্ট্রসমূহৰ মাজত বয়বস্তুৰ আদান প্রদানৰ বাবে এচিয়ান মুক্ত বাণিজ্য অঞ্চল— ASEAN Free Trade Area (AFTA) চুক্তিৰ ২৮ জানুৱাৰী ১৯৯২ চনত স্বাক্ষৰ হয়। ২০১৫ চনৰ শেষৰ ফালে এচিয়ানে ৰাষ্ট্র সমূহৰ মাজত অর্থনৈতিক লেনদেনৰ মুক্ত পৰিচালনা আৰু মুলধন, নিয়োগ আৰু শ্রমৰবাধাহীন প্রবাহৰ বাবে এখন উমৈহতীয়া বজাৰ স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। ২০০০ চনত এচিয়ানৰ প্রখ্যাত ব্যক্তিৰ গোটৰ প্রতিবেদনে এচিয়ানৰ ৰাষ্ট্র সমূহৰ মাজত অর্থনৈতিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্রত এচিয়ানে আগ ভাগ লোৱাৰ পৰামশ দিয়ে। এচিয়ানৰ প্রখ্যাত ব্যক্তিৰ গোটে এচিয়ানে আন্তঃৰাষ্ট্রীয় মুদ্রা নিধি– International Monetary Fund (IMF), বিশ্ব বেঙ্ক (World Bank) আৰু এছিয়ান উন্নয়ন বেঙ্ক (Asian Development Bank)ৰ লগত যোগাযোগ ৰাখি কাম কৰি যাবলৈ পৰামর্শ দিয়ে। এচিয়াৰ প্রধান ৰাষ্ট্রসমূহ-ভাৰত, চীন, জাপান আৰু দক্ষিণ কোৰিয়াৰ সৈতে থকা বাণিজ্যিক বাধা বোৰ আতৰাবলৈ পৰামর্শ দিয়ে।



৭.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কোন চনত ছার্কৰ প্রতিষ্ঠা কৰা হয়?

প্রশ্ন ২ ঃ কোন চনত এচিয়ানৰ প্রতিষ্ঠা কৰা হয়?

প্রশ্ন ৩ ঃ চার্কৰ সদস্য ৰাষ্ট্রৰ সংখ্যা উল্লেখ কৰক।

প্রশ্ন ৪ ঃ এচিয়ানৰ সদস্য ৰাষ্ট্রৰ সংখ্যা উল্লেখ কৰক।

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ইউৰোপীয় সংঘৰ গঠনৰ ইতিহাস বর্ণনা কৰক।

প্রশ্ন ২ ঃ ইউৰোপীয় সংঘৰ গাঁথনিৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ৩ ঃ ছার্কৰ গঠনৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ চার্কৰ লেহেমীয়া প্রগতিৰ বাবে দায়ী কাৰণসমূহৰ বিষয়ে লিখক।

প্রশ্ন ৫ ঃ এচিয়ানৰ গঠনৰ ইতিহাসৰ বিষয়ে লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ইউৰোপীয় সংঘৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ছার্কৰ মুখ্য অনুষ্ঠানসমূহ কি কি ? ছার্কৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ এছিয়ানৰ উদ্দেশ্য আৰু নীতিসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ সদস্য ৰাষ্ট্রসমূহৰ মাজত এক আঞ্চলিক সমন্বয় ৰক্ষা কৰাত এচিয়ানৰ ভূমিকাৰ বিষযে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ বিশ্ব বাণিজ্য সংস্থা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ববেংক

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ বিশ্ব বাণিজ্য সংস্থা (World Trade Organization)

- ৮.৩.১ বিশ্ব বাণিজ্য সংস্থাৰ পটভূমি
- ৮.৩.২ বিশ্ব বাণিজ্য সংস্থাৰ সদস্যপদ
- ৮.৩.৩ বিশ্ব বাণিজ্য সংস্থাৰ নীতি
- ৮.৩.৪ বিশ্ব বাণিজ্য সংস্থাৰ কার্যাৱলী
- ৮.৩.৫ বিশ্ব বাণিজ্য সংস্থাৰ ভূমিকা

৮.৪ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (International Monetary Fund)

- ৮.৪.১ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ পটভূমি
- ৮.৪.২ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ উদ্দেশ্য
- ৮.৪.৩ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ গঠন
- ৮.৪.৪ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ কার্যাৱলী
- ৮.৪.৫ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ মূলধন
- ৮.৪.৬ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ ভূমিকা

৮.৫ বিশ্ব বেংক (World Bank)

- ৮.৫.১ বিশ্ব বেংকৰ পটভূমি
- ৮.৫.২ বিশ্ব বেংকৰ গঠন
- ৮.৫.৩ বিশ্ব বেংকৰ কার্যাৱলী আৰু উদ্দেশ্য
- ৮.৫.৪ বিশ্ববেংকৰ নির্দেশক বিধিসমূহ
- ৮.৫.৫ বিশ্ব বেংকৰ মূলধন
- ৮.৫.৬ বিশ্ব বেংকৰ ভূমিকা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্ব বাণিজ্য সংস্থাৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰিব পাৰিব।
- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিশ্ব বেংকৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিশ্ব বাণিজ্য সংস্থা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ব বেংকৰ ভূমিকাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বিশ্বত বিত্তীয় স্থিৰতা আৰু অৰ্থনৈতিক সমস্যাৰ সমাধানৰ বাবে এটা ঠিকনাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছিল। যিহেতু দ্বিতীয় বিশ্বযুদ্ধই ৰাজনৈতিক অস্থিৰতাৰ প্ৰাদুৰ্ভাৱ ঘটাইছিল। তাৰ ফলশ্ৰুতিতেই গোলকীয় বিত্তীয় অনুষ্ঠান যেনে - বিশ্ব বাণিজ্য সংস্থা, আন্তৰ্জাতিক মুদ্ৰা নিধি আৰু বিশ্ব বেংক প্ৰতিষ্ঠা হৈছিল। সেইদৰে দেশসমূহৰ মাজত দৰ বাণিজ্য, গোলকীয় মুদ্ৰা সহযোগিতা আৰু উন্নয়নশীল দেশৰ অৰ্থনীতিত অৰ্থনৈতিক উন্নয়ন আৰু পুনৰ উন্নয়ন হৈছিল।

এই খণ্ডত আমি আলোচনা কৰা তিনিটা আন্তৰ্জাতিক বিত্তীয় অনুষ্ঠান আৰু সংস্থাৰ নাম হৈছে বিশ্ব বাণিজ্য সংস্থা, আন্তৰ্জাতিক মুদ্ৰানিধি আৰু বিশ্ব বেংক।

৮.৩ বিশ্ব বাণিজ্য সংস্থা (World Trade Organization)

৮.৩.১ বিশ্ব বাণিজ্য সংস্থাৰ পটভূমি

বিশ্ব বাণিজ্য সংস্থাৰ ১৯৯৫ চনৰ ১ জানুৱাৰীত জন্ম হৈছিল। আন্তৰ্জাতিক বাণিজ্যৰ পৰিপ্ৰেক্ষিতত বিশ্ব অৰ্থনীতিত বৃহৎ গোলকীয় অৰ্থনীতিলৈ পৰিৱৰ্তন হৈছে। বিশ্ব বাণিজ্য সংস্থা হৈছে এটা অনা চৰকাৰী অনুষ্ঠান। বিশ্ব বাণিজ্য সংস্থাই দেশসমূহৰ মাজত চুক্তি সম্পাদনা কৰে। বিশ্বৰ বাণিজ্যিক ব্যৱস্থাত থকা বিবাদ প্ৰক্ৰিয়াক নীতি-নিয়ম অনুসৰি বিবাদ সমাধান আগবঢ়ায়। এই সংস্থাটোৰ ১৯৯৫ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যসূচী আৰম্ভ হৈছিল। ১৯৯৪ চনৰ ১৫ এপ্ৰিলত বাণিজ্যৰ আৰু শুল্কৰ সাধাৰণ চুক্তিৰ (GATT) অধীনত ১২৩ দেশে স্বাক্ষৰিত কৰিছিল। ১৯৯৫ চনত বিশ্ব বাণিজ্য সংস্থা স্থাপন হোৱাৰ আগলৈকে (১৯৪৬ চনত প্ৰতিষ্ঠা হোৱা GATT য়ে) পৰিচালনা কৰিছিল। বিশ্ববাণিজ্য সংস্থাৰ কাৰ্যালয় জেনেভাত।

বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিয়ে আন্তঃৰ্জাতিক বাণিজ্যত দ্ৰব্য আৰু সেৱাৰ

সুবিধা আগবঢ়ায়।

৮.৩.২ বিশ্ব বাণিজ্য সংস্থাৰ সদস্যপদ

বৰ্তমান বিশ্ব বাণিজ্য সংস্থাৰ ১৬৪ খন সদস্য দেশ আছে। বিশ্ব বাণিজ্য সংস্থাৰ সকলো সদস্য দেশৰ বাবে সকলো নীতি নিয়ম বান্ধি দিছে।

৮.৩.৩ বিশ্ব বাণিজ্য সংস্থাৰ নীতি

- *বৈষম্যহীন সৃষ্টি ঃ* এখন দেশে বাণিজ্য আৰ্হিত বৈষম্য সৃষ্টি কৰা অনুচিত আৰু দেশীয় আৰু বৈদেশীক উৎপাদন সেৱা বা জাতিৰ মাজতো বৈষম্য সৃষ্টি কৰা অনুচিত। বিশ্ব বাণিজ্য বিশ্ব বাণিজ্য সংস্থাৰ প্ৰতিখন দেশেই সুবিধা লাভৰ আচৰণ প্ৰকাশ কৰে।
- *অতিমুক্ততা ঃ* বিশ্ব বাণিজ্যিক সংস্থাই নিম্ন বাণিজ্যিক বাধাৰ দ্বাৰা বাণিজ্য উৎসাহিত কৰাতো বিচাৰে। বাছনিমূলকভাৱে এই বাধাবোৰ হ'ল আৱকাৰী শুল্ক আৰু আমদানি শুল্ক বা কোটা।
- *ভৱিষ্যৎবাণী আৰু পাৱদৰ্শিতা ঃ* ইচ্ছাকৃতভাৱে বৈদেশিক নিগম, বিনিয়োগকাৰী আৰু চৰকাৰে বাণিজ্যিক বাধা যাতে বৃদ্ধি নাপায় তাৰ বাবে আত্মবিশ্বাসী হোৱা উচিত। স্থিৰতা আৰু ভৱিষ্যত দৰ্শীতাই বিনিয়োগক উৎসাহিত কৰিব। নিয়োগ সৃষ্টি আৰু উপভোক্তাসকলৰ মাজত প্ৰতিযোগিতা সুবিধা পছন্দ আৰু কম দৰ লাভ কৰিব পাৰিব।
- *অধিক প্ৰতিযোগিতামূলক ঃ* বজাৰ লাভৰ বাবে উৎপাদন দৰতকৈ কম দৰৰ 'ডাম্পিং' ব্যৱস্থা অৰ্থাৎ অনাদৰ (unfair) ব্যৱস্থাক অনুৎসাহিত কৰা। অনাদৰ বা দৰত বাণিজ্যৰ লোকচানত চৰকাৰে কেনে ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে তাৰ বাবে নীতি প্ৰস্তুত কৰিব লাগে।
- *উন্নয়নশীল দেশৰ বাবে বেছি সুবিধাজনক ঃ* বিশ্ব বাণিজ্য সংস্থাই উন্নয়নশীল দেশৰ সদস্য দেশৰ বাবে অতিৰিক্ত তিনিটা কোটা ব্যৱস্থা ৰাখিছে। বিশ্ব বাণিজ্যিক সংস্থাই সিহঁতক বেছি সময় সঠিকতা প্ৰদান কৰে। যিটোৱে বিশ্ব বাণিজ্যিক সংস্থাক অধিক নমনীয়া আৰু বিশেষ সুবিধা প্ৰদান কৰে।
- *সুৰক্ষামূলক ভাৰসাম্যতা ঃ* বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিয়ে সদস্যসকল কেৱল মাত্ৰ সুৰক্ষামূলক পৰিৱেশ প্ৰদানেই নহয় ইয়াৰ উপৰিও জনসাধাৰণৰ স্বাস্থ্য, জীৱ-জন্তুৰ স্বাস্থ্য আৰু উদ্ভিদৰ স্বাস্থ্যৰ ওপৰত সুৰক্ষা দিয়ে। ইয়াক দেশীয় আৰু বিদেশত দুয়োটাৰ বাবে একে মাপ ব্যৱহাৰ কৰা উচিত। অন্য অৰ্থত সদস্য দেশবোৰে পৰিৱেশ সুৰক্ষাৰ মাপ ব্যৱহাৰ কৰা উচিত নহয়। ইয়াৰ অৰ্থ

হ'ল ৰক্ষণাবেক্ষণ নীতি গ্ৰহণ কৰিব লাগে।

৮.৩.৪ বিশ্ব বাণিজ্য সংস্থাৰ কার্যাৱলী

বিশ্ব বাণিজ্য সংস্থাৰ আৰম্ভণিতেই সদস্য ৰাষ্ট্ৰসমূহৰ বাবে পাঁচটা গুৰুত্বপূৰ্ণ কার্য প্ৰদান কৰিছে। সেইবোৰ হ'ল –

- বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তি আৰু ইয়াৰ ৰূপায়নৰ সুবিধা প্ৰদান কৰে। বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্ৰয়োগ, কার্যকৰণ আৰু প্ৰশাসনিক সুবিধা প্ৰদান কৰে।
- বিশ্ব বাণিজ্য সংস্থাই বহুপাক্ষিক বাণিজ্য চুক্তিৰ (দুখন দেশতকৈ অধিক) কার্যকৰণ, বাস্তবায়ন আৰু প্ৰশাসনিক সুবিধা প্ৰদান কৰে।
- বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্যৰ লগত জড়িত সকলো বিষয়ৰ সমাধান আগবঢ়ায়। ইয়াৰ উপৰিও সদস্য দেশৰ বাণিজ্যিক সমন্ধীয় সমস্যাবোৰৰ সমাধান আগবঢ়ায়।
- বিশ্ব বাণিজ্য সংস্থাৰ প্ৰশাসনিক নীতি-নিয়ম অনুসৰি বাণিজ্যিক অংশীদাৰসকলৰ মাজত থকা বিবাদসমূহ নিস্পত্তি কৰে।
- বিশ্ব বাণিজ্য সংস্থাই আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ সৈতে কার্য পৰিচালনা কৰে। আন্তৰ্জাতিক বাণিজ্যৰ অঞ্চলসমূহত বিশ্ববেংক আৰু স্বীকৃতি প্ৰাপ্ত অনুষ্ঠানে ফলপ্ৰসু সফলতা লাভ কৰে।

৮.৩.৫ বিশ্ব বাণিজ্য সংস্থাৰ ভূমিকা

বিশ্ব বাণিজ্য সংস্থাই গোলকীয় বাণিজ্য নীতি তলত উল্লিখিত বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

- বিশ্ব বাণিজ্য সংস্থাই বাণিজ্য চুক্তিত থকা বাধাসমূহ আৰু অনাশুল্ক হ্ৰাসৰ পৰিমাপৰ ক্ষেত্ৰত (যেনে কোটা) সম্পূৰ্ণ অধিকাৰ আছে। (শুল্ক হৈছে আনদানি আৰু ৰপ্তানিৰ ওপৰত লগোৱা কৰ)
- সদস্য ৰাষ্ট্ৰৰ আন্তৰ্জাতিক বাণিজ্যৰ বিষয়সমূহৰ ওপৰত চোৱাচিতা কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে।
- সদস্য ৰাষ্ট্ৰসমূহৰ মাজত হোৱা সংঘাতৰ কৌশল বিচাৰ কৰি তাৰ সমাধান আগবঢ়ায়।
- বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষীক সমস্যাসমূহৰ বিবাদ নিস্পত্তি ন্যায়ালয়ৰ দ্বাৰা সমাধান কৰে।

- বিশ্ব বাণিজ্য সংস্থাই আলোচনা পৰিচালনা কৰে আৰু বিশ্ব অৰ্থনীতিৰ দৈনিক বাণিজ্যৰ সমস্যাসমূহৰ মুক্ত আলোচনা আগবঢ়ায়।
- বিশ্ব বাণিজ্য সংস্থা আন্তৰ্জাতিক মুদ্ৰানিধিৰ সৈতে সংযুক্ত। বিশ্ব বেংক আৰু সিহঁতৰ স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠান আন্তৰ্জাতিক বাণিজ্যৰ অঞ্চলসমূহত ভাল ফল দেখুৱায়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিশ্ব বাণিজ্য সংস্থাৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ বিশ্ব বেংকৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰক।

.....

.....

৮.৪ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (International Monetary Fund)

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি এটা মুদ্ৰা অনুষ্ঠান যিটো বিভিন্ন দেশৰ দ্বাৰা দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত প্ৰতিষ্ঠা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সমগ্ৰ বিশ্বতে উৎসাহী মৌদ্ৰিক সহযোগিতা, বিত্তীয় স্থিৰতা ৰক্ষা কৰা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা বাণিজ্যৰ সুবিধা প্ৰদান, অধিক নিয়োগ সৃষ্টি, বহনক্ষম অৰ্থনৈতিক বৃদ্ধি, দৰিদ্ৰতা হ্ৰাস কৰা।

(Source:www.imf.org)

৮.৪.১ আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ পটভূমি

আন্তঃৰ্জাতিক মুদ্ৰানিধি ১৯৪৫ চনত আৰম্ভ হৈছিল আৰু ১৯৪৭ চনৰ ১ মাৰ্চৰ পৰাহে কাৰ্য সম্পাদন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ই এটা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু স্বতঃস্ফূৰ্ত অনুষ্ঠান। ইয়াৰ মুখ্য কাৰ্যালয় ৱাশিংটনত। বৰ্তমানে ইয়াৰ সদস্য দেশৰ সংখ্যা ১৮৯ খন।

বিভিন্ন ঐতিহাসিক চৰ্ত আৰু ঘটনাৰ পৰিপেক্ষিতত আন্তৰ্জাতিক মুদ্ৰানিধি প্ৰতিষ্ঠা হৈছিল। সেইবোৰ হ'ল–

- প্ৰথম বিশ্ব যুদ্ধৰ আগলৈকে স্বৰ্ণমান ব্যৱস্থাই সফলতাৰ কাৰ্য সম্পাদন কৰিছিল। স্বৰ্ণমান ব্যৱস্থা হৈছে এক মুদ্ৰা ব্যৱস্থা য'ত দেশৰ মুদ্ৰাৰ এটা মূল্য থাকে যিটো স্বৰ্ণৰ সৈতে জড়িত। স্বৰ্ণমান ব্যৱস্থাত এখন দেশে তেওঁলোকৰ কাগজী মুদ্ৰাসমূহক নিৰ্দিষ্ট হাৰত সোণলৈ পৰিৱৰ্তন কৰিব পাৰে।

- প্ৰথম বিশ্বযুদ্ধৰ সময়ত প্ৰায়বোৰ দেশে স্বৰ্ণমান ব্যৱস্থা ত্যাগ কৰিছিল আৰু সামগ্ৰীৰ দৰে স্বৰ্ণ প্ৰবাহত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।
- প্ৰথম বিশ্ব যুদ্ধৰ পাছত প্ৰায়বোৰ দেশে স্বৰ্ণমান ব্যৱস্থালৈ পুনৰ ঘূৰি আহিছিল। কিন্তু ১৯১৯-১৯৩১ সময়খিনিৰ মাজত স্বৰ্ণমান ব্যৱস্থাই ভালদৰে কাম সম্পাদন কৰিব পৰা নাছিল।
- ১৯২৯-১৯৩৬ চনত বিশ্ব মহাসংকোচনৰ সন্মুখীন হৈছিল। সেই সময়ছোৱাত সকলো দেশৰে দৰ, লাভ, অংশীদাৰী দৰ, উৎপাদন, নিয়োগ আৰু আয় অধিক নিম্নগ্ৰামী হৈছিল।
- দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত (১৯৩৯-৪৫) আন্তঃৰ্জাতিক বাণিজ্য গঠন আৰু বিশ্ব অৰ্থনীতি সংকোচনৰ সন্মুখীন হৈছিল।

৮.৪.২ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ উদ্দেশ্য

১৯৪৭ চনৰ ১ মাৰ্চত মুদ্ৰানিধিৰ কাৰ্য আৰম্ভ হৈছিল তলত উল্লিখিত উদ্দেশ্যৰ সৈতে।

- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা সহযোগিতা বৃদ্ধি কৰা।
- বৈদেশিক বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষা, (বৈদেশিক বিনিময় হাৰ হ'ল এটা দৰ যিটোত দেশীয় মুদ্ৰাৰ সলনি অন্য দেশৰ মুদ্ৰা সলনি কৰা হয়।)
- বিনিময় নিয়ন্ত্ৰণ নাইকীয়া কৰা। (দেশসমূহৰ মাজত মুদ্ৰাৰ চলাচল নিয়ন্ত্ৰণ কৰা।)
- পৰিশোধ ব্যৱস্থা আৰু বহু পাক্ষিক বাণিজ্য প্ৰতিষ্ঠা কৰা।
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিকাশ সাধন কৰা।
- সদস্য ৰাষ্ট্ৰসমূহৰ সমতাপূৰ্ণ অৰ্থনৈতিক বৃদ্ধি আহৰণত সহায় আগবঢ়োৱা।
- পৰিশোধ সমতাত অভাৰসাম্যতা নাইকীয়া কৰা বা হ্ৰাস কৰা। এটা নিৰ্দিষ্ট সময়সীমাৰ মাজত দেশখনৰ পৰিশোধ আৰু মুঠ মূল্যৰ পাৰ্থক্য ঠিক কৰা।
- পিছপৰা আৰু উন্নয়নশীল দেশবিলাকত মূলধনৰ বিনিয়োগ গঢ়ি তোলা।

৮.৪.৩ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ গঠন

বৰ্তমানে উল্লেখিত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সদস্য দেশ হ'ল ১৮৯। গভৰ্ণৰ মণ্ডলী (Board of Governors) হ'ল আন্তৰ্জাতিক মুদ্ৰানিধিৰ উচ্চ সিদ্ধান্তকাৰী অংগ। আন্তঃজাতিক মুদ্ৰা নিধিলৈ প্ৰত্যেক সদস্য ৰাষ্ট্ৰৰ ২ জন গৱৰ্ণৰ নিযুক্তি দিয়ে। আন্তঃজাতিক মুদ্ৰানিধিৰ দুখন (Ministerial Committee) য়ে গৱৰ্ণৰ মণ্ডলীক (Board of Governors) পৰামৰ্শ আগবঢ়ায়। বিশেষকৈ আন্তৰ্জাতিক বিত্তীয় কমিটি আৰু উন্নয়ন কমিটিয়ে। আন্তৰ্জাতিক মুদ্ৰানিধিৰ কাৰ্যবাহী মণ্ডলীয়ে আয়োজন কৰা আন্তৰ্জাতিক মৌদ্ৰিক মুদ্ৰানিধিৰ দৈনিক ব্যৱসায় আৰু অতিৰিক্ত ক্ষমতা গৱৰ্ণৰ মণ্ডলিক

প্ৰদান কৰে। সেইদৰে ক্ষমতাসমূহ বিশ্বেবেংকৰ নিৰ্দেশক নীতি (Articles of Agreement) এ ন্যস্তকৰা আন্তঃৰ্জাতিক মুদ্ৰানিধি পৰিচালক সঞ্চালকৰ (Managing Director) দ্বাৰা পৰিচালিত। যিজনে কাৰ্যবাহি কমিটিৰ সভাপতি হিচাপে তেওঁ কৰ্মচাৰী সকলোৰো মূৰব্বী। গৰ্বনৰ মণ্ডলিয়ে প্ৰত্যক্ষভাৰে পৰিচালক সঞ্চালকক (Managing Director) অৱগত কৰে।

৮.৪.৪ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ কাৰ্যাৱলী

নিধিৰ গুৰুত্বপূৰ্ণ কাৰ্যসমূহ তলত দিয়া ধৰণৰ।

আন্তঃৰ্জাতিক মৌদ্ৰিক ব্যৱস্থাত আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ মৌলিক লক্ষ্য হ'ল স্থিৰতা ৰক্ষা। মুদ্ৰানিধিয়ে তিনিটা কাৰ্য সম্পাদন কৰে –

- সদস্য দেশসমূহৰ গোলকীয় অৰ্থনীতিৰ পথ নিৰ্দেশ কৰা।
- ঋণী দেশসমূহৰ পৰিশোধ সমতাৰ জটিলতা নাইকীয়া কৰা। (অৰ্থনৈতিক তত্ত্বাবধায়ক)
- ব্যৱহাৰিক সহায় কৰা। (দক্ষতামূলক উন্নয়ন)
- *অৰ্থনৈতিক তত্ত্বাৱধায়ক ঃ* আন্তঃৰ্জাতিক মুদ্ৰানিধিয়ে ১৮৯ খন দেশৰ বিত্তীয় নীতি আৰু অৰ্থনৈতিক ব্যৱস্থাৰ চোৱাচিতা আৰু আন্তঃজাৰ্তিক মৌদ্ৰিক ব্যৱস্থাটোৰ তত্ত্বাৱধান কৰে। এই প্ৰক্ৰিয়াটোত আন্তঃজাতিক মুদ্ৰানিধিয়ে সম্ভাব্য ক্ষতিৰ স্থিৰতা ৰক্ষা কৰা আৰু সময় সাপেক্ষে নীতিৰ পৰামৰ্শ আগবঢ়ায়। মুদ্ৰানিধিয়ে সদস্য দেশসমূহক অৰ্থনৈতিক আৰু মৌদ্ৰিক বিষয়বোৰৰ পৰামৰ্শ আগবঢ়ায়। কাৰণ আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ এক বিশেষ স্থান আৰু মৰ্যাদা আছে। আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ পুঁজিয়ে সদস্য দেশসমূহক তেওঁলোকৰ অৰ্থনৈতিক স্থিৰতাত সহায় আগবঢ়ায়।

  (Source : https/www.imf.org/en/about)
- *ঋণ ঃ* আন্তৰ্জাতিক মুদ্ৰানিধিয়ে সদস্য দেশসমূহক সিহঁতৰ আন্তৰ্জাতিক সংৰক্ষণ, মুদ্ৰাৰ স্থিৰতা, নিয়মিত আমদানি আৰু অৰ্থনৈতিক বৃদ্ধিৰ অৱস্থা শক্তিশালী কৰিবৰ বাবে ঋণ আগবঢ়ায়। যেতিয়া উল্লেখিত সমস্যা সমাধান কৰিব নোৱাৰে।
- *উন্নয়নমূলক ক্ষমতা ঃ* আন্তৰ্জাতিক মুদ্ৰানিধিয়ে চৰকাৰৰ সৈতে সমগ্ৰ বিশ্বতে অৰ্থনৈতিক নীতি আৰু অনুষ্ঠান সমূহৰ আধুনিকীকৰণ আৰু জনসাধাৰণক প্ৰশিক্ষণ দিয়াৰ কাম কৰে। সহায়ক দেশবিলাকে তেওঁলোকৰ অৰ্থনীতি শক্তিশালী, বিকাশৰ অগ্ৰগতি আৰু নিয়োগ সৃষ্টিত সুবিধা হয়।

৮.৪.৫ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ মূলধন

মুদ্ৰানিধিৰ মূলধন সদস্য দেশৰ সামগ্ৰিক কোটাৰ দ্বাৰা গঠিত হয়। প্ৰত্যেক

সদস্য দেশে ২০ শতাংশ কোটা বা ১০ শতাংশ সোণ জমা থাকিব লাগিব। তাতকৈ কম সোণ থাকিব নালাগিব। সদস্য দেশসমূহক ভাৰসাম্য কোটা অনুসৰি পুঁজি আগবঢ়োৱা হয়।

৮.৪.৬ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ ভূমিকা

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সুবিধা আৰু অসুবিধাবোৰে মুদ্ৰানিধিৰ কার্য ব্যাখ্যা কৰে।

- *আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সুবিধা (Advantages of the IMF) ঃ* উল্লিখিত সুবিধাসমূহে আন্তর্জাতিক মুদ্ৰানিধিৰ কার্য নির্দেশ কৰে।
  - মৌদ্রিক জমা পুঁজি স্থাপন ঃ এই ব্যৱস্থাত বিভিন্ন দেশৰ দেশীয় মুদ্ৰাৰ জমাৰ পৰা উপযুক্ত পুঁজি গঠন কৰা হয়। সদস্য দেশসমূহক বৈদেশিক মুদ্ৰাৰ আৱশ্যকতাৰ বাবে পুঁজিৰ জমা ৰখা হয়।
  - দ্বিপাক্ষী বাণিজ্য আৰু পৰিশোধ ব্যৱস্থা স্থাপন ঃ দ্বিপাক্ষী বাণিজ্য আৰু পৰিশোধ ব্যৱস্থা স্থাপনৰ উদ্দেশ্যে পুঁজি গঠন কৰা হয়।
  - হ্ৰস্বকালীন অভাৰসাম্য পৰিশোধৰ উন্নয়ন ঃ ৰাষ্ট্ৰীয় মুদ্ৰাৰ বিপক্ষে সদস্য ৰাষ্ট্ৰসমূহক বৈদেশিক মুদ্ৰা ঋণ বিচাপে আগবঢ়ায় এই ঋণে হ্ৰস্বকালীন পৰিশোধ সমতাৰ অভাৰসাম্যতা নাইকীয়া কৰাত সহায় কৰে।
  - বৈদেশিক বিনিময় হাৰৰ স্থিৰতা ঃ বৈদেশিক বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত ১৯৭১ চনলৈ সফল হৈছিল। মুদ্ৰানিধি প্ৰতিষ্ঠা হোৱাৰ পিছত বিনিময় হাৰৰ স্থিৰতাৰ বেছি সাল-সলনি হোৱা নাই। বৈদেশিক বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষাৰ প্ৰভাৱে বিভিন্ন দেশৰ মাজত আন্তর্জাতিক বাণিজ্যৰ প্ৰবাহ ঘটাইছিল।
  - প্ৰতিযোগিতামূলক মুদ্ৰাৰ অৱমূল্যায়ন ঃ ৰপ্তানি ক্ষেত্ৰত পৃথিৰীৰ বিভিন্ন দেশৰ পুঁজি গঠনৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক অৱমূল্যায়নৰ সন্মুখীন হৈছিল। বিশেষকৈ প্ৰাকৃতিক উৎপাদন আৰু তেওঁলোকৰ অর্থনৈতিক আৰু ৰাজনৈতিক সম্পর্কত। বর্তমান আন্তর্জাতিক মুদ্ৰানিধিয়ে ইয়াৰ অৱস্থা সম্পূর্ণ ৰূপে সলনি কৰি দিয়ে।
  - সংঘাতহীন ঘৰুৱা অর্থনীতি ঃ পুঁজিয়ে সদস্য ৰাষ্ট্ৰসমূহৰ আন্তর্জাতিক অর্থনীতিৰ সংঘাতত কোনো হস্তক্ষেপ নকৰে বা অর্থনৈতিক আৰু ৰাজনৈতিক নীতিটো কোনো প্ৰভাৱ বিস্তাৰ নকৰে।
  - স্বর্ণ মান লাভ ঃ কোনো অসুবিধা অবিহনে সকলো সদস্য দেশে স্বর্ণমান ব্যৱস্থাত সুবিধা লাভৰ ব্যৱস্থা আন্তর্জাতিক মুদ্ৰা নিধিয়ে কৰি দিয়ে।

স্বৰ্ণমান ব্যৱস্থাত দেশীয় মুদ্ৰা মূল্যৰ মানত পুঁজিৰ ভেঁটি গঠন কৰা হয়।

➢ *আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ অসুবিধা (Disadvantages of the IMF) ঃ* আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ তলত উল্লিখিত ক্ষেত্ৰসমূহৰ পৰা বিফলতা পৰিলক্ষিত হয়।

- অবিজ্ঞানসন্মত কোটা স্থায়ীকৰণ ঃ সদস্য ৰাষ্ট্ৰসমূহৰ কোটা কোনো বিজ্ঞানসন্মতভাৱে স্থিৰ কৰা নহয়। যদিও ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পুঁজি নিৰ্ধাৰণ কৰা হয় তথাপি আৰম্ভণিৰে পৰা U.S. A আৰু U. K. এই দুখন দেশেহে নিয়মিতভাৱে পূঁজি লাভ কৰিছে।
- বৈষম্যমূলক আচৰণ ঃ অন্য এটা অসুবিধা হ'ল যে দৈনন্দিন কাৰ্যসমূহে নিৰ্দিষ্ট দেশবিলাকে পুঁজিৰ ক্ষেত্ৰত বৈষম্যৰ সন্মুখীন হয়। বিশেষকৈ পশ্চিমীয়া দেশসমূহৰ স্বাৰ্থত পিছপৰা উন্নয়নশীল দেশবিলাকত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা নাযায়, সেইকাৰণে নতুন ৰাষ্ট্ৰ আফ্ৰিকাই ইয়াৰ পুঁজিক "ধনীদেশৰ ক্লাৱ" বুলি অভিহিত কৰিছে।
- উন্নয়নশীল দেশৰ অনুপযুক্ত প্ৰতিনিধিত্ব ঃ আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ সদস্য দেশবিলাকৰ প্ৰায় ৯০ শতাংশ দেশ এছিয়া, আফ্ৰিকা আৰু লেট্ৰিন আমেৰিকা দৰে উন্নয়নশীল দেশ। কিন্তু পুঁজিৰ ক্ষেত্ৰত মাত্ৰ ৩৮ শতাংশহে মুঠ ভোটদান ক্ষমতা প্ৰদান কৰা হৈছে। উন্নয়নশীল দেশবিলাক পুঁজিৰ ক্ষেত্ৰত কৰা অৱজ্ঞা ইয়াৰ কাৰণ ব্যাখ্যা কৰে।
- উন্নয়নশীল দেশৰ অনুপযুক্ত সম্পদৰ প্ৰয়োগ ঃ দুটা উদ্দেশ্যত উন্নয়নশীল দেশবিলাকৰ মুদ্ৰানিধিৰ পৰা বিত্তীয় সম্পদৰ আৱশ্যক হয়।
  (১) উন্নয়ন
  (২) ঋণ পৰিশোধ। কাৰণ দুয়োটা উদ্দেশ্যই বিত্তীয় সম্পদৰ উপযুক্ত পৰিমাণে বৃদ্ধি কৰে।



জানি থোৱা ভাল

আমেৰিকা যুক্তৰাষ্ট্ৰত মৌদ্ৰিক আৰু বিত্তীয় সন্মিলন সাধাৰণতে ব্ৰিট্ৰন উডচ্ সন্মিলন হিচাপে পৰিচিত ব্ৰিট্ৰন উডচ্ত ১৯৪৪ চনৰ ২২ জুলাইত মাউণ্ট ৰাচিংটন হোটেলত ব্ৰিট্ৰন উডচ্ সন্মিলন অনুস্থিত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ শেষত ৪৪ খন দেশৰ প্ৰতিনিধিয়ে বিত্তীয় নিদেৰ্শ আৰু আন্তঃৰ্জাতিক মৌদ্ৰিক ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ উদ্দেশ্য আগত ৰাখি এই সন্মিলন অনুস্থিত কৰিছিল। ফলত দুটা আন্তৰ্জাতিক অনুষ্ঠান আন্তৰ্জাতিক মুদ্ৰানিধি (IMF) আৰু আন্তঃৰ্জাতিক পুনৰ গঠন আৰু উন্নয়ন বেংক (IBRD) ৰ আবিভাব হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ গঠনৰ লগত জড়িত দুটা ঐতিহাসিক চৰ্ত আৰু ঘটনা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৩ ঃ আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰক।

.....

.....



অনুশীলনী

আন্তঃৰ্জাতিক মুদ্ৰানিধিৰ বৰ্তমান পৰিচালক মণ্ডলিৰ নাম উলিৱাওক।

৮.৫ বিশ্ব বেংক (World Bank)

৮.৫.১ বিশ্ববেংকৰ পটভূমি

আন্তঃৰ্জাতিক পুনৰ গঠন আৰু উন্নয়ন বেংক (IBRD) বা চমুকৈ বিশ্ব বেংক ১৯৪৪ চনৰ জুলাই মাহত ব্ৰিট্ৰেন উড্‌চ (Bretton Woods)ত অনুষ্ঠিত হোৱা আন্তঃৰ্জাতিক অৰ্থনৈতিক সম্মিলনত প্ৰতিষ্ঠা হয়। ইয়াৰ কাম-কাজ ১৯৪৬ চনৰ জুনত আৰম্ভ হয়। এই বেংকটো হৈছে ৰাষ্ট্ৰসংঘৰ সৈতে সংযুক্ত হৈ থকা আন্তঃৰ্জাতিক সমবায় সংগঠন যিটোৰ বিশেষ স্থান থকা অভিকৰণ। বিশ্বৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আৰু সদস্য দেশসমূহৰ অৰ্থনৈতিক উন্নয়নেই হ'ল ইয়াৰ মূল লক্ষ্য।

বিশ্বব্যাপী উৎপাদনমূলক দিশত বিনিয়োগ কৰাৰ বাবে বিশ্ববেংকে পৰামৰ্শ আগবঢ়ায়।

৮.৫.২ বিশ্ববেংক গঠন

বিশ্ব বেংক হৈছে আন্তৰ্জাতিক মুদ্ৰানিধিৰ ভগ্নী অনুষ্ঠান। আন্তৰ্জাতিক মুদ্ৰানিধিৰ সকলো সদস্যই বিশ্ব বেংকৰো সদস্য। সদস্য দেশৰ ১৮৯ খন দেশেই বৰ্তমান বিশ্ববেংকৰো সদস্য। ইচ্ছা কৰিলে যিকোনো দেশ আন্তৰ্জাতিক মুদ্ৰানিধিৰ

পৰা পদত্যাগ কৰিব পাৰে আৰু বেংকটোৰ একেৰাহে দীৰ্ঘম্যাদী সদস্য নহ'বও পাৰে। সদস্য দেশসমূহৰ হৈ গবর্ণৰ মণ্ডলী যিয়ে বিশ্ব বেংকৰ চৰমনীতি প্ৰস্তুতৰ ক্ষেত্ৰত প্ৰতিনিধিত্ব কৰিব পাৰে। সাধাৰণতে গবর্ণৰবিলাক বিত্তীয় মন্ত্ৰী বা সদস্য দেশৰ উন্নয়ন মন্ত্ৰী। আন্তৰ্জাতিক মুদ্ৰানিধি আৰু বিশ্ববেংক গোটতোৰ গবর্ণৰ মণ্ডলিয়ে বছৰেকত এবাৰ সভা অনুষ্ঠিত কৰে। গবর্নৰে বিশেষ ২৫ টা দায়িত্ব কার্যবাহিক সঞ্চালয় অপর্ণ কৰে। বিশ্ব বেংকৰ সভাপতিয়ে বিশ্ববেংক সমগ্ৰ পৰিচালনা আৰু সঞ্চালক মণ্ডলীৰ সভাবোৰৰ সভাপতিত্ব বাবে দায়বদ্ধ। সভাপতিজন কার্যবাহিক পৰিচালক মণ্ডলীয়ে পাঁচ বছৰৰ বাবে নির্বাচিত কৰে।

৮.৫.৩ বিশ্ব বেংকৰ কার্যাৱলী আৰু উদ্দেশ্য

বিশ্ব বেংক হৈছে আন্তৰ্জাতিক মুদ্ৰানিধিৰ ভগ্নী অনুষ্ঠান। বিশ্ববেংকৰ কার্য আৰু উদ্দেশ্যসমূহ বিশ্ববেংকৰ নিদের্শক নীতিসমূহত সন্নিৱিষ্ট কৰা হৈছে। বিশ্ব বেংকৰ কার্য আৰু উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল—

- যুদ্ধৰ দ্বাৰা বিধস্ত হোৱা অর্থনীতিৰ উৎপাদনমূলক দিশত মূলধন বিনিয়োগৰ বাবে সদস্য দেশসমূহ পুনৰ গঠন আৰু অর্থনৈতিক উন্নয়নৰ বাবে ঋণ আগবঢ়ায়। সেইবাবে এই বেংকক আন্তঃৰ্জাতিক পুনৰ গঠন আৰু উন্নয়ন বেংক (IBRD) বা চমুকৈ বিশ্ব বেংক বোলা হয়। কম উন্নয়নশীল দেশবিলাকক উৎসাহিত কৰিবৰ বাবে উৎপাদনমূলক শিতানত ঋণ দিয়ে।
- উন্নয়নশীল দেশবিলাকত উন্নয়নৰ বাবে বিনিয়োগ মূলধন যোগানৰ জৰিয়তে উৎপাদনমূলক সম্পদসমূহৰ উন্নয়নৰ বাবে পৰামর্শ আগবঢ়ায়।
- উৎপাদনমূলক দিশত নিজা মূলধনৰ বাবে প্ৰত্যক্ষ ঋণৰ দ্বাৰা ব্যক্তিগত বৈদেশিক বিনিয়োগ গঠন কৰে।
- দীৰ্ঘম্যাদী আন্তৰ্জাতিক বিনিয়োগৰ জৰিয়তে সদস্য দেশসমূহৰ পৰিশোধ সমতাৰ ভাৰসাম্যতা ৰক্ষা আৰু আন্তৰ্জাতিক বাণিজ্যৰ দীৰ্ঘকালীন উন্নয়ন বৃদ্ধিত উৎসাহিত কৰা।
- সদস্য দেশসমূহৰ শ্ৰমিকৰ জীৱনধাৰাৰ মানদণ্ড আৰু উৎপাদনশীলতা বৃদ্ধি কৰা।

উন্নয়নৰ অর্থনৈতিক ভেটি যাতে সবল হয় তাৰ বাবে বিশ্ব বেংকে সদস্য দেশসমূহক প্ৰাথমিকভাৱে অগ্ৰিম ঋণ দি দেশসমূহক সহায় কৰে। সদস্য দেশসমূহৰ পুনৰ গঠন আৰু উন্নয়নৰ নির্ধাৰিত প্ৰকল্প ৰূপায়নৰ বাবে প্ৰত্যক্ষভাৱে বেংকটোৱে ঋণ আগবঢ়ায়।

৮.৫.৪ বিশ্ববেংকৰ নির্দেশক বিধিসমূহ

বিশ্ববেংকৰ নিৰ্দেশক নীতি (Articles of Agreement) অনুসৰি বিশ্ববেংকে ঋণ কাৰ্য সম্পাদন কৰে। এই নিৰ্দেশক বিধিসমূহ তলত উল্লেখ কৰা হ'ল—

- বেংকে সম্ভাব্য ঋণ পৰিশোধৰ ক্ষেত্ৰত উপযুক্ত নিৰীক্ষণ কৰা উচিত। প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য অনুসৰি উৎপাদনমূলক দিশত সম্পদৰ সঠিক প্ৰয়োগ হৈছে নে নাই সেইটো দেশসমূহৰ আগৰ ঋণৰ তথ্যসমূহ চোৱা চিতা কৰা উচিত।
- বেংকে কেৱল মাত্ৰ সেইবোৰ প্ৰকল্পত ব্যয় কৰিব লাগে য'ত বৈদেশিক বিনিময় হাৰ পাব পাৰি। ঋণি দেশখনে সাধাৰণতে সম্পদসমূহ প্ৰবাহ হোৱাটো বিচাৰে।
- বেংকৰ নীতি অনুসৰি ঋণ লওঁতাৰ লগত সম্পৰ্ক বজাই ৰাখিব লাগে। ঋণি দেশখনৰ প্ৰকল্পৰ অগ্ৰগতি বিত্তীয় আৰু অৰ্থনৈতিক উন্নয়নৰ দিশসমূহ চোৱা চিতা কৰিব লাগে। কাৰিকৰী আৰু প্ৰশাসনিক দিশত উদ্ভৱ হোৱা সমস্যাসমূহ সমাধানত সহায় কৰে। শেষত বেংকটোৱে পৰোক্ষভাৱে স্থানীয় ব্যক্তিগত প্ৰতিষ্ঠান গঢ়ি উঠাত বিশেষ গুৰুত্ব আৰোপ কৰে।
- শেষান্তত, ব্যক্তিগত উদ্যোগক প্ৰত্যক্ষভাৱে বেংকে বিশেষ গুৰুত্ব দিব লাগে।

৮.৫.৫ বিশ্ববেংকৰ মূলধন

বিশ্ববেংকৰ সদস্য দেশসমূহৰ বাবেহে মূলধনৰ অংশ উপলব্ধ আছিল। এই অংশসমূহক তিনিটা ভাগত ভাগ কৰা হয়।

- ২ শতাংশ ভাগ সোণ নাইবা আমেৰিকাৰ ডলাৰ বিচাপত পৰিশোধ কৰিব লাগে।
- প্ৰত্যেক সদস্য দেশে ১৮ শতাংশ নিজ দেশৰ মুদ্ৰাৰ হিচাপত দিব লাগে।
- বাকী ৮০ শতাংশ সদস্য ৰাষ্ট্ৰৰ পৰা সংগ্ৰহ কৰা নহয়। কিন্তু বেংকৰ প্ৰয়োজনত এই পৰিমাণ সদস্য দেশৰ পৰা বিচৰা হয়। বিশ্ব বেংকৰ মূলধন সময়ে সময়ে সদস্য দেশৰ অনুমোদন সাপেক্ষে বৃদ্ধি কৰা হয়।

বিশ্ব বেংকৰ স্থিৰ সদস্য দেশসমূহৰ সময়ে সময়ে মূলধনৰ পৰিমাণ বৃদ্ধি পাইছে।

৮.৫.৬ বিশ্ব বেংকৰ ভূমিকা

তিনিটা দিশত বিশ্ববেংকে সদস্য দেশক অগ্ৰিম ঋণ আগবঢ়ায়।

- *নিজা পুঁজিৰ ঋণ দান ঃ* সদস্য দেশসমূহক অন্য দেশৰ মুদ্ৰা বিনিময়ত দেশীয় মুদ্ৰাৰ হাৰ নিৰ্ধাৰণৰ ভিত্তিত ঋণ আগবঢ়ায়। তেতিয়া বেংকৰ এটা অংশ সংৰক্ষণ কৰি থয়। এই কথা সদস্য দেশসমূহক অৱগত কৰে।
- *ঋণ লোৱা মূলধনেৰে ঋণদান ঃ* ঋণৰ আৱশ্যক হোৱা সদস্য দেশক সদস্য দেশসমূহৰ পৰা পুঁজি কেতিয়াবা উদ্দেশ্যৰ ভিত্তিত ঋণ হিচাপে আগবঢ়ায়।

বেংকে সদস্য দেশসমূহক সুদ প্রদান কৰে। যিটোৰ পৰা ঋণ পুঁজি বিশেষ ঋণ হিচাপে লৈছিল।

- *বেংক জামিনৰ যোগেদি ঋণ ঃ* কেতিয়াবা বেংকে ব্যক্তিগত বিনিয়োগকাৰীক উৎসাহিত কৰিবৰ কাৰণে অন্য দেশৰ পৰা ঋণ গ্রহণ কৰিব পাৰে। ইয়াৰ বাবে তেওঁলোকক সুদ পৰিশোধ কৰে। বিশ্ব বেংকে বিশেষ প্রকল্পৰ বাবে সদস্য দেশসমূহৰ পৰা ঋণ গ্রহণ কৰিব পাৰে। বিশেষকৈ কৃষি, জলসিঞ্চন, যাতায়ত, শক্তি, উদ্যোগ, পানীযোগান আদিৰ বাবে। বিশ্ববেংকে মধ্যমীয়া আৰু দীর্ঘম্যাদী ঋণ সদস্য ৰাষ্ট্রসমূহলৈ আগবঢ়ায়।

বিশ্ব বেংকে কাৰিকৰী কৌশলৰ উন্নয়নৰ বাবে সদস্য ৰাষ্ট্রসমূহ বাচনি কৰিব পাৰে। সাধাৰণ জৰীপৰ দ্বাৰা তেওঁলোকৰ সম্পদৰ পৰিমাণ জানিবলৈ বিশেষজ্ঞ নিয়োগ কৰি সেই দেশৰ অর্থনৈতিক সমস্যা সমাধানৰ ক্ষেত্রত সহায় আগবঢ়ায়।

বিশ্ব বেংকে বহু ডলাৰ সদস্য দেশসমূহক সময় সাপেক্ষে উন্নয়নমূলক প্রকল্পৰ বাবে ঋণ হিচাপে আগবঢ়ায়। বিশেষকৈ এইবিলাক দেশে তেওঁলোকৰ ঋণ বিভিন্ন উন্নয়নমূলক প্রকল্প যেনে – বিদ্যুৎ, যাতায়ত আৰু যোগাযোগ, কৃষি-পানী যোগান ইত্যাদি প্রয়োগ কৰে।

ঋণসমূহ উৎপাদনমূলক উদ্দেশ্যত দিয়া হয়। বিশ্ব বেংকে এই ঋণৰ উৎপাদনমূলক কাম বিশেষকৈ কৃষি, বিদ্যুৎশক্তি, জলসিঞ্চন, যাতায়ত, যোগাযোগ আদিৰ উন্নয়নৰ বাবে প্রদান কৰে। আন্তঃগাঁথনিৰ অবিহনে এখন দেশে আর্থিকভাৱে উন্নত হ'ব নোৱাৰে। ঠিক সেইদৰে বিশ্ব বেংকে উন্নয়নমূলক প্রকল্পৰ সৈতে জড়িত বিদ্যুৎ, যাতায়ত আৰু যোগাযোগ কৃষি পানী যোগ, শিক্ষা ইত্যাদিত ঋণ প্রদান কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বিশ্ব বেংকৰ দুটা লক্ষ্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ বিশ্ব বেংকৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্ব বাণিজ্য সংস্থাৰ চুক্তিয়ে আন্তঃর্জাতিক বাণিজ্যত দ্রব্য আৰু সেৱাৰ সুবিধা আগবঢ়ায়। বর্তমান বিশ্ব বাণিজ্য সংস্থাৰ ১৬৪ খন সদস্য দেশ আছে। বিশ্ব বাণিজ্য সংস্থাৰ সকলো সদস্য দেশৰ বাবে সকলো নীতি নিয়ম বান্ধি দিছে।
- বিশ্ব বাণিজ্য সংস্থাৰ প্রাথমিক লক্ষ্য হ'ল বিশ্বৰ নতুন বাণিজ্য ব্যৱস্থাত প্রত্যেকখন দেশে বিশ্ব বাণিজ্যত সুবিধা লাভ কৰা যাতে উন্নয়নশীল দেশবিলাকে ভাল সমতাপূর্ণ

সুবিধা লাভৰ জৰিয়তে আন্তর্জাতিক প্রসাৰতা প্রয়োজন অনুসৰি বিশ্ব বাণিজ্য সংস্থাত অর্থনৈতিক উন্নয়নত আগবাঢ়ি যাব পাৰে।

- বিশ্ব বাণিজ্য সংস্থাৰ উদ্দেশ্যসমূহ কম বেছি পৰিমানে (GATT) ৰ সৈতে একে। বিশ্ব বাণিজ্য সংস্থাই প্রতিযোগিতামূলক ৰপ্তানি নীতি, বজাৰ প্রৱেশ আৰু মুক্ত বাণিজ্য নীতিত সফল হৈছে।
- বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তি আৰু ইয়াৰ ৰূপায়নৰ সুবিধা প্রদান কৰে। বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্রয়োগ, কার্যকৰণ আৰু প্রশাসনিক সুবিধা প্রদান কৰে।
- বিশ্ব বাণিজ্য সংস্থাই আন্তঃর্জাতিক মুদ্রানিধিৰ সৈতে কার্য পৰিচালনা কৰে। আন্তর্জাতিক বাণিজ্যৰ অঞ্চলসমূহত বিশ্ববেংক আৰু স্বীকৃতিপ্রাপ্ত অনুষ্ঠানে ফলপ্রসু সফলতা লাভ কৰে।
- WTO য়ে নতুন গোলকীয় প্রশাসনৰ কাৰণে বাণিজ্য নীতিত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- বিশ্ব বাণিজ্য সংস্থা আন্তর্জাতিক মুদ্রানিধিৰ সৈতে সংযুক্ত। বিশ্ব বেংক আৰু সিহঁতৰ স্বীকৃতিপ্রাপ্ত অনুষ্ঠান আন্তর্জাতিক বাণিজ্যৰ অঞ্চলসমূহত ভাল ফল দেখুৱায়।
- আন্তঃৰাষ্ট্ৰীয় মুদ্রানিধি এটা মুদ্রা অনুষ্ঠান যিটো বিভিন্ন দেশৰ দ্বাৰা দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত প্রতিষ্ঠা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সমগ্র বিশ্বতে উৎসাহী মুদ্রা সহযোগিতা, বিত্তীয় স্থিৰতা ৰক্ষা কৰা, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুবিধা প্রদান, অধিক নিয়োগ সৃষ্টি, বহনক্ষম অর্থনৈতিক বৃদ্ধি, দৰিদ্রতা হ্রাস কৰা।

  (Source : www.imf.org)
- বিভিন্ন ঐতিহাসিক চর্ত আৰু ঘটনাই আন্তর্জাতিক মুদ্রানিধিৰ প্রতিষ্ঠা কৰিছিল।
- আন্তঃর্জাতিক মুদ্রানিধি ১৯৪৫ চনত আৰম্ভ হৈছিল আৰু ১৯৪৭ চনৰ ১ মার্চৰ পৰাহে কার্য সম্পাদন প্রক্রিয়া আৰম্ভ হৈছিল। ই এটা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত আৰু স্বতফূত অনুষ্ঠান। ইয়াৰ মূখ্য কার্যালয় ৱাশ্বিংটনত। বর্তমানে ইয়াৰ সদস্য দেশৰ সংখ্যা ১৮৯ খন।
- ১৯৪৭ চনৰ ১ মার্চত মুদ্রানিধিৰ কার্য আৰম্ভ হৈছিল তলত উল্লিখিত উদ্দেশ্যৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মৌদ্রিক সহযোগিতা বৃদ্ধি কৰা। বৈদেশিক বিনিময় হাৰৰ সুস্থিৰতা ৰক্ষা, (বৈদেশিক বিনিময় হাৰ হ'ল এটা দৰ যিটোত দেশীয় মুদ্রাৰ সলনি অন্য দেশৰ মুদ্রা সলনি কৰা হয়।) বিনিময় নিয়ন্ত্রণ নাইকীয়া কৰা। (দেশসমূহৰ মাজত মুদ্রাৰ চলাচল নিয়ন্ত্রণ কৰা।) পৰিশোধ ব্যৱস্থা আৰু বহু পাক্ষিক বাণিজ্য প্রতিষ্ঠা কৰা।
- সদস্য দেশসমূহৰ নিম্নতম হ্রস্বকালীন পৰিশোধ সমতাত অভাৰসাম্য নাইকীয়া কৰাৰ ক্ষেত্রত পূঁজিয়ে সহায় কৰে। পুঁজিয়ে সকলো দেশৰ দীর্ঘকালীন পৰিশোধ সমতাৰ অভাৰসাম্যতা নাইকীয়া কৰে। ঋণ দাতাই সদস্য দেশসমূহৰ অর্থনৈতিক আৰু মৌদ্রিক

দিশসমূহত পৰামর্শ আগবঢ়ায়। যিহেতু আন্তর্জাতিক মুদ্রা নিধি এটা বিশেষ স্থান আছে। পুঁজিয়ে সদস্য দেশসমূহৰ অর্থনৈতিক স্থিৰতাত সহায় কৰে।

- মুদ্রানিধিৰ মূলধন সদস্য দেশৰ সামগ্রিক কোটাৰ দ্বাৰা গঠিত হয়। প্রত্যেক সদস্য দেশে ২০ শতাংশ কোটা বা ১০ শতাংশ সোণ জমা থাকিব লাগিব। তাতকৈ কম সোণ থাকিব নালাগিব। সদস্য দেশসমূহক ভাৰসাম্য কোটা অনুসৰি পুঁজি আগবঢ়োৱা হয়।
- আন্তঃর্জাতিক পুনৰ গঠন আৰু উন্নয়ন বেংক (IBRD) বা চমুকৈ বিশ্ব বেংক ১৯৪৪ চনৰ জুলাই মাহত ব্রিটন উড্চ (Bretton Woods)ত অনুষ্ঠিত হোৱা আন্তঃর্জাতিক অর্থনৈতিক সন্মিলনত প্রতিষ্ঠা হয়। ইয়াৰ কাম-কাজ ১৯৪৬ চনৰ জুনত আৰম্ভ হয়। এই বেংকটো হৈছে ৰাষ্ট্রসংঘৰ সৈতে সংযুক্ত হৈ থকা আন্তঃর্জাতিক সমবায় সংগঠন যিটোৰ বিশেষ স্থান থকা অভিকৰণ। বিশ্বৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আৰু সদস্য দেশসমূহৰ অর্থনৈতিক উন্নয়নেই হ'ল ইয়াৰ মূল লক্ষ্য।
- যুদ্ধৰ দ্বাৰা বিধস্ত হোৱা অর্থনীতিৰ উৎপাদনমূলক দিশত মূলধন বিনিয়োগৰ বাবে সদস্য দেশসমূহ পুনৰ গঠন আৰু অর্থনৈতিক উন্নয়নৰ বাবে ঋণ আগবঢ়ায়। সেইবাবে এই বেংকক আন্তঃর্জাতিক পুনৰ গঠন আৰু উন্নয়ন বেংক (IBRD) বা চমুকৈ বিশ্ব বেংক বোলা হয়। কম উন্নয়নশীল দেশবিলাকক উৎসাহিত কৰিবৰ বাবে উৎপাদনমূলক শিতানত ঋণ দিয়ে।
- বিশ্ব বেংক হৈছে আন্তর্জাতিক মুদ্রানিধিৰ ভগ্নী অনুষ্ঠান। বিশ্ববেংকৰ মূল উদ্দেশ্য হ'ল যুদ্ধৰ দ্বাৰা বিধ্বস্থ হোৱা অর্থনীতিৰ উৎপাদনমূলক দিশত মূলধন বিনিয়োগৰ বাবে সদস্য দেশসমূহ পুনৰ গঠন আৰু অর্থনৈতিক উন্নয়নৰ বাবে ঋণ আগবঢ়ায়। (সেইকাৰণে পুনৰ সংগঠন বেংক) আৰু কম উন্নয়নশীল দেশবিলাকক উৎসাহিত কৰিবৰ বাবে উৎপাদনমূলক শিতানত ঋণ দিয়ে। উন্নয়নশীল দেশবিলাকত উন্নয়নৰ বাবে বিনিয়োগ মূলধন যোগানৰ জৰিয়তে উৎপাদনমূলক সম্পদসমূহৰ উন্নয়নৰ বাবে পৰামর্শ আগবঢ়ায়।
- বিশ্ববেংক হ'ল এটা সহযোগী অনুষ্ঠান। আন্তর্জাতিক মুদ্রানিধিৰ সকলো সদস্যই বিশ্ব বেংকৰো সদস্য। সদস্য দেশৰ ১৮৯ খন দেশেই বর্তমান বিশ্ববেংকৰো সদস্য। ইচ্ছা কৰিলে যিকোনো দেশ আন্তর্জাতিক মুদ্রানিধিৰ পৰা পদত্যাগ কৰিব পাৰে আৰু বেংকটোৰ একেৰাহে দীর্ঘম্যাদী সদস্য নহ'বও পাৰে।
- ২ শতাংশ ভাগ সোণ নাই বা আমেৰিকাৰ ডলাৰ বিচাপত পৰিশোধ কৰিব লাগে। প্রত্যেক সদস্য দেশে ১৮ শতাংশ নিজ দেশৰ মুদ্রাৰ হিচাপত দিব লাগে। বাকী ৮০ শতাংশ সদস্য ৰাষ্ট্রৰ পৰা সংগ্রহ কৰা নহয়। কিন্তু বেংকৰ প্রয়োজনত এই পৰিমাণ সদস্য দেশৰ পৰা বিচৰা হয়। বিশ্ব বেংকৰ মূলধন সময়ে সময়ে সদস্য দেশৰ অনুমোদন সাপেক্ষে বৃদ্ধি কৰা হয়।
- বিশ্ব বেংকৰ স্থিৰ সদস্য দেশসমূহৰ সময়ে সময়ে মূলধনৰ পৰিমাণ বৃদ্ধি পাইছে।
- তিনিটা দিশত বিশ্ববেংকে সদস্য দেশক অগ্রিম ঋণ আগবঢ়ায়।
  - ➢ নিজা পুঁজিৰ ঋণ দান

- ঋণ লোৱা মূলধনৰে ঋণদান
- বেংক জামিনৰ যোগেদি ঋণ



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

১) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations*.

২) Paul R. R. (1992) Kalyani Publication, New Delhi, *Monetary Economics.*



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) বিশ্ব বাণিজ্য সংস্থাৰ মূল লক্ষ্য হ'ল বিশ্ব বাণিজ্য সংস্থাত নতুন চুক্তি সন্নিবিষ্ট কৰা।

খ) সকলো দেশেই বিশ্ব বাণিজ্যৰপৰা সুবিধা লাভ কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তি আৰু ইয়াৰ ৰূপায়নৰ সুবিধা প্ৰদান কৰে। বিশ্ব বাণিজ্য সংস্থাই দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্ৰয়োগ, কাৰ্যকৰণ আৰু প্ৰশাসনিক সুবিধা প্ৰদান কৰে।

খ) বিশ্ব বাণিজ্য সংস্থাই বহুপাক্ষিক বাণিজ্য চুক্তিৰ (দুখন দেশতকৈ অধিক) কাৰ্যকৰণ, বাস্তবায়ন আৰু প্ৰশাসনিক সুবিধা প্ৰদান কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰথম বিশ্ব যুদ্ধৰ আগলৈকে স্বৰ্ণমান ব্যৱস্থাই সফলতাৰ কাৰ্য সম্পাদন কৰিছিল। স্বৰ্ণমান ব্যৱস্থা হৈছে এক মৌদ্ৰিক ব্যৱস্থা য'ত দেশৰ মুদ্ৰাৰ এটা মূল্য থাকে যিটো স্বৰ্ণৰ সৈতে জড়িত। স্বৰ্ণমান ব্যৱস্থাত এখন দেশে তেওঁলোকৰ কাগজী মুদ্ৰাসমূহক নিৰ্দিষ্ট হাৰত সোণলৈ পৰিৱৰ্তন কৰিব পাৰে।

খ) প্ৰথম বিশ্বযুদ্ধৰ সময়ত প্ৰায়বোৰ দেশে স্বৰ্ণমান ব্যৱস্থা ত্যাগ কৰিছিল আৰু সামগ্ৰীৰ দৰে স্বৰ্ণ প্ৰবাহত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) পৰিশোধ সমতাত হ্ৰস্বকালীন অভাৱসাম্য নিম্নতম বা নাইকীয়া কৰাত সদস্য দেশসমূহক পুঁজিয়ে সহায় কৰে। সদস্য দেশে বৈদেশিক মুদ্ৰা ধাৰ বা বিক্ৰীৰ ক্ষেত্ৰত পুঁজি বিবেচনা কৰে।

খ) পৰিশোধ সমতাৰ দীৰ্ঘকালীন অভাৰসাম্যতা দূৰ কৰাত সদস্য দেশসমূহক পুঁজিয়ে সহায় আগবঢ়ায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক) যুদ্ধৰ দ্বাৰা বিধ্বস্ত হোৱা অৰ্থনীতিৰ উৎপাদনমূলক দিশত মূলধন বিনিয়োগৰ বাবে সদস্য দেশসমূহ পুনৰ গঠন আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে ঋণ আগবঢ়ায়। (সেইকাৰণে পুনৰ সংগঠন বেংক) আৰু কম উন্নয়নশীল দেশবিলাকক উৎসাহিত কৰিবৰ বাবে উৎপাদনমূলক শিতানত ঋণ দিয়ে।

খ) উৎপাদনমূলক দিশত নিজা মূলধনৰ বাবে প্ৰত্যক্ষ ঋণৰ দ্বাৰা ব্যক্তিগত বৈদেশিক বিনিয়োগ গঠন কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) উৎপাদনমূলক উদ্দেশ্যত মূলধন বিনিয়োগৰ সুবিধাই সদস্য ৰাষ্ট্ৰসমূহৰ পুনৰ গঠন আৰু উন্নয়নত সাহায্য প্ৰদান কৰে।

খ) বৈদেশিক মূলধন যোগানৰ দ্বাৰা উন্নয়নশীল দেশবিলাকৰ উৎপাদনমূলক সম্পদৰ উন্নয়নত উৎসাহ যোগোৱা হয়।



৮.৮ আহিঁ প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ আন্তঃৰাষ্ট্ৰীয় পুনৰ গঠন আৰু উন্নয়ন বেংক চমুকৈ IBRD বা বিশ্ববেংক কোনখন বিট্ৰেন উচ্চ সন্মিলনত গঠন হৈছিল?

প্ৰশ্ন ২ ঃ বিশ্ব বাণিজ্য সংস্থা কোন চনত প্ৰতিষ্ঠা হৈছিল?

প্ৰশ্ন ৩ ঃ ডিচেম্বৰ ১৯৪৫ চনত প্ৰতিষ্ঠা হোৱা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ কাৰ্য কেতিয়া আৰম্ভ হৈছিল?

প্ৰশ্ন ৪ ঃ বিশ্ব বেংকৰ বৰ্তমান মুঠ সদস্য সংখ্যা কিমান?

(খ) চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিশ্ব বেংকৰ মূলনীতিবোৰ ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ বিশ্ব বাণিজ্য সংস্থাৰ উদ্দেশ্যৰ বিষয়ে লিখা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিশ্ব বাণিজ্য সংস্থাৰ কাৰ্যাৱলী আলোচনা কৰা। বিশ্ব বাণিজ্য সংস্থাৰ ভূমিকাৰ বিষয়ে লিখা।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ (International Monetary Fund) উদ্দেশ্যসমূহ ব্যাখ্যা কৰা। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সুবিধাবোৰ ব্যাখ্যা কৰা।

*** ***** ***